● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন

নিজৰ ওপৰত বিশ্বাস ৰাখক। নিজৰ সক্ষমতাক বিশ্বাস কৰক। নিজৰ শক্তিক লৈ এক নমনীয় আৰু যুক্তিপূৰ্ণ বিশ্বাস নাথাকিলে আপুনি কেতিয়াও সফল হ'ব নোৱাৰিব।

নৰ্মেন ভিনচেণ্ট পিয়েল
আমেৰিকাৰ লেখক-ৰাজনীতিক

৭ চাৰি বছৰত ৬৭ হেজাৰ কোটি টকা জব্দ ই ডিৰ
১৫ প্ৰথম যুঁজত পাক প্ৰতিদ্বন্দ্বীক ধৰাশাসী কৰিলে শিৱই
৪ আমিও কম জাতীয়তাবাদী নহওঁ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯০তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৩ শাওণ ১৪২৯ ভাস্কৰাব্দ ৩০ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 30 July 2022 মূল্য ঃ ৯.০০ টকা

■ ধৃতৰ পৰা বহু প্ৰচাৰ পুস্তিকা-কিতাপ-ইলেকট্ৰ'নিক সামগ্ৰী উদ্ধাৰ ■ আৰক্ষী-চোৰাংচোৱাক প্ৰত্যাহ্বান জনাই ২০১৯ৰ পৰা বৰপেটাত খোপনি এবিটিৰ ■ আঠজনক নদিনৰ আৰক্ষী জিম্মালৈ

অসমত বাংলাদেশী জেহাদীৰ দৌৰাত্ম্য

■ তিনি অনুপ্ৰৱেশকাৰী বাংলাদেশী জেহাদীৰ নেতৃত্বত বৰপেটাৰ পৰা এবিটিৰ জাল

ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা
গুৱাহাটী/বৰপেটা, ২৯ জুলাই ঃ অসমত ভয়ংকৰভাৱে শিপাইছে জেহাদীৰ সক্ৰিয়তা। জেহাদী তথা মৌলবাদীৰ বিৰুদ্ধে অসম আৰক্ষীৰ লগতে চোৰাংচোৱা সংস্থা, নিৰাপত্তা বাহিনী আদিৰ নিয়মীয়া অভিযান চলি আহিছে; কিন্তু সেইবোৰক প্ৰত্যাহ্বান জনাই জেহাদীয়ে নিজৰ কাৰ্যকলাপ অব্যাহত ৰাখিছে। অসমত বিশেষ উদ্দেশ্যে লৈ বাংলাদেশৰ পৰাও জেহাদীৰ অনুপ্ৰৱেশ ঘটিছে। সেইসকলৰ নেতৃত্বতে চলা ভাৰতবিৰোধী তৎপৰতাৰ ছবিখন যোৱা দুদিনত বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা গ্ৰেপ্তাৰ হোৱা আঠজন লোকৰ জৰিয়তে উন্মোচিত হৈছে। যোৱা ২৭ আৰু ২৮ জুলাইত জিলাখনৰ ক্ষুদ্ৰ ফালাদি, গৰেমাৰী, ছালেকুৰা, চাপ্ৰা, উত্তৰ চাপ্ৰা, জনীয়া আৰু বণিয়াপাৰাৰ পৰা এই লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। বৰপেটা আৰক্ষী আৰু কে'বাটাও নিৰাপত্তা চোৰাংচোৱা সংস্থাই যৌথ অভিযান চলাই গ্ৰেপ্তাৰ কৰা লোককেইজনে ইতিমধ্যে জেহাদৰ প্ৰশিক্ষণৰ কে'বাটাও স্তৰ অতিক্ৰম কৰিছে। সেইসকলে ভাৰতৰ বিৰুদ্ধে জেহাদ চলাব পৰাকৈ আন বহু লোকক নিজে লোৱা প্ৰশিক্ষণ বিলাই দিছে। বহুতক জেহাদৰ বাবে মানসিকভাৱে সাজু কৰাৰ কাম কৰি আহিছে। সেয়েহে আৰক্ষীয়ে প্ৰশিক্ষণ লাভ কৰা আৰু প্ৰশিক্ষণ গ্ৰহণ কৰি থকা অন্যান্যসকলৰ সন্ধানতো অভিযান তীব্ৰতৰ কৰিছে। আজি বৰপেটা জিলা দণ্ডাধীশৰ আদালতে নদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰা ধৃত লোককেইজন হ'ল— সৰ্থেবাৰী আৰক্ষী থানাৰ অধীনৰ *১০ পৃষ্ঠাত চাওক*

নাম উল্লেখ নকৰাকৈ স্পষ্ট কৰিলে মন্ত্ৰীয়ে

ৰমাকান্তই দিছিল মীন উন্নয়ন নিগমত অবৈধ নিযুক্তি

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ অসম ৰাজ্যিক মীন উন্নয়ন নিগমত বিগত ২০২০ আৰু ২০২১ত সংঘটিত বিয়াগোম নিযুক্তি কেলেংকাৰিত জড়িত আছে বিজেপি বিধায়ক ৰমাকান্ত দেউৰী। কাৰণ সেই সময়ত দেউৰী *১০ পৃষ্ঠাত চাওক*

মহানগৰীৰ ফ্লেটত বিধ্বংসী অগ্নিকাণ্ড

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ মহানগৰীৰ চচলৰ ভিআইপি পথৰ আৱাসিক এপাৰ্টমেণ্ট পেলাচিয়া পাৰ্কত ছয় মহলীয়া এটা ব্লকৰ ওপৰৰ মহলাত আজি পুৱা সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত এটা পৰিয়ালৰ প্ৰায় ২৫ লাখ টকাৰ সা-সামগ্ৰী ভস্মীভূত হয়। পুৱা ১০.০৮ বজাত অৰুণোদয় পথৰ *১০ পৃষ্ঠাত চাওক*

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৩°	২৬°
ডিব্ৰুগড়	৩৪°	২৬°
দিল্লী	৩২°	২৬°
কলকাতা	৩৩°	২৮°
মুম্বাই	৩২°	২৭°
চেন্নাই	৩৪°	২৭°
বাংগালুৰু	৩০°	২১°
শ্বিলং	২৩°	১৯°

২৯ জুলাই, ২০২২

■ মাজুলীৰ ৰান্ধনীশালৰ বাবে ৰাজ্য চৰকাৰে দিব ১৪ কোটি টকা

আৰু নখন জিলাত মধ্যাহ্ন ভোজনৰ দায়িত্ব অক্ষয় পাত্ৰলৈ ঃ মুখ্যমন্ত্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ
যোৰহাট, ২৯ জুলাই ঃ বিদ্যালয়ে বিদ্যালয়ে দুপৰীয়াৰ আহাৰ বিতৰণৰ উদ্দেশ্যে অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ দ্বাৰা নগৰৰ উপকণ্ঠ গড়মূৰ দুলিয়া গাঁৱত স্থাপন কৰা অক্ষয় পাত্ৰৰ এটা অত্যাধুনিক ৰান্ধনীশাল আজি মুকলি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ১৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ৰান্ধনীশাল উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এতিয়াৰে পৰা যোৰহাটৰ বিদ্যালয়সমূহত দুপৰীয়া এই অক্ষয় পাত্ৰত ৰন্ধা আহাৰ বিতৰণ কৰা হ'ব। ইতিমধ্যে বিতৰণৰ কাম আৰম্ভ হৈ গৈছে বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে প্ৰথম অৱস্থাত ১২ হেজাৰ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন বিতৰণ কৰা হ'ব যদিও পৰৱৰ্তী সময়ত ৩০ হেজাৰ ছাত্ৰ-ছাত্ৰীক বিতৰণৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে। অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ ৰান্ধনীশালত প্ৰস্তুত কৰা আহাৰ উৎকৃষ্ট আৰু স্বাস্থ্যসন্মত বুলি দাবী কৰি *১০ পৃষ্ঠাত চাওক*

■ মৈৰাবাৰীত জেহাদীৰ বৃহৎ নেটৱৰ্কৰ উৎস বিচাৰি মৈৰাবাৰীত উপস্থিত এন আই এৰ দল

■ একাংশ মাদ্ৰাছা শিক্ষকৰ ৰাজকীয় জীৱন যাপনৰ ধনৰ উৎসক লৈ দীৰ্ঘদিন চৰ্চা অব্যাহত

মাদ্ৰাছালৈ ক'ৰ পৰা কেনেকৈ আহে ধন?

অগ্ৰদূত বাৰ্তা
মৰিগাঁও/ভুৰাগাঁও, ২৯ জুলাই ঃ মৰিগাঁও জিলাৰ মৈৰাবাৰীত জেহাদী নেটৱৰ্কৰ প্ৰসাৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ মাজতে আজি জিলাখনত উপস্থিত হয় ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (এন আই এ)ৰ তিনিজনীয়া তদন্তকাৰী দল। ভাৰতীয় উপমহাদেশত অল কায়দা (আকিছ)ৰ প্ৰধান গোট বাংলাদেশৰ জেহাদী সংগঠন আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ স'তে যোগাযোগ থকাৰ অভিযোগত আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰা মুফটি মহম্মদ মুস্তাফা আৰু আফছাৰুদ্দিন ভূঞাৰ লগতে আৰক্ষীয়ে আটক কৰা আন ছজনক সোধ-পোছ কৰে। ইয়াৰ ভিতৰত আছে সৰুচলা বান্নাট

মাদ্ৰাছাৰ মুৰব্বী মতিবুৰ ৰহমানসহ মাদ্ৰাছাখনৰ আন পাঁচজনৰ লগতে ধৃত মুস্তাফাৰ ভ্ৰাতৃও। এন আই এৰ লগতে আজি কে'বাটাও আন সংস্থা আই বি, অসম আৰক্ষীৰ বিশেষ শাখা (এছ বি)এ পৃথকে পৃথকে গ্ৰেপ্তাৰ হোৱা দুই জেহাদীক সোধ-পোছ কৰে। অৱশ্যে আজি এই মুহূৰ্তলৈ নতুনকৈ আন কাকো গ্ৰেপ্তাৰ কৰা নাই। উল্লেখ্য যে কালি মৈৰাবাৰীৰ দুখন মাদ্ৰাছাৰ শিক্ষক আটক আৰু গ্ৰেপ্তাৰৰ পাছত ছীল কৰি দিয়া হয়। কালি আৰক্ষীয়ে প্ৰথমতে আটক কৰাৰ পাছত গ্ৰেপ্তাৰ কৰা মুস্তাফাই বহিঃৰাজ্যৰ একাধিক মাদ্ৰাছাত শিক্ষাগ্ৰহণ কৰিছিল। মাদ্ৰাছা শিক্ষা সাং কৰি তেওঁ মৈৰাবাৰী থানাৰ অধীনস্থ লেঙেৰীবাৰী *১০ পৃষ্ঠাত চাওক*

■ মৰিগাঁৱত বৰষা বৰা বৰদলৈক হাতে-লোটে গ্ৰেপ্তাৰ কৰিলে দুৰ্নীতি নিবাৰক শাখাই ■ ৰাইন বাৰৰ পৰা লাখ টকা দাবী ■ ডিব্ৰুগড়ৰ বাসগৃহত তালাচী ■ ছীল কৰি দিলে আৰক্ষীয়ে

উৎকোচ লৈ ধৰা পৰিল আবকাৰী অধীক্ষক

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
মৰিগাঁও/ডিব্ৰুগড়, ২৯ জুলাই ঃ মৰিগাঁও জিলাৰ আবকাৰী অধীক্ষক বৰষা বৰা বৰদলৈক আজি নিজৰ কাৰ্যালয়তে ২০ হেজাৰ টকা উৎকোচ লোৱা অৱস্থাত তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই হাতে-লোটে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জনোৱা মতে, অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত অনুসৰি পঞ্চায়ত অঞ্চলত থকা ৰাইন বাৰসমূহ ৰাইন শ্বপলৈ পৰিৱৰ্তন কৰিব লাগে। অসম চৰকাৰৰ সেই সিদ্ধান্তক সোণৰ কণী পৰা হাঁহ বুলি ভাবি মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ পালিগুৰিত থকা এখন ৰাইন বাৰৰ অনুজ্ঞাপত্ৰ ৰূপান্তৰিত কৰাৰ বাবে ধৃত বৰদলৈয়ে এক লাখ টকা উৎকোচ দাবী কৰে। ৰাইন বাৰখনৰ স্বত্বাধিকাৰী চিন্ময় তামুলীয়ে এই ধন দিবলৈ মান্তি নোহোৱাত পাছত তেওঁ ৭৫ হেজাৰ টকাতে মান্তি হয়। বিতৰ্কিত আবকাৰী অধীক্ষক বৰদলৈয়ে এক লাখৰ পৰা দৰ-দাম কৰি অৱশেষত ৬০ হেজাৰ টকাত মান্তি হয়। আবকাৰী অধীক্ষকৰ উৎকোচ দাবীৰ *১০ পৃষ্ঠাত চাওক*

গুৱাহাটীত পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ পেঞ্চনাৰ সকলে সন্মুখীন হৈ অহা কষ্ট লাঘৱ কৰা আৰু পেঞ্চন প্ৰদান প্ৰক্ৰিয়াটো সুশৃংখলিত কৰাৰ লক্ষ্যৰে এমট্ৰ'নে স্থাপন কৰা কামৰূপ (মহানগৰ) জিলাৰ পেঞ্চন সেৱা কেন্দ্ৰটো আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলা *১০ পৃষ্ঠাত চাওক*

■ ৰাজ্যৰ নিৰ্দিষ্ট একাংশ জিলা বাৰে বাৰে হৈছে জেহাদীৰ লক্ষ্য ■ নতুন নতুন সংগঠনৰ তৎপৰতা ■ অসমত সংসাৰো পাতি লৈছে

ভাষা-ধৰ্ম-খাদ্যাভ্যাস-পোছাকৰ সাদৃশ্যৰ সুযোগ গ্ৰহণ জেহাদীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ ৰাজ্যত পুনৰ জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত কে'বাজনো লোকক গ্ৰেপ্তাৰৰ ঘটনাই অসমৰ নিৰাপত্তা ব্যৱস্থাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। লক্ষ্যণীয় দিশটো হ'ল যে জেহাদ তথা জেহাদীৰ তৎপৰতাৰ ক্ষেত্ৰত ৰাজ্যৰ নিৰ্দিষ্ট কেইখনমান জিলাৰ নামহে সঘনে চৰ্চালৈ আহে। তাৰ ব্যতিক্ৰম এইবাৰো হোৱা নাই। যোৱা দুদিনত অসম আৰক্ষীয়ে আনছাৰউল্লাহ বাংলা টীম (এবিটি) নামৰ জেহাদী সংগঠনটোৰ মৰিগাঁও আৰু বৰপেটাত থকা দুটা 'মডিউল' ধৰা পেলাবলৈ সক্ষম হয়। বৰপেটাত আঠজন লোকক জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। বৰপেটা আৰক্ষীয়ে সদৰী *১০ পৃষ্ঠাত চাওক*

অসমীয়া বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিব ■ অবৈজ্ঞানিক সিদ্ধান্ত বাতিলৰ দাবী

বিজ্ঞান আৰু গণিত বিষয় ইংৰাজীত পাঠদানৰ তীব্ৰ বিৰোধিতা দল-সংগঠনৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ চৰকাৰী বিদ্যালয়সমূহত দ্বৈত মাধ্যম প্ৰৱৰ্তনৰ অসম কেবিনেটৰ কালিৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে বিভিন্ন দল-সংগঠনে। এক বিবৃতিত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ কেবিনেটে অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত পাঠদানৰ সিদ্ধান্ত অবিবেকী আৰু স্ববিৰোধী। বিবৃতিত কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণাপ্ৰতাপ বৰুৱা আৰু সাধাৰণ সম্পাদক চাংমায়ে কয় যে ৰাজ্য চৰকাৰৰ কেবিনেটে গ্ৰহণ কৰা সিদ্ধান্ত কাৰ্যকৰী হ'লে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কি পৰ্যায়ত উপকৃত *আঠ পৃষ্ঠাত চাওক*

উৎকোচ লোৱা অৱস্থাতে হাতে-লোটে গ্ৰেপ্তাৰ আৰু এজন কৰ্মচাৰী

এহেজাৰ টকা লৈ জালত

অগ্ৰদূত বাৰ্তা
মৰাণ, ২৯ জুলাই ঃ ডিব্ৰুগড় জিলাৰ খোৱাং খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত সহায়ক হিচাপে থকা এজন প্ৰধান শিক্ষকে এজন শিক্ষকৰ পৰা উৎকোচ লৈ থকা অৱস্থাতে আজি মুখ্যমন্ত্ৰীৰ *১০ পৃষ্ঠাত চাওক*

■ ৰাষ্ট্ৰপতি নিৰ্বাচনত ভোট বিভাজনক লৈ নেতা-কৰ্মীয়ে দিব নোৱাৰিব মন্তব্য ঃ কংগ্ৰেছ

কটাক্ষ কৰি এইবাৰ মন্তব্য কৰিলে মুখ্যমন্ত্ৰীয়ে

হৈ-চৈ কৰিবলগীয়া কি আছে, মোৰ ওচৰলৈ আহিলে তালিকা দি দিম

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ সদ্য সমাপ্ত দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত এনডিএৰ প্ৰাৰ্থী তথা দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে অসমৰ বিৰোধী শিবিৰৰ পৰা ২২ টাকৈ ভোট লাভ কৰাৰ প্ৰসংগত আজিও উত্তপ্ত হৈ আছে ৰাজ্যৰ ৰাজনীতি। তাৰ মাজতে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই প্ৰসংগত কংগ্ৰেছৰ নেতা-কৰ্মীক কোনো মন্তব্য প্ৰকাশ নকৰিবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰাক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কংগ্ৰেছ সভাপতি বৰাই নিজৰ মুখা খোল খোৱাৰ ভয়তে সম্প্ৰতি কংগ্ৰেছৰ নেতা-কৰ্মীৰ মুখ বন্ধ কৰিছে বুলি ক্ষুৰধাৰ সমালোচনা কৰিছে বিজেপি-এআইইডিএফৰ বিধায়কে। উল্লেখ্য যে এই সমগ্ৰ বিষয়টো সম্প্ৰতি *১০ পৃষ্ঠাত চাওক*

■ সহযোগী ভাৰতীয় বক্সাৰৰ স'তে এঘণ্টা সময় টেক্সি বিচাৰি কটালে ■ ঘটনাক লৈ অসন্তুষ্ট বক্সিং ফেডাৰেছনৰ উপ-সভাপতি

কমনৱেলথ গেমছৰ উদ্বোধনী অনুষ্ঠান আধাতে এৰি দিশহাৰা লাভলীনা

পুৱাতে অনুশীলন কৰিবলৈকে আঁতৰি আহিছিলো



■ নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ অলিম্পিকত ব্ৰঞ্জ পদকপ্ৰাপ্ত ভাৰতীয় বক্সাৰ লাভলীনা বৰগোহাঁয়ে কালি কমনৱেলথ গেমছৰ উদ্বোধনী অনুষ্ঠান আধাতে এৰি গেমছ ভিলেজলৈ উভতিবলৈ চেষ্টা চলায় যদিও প্ৰায় এঘণ্টা সময় দিশহাৰা হৈ পৰে। গেমছ ভিলেজলৈ উভতিবলৈ টেক্সি বিচাৰি অসহায় অৱস্থাৰ মাজত কটাবলগীয়া হয় লাভলীনা আৰু আন এজন ভাৰতীয় বক্সাৰ। যোৱা নিশা দুঘণ্টাজোৰা উদ্বোধনী অনুষ্ঠানৰ মাজতে লাভলীনা আৰু আন এজন ভাৰতীয় বক্সাৰ মহম্মদ হুছামুদ্দিনে আগতীয়াকৈ কাৰ্যসূচীস্থলী আলেকজেণ্ডাৰ ষ্টেডিয়ামৰ পৰা গেমছ ভিলেজলৈ উভতিবলৈ সিদ্ধান্ত লয়। ষ্টেডিয়ামৰ পৰা গাড়ীৰে গেমছ ভিলেজলৈ দূৰত্ব আধা ঘণ্টা সময়ৰ। উদ্বোধনী *১০ পৃষ্ঠাত চাওক*

চেঙা তেল



ইমান চাপৰ মাজত যদি কেইটামান কেলেংকাৰি নকৰোৱেই তেন্তে মন্ত্ৰী হৈ আৰু কিডাল হ'ব!

■ অৱশেষত ভাৰতীয় সেনাই ত্যাগ কৰিব বিপজ্জনক মিগ যুদ্ধবিমান ■ বায়ুসেনাৰ দাবী মানি ল'লে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ■ দুশটাৰো অধিক দুৰ্ঘটনা সংঘটিত ঃ বহু পাইলটৰ অকাল মৃত্যু

ইমান পুৰণি গাড়ীও কোনোৱে নচলায়!

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ২৯ জুলাই ঃ বিগত শতাব্দীৰ ছয় দশকৰ আৰম্ভণিতে তদানীন্তন ছোভিয়েট ৰাছিয়াৰ পৰা ভাৰতে ক্ৰয় কৰিছিল মিগ যুদ্ধবিমান। এই যুদ্ধবিমান ব্যৱহাৰৰ ফলত বায়ুসেনাৰ পাইলটৰ জীৱন বহু সময়ত বিপদাপন্ন হৈছে বুলি দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপিত হৈ আহিছে। প্ৰাক্তন বায়ুসেনা মুৰব্বী বি এছ ধানোৱাই আনকি প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙক প্ৰকাশ্যে এই অভিযোগ দাখিল কৰিছিল। ২০১৯ৰ এক আলোচনাচক্ৰত মন্ত্ৰী সিঙক উদ্দেশি ধানোৱাই কৈছিল, '৪৪ বছৰ অতিক্ৰম কৰাৰ পাছতো আমি এতিয়াও মিগ-২১ চলাই আছো। ইমান পুৰণি গাড়ীও কোনেও নচলায়!'

কালি ৰাজস্থানৰ বাড়মেৰত মিগ-২১ এখন ধ্বংসপ্ৰাপ্ত হৈ দুজন পাইলটৰ জীৱনহানিৰ ঘটনাই পুনৰ প্ৰতীয়মান কৰিলে যে তিনি বছৰতো পৰিস্থিতিৰ কোনো সলনি নহ'ল। উইং কমাণ্ডাৰ এম ৰাণা আৰু ফ্লাইট লেফটেনেণ্ট আদিত্য *১০ পৃষ্ঠাত চাওক*

শিক্ষকৰ মৰ্যাদা প্ৰদানৰ দাবী কৰা টিউটৰক সকীয়নি দি স্থিতি স্পষ্ট কৰিলে মুখ্যমন্ত্ৰীয়ে

টিউটৰসকল শিক্ষক হ'বই নোৱাৰে, আদালতে গম পালে তাকো হেৰুৱাব

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ জুলাই ঃ 'শিক্ষক'ৰ মৰ্যাদা বিচাৰি যোৱা ২১ জুলাইত কাহিলিপাৰাস্থিত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ চৌহদ হেজাৰ হেজাৰ টিউটৰৰ প্ৰতিবাদত কঁপি উঠাৰ পাছতে এই সন্দৰ্ভত আজি চৰকাৰৰ স্থিতি স্পষ্ট কৰি দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। যোগ্যতা অবিহনে টিউটৰসকলক 'শিক্ষক'ৰ মৰ্যাদা প্ৰদান কৰা নহয় বুলি তেওঁ লগতে স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে প্ৰাদেশিকীকৰণ আইন-২০১১ৰ সংশোধিত আইন, ২০১২ আৰু ২০১৩ৰ অধীনত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণৰ ব্যৱস্থাত বাদ পৰি ৰোৱা ৰাজ্যৰ কে'বা হেজাৰ শিক্ষকক চৰকাৰে ২০২১ৰ ফেব্ৰুৱাৰীত 'টিউটৰ' হিচাপে নিযুক্তি প্ৰদান কৰিছিল। *১০ পৃষ্ঠাত চাওক*

যুৱকক হত্যা কৰি মৃতদেহ পেলাই দিলে পুখুৰীত

বৰপেটাত নৃশংস হত্যা

বিশেষ সংবাদদাতা
বৰপেটা, ২৯ জুলাই ঃ বৰপেটা জিলাৰ নগাঁৱত এজন যুৱকক দ্ৰুতই হত্যা কৰি মৃতদেহ পুখুৰীত পেলাই দিয়াৰ ঘটনা পোহৰলৈ আহিছে। যুৱকজন নগাঁৱৰ ৰাজাবাৰীৰ প্ৰফুল্ল পাঠকৰ পুত্ৰ কৃষ্ণ পাঠক বুলি চিনাক্ত কৰা হৈছে। আজি উদ্ধাৰ হোৱা মৃতদেহটো নিশা দামোবাবোৱাৰ এটা পুখুৰীত পেলাই দিয়াৰ *১০ পৃষ্ঠাত চাওক*

অসম বিদ্যুৎ সংচৰণ নিগম লিমিটেড

[illegible]

ASSAM ELECTRICITY GRID CORPORATION LIMITED

NOTICE INVITING TENDER

[illegible]

ASSAM ELECTRICITY GRID CORPORATION LIMITED

NOTICE INVITING TENDER

[illegible]

LOST

I have lost my H.S.L.C mark sheet bearing Roll-B19-044 No-0117, year 2019 and H.S. registration certificate No-018221 year 2019-20 and Mark sheet Roll-0157 No-20214 year 2021.

Runa Laila
D /o Rahiz uddin
Vill. Govindapur
P.O. Sitoli. P.S. Baghbar.
Dist :Barpeta.

AFFIDAVIT

I Narayan Talukdar resident of Pathsala, ward no 04, Bajali vide notary Pathsala dated 20/07/2022 do affirm that my wife's name is wrongly recorded as Nani Kalita in some documents instead of Nanimani Talukdar. The correct name of my wife is Nanimani Talukdar and she will be known by this name only for all future purposes. Her DOB is 31/12/1986.

LOST

I have lost my H.S. Marksheet bearing Roll-0280 No-10236 of 2014.

Neha Doley
Majuli

I have lost my H.S. Marksheet bearing Roll-B008 No-50142 of 2013.

Arup Sengupta
Sapatgram

জানৰী

[illegible]

Janasanyog/D/9365/22

SHORT NOTICE INVITING TENDER

Sealed tender eventually to be drawn on F-2 form affixing Non-Refundable court fee stamps of Rs. 8.25 (Rupees Eight & Paise twenty Five) only and with a validity period 180 (one eight zero) days are invited from **Registered contractor from RHAC** as per condition shown in each A/A letter circulated from RHAC, Secretariat for the various works under RHAC constituency and having valid Registration of Assam P.W.D (Bldg.) wing for I (A,B,C), II & III category contractor. (Details list work will be seen in the office of the Executive Engineer, P.W.D. Goalpara Dist. & South Salmara Mankachar Dist. Territorial Building Division, Goalpara in office working days only) and the tender will be received in the office of the undersigned upto 14.00 hours on **05-08-2022** and same will be opened on same date and place at 15.00 hours.

Note:-

1. Details particulars and tender papers will be issued to the eligible contractor or their authorized person with attested signature in application form on presentation of the following documents with payment in current I.P.O duly pledged in favour of Executive Engineer, P.W.D. Goalpara Building Division, Goalpara from this office of the undersigned as mentioned above during the office hours from **03-08-2022 to 04-08-2022.**

i) Valid Registration certificate from RHAC. (ii) Valid Registration Certification from APWD (Bldg), Class -I (A,B,C), II & III iii) CST Registration (iv) PAN CARD, (v) Upto date Labour Licence (vi) EPF Registration.

2. If for any reason last date of receiving or issuing tender paper is declared holiday / Bandh tender will be received and opened on next working days.

3. Rate should be quoted on flat percentage basis At Per/Above/Below than the Delhi schedule of rates for the year 2021 of all Division under PWD Assam.

4. The undersigned will be sole authority for reject or accept any or all tender without showing any reason and not bound to accept the lowest tender.

5. The short NIT will form part of the contact agreement.

6. GST /Cess etc. will be recovered from bill as per Govt. Circular.

7. Tenderer will have to deposit 2% (Two) P.C for General & 1% (One) P.C for SC/ST/OBC as earnest money in the from of NSC/KVP/T.D/F.D/C.D received from any Nationalized Bank pledge to the undersigned and furnished the same alongwith the tender paper.

Executive Engineer, P.W.D.
Goalpara Dist. & South Salmara Mankachar Dist.
Territorial Building Division, Goalpara.

Janasanyog/C/7291/22

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।

জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556, 9957066469.

[illegible]

Principal i/c
Govt. College of Art & Crafts.
Assam, Bamunimaidam, Guwahati-21

Janasanyog/D/9337/22

SHORT NOTICE INVITING TENDER

[illegible]

Janasanyog/D/9365/22

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

১৩ শাওণ শনিবাৰ ৩০ জুলাই

সূৰ্যোদয় ঃ ঘঃ ৪।৫০।৪২, **সূৰ্যাস্ত ঃ** ঘঃ ৬।৮।২৫। **তিথি ঃ** শুক্লা দ্বিতীয়, দং ৫১।৪।১৯ ৰাঘঃ ১।১৬।২৬ **নক্ষত্ৰ ঃ** অশ্লেষা, দং ১৭।১৯।৫০ ঘঃ ১১।৪৬।৩৮। **যোগ ঃ** ব্যতীপাত, দং ৩৬।৩৮।৩৪ ৰাঘঃ ৭।৩০।৮। **কৰণ ঃ** বালৱ। **জন্মত ঃ** কৰ্কটৰাশি, বিপ্ৰবৰ্ণ, দেৱাৰিগণ বৰাহৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী বুধৰ দশা, ঘঃ ১১।৪৬।৩৮ যোৱাত সিংহৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, বান্দৰৰ অস্থি, অষ্টোত্তৰ মণ্ডল, বিংশোত্তৰী কেতুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্ত যোগ, মতান্তৰে ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষ ঃ** দ্বিপদ, ৰাঘঃ ঘঃ১।১৬। ২৬ যোৱাত এপদ। **যোগিনী ঃ** উত্তৰত ৰাঘঃ১।১৬।২৬ যোৱাত অগ্নিকোনত। **যাত্ৰা ঃ** নাই, ব্যতীপাতযোগ দোষ, ৰাঘঃ ৭।৩০।৮ যোৱাত মধ্যম, পূব নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** তিতাভেকুৰী, ৰাঘঃ ১।১৬।২৬ যোৱাত পটল খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ যিকোনো শুভ কৰ্মৰ পৰা বিৰত থাকক। হাতলৈ ধন আগমনৰ সম্ভৱনা আছে। শুভ ৰং হালধীয়া। শুভ সংখ্যা ১।

বৃষ ঃ কৰ্মক্ষেত্ৰৰ সূত্ৰে বিদেশ যাত্ৰাৰ যোগ আছে। পুৱা-গধূলি শিৱৰ জপ কৰক। ৰঙা বস্ত্ৰ পৰিধান কৰিব। শুভ ৰং ৰঙা, শুভ সংখ্যা ৮।

মিথুন ঃ দিনটো শুভ। নতুন সংবাদ পাব পাৰে। যাত্ৰা কৰিলে দুপৰীয়া ১২ টাৰ পাছত কৰক। শুভ ৰং হালধীয়া, শুভ সংখ্যা ২।

কৰ্কট ঃ অৰ্থপ্ৰাপ্তিৰ ক্ষেত্ৰত সৰু-সুৰা বাধাৰ সন্মুখীন হ'ব পাৰে। শিক্ষাৰ্থীৰ ক্ষেত্ৰত অলপ সৰ্কত থাকাক। শুভ ৰং বস্ত্ৰ গুলপীয়া। শুভ সংখ্যা ৫।

সিংহ ঃ কৰ্মস্থানত অত্যাধিক কামৰ প্ৰভাৱ পৰিব পাৰে। আৰ্থিক উন্নতি নিশ্চিত। শুভ ৰং বগা। শুভ সংখ্যা ৭।

কন্যা ঃ আৰ্থিক দিশত মধ্যমীয়া। দূৰ সংবাদে আনন্দিত কৰিব পাৰে। ভ্ৰমণত শুভ। শুভ, ৰঙা ৰং। শুভ সংখ্যা ৩।

তুলা ঃ দিনতো মধ্যমীয়া। প্ৰেমত শুভ। সন্ধিয়া তুলসীৰ তলত চাকি জলাব। শুভ ৰং বেঙুণীয়া। শুভ সংখ্যা ২।

বৃশ্চিক ঃ অৰ্থ আগমনত বাধাৰ সৃষ্টি হ'ব পাৰে। আকস্মিক হোৱা ঘটনাই আনন্দনিত কৰিব। শুভ, ৰং নীলা, শুভ সংখ্যা ৬।

ধনু ঃ শৰীৰটোৰ প্ৰতি যত্ন লোৱাৰ প্ৰয়োজন। মানসিক অশান্তিত ভুগিব পাৰে। যাত্ৰা কৰিলে পূব দিশৰ পৰা কৰিব। কৰ্মত উন্নতিৰ যোগ শুভ ৰং নীলা। শুভ সংখ্যা ৫।

মকৰ ঃ শৰীৰটো আগতকৈ কিছু উন্ন হ'ব। পুৰণি ৰোগ আদিৰ পৰা মুক্ত হ'ব। নতুন সংবাদে আনন্দিত কৰিব। শুভ ৰং মেৰুণ। শুভ সংখ্যা ৮।

কুম্ভ ঃ কৰ্মত উন্নতিৰ যোগ আছে। শিক্ষাৰ্থীৰ বাবে সময়টো ভাল নহয়। ৰাতি নিৰামিষ আহাৰ গ্ৰহণ কৰক। শুভ ৰং কমলা। শুভ সংখ্যা ৮।

মীন ঃ কৰ্মত বাধা আছে। যিকোনো কাম কৰাৰ আগতে ভাবি-চিন্তি আগবাঢ়ক। পুৱা-গধূলি শিৱ মন্ত্ৰ জপ কৰকক। শুভ, ৰং বগা। শুভ সংখ্যা ৪।

শব্দ-বেহু ঃ ৩০ জুলাই ২০২২



[illegible]

চিঠি

চিঠি নং: চি.এচ.চি/বি/[illegible] তাৰিখ: ১৮/০৭/২০২২

জানৰী

বি.টি.চ্যাৰ চলকাৰ সমূহ হস্তাত পশ্চিমৰ বিভিন্নীক জনোৱা হয় যে অসম অসমীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ শিশিৰী গকলৰ বাবে সুৰক্ষিত কৰাৰ অৰ্থে মোৱা ১৯ জুলাই, ২০২২ তাৰিখে 'বলিষ্ঠ নাৰী' শীৰ্ষক এটি অনলাইন পঞ্চিল শুভ উদ্বোধন কৰিছে। পঞ্চিলে হস্তাত বয় উৎপাদনৰ সমস্ত অধিক সকলো শিশিৰীয়ে "swanirbharnaari.assam.gov.in" অনলাইন পঞ্চিলৰ অধিকাৰত নিজৰ নাম পঞ্জীয়ন কৰি নিজৰ হাতশালত উৎপাদিত বস্ত্ৰ, যেনে :- গামোচা, ৰিহা, পাছৰী, পাছোৱা, কৰ্মি পৰ, ৰাজা পতাকা, ডিমাচা বিহাচাদৰ, জিৰা কলি আদি উপযুক্ত দামত বিক্ৰী কৰিব পাৰিব। এই পঞ্জীয়ন অভিযান ১৯ জুলাই, ২০২২ ৰ পৰা ৩০ সেপ্তেম্বৰ ২০২২ লৈ থাকিব বাকিবা। মিছলীয়া নিয়ন্ত্ৰণ কেন্দ্ৰভিত্তিক পৰিদৰ্শকৰ তথ্যৰ ভিত্তি কৰি পঞ্জীয়ন অনুমোদন কৰা হব।

অনলাইন পঞ্চিলত পঞ্জীয়ন কৰিবলৈ শিশিৰী হস্তাৰী অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব। শিশিৰী সকাৰীৰ আধাৰকাৰ্ড, ভোটাৰকাৰ্ড আৰু ব্যাংকৰ্ড উপৰত কেৱল পাছবুক থকাৰ দৰকাৰ।

বিতং তথ্য! আৰিবলৈ "swanirbharnaari.assam.gov.in" অনলাইন পঞ্চিলত চাব পাৰিব। অধিকৰ জানিবলৈ তলত উল্লেখ কৰা ঠিকনা কিম্বা তথ্য সকুমাত অৰ্পিত কৰ্মীসকলে যোগাযোগ কৰিব পাৰে :-

১) সহকাৰী সঞ্চালক, হস্তাত আৰু বয়নশিল্প
২) অধীক্ষক, হস্তাত আৰু বয়নশিল্প।
৩) অধীক্ষক, হস্তাত বস্ত্ৰ উৎপাদন কেন্দ্ৰ।
৪) পৰিদৰ্শক, শিশিৰী সন্ধানাৰ্থ সেৱা কেন্দ্ৰ।

তাৰিখ
(নিৰ্মাল্য সেৱাৰী)
সঞ্চালক বি.টি.চি
হস্তাত আৰু বয়নশিল্প, কামৰূপ।

[illegible]

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩০ জুলাই, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

তামুলপুৰত গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণত ব্যাপক দুৰ্নীতি

আৰটিআইৰ জৰিয়তে পোহৰলৈ আহিল কেলেংকাৰিৰ তথ্য

অগ্ৰদূত বাৰ্তা,
তামুলপুৰ, ২৯ জুলাই ঃ যি সময়ত ৰাজ্যৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শূন্য সহনশীলতাৰ কথা কৈ দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে সেই সময়তে তামুলপুৰ ছয় পৃষ্ঠাত চাওক

জ্যেষ্ঠ নাগৰিকক দুৰ্ব্যৱহাৰ কৰা নাজিৰক চাকৰিৰ পৰা নিলম্বনৰ দাবী

অগ্ৰদূত বাৰ্তা
মাটিয়া, ২৯ জুলাই ঃ গোৱালপাৰা উপায়ুক্ত কাৰ্যালয়ৰ নাজিৰ পদত থকা প্ৰবীৰ কুমাৰ দেৱনাথৰ অভদ্ৰ আচৰণৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে গোৱালপাৰা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু জিলা পেঞ্চনাৰ সন্থাই। এই সন্দৰ্ভত দুয়োটা জ্যেষ্ঠ নাগৰিকৰ সংগঠনৰ সঁজাতী দল এটাই আজি যৌথভাৱে গোৱালপাৰাৰ নৱ নিযুক্ত জিলা উপায়ুক্তক সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা ছয় পৃষ্ঠাত চাওক

বঙাইগাঁৱত মন্ত্ৰী পীযুষ হাজৰিকাই মুকলি কৰিলে পেঞ্চন সেৱা কেন্দ্ৰ

অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ২৯ জুলাই ঃ বঙাইগাঁও জিলাত আজি জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই 'কৃতজ্ঞতা' ডিজিটেল প'টেলযোগে পেঞ্চনৰ কাম সমাধা কৰা 'পেঞ্চন সেৱা কেন্দ্ৰ' এটি মুকলি কৰে। কেন্দ্ৰটো পুৰণি বঙাইগাঁও হাইস্কুলৰ পৰা চলোৱা হ'ব। এই উপলক্ষে বঙাইগাঁও বীৰঝৰা পাব্লিক লাইব্ৰেৰীত অনুষ্ঠিত সভাত অনলাইন পেঞ্চন সেৱা কেন্দ্ৰটো মুকলি কৰা হয়। পেঞ্চন সেৱা কেন্দ্ৰটো মুকলি কৰি দিয়া ভাষণত মন্ত্ৰী হাজৰিকাই কয় যে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশাসনিক সংস্কাৰৰ ফলস্বৰূপে এই কেন্দ্ৰটো ছয় পৃষ্ঠাত চাওক

মৰিগাঁৱত পেঞ্চন সেৱা আৰু কৃতজ্ঞতা ৰেবছাইট মুকলি কৰি মন্ত্ৰী কেশৰ মহন্তৰ দাবী

এই চৰকাৰত সকলোৰে পৰিৱৰ্তন আহিছে

অগ্ৰদূত বাৰ্তা
মৰিগাঁও ২৯ জুলাই ঃ 'বৰ্তমান চৰকাৰৰ কাৰ্যকালত সকলোৰে জীৱনলৈ পৰিবৰ্তন আহিছে। সময় আৰু টকা খৰচ নোহোৱাকৈ সকলো সমস্যা ঘৰতে বহি সমাধান কৰিব পৰা পৰিৱেশ আহিছে।' এই মন্তব্য অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি লগতে মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কেশৰ মহন্তই। আজি মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ চৌহদত এটা পেঞ্চন সেৱা কেন্দ্ৰ আৰু কৃতজ্ঞতা নামেৰে ৰেবচাইট মুকলি কৰি মন্ত্ৰীজনে কয় যে এতিয়াৰ পৰা পেঞ্চন পোৱা কৰ্মচাৰীসকলৰ চিন্তা দূৰ হ'ল। কোনেও পেঞ্চনৰ বাবে বিষয়া-কৰ্মচাৰীৰ টেবুলৰ ওচৰত বোন্দাপৰ দিবলগীয়া নহয়। এই কেন্দ্ৰৰ যোগেদি অৱসৰপ্ৰাপ্ত আৰু অৱসৰৰ বাবে ছমাহমান বাকী থকা বিষয়া-কৰ্মচাৰীসকলৰ বিভিন্ন দিশসমূহ চোৱাচিতা কৰি যথা সময়ত পেঞ্চন লাভ কৰিব পৰাকৈ সকলে দিশৰ সহায় আগবঢ়োৱা হ'ব। এই কেন্দ্ৰটোত পেঞ্চনাৰ সকলে যাতে অলপ জিৰণি লৈ আৰামেৰে নিজৰ নথি পত্ৰ জমা দিব পাৰে তাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে বুলি কয় মন্ত্ৰীজনে। আনহাতে, আজি মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ চৌহদত অনুষ্ঠিত উক্ত অনুষ্ঠানত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ নিপুণ, মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া বুলি গগৈ, পেঞ্চন সেৱা কেন্দ্ৰৰ নডেল বিষয়া হাবিবা উল্লাহ, বিভাগীয় মূৰব্বী বিষয়া, পেঞ্চনাৰৰ লগতে বহু সংখ্যক শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে। আনহাতে, মন্ত্ৰী মহন্তই আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে মৰিগাঁও জিলা শিক্ষা বিভাগৰ কাৰ্যালয় চৌহদত পেঞ্চন সেৱা কেন্দ্ৰ আৰু 'কৃতজ্ঞতা' ৰেবছাইট মুকলি কৰে যদিও উক্ত পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন আৰু উদ্বোধনী অনুষ্ঠানৰ বাবে অসম চৰকাৰে প্ৰয়োজনীয় পুঁজি যোগান নধৰা বুলি অভিযোগ উত্থাপন হৈছে। যাৰ বাবে মৰিগাঁও শিক্ষা বিভাগে একাংশ প্ৰধান শিক্ষকৰ পৰা বৰঙণি সংগ্ৰহ কৰি অনুষ্ঠান আয়োজন কৰিবলগীয়া হোৱাটো পৰিতাপৰ বিষয়ৰূপে বিবেচিত হৈছে।

সহকাৰী খণ্ড উন্নয়ন বিষয়া, আৰক্ষীৰ উপস্থিতিত পৰিস্থিতি নিয়ন্ত্ৰণ

ধনুভাঙাত বিলাতী সুৰাৰ 'বিপণী-বাৰ' স্থাপনৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা
দুধনৈ, ২৯ জুলাই ঃ গোৱালপাৰা জিলাৰ ধনুভাঙাত বিলাতী সুৰাৰ 'বিপণী-বাৰ' স্থাপনৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে তীব্ৰ উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। ধূপধৰা থানাৰ অন্তৰ্গত ধনুভাঙাৰ দুৰামাৰী গাঁৱত দুদিন পূৰ্বে এখন বিলাতী সুৰাৰ বিপণীৰ লগতে 'বাৰ' গাঁওখনৰ দীপক কছাৰী নামৰ এগৰাকী ব্যক্তিৰ গৃহৰ চৌহদত নীনা ৰাভা নামৰ এগৰাকী যুৱতীয়ে বিভাগীয় অনুমতি লৈ মুকলি কৰে । এই কাৰ্যত তীব্ৰ ছয় পৃষ্ঠাত চাওক

খাতিকুছি পঞ্চায়তত একাংশ বিকলাংগ আৱাস গৃহৰ পৰা বঞ্চিতৰ অভিযোগ

মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক বঞ্চিত হিতাধিকাৰীয়ে গৃহ দিয়াৰ আহ্বান

অগ্ৰদূত বাৰ্তা
ঘগ্ৰাপাৰ, ২৯ জুলাই ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৬ নম্বৰ খাতিকুছি গাঁও পঞ্চায়তত সদ্য আৱন্টিত প্ৰধানমন্ত্ৰী আৱাস গৃহত একাংশ বিকলাংগ লোক বঞ্চিত হোৱাৰ বিপৰীতে একাংশ চৰকাৰী চাকৰিয়াল লোকৰ নামত গৃহ অনুমোদন হোৱাৰ অভিযোগ উত্থাপিত হৈছে। খাতিকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত ভিঠামহল গাঁৱৰ শইকীয়া চুবুৰিৰ একাংশ অন্ধ, খোৰা, কলা বিকলাংগ, বিধবা, দিনহাজিৰা কৰা লোক বঞ্চিত হোৱাৰ গুৰুত্ব অভিযোগ উঠিছে। বিগত দিনত পঞ্চায়তখনৰ দুৰ্নীতিপৰায়ণ সভাপতি, সচিব, জি আৰ এছ আদিকে ধৰি গাঁওখনৰ একাংশ দলীয় কৰ্মীৰ চূড়ান্ত হেমাহি তথা অৰ্থলোভৰ বাবে সংশ্লিষ্ট লোকসকল এই আঁচনিৰ পৰা বঞ্চিত হোৱা বুলি ক্ষোভ প্ৰকাশ কৰে। লগতে গৃহৰ পৰা বঞ্চিত গাঁওখনৰ শইকীয়া চুবুৰিৰ এইসকল দৰিদ্ৰ লোক ক্ৰমে শৰৎ কলিতা, অন্ধ বীণা কলিতা বিকলাংগ-বিধৱা নয়ন কলিতা, কলা, সনাতন কলিতা, খোৰা, যামিনী চৌধুৰী বিধৱা, হৰেশ্বৰ কলিতা, হৰি কলিতা, দিলীপ কলিতা, দিনহাজিৰা কৰা লোকেও প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ পৰা বঞ্চিত হোৱাৰ বিপৰীতে গাঁওখনৰ গাঁওপ্ৰধানৰ নামত গৃহ আৱন্টিত হোৱা বুলি ছয় পৃষ্ঠাত চাওক

ৰহস্য উদ্‌ঘাটনৰ দাবী ৰাইজৰ ঃ যৌতুকৰ দাবীত নিৰ্যাতনৰ বাবেই মৃত্যুৰ সন্দেহ পৰিয়ালৰ

পুৰণিগুদামৰ বোৱাৰীৰ ৰহস্যজনক মৃত্যু, স্বামীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
পুৰণিগুদাম, ২৯ জুলাই ঃ নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম চলচলি ব্ৰাহ্মণ গাঁৱৰ এগৰাকী নৱবিবাহিতা মহিলাৰ যোৱা ২২ জুলাইৰ নিশা নগাঁও চহৰৰ এখন ব্যক্তিগত নাৰ্ছিং শিক্ষা প্ৰতিষ্ঠানত ৰহস্যজনক আত্মহত্যাৰ ঘটনা শেহতীয়াকৈ পোহৰলৈ অহাত সমগ্ৰ অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইটাচালী টাউন আৰক্ষী চকীৰ অধীনৰ নাৰ্ছিং প্ৰতিষ্ঠানখনত ৰহস্যজনকভাৱে আত্মহত্যা কৰা ঘটনাটোৰ পাছত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ আহি চলচলি বাসগৃহ পোৱাৰ পাছতহে স্থানীয় গাঁওবাসীয়ে জ্ঞাত হয়। ঘটনাটো সংঘটিত হোৱাৰ পাছত গাঁওবাসীয়ে খবৰ নোপোৱাৰ বাবে ঘটনাটো ৰহস্যজনক বুলি গাঁওবাসীয়ে সন্দেহ প্ৰকাশ কৰিছে। এই লৈ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে যোৱা নিশা মহিলাগৰাকীৰ স্বামী ত্ৰিদিপ শৰ্মাক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। মহিলাগৰাকীৰ পিতৃ অতুল শৰ্মাৰ এজাহাৰৰ ভিত্তিত নগাঁও সদৰ থানাৰ আৰক্ষীয়ে স্বামী ত্ৰিদিপক গ্ৰেপ্তাৰ কৰে। ত্ৰিদিপৰ মাতৃ তৰণী শৰ্মা, ভগ্নী ৰেখাশ্ৰী শৰ্মাকো অভিযুক্ত কৰি এজাহাৰ দাখিল কৰিছে যদিও ছয় পৃষ্ঠাত চাওক

শ্ৰীৰামপুৰত পুনৰ গাঞ্জা সৰবৰাহ কৰা ট্ৰাকত অগ্নিসংযোগ

আৰক্ষী চকীৰ কাষতে দাওদাওকৈ জ্বলিল ট্ৰাক

অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ, ২৯ জুলাই ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে জব্দ কৰি ৰখা ট্ৰাকত পুনৰ অগ্নিসংযোগ কৰি ভস্মীভূত কৰিলে ট্ৰাক। ২৬ জুলাইত গাঞ্জা কঢ়িওৱা ট্ৰাকখন আৰক্ষীৰ জিম্মাত থকা অৱস্থাত আজি পুৱতি নিশা দুৰ্বৃত্তই সুবিধা বুজি অগ্নিসংযোগ কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। অগ্নিসংযোগ কৰাৰ ফলত ট্ৰাকখনৰ ৯০ শতাংশ জ্বলি ভস্মীভূত হয়। শ্ৰীৰামপুৰ আৰক্ষী চকীৰ নিচেই কাষত ৰখাই থোৱা ট্ৰাকখন আজি পুৱতি নিশা ছয় পৃষ্ঠাত চাওক

■ দুই কোটিটকীয়া পথ নিৰ্মাণৰ পাছতে চপৰা চপৰে এৰিছে ■ মুখ্যমন্ত্ৰী-বিধায়কৰ হস্তক্ষেপ দাবী

তেজপুৰত গ্ৰামচড়ক যোজনাৰ পথ নিৰ্মাণত দুৰ্নীতিৰ ৰাজহুৱা অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ
তেজপুৰ, ২৯ জুলাই ঃ তেজপুৰত দুইকোটি ১২ লাখ ৬৬ হেজাৰ ৯৭২ টকীয়া পথ নিৰ্মাণ কাৰ্য চলি থকা অৱস্থাতে চপৰা চপৰে এৰি যোৱাক লৈ স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনত তেজপুৰৰ ডেকাৰগাঁৱত এম আৰ এল ০৯ এন এইছ ৫২ ৰ পকা পুঠিখাটিলৈ এই পথটো নিৰ্মাণৰ কাম চলি আছে। এ এছ ২২-৬৭৮ পেকেজৰ তথা ৫.৫৮০ কিলোমিটাৰ দৈৰ্ঘৰ এই পথটোৰ নিৰ্মাণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলি ৰাইজ কালি প্ৰতিবাদ কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে ৰাজ্যিক পথ তেজপুৰ চতিয়া আৰু ৰঙাপৰা সংমগুলৰ তদাৰকত আৰু ঠিকাদাৰ জহিৰুল ইছলামে প্ৰায় চাৰিমাহ পূৰ্বে এই পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে ছয় পৃষ্ঠাত চাওক

বামুণ বৰ লালুং গাঁৱৰ হত্যাকাণ্ডৰ সাত অভিযুক্তৰ আত্মসমৰ্পণ

বিশেষ সংবাদদাতা
নগাঁও, ২৯ জুলাই ঃ নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ বামুণী বৰ লালুং গাঁৱত ৰঞ্জিত বৰদলৈ নামৰ এজন লোকক জীৱন্তে জ্বলাই অতি নৃশংসভাৱে হত্যা কৰা ঘটনাৰ সাতজন অভিযুক্তই নগাঁও আদালতত আত্মসমৰ্পণ কৰে। উল্লেখ্য যে গাঁওখনৰ সবিতা পাটৰ নামৰ এগৰাকী মহিলাক হত্যা কৰাৰ সন্দেহত বৰ লালুং গাঁৱৰ ছয় পৃষ্ঠাত চাওক

অইলৰ অধ্যক্ষ-পৰিচালন সঞ্চালক পদত ৰঞ্জিত ৰঠৰ নিযুক্তিৰ বিৰোধিতা

দুলীয়াজানত আটাছুৰ দুঘণ্টীয়া মানৱ শৃংখল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা
দুলীয়াজান, ২৯ জুলাই ঃ অইলৰ অধ্যক্ষ-পৰিচালন সঞ্চালক পদত ৰঞ্জিত ৰঠক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়াৰ প্ৰতিবাদত আজি পুৱা ডিব্ৰুগড় জিলা সদৌ টাই আহোম ছাত্ৰ সন্থাই তৈলনগৰী দুলীয়াজানৰ অইলৰ মুখ্য প্ৰশাসনিক কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত দুঘণ্টীয়া মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণেৰে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে অসমৰ বায়ু, পানীৰ স'তে সম্পৰ্ক নথকা তথা জ্ঞান নথকা ব্যক্তি ৰঞ্জিত ৰঠক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া কাৰ্যৰ বিৰোধিতা কৰি 'অইল ইণ্ডিয়া হুঁচিয়াৰ, এই ছয় পৃষ্ঠাত চাওক

প্ৰতিখন চৰকাৰে জনজাতিকৰণৰ বিষয়টোৰ ওপৰত কেৱল ৰাজনীতিহে কৰিছে

নাহৰকটীয়াত তাই আহোম যুৱ পৰিষদৰ যোগদান কাৰ্যসূচীত শতাধিকৰ যোগদান

অগ্ৰদূত বাৰ্তা
নাহৰকটীয়া, ২৯ জুলাই ঃ নাহৰকটীয়াৰ ছ্যুকাফা ক্ষেত্ৰত তাই আহোম যুৱ পৰিষদ, অসম চমুকৈ টাইপাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অনুষ্ঠিত এক যোগদান কাৰ্যসূচীৰ সভাখনত সভাপতিত্ব কৰে টাইপাৰ আহোম যুৱ পৰিষদ অসমৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰে। টাইপাৰ নাহৰকটীয়া মহকুমা সমিতিৰ কাৰ্যকৰী সভাপতিৰ পদৰ পৰা অব্যাহতি লৈ আজি সুৰজ ৰংছোৱালে নিজৰ স'তে নাহৰকটীয়া, চাচনী আৰু টেঙাখাত আদি অঞ্চলৰ শতাধিক যুৱক-যুৱতী, পুৰুষ- মহিলাক লগত লৈ তাই আহোম যুৱ পৰিষদৰ এই যোগদান কাৰ্যসূচীত সংগঠনটোত যোগদান কৰে। শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সময়ত বিভিন্নজনক কেৱল আহোমেই নহয় বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকক সহায়ৰ হাত আগবঢ়াই অহা সুৰজ ৰংছোৱালক টাইপাৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰ, সম্পাদক ৰুদ্ৰসাগৰ বুঢ়াগোহাঁয়ে গামোচা, চেলেং আৰু সংগঠনৰ গামোচাৰে সংগঠনটোলৈ আদৰণি জনায়। এই যোগদান কাৰ্যসূচীৰ সভাখনত সভাপতিৰ ভাষণত বিজয় ৰজকোঁৱৰে চৰকাৰক সমালোচনা কৰি কয় যে বিজেপি চৰকাৰ দিছপুৰত থকা চৰকাৰেই হওক বা দিল্লীত থকা চৰকাৰেই হওক তাই আহোমসকলক জনজাতিকৰণ কৰা বিষয়টোৰ ওপৰত কেৱল ছয় পৃষ্ঠাত চাওক

যোৰহাটত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ দ্বাৰা পেঞ্চন সেৱা কেন্দ্ৰ মুকলি

ষ্টাফ ৰিপ'ৰ্টাৰ
যোৰহাট, ২৯ জুলাই ঃ অসম চৰকাৰৰ কৃতজ্ঞতা আঁচনিৰ অধীনত স্থাপন কৰা পেঞ্চন সেৱা কেন্দ্ৰটো আজি যোৰহাট জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় চৌহদত উদ্বোধন কৰা হয়। অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা যোৰহাট জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এগছি বন্তি প্ৰজ্বলন কৰি প্ৰৱেশদ্বাৰ মুকলি কৰে আৰু কেন্দ্ৰটোৰ জৰিয়তে পেঞ্চনাৰসকল বিশেষভাৱে উপকৃত হ'ব বুলি মন্তব্য কৰে। যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, দেৰগাঁও বিধান সভা সমষ্টিৰ বিধায়ক ভৱেন ভৰালী, বিজেপিৰ সভাপতি হেমন্ত কলিতা, অতিৰিক্ত উপায়ুক্ত (শিক্ষা) কবিতা কাকতি কোঁৱৰ, জিলাখনৰ বহুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষাবিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। ছয় পৃষ্ঠাত চাওক

নগাঁৱত পৰিবহণ বিভাগৰ দ্বাৰা জব্দ চাৰিখনকৈ আনফিটনেছ স্কুলবাছ

বিশেষ সংবাদদাতা
নগাঁও, ২৮ জুলাই ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নগাঁও জিলাৰ বহু সংখ্যাক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে অতি বিপজ্জনকভাৱে বহু বছৰৰ পুৰণি কোনো ফিটনেছ নথকা স্কুল বাছ ব্যৱহাৰ কৰি অহা পৰিলক্ষিত হৈছে। যিবোৰত যাত্ৰা কৰাতো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুঠেই নিৰাপদ নহয়। তেনে ফিটনেছ নথকা বহু বছৰ পুৰণি কে'বাখনো স্কুল বাছৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ কঢ়িওৱাই থকাৰ বাব ছয় পৃষ্ঠাত চাওক

কোকৰাঝাৰত মন্ত্ৰী অশোক সিংঘালৰ পেঞ্চন সেৱা কেন্দ্ৰ মুকলি

বিটিআৰ চুক্তি মতে বিটিআৰ অঞ্চলৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ হ'ব ঃ বড়ো

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ২৯ জুলাই ঃ কোকৰাঝাৰস্থিত বিটিআৰ শিক্ষা সঞ্চালকায়ৰ কাৰ্যালয়ত আজি কোকৰাঝাৰ জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘালে পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰে। আজি ৰাজ্যৰ ২৭ টা স্থানত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰা হয় আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰত প্ৰথমটো পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰাৰ পাছতেই কোকৰাঝাৰত মন্ত্ৰী অশোক সিংঘালে পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰে। বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিধায়ক লৰেঞ্চ ইছলাৰী, বিটিআৰৰ কাৰ্যবাহী অৰূপ কুমাৰ দে, বিটিআৰৰ শিক্ষা বিভাগৰ সঞ্চালক জে পি ব্ৰহ্ম আদিকে ধৰি বহু বিশিষ্ট অতিথিৰ ছয় পৃষ্ঠাত চাওক

খেৰণিৰ মেনমিজি সমবায় সমিতিৰ চাউলভৰ্তি ট্ৰাকত অগ্নিকাণ্ড

কে'বা বস্তা চাউল ভস্মীভূত

অগ্ৰদূত বাৰ্তা
ডংকামোকাম, ২৯ জুলাই ঃ পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ মেনমিজি সমবায় সমিতিৰ এখন চাউলভৰ্তি ট্ৰাকত আজি এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। বিয়লি পাঁচ বজাত সংঘটিত এই অগ্নিকাণ্ডত কে'বা বস্তা চাউল ভস্মীভূত হয়। মেনমেজি সমবায় সমিতিৰ কাৰ্যালয়ত ৰখাই থোৱা অৱস্থাত ট্ৰাকখনত সংঘটিত হয় অগ্নিকাণ্ডৰ। এ এছ-০২ চিচি-১০৫৫ নম্বৰৰ ৰখাই থোৱা ট্ৰাকৰ ইঞ্জিনৰ পৰাই হঠাৎ নিৰ্গত হোৱা জুয়ে নিমিষতে ট্ৰাকখনক আৱৰি ধৰাত ট্ৰাকখনৰ কেবিন সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে ট্ৰাকখনত থকা কে'বা বস্তা চাউল ভস্মীভূত হয়। ইপিনে, বাতৰি সংগ্ৰহ কৰা সময়লৈকে অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই।

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১৩ শাওণ ১৪২৯ ভাস্কৰাব্দ ৩০ জুলাই ২০২২

নিযুক্তিৰ ভয়াৱহ ছবিখন

কেন্দ্ৰীয় চৰকাৰে সংসদৰ চলিত বৰ্ষাকালীন অধিবেশনত দাখিল কৰা তথ্য অনুসৰি, বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ বিগত আঠ বছৰীয়া শাসনত ভাৰতত ৭.২২ লাখ লোকে কেন্দ্ৰীয় চৰকাৰৰ অধীনত চাকৰিত নিযুক্তি লাভ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে লোকসভাত এই তথ্য দাঙি ধৰি কয় যে ২০১৪-১৫ৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষলৈ মুঠ আঠ বছৰত দেশত কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত নিযুক্তিৰ বাবে মুঠ ২২.০৫ কোটি প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছিল আৰু ইয়াৰে ৭.২২ লাখ প্ৰাৰ্থীয়ে নিযুক্তি লাভ কৰিছে। অৰ্থাৎ দেশত যোৱা আঠ বছৰত কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত নিযুক্তি লাভৰ ক্ষেত্ৰত আবেদনকাৰীৰ তুলনাত নিযুক্তি প্ৰাপ্তৰ শতকৰা সংখ্যা আছিল মাত্ৰ ০.৩৩ শতাংশ। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে প্ৰকাশ কৰা মতে, ২০১৯-২০ বিত্তীয় বৰ্ষত দেশত সৰ্বাধিক ১.৪৭ লাখ প্ৰাৰ্থীয়ে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত নিযুক্তি লাভ কৰিছিল। একেদৰে ২০১৫-১৬ত ১.১১ লাখ, ২০১৬-১৭ত ১.০১ লাখ, ২০১৭-১৮ত ৭৬,১৪৭, ২০১৮-১৯ত ৩৮,১০০, ২০২০-২১ত ৭৮,৫৫৫ আৰু ২০২১-২২ত ৩৮,৮৫০ জনে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত নিযুক্তি লাভ কৰিছিল। চৰকাৰৰ এই তথ্য বিশ্লেষণ কৰিলে দেখা যাব যে আঠ বছৰৰ বাৰ্ষিক গড় হিচাপে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত নিযুক্তিৰ বাবে প্ৰতি বছৰে ২.৭৫ কোটি প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছিল আৰু গড়ে বছৰি ৯০,২৮৮ জন প্ৰাৰ্থীয়ে নিযুক্তিৰ সুবিধা লাভ কৰিছিল। এয়া কেৱল কেন্দ্ৰীয় চৰকাৰৰ নিযুক্তিৰ পৰিসংখ্যাহে। ৰাজ্যসমূহৰ নিযুক্তিৰ তথ্য বিশ্লেষণ কৰিলেও একে ধৰণৰ হতাশজনক ছবি প্ৰত্যক্ষ হ'ব।

দেশত নিবনুৱাৰ সংখ্যা প্ৰতি বছৰে বৃদ্ধি পাই আহিছে। 'চেণ্টাৰ ফ'ৰ মনিটৰিং ইণ্ডিয়ান ইকন'মী' (চি এম আই ই)ৰ তথ্য অনুসৰি, যোৱা জুনত দেশত ৩৯০ নিযুত লোক ভাৰতত নিবনুৱা হৈ আছিল। চি এম আই ইৰ পৰিসংখ্যাত উল্লেখ কৰা মতে, যোৱা মে'ত দেশৰ নিবনুৱাৰ হাৰ আছিল ৭.১২ শতাংশ আৰু জুনত এই হাৰ ৭.৮০ শতাংশলৈ বৃদ্ধি পাইছিল। আমাৰ অসমতে যোৱা জুনত নিবনুৱাৰ হাৰ আছিল ১৭.২ শতাংশ। এই পৰিসংখ্যাৰ পৰাই বুজিব পাৰি নিবনুৱা সমস্যাটোৱে দেশত কিমান ভয়াৱহ ৰূপ ধাৰণ কৰিছে। উচ্চ শিক্ষিত নাগৰিকৰ সংখ্যা দিনক দিনে বৃদ্ধি পোৱাৰ বিপৰীতে চৰকাৰী খণ্ডত নিয়োগ বৃদ্ধি নোপোৱাৰ ফলত কৰ্মসংস্থাপন এটা লাভ কৰাটো যুৱ প্ৰজন্মৰ বাবে মূল প্ৰত্যাহ্বানত পৰিণত হৈছে। চৰকাৰী খণ্ডত নিয়োগ সৃষ্টিৰ পৰিৱৰ্তে বৰ্তমানে সংকুচিত কৰাটোহে প্ৰত্যক্ষ হৈছে। একে সময়তে ব্যক্তিগত খণ্ডতো নিযুক্তিৰ সম্ভাৱনা বিগত সময়ছোৱাত নিম্নমুখী হৈছে। বিশেষকৈ ক'ভিডৰ সংক্ৰমণৰ ফলত হোৱা তলাবন্ধই ব্যক্তিগত খণ্ডত বহু চাকৰি বিলুপ্ত কৰিলে। ক'ভিড কালত ভাৰতত এক বৃহৎ সংখ্যক কৰ্মৰত লোকে চাকৰি হেৰুৱাব লগা হৈছিল। এইসকলৰ বহুতে বৰ্তমানেও নতুন সংস্থাপন লাভ নকৰাত নিবনুৱাৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে।

বিৰোধী দলসমূহে প্ৰায়ে অভিযোগ কৰি আহিছে যে কেন্দ্ৰৰ বৰ্তমানৰ চৰকাৰৰ শাসনত দেশত কৰ্মসংস্থাপনহীন লোকৰ সংখ্যা বৃদ্ধি পাইছে। এতিয়া স্বয়ং কেন্দ্ৰীয় মন্ত্ৰীয়ে সদনত দাখিল কৰা তথ্যতে স্পষ্ট হ'ল যে বিৰোধীৰ এই অভিযোগ অসত্য নহয়। দেশত ২২ কোটিৰো অধিক লোকে চাকৰিৰ বাবে আবেদন কৰি মাত্ৰ ৭.২২ লাখে নিযুক্তি লাভ কৰাৰ পৰিসংখ্যাৰ পৰা বুজিব পাৰি ভাৰতত যুৱ প্ৰজন্মই এটা চাকৰিৰ বাবে কিমান হাহাকাৰ কৰিব লগা হৈছে। নতুন চাকৰি সৃষ্টিৰ পদক্ষেপ অবিহনে যে দেশৰ ইমান বৃহৎ সংখ্যক উচ্চ শিক্ষিত লোকক সংস্থাপন প্ৰদান সম্ভৱ নহ'ব, সেয়া ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। কেন্দ্ৰীয় চৰকাৰে যোৱা জুনত ঘোষণা কৰিছিল যে আগন্তুক ১৮ মাহত দেশত ১০ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব; কিন্তু যিখন চৰকাৰে আঠ বছৰত মাত্ৰ ৭.২২ লাখ লোকক সংস্থাপন দিলে সেই একেখন চৰকাৰে ১৮ মাহত ১০ লাখক নিযুক্তি কেনেকৈ প্ৰদান কৰিব বুলি বিৰোধীয়ে প্ৰশ্ন কৰিছে। কেন্দ্ৰীয় চৰকাৰে প্ৰডাকচন লিংকড্ ইনচেনটিভ (পি এল আই) আঁচনিৰ অধীনত দেশত ৬০ লাখ নতুন কৰ্মসংস্থাপন সৃষ্টি কৰা হ'ব বুলিও ঘোষণা কৰিছে। তদুপৰি স্বনিৰ্ভৰতা অৰ্জনৰ বাবে প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ জৰিয়তে ক্ষুদ্ৰ তথা মজলীয়া ব্যৱসায়ীক ১০ লাখ টকালৈকে ঋণ প্ৰদানৰো ব্যৱস্থা কৰিছে; কিন্তু এনেবোৰ পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰাৰ পাছতো দেশত নিবনুৱাৰ সংখ্যা বাঢ়িয়ে আছে। অৱশ্যে নিবনুৱাৰ এই সংখ্যা বৃদ্ধিৰ বাবে আমাৰ যুৱ প্ৰজন্মৰো দোষ নথকা নহয়। কেৱল চৰকাৰী চাকৰিৰ আশাত বন্দী নহৈ আত্মনিৰ্ভৰতাৰ বিকল্প পথ যুৱ প্ৰজন্মই অৱলম্বন কৰিলেহে প্ৰকৃতাৰ্থত দেশত সংস্থাপনহীনতাৰ সমস্যাটোৰ সমাধান সম্ভৱ হ'ব।

খোলা মঞ্চ

অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা

বৃক্ষ এডাল ৰোপণ কৰোতা ব্যক্তি গৰাকীয়ে প্ৰথমে বৃক্ষডাল ৰোপণ কৰি সাৰপানী দিয়ে। কিন্তু সেই বৃক্ষ ডালত কোনে জিৰণি ল'ব, কোনে তলত বহি কবিতা লিখিব নভবাকৈয়ে কামবোৰ হৈ যায়। সময় গৈ গৈ অগ্ৰদূত কাকতে অৰ্ধশতাব্দী পাৰ কৰিলে। এই অগ্ৰদূত কাকততে আজি পঞ্চাশ বছৰে কোনোবাই জ্যেষ্ঠ সাংবাদিক হ'ল, কোনোবাই কবিতা লিখি কবি হ'ল, প্ৰবন্ধকাৰে বিভিন্ন ধৰণৰ প্ৰবন্ধ লিখি ৰাইজৰ মাজত বিলাই দিলে বিভিন্ন ধৰণৰ জ্ঞান। আমি ছাত্ৰী অৱস্থাৰ পৰাই অগ্ৰদূত কাকতখন পঢ়ি আহিছো। বহুতো গুণগত অভিজ্ঞতা পালো। জনা নজনা বহু কথাই এই অৰ্ধ শতাব্দী অতিক্ৰম কৰা কাকতখনে শিকালে।

স্বৰ্ণলতা পাঠক, লেখিকা

বিশেষকৈ প্ৰতিটো পৃষ্ঠাৰে নিয়মানুবৰ্তিতা সহজ সৰল ভাষাৰে লিখা— প্ৰবন্ধবিলাক পঢ়ি আপ্লুত হ'লো। ৰাজনীতিকে আদি কৰি জ্ঞানগম্ভীৰ লেখাবোৰে কৰ্মকৰ্তা আৰু লগতে সম্পাদক কনকসেন ডেকাৰ এয়া সফল কতৃকাৰ্য বুলি ক'বই লাগিব। জীৱন কালত মানুহৰ একোটা নিৰ্দিষ্ট লক্ষ্য থাকে আৰু সেই লক্ষ্যত উপনীত হ'বলৈ মানুহে বহুতো কষ্ট কৰিবলগীয়া হয়। হয়তো সমাজৰ হিতাৰ্থে কাম কৰিবলৈ গৈ ডেকাই বহুত উজুটি খাবলগীয়া হৈছিল; কিন্তু অগ্ৰদূত কাকতখন আজি সমাজৰ মাজত মাইলৰ খুঁটি হৈ থিয় হ'ল। নৱপ্ৰজন্মক আগুৱাই যাবলৈ সুবিধা দি আকৌ যাতে উচ্চ শিখৰলৈ যাব পাৰে কামনা কৰিলো। যাত্ৰাপথ সুন্দৰ হ'লে চতুৰ্থ স্তম্ভই দোপে দোপে আগবাঢ়ি যাব পাৰে যে তাৰে উদাহৰণ হৈ ৰওক অগ্ৰদূত। আমি সদায় আশাবাদী। আশাবাদী ৰাইজৰ সুস্থ চিন্তা আৰু সুস্থ মনৰ এই কাকতখনৰ দীৰ্ঘায়ু বাঢ়ক, আগবাঢ়ি যাওক বুকুৰ মাজত সাঁচি ৰখা সপোনবোৰ লৈ।

ফোন ঃ ৯৭০৬৬৭৫৫৯২

অসম আন্দোলনত কলেজ শিক্ষকৰ ভূমিকা

আমিও কম জাতীয়তাবাদী নহওঁ

সোঁৱৰণ

মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যু ঘটাৰ এমাহ পাছতে ১৯৭৯ৰ ২৭ এপ্ৰিলত নিৰ্বাচন আয়োগে ভোটাৰ তালিকা সংশোধনীৰ জাননী প্ৰকাশ কৰিছিল। তাৰে পাছৰে পৰা অসমত যেন জুইহে জ্বলিছিল। সমষ্টিটোৰ ভোটাৰ তালিকাত হেজাৰ হেজাৰ বাংলাদেশীৰ নাম সন্নিৱিষ্ট হৈ থকাৰ পৰিপ্ৰেক্ষিতত পূৰ্বাঞ্চলীয় লোক পৰিষদৰ নেতা নিবাৰণ বৰাই নগৰে-চহৰে সভা পাতি দাবী জনালে, অসমৰ আটাইবোৰ সমষ্টিৰে ভোটাৰ তালিকাৰ সংশোধনী সম্পূৰ্ণ হ'ব লাগিব; এখন শুদ্ধ ভোটাৰ তালিকা অবিহনে অসমত কোনো নিৰ্বাচন অনুষ্ঠিত হ'ব নোৱাৰিব।

গুৱাহাটী বিশ্ববিদ্যালয়ত ২৭ জুনত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ অভিৱৰ্তনত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু ভোটাধিকাৰ কৰ্তন তথা বিতাড়নৰ দাবী পূৰণ কৰাৰ লক্ষ্যই হ'ব ছাত্ৰ সংগঠনটোৰ মূল কাৰ্যসূচী। ছেপ্টেম্বৰৰ ছয় আৰু সাত তাৰিখৰ ছাত্ৰৰ শ্ৰেণী বৰ্জনৰ পাছৰে পৰা ৰাজ্যজুৰি তীব্ৰ আন্দোলন গঢ়ি উঠে; বিভিন্ন জাতীয় সংস্থা আৰু গণতান্ত্ৰিক সংগঠনৰ সহযোগত আন্দোলন চলাই নিবলৈ গঠন কৰা হ'ল 'অসম গণ সংগ্ৰাম পৰিষদ'। তেতিয়াৰে পৰা তথাকথিত 'বিদেশী খেদা আন্দোলন'টো এক বৃহৎ জনজাগৰণলৈ ৰূপান্তৰিত হৈছিল।

স্বাভাৱিকতে অসমৰ বিভিন্ন প্ৰান্তৰ কলেজ শিক্ষকসকলো এই জনজাগৰণৰ অংশীদাৰ হৈছিল, ভালেমান ঠাইত তেওঁলোকেই গ্ৰহণ কৰিছিল আন্দোলনৰ নেতৃত্ব। পিছে প্ৰথম অৱস্থাত অসম কলেজ শিক্ষক সংস্থাই আনুষ্ঠানিকভাৱে আন্দোলনত ভাগ লোৱা নাছিল। তেতিয়া সংস্থাৰ সভাপতি আছিল যতীন্দ্ৰ ৰঞ্জন দে' আৰু সাধাৰণ সম্পাদক সতীশ চন্দ্ৰ ভট্টাচাৰ্য। তেওঁলোকে যুক্তি দিছিল যে সংস্থাৰ সংবিধানত শিক্ষকে এনে সামাজিক তথা ৰাজনৈতিক আন্দোলনত যোগদান কৰাৰ ব্যৱস্থা নাই; এতেকে কলেজ শিক্ষকে ব্যক্তিগত স্তৰত আন্দোলনৰ অংশীদাৰ হ'লেও অসম কলেজ শিক্ষক সংস্থা তাত চামিল হ'ব নোৱাৰে।

এই স্থিতি কলেজ শিক্ষকসকলৰ বাবে বেচ অস্বস্তিকৰ আছিল। সেয়েহে আন্দোলনত কলেজ শিক্ষকৰ আনুষ্ঠানিক পৰিচয় সুনিশ্চিত কৰিবলৈ আমি গঠন কৰি লৈছিলো 'বৃহত্তৰ গুৱাহাটী কলেজ শিক্ষক সমন্বয় সমিতি'; সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ দাস, সম্পাদক দিলীপ চৌধুৰী আৰু সংযোজক মই নিজে। সমিতিৰ তৎপৰতাত বৃহত্তৰ গুৱাহাটীৰ কলেজ শিক্ষকসকলে সদলবলে আন্দোলনত যোগদান কৰিছিল। সেই আৰ্হিতে অসমৰ কে'বাঠাইতো কলেজ শিক্ষকসকলৰ আঞ্চলিক সমন্বয় সমিতি গঢ় লৈ উঠিছিল।

মন কৰিবলগীয়া যে প্ৰথম অৱস্থাত অসম আন্দোলনক অনেকেই বহিৰাগতৰ বিৰুদ্ধে চলা অসমীয়াৰ উৎকট জাতীয়তাবাদ বুলি চিহ্নিত কৰিছিল; একাংশ অত্যুৎসাহী আন্দোলনৰ নেতাই বক্তৃতাত বহিৰাগতৰ বিৰুদ্ধে ক্ষোভ উজাৰি তেনে ধাৰণাত সাৰ-পানী যোগাইছিল। সেয়েহে বিষয়টোৰ সাংবিধানিক স্থিতি স্পষ্ট কৰি দিবলৈ আমি 'বৃহত্তৰ গুৱাহাটী কলেজ শিক্ষক সমন্বয় সমিতি'ৰ ফালৰ পৰা 'Assam is not for burning' নামেৰে এখন ক্ষুদ্ৰ কলেৱৰৰ কিতাপ ছপা কৰি উলিয়াইছিলো। তাত বিদেশী নাগৰিকে সৃষ্টি কৰা সমস্যাৰ ঐতিহাসিক প্ৰেক্ষাপট, সাম্প্ৰতিক পৰিস্থিতি আৰু ভৱিষ্যতৰ সংকট সন্দৰ্ভত সুন্দৰ বিশ্লেষণ আগবঢ়োৱা হৈছিল। অসমৰ বাহিৰৰ নেতা আৰু বুদ্ধিজীৱীসকলৰ হাতত তুলি দিব পৰাকৈ (সম্ভৱতঃ) ৪৮ পৃষ্ঠাৰ পুথিখনৰ সমল প্ৰস্তুত কৰিছিল আৰ্য বিদ্যাপীঠ কলেজৰ অধ্যাপক উদয় দত্তই। আন্দোলনটো বহিৰাগত ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে নহয়, অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধেহে, সেইটো অনা-অসমীয়া লোকে বুজি পোৱাত এই পুথিখন সহায়ক হৈছিল।

আন্দোলনৰ অজুহাতত অসম কলেজ শিক্ষক সংস্থাই বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত কৰাত পলম কৰা বাবে অসমৰ বিভিন্ন শিক্ষক গোট উদ্বিগ্ন হৈ পৰিছিল।

বিক্ষিপ্ত চিন্তা

ড° জয়কান্ত শৰ্মা

কলেজ শিক্ষকসকলে বিচাৰিছিল, যথাসম্ভৱ সোনকালে অধিৱেশন অনুষ্ঠিত হওক আৰু অধিৱেশনত সংস্থাৰ সংবিধানৰ সংশোধন ঘটাই আন্দোলনত অসম কলেজ শিক্ষক সংস্থাৰ আনুষ্ঠানিক যোগদানৰ পথ প্ৰশস্ত কৰা হওক। মূৰকত ১৯৮০ৰ ছেপ্টেম্বৰত শিৱসাগৰ কলেজত অধিৱেশন অনুষ্ঠিত হ'ল; আৰু তুমুল বাক্‌বিতণ্ডাৰ মাজেৰে সংস্থাৰ সংবিধানৰো সংশোধন ঘটিল। উল্লেখ্য যে একাংশ বাওঁপন্থী কলেজ শিক্ষকে আন্দোলনত সংস্থা জড়িত হোৱাটো বিচৰা নাছিল।

সি যিয়েই নহওক, বিশিষ্ট সাহিত্যিক যতীন্দ্ৰ নাথ গোস্বামীক সভাপতি আৰু ৰোহিণী কুমাৰ বৰুৱাক সাধাৰণ সম্পাদকৰূপে লৈ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠিত হ'ল; সহকাৰী সম্পাদকৰ দায়িত্ব মোৰ ওপৰত পৰিল। যিহেতু সাধাৰণ সম্পাদক বৰুৱা জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক আৰু সততে যোৰহাটত থাকিবলগীয়া হৈছিল, সেয়েহে সংস্থাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ যাৱতীয় কাম-কাজৰ উপৰি আন্দোলনত যোগদানৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰাৰ দায়িত্ব সহকাৰী সম্পাদকৰ ওপৰত ন্যস্ত আছিল। লক্ষ্যণীয় যে খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনটোলৈ অসম কলেজ শিক্ষক সংস্থাই নিঃচৰ্ত সমৰ্থন দিলেও 'অসম গণ সংগ্ৰাম পৰিষদ'ত সংস্থা অন্তৰ্ভুক্ত হোৱা নাছিল।



সেই সময়ত ভাৰতৰ ভালেমান প্ৰসিদ্ধ বুদ্ধিজীৱী, সাংবাদিক আৰু ৰাজনৈতিক নেতা অসমলৈ আহিছিল পৰিস্থিতি অধ্যয়নৰ উদ্দেশ্যৰে। অন্ধ্ৰপ্ৰদেশৰ এন টি ৰামাৰাও অৱতীৰ্ণ হৈছিল আন্দোলনৰ সমৰ্থকৰূপে। তেওঁ কে'বাবাৰো জনসভাতো ভাষণ দিছিল। আন্দোলনৰ সমৰ্থনত বলিষ্ঠ স্থিতি গ্ৰহণ কৰা নেতা অটল বিহাৰী বাজপেয়ীও দুবাৰমান আহিছিল, সদায়েই তেওঁৰ লগত আহিছিল যশৱন্ত সিংহ। আত্মগোপন কৰি থকা অৱস্থাত প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনক লগ ধৰিবলৈ বাজপেয়ী এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ গৈছিল। আমি দুজনমান তেওঁৰ সহযাত্ৰী হৈছিলো। উভতি আহি আটায়ে অধ্যাপক কিৰণ শৰ্মাৰ সৌজন্যত ছত্ৰকাৰ দেৱালয় প্ৰাংগণত একেলগে ভোজন কৰিছিলো। কথা প্ৰসংগত বাজপেয়ীয়ে কৈছিল, 'আছুৱে বিদেশী বিদেশীয়েই, হিন্দু-মুছলমান বুলি কথা নাই' বুলি কৈ থাকিলেও সামাজিক অস্থিৰতাৰ বলি হৈ প্ৰৱেশ কৰা হিন্দুসকল সাংবিধানিকভাৱে শৰণাৰ্থীহে, অনুপ্ৰৱেশকাৰী নহয়।

উল্লেখ্য যে বি বৰুৱা কলেজৰ অধ্যাপক কিৰণ শৰ্মা আৰ এছ এছৰ সহযোগী আছিল আৰু সেই সূত্ৰে বাজপেয়ীৰ স'তে তেওঁৰ সু-সম্পৰ্ক আছিল। বাজপেয়ীয়ে অনুপ্ৰৱেশকাৰী সন্দৰ্ভত দেশবাসী ভালদৰে অৱগত হোৱাটোকে বিচাৰিছিল আৰু দেশৰ ভিন ভিন ঠাইৰ জনসভাত বিষয়টো তেওঁ উত্থাপনো কৰিছিল। এনে সময়তে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে ১৯৮১ৰ জানুৱাৰীৰ প্ৰথম সপ্তাহত নতুন দিল্লীৰ 'কনষ্টিটিছন ক্লাব'ত এখন ৰাষ্ট্ৰীয় অভিৱৰ্তনৰ আয়োজন কৰিছিল আলোচ্য বিষয় আছিল। 'অসমৰ অনুপ্ৰৱেশকাৰীৰ সমস্যা এটা সাংবিধানিক সংকট।' এই অভিৱৰ্তনত অধ্যক্ষতা কৰিছিল, দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা প্ৰসিদ্ধ সাহিত্যিক জৈনেন্দ্ৰ কুমাৰে। অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ বিষয়ে তথ্য-ভিত্তিক আলোচনাত ভাগ ল'বলৈ কে'বাখনো ৰাজ্যৰ পৰা গুণী-জ্ঞানী ব্যক্তি আহিছিল। বিদেশী নাগৰিকৰ আন্দোলনটো বিচ্ছিন্নতাবাদী নহয়, বৰঞ্চ সাংবিধানিক অধিকাৰৰ সুৰক্ষা বিচাৰি কৰা জাতীয়তাবাদী সংগ্ৰাম; এইটোৱেই আছিল অভিৱৰ্তনৰ আলোচনাৰ কেন্দ্ৰবিন্দু।

অভিৱৰ্তনলৈ অসমৰ পৰা দহ-বাৰজনীয়া দল এটা গৈছিল; অসম কলেজ শিক্ষক সংস্থাৰ প্ৰতিনিধিৰূপে আছিলো মই আৰু নলবাৰী কলেজৰ অধ্যাপক প্ৰমোদ চক্ৰৱৰ্তী। তাৎপযপূৰ্ণ যে বিশিষ্ট সাংবাদিক হৰেন্দ্ৰ নাথ বৰুৱাও দলটোৰ অন্যতম সদস্য আছিল আৰু তেওঁ অভিৱৰ্তনত আন্দোলন সন্দৰ্ভত যুক্তিনিষ্ঠভাৱে অসমীয়াৰ উদ্বিগ্নতাৰ বিষয়টো অতি সুন্দৰভাৱে উপস্থাপন কৰিছিল। ভাৰতৰ সংবিধানে বিদেশী নাগৰিকক ভোটদানৰ অধিকাৰ দিয়া নাই। এজনো বিদেশীৰ নাম নথকা ভোটৰ তালিকা প্ৰস্তুত কৰাটো

অসম আন্দোলনৰ আৰম্ভণিৰে পৰা কলেজ শিক্ষকে অসম কলেজ শিক্ষক সংস্থাৰ নেতৃত্বত অৰ্থপূৰ্ণ ভূমিকা পালন কৰিছিল আৰু এইক্ষেত্ৰত সংস্থাৰ ১৯৮০-৮১ৰ কাৰ্যনিৰ্বাহক সমিতিয়ে এটা সুস্থ পৰম্পৰাৰ সৃষ্টি কৰিব পাৰিছিল।

নিৰ্বাচন আয়োগৰ দায়িত্ব; আকৌ অনুপ্ৰৱেশকাৰীৰ চিনাক্তকৰণ আৰু বিতাড়নৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। সাংবিধানিক সংস্থাসমূহে সংবিধান প্ৰদত্ত কৰ্তব্যবোৰ পালন নকৰা বাবেহে আজি অসমবাসীয়ে আন্দোলনৰ পথ বাছি ল'বলৈ বাধ্য হৈছে। এই আন্দোলন শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক। প্ৰকাৰান্তৰে এইটো গণতন্ত্ৰ ৰক্ষাৰ আন্দোলন আৰু সেয়া ভাৰতীয়ৰ বিৰুদ্ধে নহয়। তাকে লৈ অসম কলেজ শিক্ষক সংস্থাৰ দৃষ্টিভংগী স্পষ্ট কৰি দিছিলো।

আলোচনাৰ অন্তত অভিৱৰ্তনত এই বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৰ সমাধানাৰ্থে অনতিপলমে কেন্দ্ৰীয় চৰকাৰে আন্দোলনকাৰী সংগঠনৰ স'তে আলাপ-আলোচনা আৰম্ভ কৰা উচিত আৰু অনুপ্ৰৱেশকাৰীক দেশৰ পৰা বিতাড়ন কৰাই নহয়, অধিক অনুপ্ৰৱেশ ৰোধ কৰিবলৈও চৰকাৰে কাৰ্যকৰী ব্যৱস্থা ল'ব লাগে। আপাতদৃষ্টিত প্ৰস্তাৱটো তেনেই সাধাৰণ যেন লাগিলেও সেই সময়ত সেইটো বৰ গুৰুত্বপূৰ্ণ আছিল। কাৰণ 'অসমতনো কি ঘটি আছে আৰু কিয় ঘটি আছে,' সেই সম্পৰ্কে অসমৰ বাহিৰৰ কম লোকেহে জানিছিল। প্ৰথিতযশা সাংবাদিক কুলদীপ নায়াৰকে ধৰি ভালেমান স্বনামধন্য সাংবাদিকৰ উপস্থিতিয়ে অভিৱৰ্তনখন সাৰ্থক কৰি তুলিছিল। পিছদিনাৰ 'ডি ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতত অভিৱৰ্তনৰ বাতৰিটো গুৰুত্বসহকাৰে প্ৰকাশ পোৱাটো কম তাৎপৰ্যপূৰ্ণ নাছিল। লক্ষ্যণীয় যে 'বৃহত্তৰ গুৱাহাটী কলেজ শিক্ষক সমন্বয় সমিতি'য়ে প্ৰকাশ কৰা Assam is not for burning পুথিখনো অভিৱৰ্তনত যোগদান কৰা বিশিষ্ট লোকসকলৰ মাজত বিতৰণ কৰা হৈছিল। অভিৱৰ্তনৰ অন্তত হৰেন্দ্ৰ নাথ বৰুৱাই গভীৰ আত্মবিশ্বাসেৰে কৈছিল, 'আমি এটা অতি গুৰুত্বপূৰ্ণ কাম কৰিলো; নহয়নে?'

এই সন্দৰ্ভত সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ কথাটো বিচাৰ্য। চৌধুৰী চৰণ সিঙে ১৯৭৯ৰ জুলাইত জনতা চৰকাৰৰ পতন ঘটাৰ পাছত ছমাহৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত বহিবলৈ সুযোগ পাইছিল; এই সময়ছোৱাতে অসম আন্দোলনৰ সূত্ৰপাত; কিন্তু ১৯৮০ৰ জানুৱাৰীত ইন্দিৰা গান্ধীৰ প্ৰত্যাৱৰ্তনৰ লগে লগে আৰম্ভ হৈছিল আন্দোলনকাৰীৰ ওপৰত দমনমূলক ব্যৱস্থা। এনে প্ৰেক্ষাপটত আমি অভিৱৰ্তনৰ পিছদিনাই চৌধুৰী চৰণ সিঙক সাক্ষাৎ কৰি অসমৰ পৰিস্থিতি সম্পৰ্কে অৱগত কৰিবলৈ বিচাৰিছিলো।

অধ্যাপক কিৰণ শৰ্মাই তেওঁক দিবলৈ এখন স্মাৰকপত্ৰ প্ৰস্তুত কৰি নিছিলেই; সাক্ষাৎকাৰৰ ব্যৱস্থাও তেওঁ অনায়াসে কৰিছিল। আমি পিছে ভূতপূৰ্ব প্ৰধানমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি হতাশহে হৈছিলো। তেওঁ অসমৰ পৰিস্থিতি সম্পৰ্কে কিবা জানে বুলি আমাৰ অনুভৱ নহ'ল। মনে মনে আশ্চৰ্যবোধ কৰিছিলো, দেশৰ পৰিস্থিতি সম্পৰ্কে এনে নিৰ্লিপ্ত ব্যক্তি এগৰাকী ভাৰতৰ প্ৰধানমন্ত্ৰীৰ আসনত বহিছিল।

সি যিয়েই নহওক, অসম আন্দোলনৰ আৰম্ভণিৰে পৰা কলেজ শিক্ষকে অসম কলেজ শিক্ষক সংস্থাৰ নেতৃত্বত অৰ্থপূৰ্ণ ভূমিকা পালন কৰিছিল আৰু এইক্ষেত্ৰত সংস্থাৰ ১৯৮০-৮১ৰ কাৰ্যনিৰ্বাহক সমিতিয়ে এটা সুস্থ পৰম্পৰাৰ সৃষ্টি কৰিব পাৰিছিল। পিছে প্ৰশংসাৰ যোগ্য তদানীন্তন সভাপতি যতীন্দ্ৰ নাথ গোস্বামীৰ নেতৃত্বও। আৰেগত উটি-ভাহি নগৈ গঠনমূলক ভূমিকা পালন কৰি যাবলৈ তেওঁ দিয়া পৰামৰ্শ আমাৰ পাথেয় হৈছিল। তাকে সোঁৱৰণ কৰি আজি মনে মনে গৌৰৱবোধ কৰো— আমিও কম জাতীয়তাবাদী নহওঁ।

ফোন ঃ ৯৪৩৫৫-৫৪২০৫

পদ্মদা আৰু 'অগ্ৰদূত'ৰ সম্পাদকৰ কোঠাটো

ধেমাজিৰ এখন সভাত যোগ দিবলৈ যাওঁতে সভাৰ উদ্যোক্তাসকলে পদ্মদাক ৰাইজৰ স'তে চিনাকি কৰি দিছিল 'অগ্ৰদূত'ৰ 'সোঁতৰ বিপৰীতে' লেখা মানুহজন বুলি। প্ৰসংগক্ৰমে পদ্মদাই কৈছিল— মই ইমান কেইখন কিতাপ লিখিলো, কোনেও মোক অমুক কিতাপখনৰ লেখক বুলি পৰিচয় নিদি 'অগ্ৰদূত'ৰ 'সোঁতৰ বিপৰীতে' লেখক হিচাপে পৰিচয় কৰি দিয়ে। তাৰ বাবে কাকতখনৰ জনপ্ৰিয়তাৰ শলাগ লয়।

জিতুমণি বৰা

৩০ জুলাই পদ্ম বৰকটকীৰ জন্ম দিৱস উপলক্ষে

পৃথিৱীত এনে কিছুমান ব্যক্তি আছে, যি বয়স হ'লেও বুঢ়া নহয়। ইয়াৰ বিপৰীতে পৃথিৱীত এনে কিছুমান লোক আছে যিসকল বয়স নোহোৱাকৈ বুঢ়া হৈ যায়। পদ্ম বৰকটকী প্ৰথম শ্ৰেণীৰ ব্যক্তিৰ তালিকাত পৰে। বয়সৰ লেখেৰে

২০০৭ত ৰবীন্দ্ৰ ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তৰুণ গগৈয়ে বৰকটকীক 'চুকাফা বঁটা' প্ৰদান কৰে

পদ্ম বৰকটকীয়ে ৮২ বছৰ বয়সত ভৰি দিছিল। আমাৰ সমাজত কুৰিত বুঢ়ী হোৱা বা আ

১৯৪৩ত ফ্ৰাঁসোয়া জিলো' নামৰ এগৰাকী ২১ বছৰীয়া যুৱতীৰ মতে পিকাচোৰ সাক্ষাৎ হয়। পিকাচোৰ বসয় তেতিয়া ৬২। কিন্তু বয়সে তেওঁক সামান্যও লৰাব পৰা নাছিল। মজাৰ কথা হ'ল পিকাচোই নিজেই কৈছে যে জিলোৰ স'তে দেখা হোৱাৰ পূৰ্বেই হেনো তেওঁ জিলোক আঁকি পেলাইছিল। পাছত ফ্ৰাসোয়া জিলোক স্বচক্ষে দেখাৰ লগে লগে নিজৰ ছবিৰ নায়িকাক বিচাৰি পালে। যি হওক লগে লগেই পিকাচোৰ মনত বাসনা জাগিল। জিলোৰ প্ৰেমলৈ। কিন্তু জিলোৰ প্ৰেম পোৱা ইমান সহজ কথা নাছিল।

বিশ্ববিখ্যাত শিল্পী
পিকাচোৰ জীৱনত নাৰী

বিংশ শতাব্দীৰ শ্ৰেষ্ঠ শিল্পী কোন? যদি এই প্ৰশ্ন কৰা হয়, তেনেহ'লে তৰ্ক সাপেক্ষে পাবলো পিকাচোৰ নামটো নিশ্চয় উঠিব। কোনোবাই হয়তো তেওঁক শ্ৰেষ্ঠ বুলি মানি ল'ব, কোনোবাই নামানিব। কিন্তু তৰ্কটো অন্ততঃ হ'বই।

'পিকাচো' তেওঁৰ এই নামৰ উৎস আছিল তেওঁৰ মাকৰ নামৰ শেষাংশ। ১৮৯৬ত অৰ্থাৎ তেওঁৰ কৈশোৰ অৱস্থাত মাত্ৰ ১৫ বছৰ বয়সত তেওঁ আঁকা শ্ৰেষ্ঠ ছবিখনৰ নাম হ'ল 'ফাৰ্ষ্ট কমিউনিয়ন'। আৰু এই ছবিখনৰ মডেল আছিল তেওঁৰ ভনীয়েক 'লোলা'।

পিকাচোৰ ছবিৰ প্ৰধান উৎস আছিল নাৰীৰ শৰীৰ, নাৰীৰ দেহ। তেওঁ নিজেও নাৰীৰ দেহৰ এজন প্ৰেমিক আছিল। পৌৰাণিক যুগত নাৰীৰ প্ৰতি শাৰীৰিক দুৰ্বলতাৰ কাৰণেই দেৱৰাজ ইন্দ্ৰৰ দেহত এহেজাৰ চকু হৈছিল। মহাভাৰততো নাৰীক স্পৰ্শ কৰা কাৰণেই মৃত্যু হৈছিল পাণ্ডুৰ। এইখিনিতেই যেন পিকাচোৰ নৈতিকতা আমাৰ অতীতৰ স'তে যথেষ্ট সামঞ্জস্যপূৰ্ণ।

১৯৪৩ত ফ্ৰাঁসোয়া জিলো' নামৰ এগৰাকী ২১ বছৰীয়া যুৱতীৰ মতে পিকাচোৰ সাক্ষাৎ হয়। পিকাচোৰ বসয় তেতিয়া ৬২। কিন্তু বয়সে তেওঁক সামান্যও লৰাব পৰা নাছিল। মজাৰ কথা হ'ল পিকাচোই নিজেই কৈছে যে জিলোৰ স'তে দেখা হোৱাৰ পূৰ্বেই হেনো তেওঁ জিলোক আঁকি পেলাইছিল। পাছত ফ্ৰাসোয়া জিলোক স্বচক্ষে দেখাৰ লগে লগে নিজৰ ছবিৰ নায়িকাক বিচাৰি পালে। যি হওক লগে লগেই পিকাচোৰ মনত বাসনা জাগিল। জিলোৰ প্ৰেমলৈ। কিন্তু জিলোৰ প্ৰেম পোৱা ইমান সহজ কথা নাছিল। বুদ্ধিজীৱীসকলৰ মাজত তেওঁ নিজৰ নামেৰেই সুপৰিচিতা। কাৰণ তেওঁ আছিল এগৰাকী বিদুষী নাৰী। তদুপৰি পিকাচোৰ নিজৰ পুতেক 'পাওলো'তকৈয়ো জিলো আছিল নমাহৰ সৰু।

অৱশেষত জিলোই ধৰা দিলে শতাব্দীৰ শ্ৰেষ্ঠ শিল্পী পিকাচোৰ হাতত। এই ঘটনাই পিকাচোক যেন নতুন জীৱন দিলে। তেওঁৰ ছবি আঁকাৰ আৰু এটা নতুন দিগন্ত উন্মোচিত হ'ল।

এটা কথা ঠিক যে পিকাচোৰ চিত্ৰজগতত পৰ্বৰ পৰা পৰ্বান্তৰ হৈছে, এজনীৰ পাছত এজনী নাৰী আহিছে আৰু নিৰ্বাসন হৈছে। এজনী আহিছে, আনগৰাকী বিদায় লৈছে। এনেবোৰ ঘটনা সৰ্বসাধাৰণৰ বাবে অস্বাভাৱিক, অনুচিত যেন হ'লেও পিকাচোৰ কাৰণে আছিল নিৰ্মল আকাশত অহা যোৱা কৰা মেঘৰ দৰেই স্বচ্ছ আৰু নিৰ্মল, লগতে স্বাভাৱিকো। ফ্ৰাসোয়া জিলো আহিল পিকাচোৰ জীৱনলৈ। লগে লগে সৰ্বোতভাৱে ভাঙি পৰিল তেওঁৰ পূৰ্ব প্ৰেয়সী ডোৰা মাৰ। বলিয়া হৈ পৰিল ডোৰা কাৰণ পিকাচোৰ বাহিৰে অন্য কাকোৱেই তেওঁ শৰীৰ আৰু আত্মাৰে কোনোদিনেই গ্ৰহণ কৰা নাই।

জিলোক লৈ পিকাচোৱে সময় কটাবলৈ ভূমধ্য সাগৰীয় অঞ্চলৰ এটা ৰিচোৰ্টলৈ গ'ল। সেই অঞ্চলৰ তাপমাত্ৰা পিকাচোৰ যৌৱনৰ দৰেই চিৰনবীন। কিন্তু তাতেই বাধা আহি পৰিল পিকাচোৰ আৰু এগৰাকী পূৰ্ব প্ৰেমিকা ওলগাৰ পৰা। ওলগা আৰু জিলো— এই দুয়োগৰাকী প্ৰেমিকাৰ কাজিয়া পেচাল আৰম্ভ হ'ল, মাৰামাৰি পৰ্যন্তলৈ আগবাঢ়িল। কিন্তু এই ঘটনাত সামান্যও বিৰক্ত নহ'ল পিকাচো। বিপৰীতে মনৰ মাজত এক তৃপ্তিহে। ৬০ৰ উৰ্ধ্বৰ পিকাচোৰ শৰীৰ আৰু মনক লৈ দুই নাৰীৰ মাজত কলহ— সেয়া তেওঁৰ বাবে আছিল আনন্দৰ কথা। কিন্তু পিকাচোৰ এই তৃপ্তি, এই আনন্দ এনে এজন পুৰুষৰ, যাৰ যৌন মানসিকতাই কোনোদিনেই বয়ঃসন্ধিক অতিক্ৰম কৰা নাই। কোনো ধৰণৰ দাম্ভিকতা সেই তৃপ্তিত নাছিল। আৰু এই তৃপ্তিক তেওঁ সতেজ কৰি ৰাখিছে শিল্পৰ দৰবাৰত। যৌৱন বলিয়া, প্ৰেমৰ বাবে আতুৰ মনটোক ধৰি ৰাখিয়েই পিকাচোৱে বৃদ্ধ বয়সতো তুমুল যৌনতা আক্ৰান্ত ছবি আঁকি গৈছে এখনৰ পাছত এখনকৈ। এনেকি সেই ছবিবোৰৰ মাজত নিজৰ উপভোগ ক্ষমতা শূন্য যৌনতাকো উদ্‌যাপন কৰিছে এই বৃদ্ধ শিল্পীজনে। যিবোৰ ছবি দেখিলে কিছু দৰ্শকৰ কাণ গৰম হৈ যায়।

পিকাচোৰ দৰে এজন শ্ৰেষ্ঠ শিল্পীক বিয়া কৰায়ো সুখৰ সংসাৰ কৰিব জিলোই কিন্তু নোৱাৰিলে। পিকাচোই বিচাৰিছিল জিলোই নিতৌ পুৱা তেওঁৰ টোপনি ভাঙিব সংগীতেৰে।

তাৰ পাছত কাণে কাণে আহি ক'ব— পিকাচো, তুমিয়েই পৃথিৱীৰ শ্ৰেষ্ঠতম শিল্পী। এই উচ্চাৰণেই দিনটোৰ প্ৰথম কথা হ'ব। তদুপৰি পিকাচো আছিল অতি কুসংস্কাৰাচ্ছন্ন। তেওঁৰ নখ যদি কোনো নাপিতে কাটে, সেই নখ সংগ্ৰহ কৰি নাপিতে কিবা অন্যায় কৰিব পাৰে, এই ধাৰণাৰ বশৱৰ্তী হৈ তেওঁ নাপিতক নখ কাটিবলৈ নিদিছিল। গতিকে নখ কটাৰ দায়িত্ব আছিল জিলোৰ ওপৰত। তদুপৰি জিলোৰ ছবি কিনিবলৈ তেওঁ শিল্প সংগ্ৰাহক সকলৰ বাধ্য কৰাইছিল। 'নাৰীপুষ্প' নামৰ তেওঁৰ বিখ্যাত ছবিখন জিনোক লৈয়েই আঁকা। বিশ্ববিখ্যাত 'গোৰনিকা' ছবিত ক্ৰন্দনৰত যি নাৰীমুখ আমি দেখা পাওঁ, তেওঁ প্ৰকৃততে ফ্ৰাসোয়া জিলো।

ফ্ৰাসোয়া জিলোই পিকাচোৰ দুটা সন্তানক জন্ম দিয়ে। প্ৰথমটো পুত্ৰ সন্তান ক্লদ আৰু এজনী কন্যা পালোমা। পিকাচোৰ যৌন জীৱন এটা সময়ত জিলোই আৰু সহ্য কৰিব নোৱাৰা হ'ল। তেওঁৰ মাজত দেখা

অনিতা গোস্বামী

গ'ল আসন্ন বিচ্ছেদৰ ইচ্ছা আৰু দুখ। ১৯৪৪ৰ পৰা ১৯৫৩লৈ জিলো পিকাচোৰ লগত আহিল। সেই সময়খিনিতে তেওঁ পিকাচোক কেৱল দেহ দিয়া নাছিল, দিছিল অপূৰ্ব সাহৰ্চ্য্য। পিকাচোৰ প্ৰাইভেট চেক্ৰেটাৰীৰ দৰে সকলো ধৰণৰ সহায়তা তেওঁ কৰিছিল। জিলো নিজে এগৰাকী ভাল শিল্পী আছিল, আছিল এজন উত্তম চিত্ৰ সমালোচক। পিকাচোৰ হৈ কথা কোৱাৰ দায়িত্বও আছিল জিলোৰ ওপৰত। কিন্তু তেওঁৰ এই মেধা আৰু বুদ্ধি, এটা সময়ত সেয়াই অসহনীয় হৈ উঠিল পিকাচোৰ কাৰণে। নাৰীৰ পৰা বিচৰা আত্মনিবেদন তেওঁ জিনোৰ পৰা পোৱা নাছিল। আকৌ অন্য এক নাৰীৰ পিপাসা জাগি উঠিল তেওঁৰ মনত। সেইগৰাকী নাৰী হৈ ওচৰলৈ আহিল জ্যাকলিন ৰোক। বিদায় ল'লে জিলোই।

অৱশ্যে পিকাচো-জিলোৰ পৰ্ব ইমানতে শেষ কিন্তু নহয়। পিকাচোৰ জীৱনৰ পৰা আঁতৰি গৈ জিলোই বিয়া মাৰ্কিন পুৰুষ জোনাচ মাঙ্কক। জোনাচ আছিল এজন ভেকচিন বিশেষজ্ঞ। যিহওক নিজৰ ৮৪তম্ জন্মদিনত পিকাচোই জানিব পাৰিলে ফ্ৰাসোয়া জিলোই 'মাই ডেজ উইথ পিকাচো নামৰ এখন কিতাপ লিখিছে। সেই কিতাপখনত পিকাচোৰ গুণকীৰ্তন যেনেকৈ আছে, ঠিক তেনেকৈ সেই দিনবোৰত চৰম ব্যক্তিগত এন্ধাৰ দিনবোৰকো খোলাখুলিকৈ জিলোই ফুটাই তুলিছে। তীব্ৰ বেদনা আৰু যন্ত্ৰণাৰ স্পৰ্শ আছে কিতাপখনৰ পাতে পাতে। জিনোৰ মতে পিকাচোৱে নিজে কোনো নাৰীকে জীৱনৰ পৰা আঁতৰাই দিয়া নাই। নাৰীসকলে নিজেই পিকাচোৰ পৰা আঁতৰি গৈছে। তাৰ পাছতো পিকাচোই বিচাৰে এক ক্ষয়িষ্ণু অন্ধকাৰৰ মাজত এইসকল বিগত নাৰীয়ে তেওঁক আগুৰি থাকক। জিলোৰ মতানুসাৰে এইবোৰ নাৰীৰ দুৰ্ভাগ্য আৰু নিয়তি নিপীড়িত জীৱন কাহিনীৰ ৰচয়িতা পিকাচোৰ বাহিৰে অন্য কোনোৱেই নহয়।

'মাই ডেজ উইথ পিকাচো' যেতিয়া প্ৰকাশিত হৈছে, ঠিক তেতিয়াই সমগ্ৰ পৃথিৱীতে পিকাচো এজন মনীষীৰূপে গৃহীত। তেওঁৰ উক্তি, তেওঁৰ মতামত বিশ্বৰ মানুহে মন দি শুনে। লগতে সেইবোৰ লৈ আলোচনা কৰে। আলোড়নো হয়। 'মাই ডেজ উইথ পিকাচো' যে তেওঁৰ প্ৰতি থকা ধাৰণা সৰ্বসাধাৰণৰ ধাৰণাৰ পক্ষে একেবাৰেই ভাল নহ'ব, সেই কথা তেওঁৰ বন্ধু-বান্ধৱ আৰু বিশেষকৈ জ্যাকলিন ৰোকে তেওঁক যথেষ্ট বুজালে। পিকাচোই আদালতত মোকৰ্দমাও কৰিলে। সেই মোকৰ্দমাত পিকাচো কিন্তু হাৰি গ'ল। এই পৰাজয় এজন শিল্পীৰ নহয়। এই পৰাজয় এজন পুৰুষৰ চিৰকালীন পতন এগৰাকী নাৰীৰ ওপৰত। ইয়াৰ দ্বাৰা পিকাচো নিশ্চয় সৰু হৈ যোৱা নাছিল। কিন্তু জিলো উঠি আহিল এগৰাকী অসম্ভৱ শক্তিশালিনী নাৰী ৰূপে' যিয়ে প্ৰেম আৰু সন্মানৰ যুদ্ধত পুৰুষৰ ওপৰত নতশিৰ কেতিয়াও নহয়।

ফোন ঃ ৯৮৬৪২৯৫০২৪

চিৰজীৱনে সাহিত্য সৃষ্টিৰ জগতত অবিৰত জয়যাত্ৰা কৰাৰ লগতে নাতি-নাতিনীৰ স'তে পাৰিবাৰিক সুখ-শান্তিৰ জীৱন কটাই তেওঁ এক দীঘলীয়া জীৱন কটাবলৈ বাঞ্ছা কৰিছিল। কিন্তু হঠাতে সকলোকে অবাক কৰি কেইদিনমানৰ ৰোগত ভুগি তেওঁ ইহজগতৰ পৰা মেলানি মাগিলে। ই সঁচাকৈয়ে আকস্মিক আৰু হৃদয় বিদাৰক। তেওঁৰ হাঁহিমুখীয়া বিনয়ী ব্যক্তিত্ব জনসাধাৰণৰ অন্তৰৰ পৰা মাৰ যাব নোৱাৰে।

ড° লক্ষ্মীনন্দন বৰা

এক সজীৱ স্মৃতি

প্ৰথিত যশা কথাশিল্পী ড° লক্ষ্মীনন্দন বৰা 'কাল বলুকাত খোজ' নামৰ বিপুলভাৱে সমাদৃত আত্মজীৱনীখন পঢ়ি মনত ভাব হয়, চিৰজীৱনে সাহিত্য সৃষ্টিৰ জগতত অবিৰত জয়যাত্ৰা কৰাৰ লগতে নাতি-নাতিনীৰ স'তে পাৰিবাৰিক সুখ-শান্তিৰ জীৱন কটাই তেওঁ এক দীঘলীয়া জীৱন কটাবলৈ বাঞ্ছা কৰিছিল। কিন্তু হঠাতে সকলোকে অবাক কৰি কেইদিনমানৰ ৰোগত ভুগি তেওঁ ইহজগতৰ পৰা মেলানি মাগিলে। ই সঁচাকৈয়ে আকস্মিক আৰু হৃদয় বিদাৰক। তেওঁৰ হাঁহিমুখীয়া বিনয়ী ব্যক্তিত্ব জনসাধাৰণৰ অন্তৰৰ পৰা মাৰ যাব নোৱাৰে। তেওঁ 'গৰীয়সী' আলোচনীখনৰ সম্পাদক হৈ থাকোতে এই লেখিকাই প্ৰায়ে আলোচনীখনত প্ৰবন্ধ লিখাৰ সংক্ৰান্তত ব্যক্তিগতভাৱে কথা পাতিবলৈ সুযোগ পাইছিল। এটা বিষয়ত অবাক মানিছিলো যে সৰু-বৰ ন-পুৰণি সকলো লেখক-লেখিকাৰ লগত তেওঁ একেই মান-সম্ভ্ৰমৰে কথা-বতৰা পাতে। পাছত ইয়াৰ সমিধান বিচাৰি পাইছিলো দিনপঞ্জীৰ আকাৰত লিখা তেওঁৰ 'কাল বলুকাত খোজ' কিতাপখনৰ ২০০ পৃষ্ঠাত। এই পৃষ্ঠাত তেওঁ লিখিছে, '...আনুষংগিক 'হবি'টো আছিল কৌতূহলৰে মানুহক লক্ষ্য কৰা।...' ২৪২ পৃষ্ঠাত তেওঁ লিখিছে,... 'এজন লেখকৰ মানুহৰ লগত সম্পৰ্কৰ প্ৰয়োজন হয়।.. সকলো পৰ্যায়ৰ লোকৰ লগত পাৰস্পৰিক ক্ৰিয়া নঘটিলেহে তেওঁ বাস কৰা সমাজখনৰ বিষয়ে সামগ্ৰিকভাৱে জানিব নোৱাৰে আৰু মানৱ চৰিত্ৰৰ বৈচিত্ৰ্যৰ উপলব্ধিও সীমিত হয়।..' এনেবোৰ লেখাৰ পৰা বুজিব পাৰি যে কোনো ব্যক্তিৰ লগত তেওঁ কথা-বতৰা হওঁতেই মনতে পাঙি থোৱা আখ্যানটোৰ একোটা চৰিত্ৰ তেওঁ কল্পনা কৰি লয়।

ড° বৰাৰ নিচিনা প্ৰথিতযশা কথাশিল্পী এজনে কাৰাবাস খাটিবলগীয়া কথাষাৰে মানুহক অবাক কৰিলেও তেওঁ ৩৬ দিনীয়া কাৰাবাসৰ দিনকেইটা আমোদজনক কৰি ল'বলৈ সক্ষম হৈছিল। বিশেষকৈ বৰ্তমান কালৰ জেইলবোৰৰ অন্ধকাৰ দুৰ্নীতিপূৰ্ণ জগতখন জনসাধাৰণৰ আগত সাৱলীল ভাষাৰে উন্মুক্ত কৰি তুলিছিল, যিবোৰ কাহিনী আমাৰ সপোনৰো অগোচৰ। কাৰাগাৰত ৰাখিলে অপৰাধীয়ে কেতিয়াও অপৰাধত লিপ্ত হ'ব নোৱাৰে বুলি আমাৰ যি ধাৰণা, সেইবোৰ নস্যাৎ কৰি প্ৰকৃত ঘটনাবোৰ দাঙি ধৰিছিল। তেওঁ লিখিছে, '..কাৰাগাৰখন ব্ৰহ্মাণ্ডৰ এটা ক্ষুদ্ৰ তাণ্ডৱণ। বাহিৰৰ পৃথিৱীৰ সকলোবোৰ বদ্‌গুণ ইয়াত আছে। ইয়াত ক'লা বজাৰ আছে, ইয়াত জুৱা খেলো চলে! মদ-ভাঙৰ পৰা সুগন্ধি তেওঁলোকে ইয়াত যি বিচাৰে তাকে পোৱা যায়। হাতত টকা থাকিলে হেনো কাৰাগাৰৰ জীৱন বিৰক্তিকৰ নহয়। ...সাধাৰণ কয়দী থকা ব্লক এটাৰ বাৰাণ্ডাত এদিন দেখিলো যে জুম বান্ধি কে'বাঠাইতো কয়দীবোৰে জুৱা খেলি আছে। সিহঁতৰ ৰখীয়া ৱাৰ্ডাৰ দুটামানেও তাত যোগ দিছে। কয়দী দুটামানৰ হাতত ১০ টকীয়া নোটৰ নুৱা দেখি আচৰিত হ'লো। (পৃঃ৪০৯) ইহঁতে এই টকাবোৰ পায় ক'ত? ইহঁতক দেখা কৰিবলৈ অহা মানুহবোৰে দিয়ে হেনো। দেখা কৰিবলৈ অহা মানুহবোৰো পাতলি জীৱনৰ পৰা অহা।.... কাৰাগাৰত ভাত-দাইলৰো চোৰাং বজাৰ চলে। খোৱাৰ সময়ত কে'বাভাৰো ভাত, দাইল আৰু শাক-পাচলিৰ তৰকাৰী আহে। দুই এটা কয়দীয়ে খাতিৰ আৰু পইচাৰ জোৰত ৰন্ধা ঠাইৰ পৰাই ভাত-দাইল লয়। আৰু ভোক নুগুচা কয়দী কিছুমানে ভাত, দাইল পইচা দি কিনি খায়। (পৃঃ৪১০)।

ৰাজনৈতিক বন্দীৰ বাবে কাৰাগাৰখনৰ সা-সুবিধা বেচ ভাল। ড° বৰা ৰাজনৈতিক বন্দী বাবে তেওঁ থকা কোঠাটোত একালত গোপীনাথ বৰদলৈ, ফখৰুদ্দিন আলী আহমেদ আদি লোক আছিল। ৰাজনৈতিক বন্দীক খুব আৰামত ৰখা হয়। ৰাজনৈতিক বন্দী নিত্যা দত্তই হেনো আছুতীয়াকৈ ৰখা ঠাইত ভোৰতাল লৈ নাম প্ৰসংগত বহি জেলৰ চৌহদ মুখৰিত কৰি তোলা শেষত বাকীসকলে সেৱা কৰে আৰু নিত্যা দত্তই কাকুতি ঘোষা মাতি আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত ডেৰ বজাত ভুৰি-ভোজন আৰু নিশ্চিন্ত নিদ্ৰা। পাছত যোগাভ্যাস আৰু শেহত সন্ধিয়াৰ আহাৰ। এই আহাৰ দুপৰীয়াৰ আহাৰতকৈ বেছি পুষ্টিকৰ আৰু শেহত নিশ্চিন্ত নৈশ নিদ্ৰা, তেওঁ কাৰাগাৰত সোমোৱা দিনটো আছিল ১৯৮১ৰ ২৫ জানুৱাৰী। ড° বৰাই কাৰাগাৰত লাভ কৰা অভিজ্ঞতাৰে চাৰিটা গল্প লিখিছিল। গল্পকেইটা হ'ল— 'মৃত্যুৰ অপেক্ষাত', 'আক্ৰোশ', 'যাতনা' আৰু 'পিঞ্জৰবাসীৰ ভাওনা।' তেওঁৰ 'আক্ৰোশ' গল্পটোৱে ভাৰতীয় জ্ঞানপীঠৰ সৰ্বভাৰতীয় গল্প সংকলত ঠাই পাইছিল।

তেওঁ লিখিছে, কাৰাগাৰ চাকৰিয়ালবোৰৰ টকা ঘটাৰ বেচ সুযোগ আছে। কাৰাধ্যক্ষ আৰু সহকাৰী কাৰাধ্যক্ষ আদিয়ে বাসভৱনৰ লগতে বানচ পায়। ঘৰত গাইগৰু পোহাৰ সকলো সুবিধাৰ উপৰি কাৰাগাৰৰ খাদ্য যোগান ধৰা ঠিকাদাৰসকলে ঘৰতে সকলো খাদ্য বিনামূল্যে যোগান ধৰে। কাৰাগাৰৰ খাদ্য সামগ্ৰী যোগান ধৰাৰ সময়ত যিমান দিব লাগে তাতকৈ কমাই বাকী টকাৰ ভাগ বাটোৱাৰা হয়। ফলস্বৰূপে কয়দীয়ে পেট ভৰাই খাবলৈ নাপায়। এইদৰেই তেওঁলোকে শুকান জেওৰা খৰিৰ পৰাও ৰস উলিয়াব জানে। তাৎপৰ্যৰ বিষয় এয়ে যে, প্ৰতিমাহে ৰাজধানীৰ পৰা এজন ওপৰৰালা আহিলে এটা ভোজ পতা হয়। তাতে প্ৰতিজন বিষয়াই তেওঁক এটা মাননিৰে গোপনে লেফাফা দিয়াটো এটা ধৰাবন্ধা নিয়ম। অৱশেষত ১৯৮১ৰ পাঁচ মাৰ্চ দিনটো আহিল। গুৱাহাটী জিলা কাৰাগাৰত সেইদিনা শিৱৰাত্ৰি উপভোগ কৰি কয়দীয়ে বাল্টিয়ে বাল্টিয়ে ভাঙৰ ঘোটাৰ ভাগ লৈ মতলীয়া হৈ আছে। এনে সময়তে ড° বৰাৰ আৰু অন্য কেইজনমানৰ মুক্তিৰ আদেশ আহিল। উল্লেখ্য যে উপদেষ্টা পৰিষদক আটাইকেইজনে ড° বৰাক আটক কৰি ৰখা কাৰণবোৰ যে অমূলক আছিল, তাকেই স্বীকাৰ কৰিছিল।

'কাল-বলুকাত খোজ' কিতাপখনৰ পাছৰ পিঠিত ড° বৰাই লিখিছে,...ভালেমানৰ মতে এই আত্মকথাখিনি মোৰ সৰ্বোৎকৃষ্ট উপন্যাসকেইখনকো হেনো চেৰ পেলাইছে।' তেওঁৰ এই কিতাপখন মন দি পঢ়িলে, অনেক আমোদজনক কথা পঢ়িবলৈ পোৱা যায়। ইয়াৰে তেওঁৰ বিবাহৰ দিনটোৰ এটা আমোজজনক কথা উল্লেখ কৰা হৈছে— তেওঁৰ বিবাহৰ দিনটো আছিল ১৯৬১ৰ ১২ মাৰ্চ। বিবাহ পৰ্ব শেষ হোৱাৰ পাছত ঘৰমুৱা যাত্ৰাত গাড়ীৰ অন্য যাত্ৰীয়ে টোপনিয়াই আহি থকাৰ মাজতে দৰাই হঠাতে দীঘল ওৰণিৰ তলৰ পৰা কইনাৰ মাত শুনিলে, বোলে— 'হাতত ইমানবোৰ আঙঠি পিন্ধিব লাগেনে? পাঞ্জাৱীটোৰ ৰংটোও ইমান গাঢ় দেখিয়েই মোৰ লাজ লাগিছে।' কইনাৰ মাত শুনি দৰা অবাক হ'ল যদিও মাতটো বৰ আপোন যেন লাগিল। মনতে ভাবিলে, স্বামীৰ ওপৰত কৰ্তৃত্ব চলোৱাৰ আগজাননী নেকি? দৰায়ো হঠাতে কৈ দিলে, 'এইবোৰৰ মই আওভাও নাপাওঁ। জোৰণৰ দিনাৰ পৰা আজিলৈকে আনৰ কথা মতেই চলিছো।' তাৰ পাছত গাড়ী আহি বোকাখাত পালেহি। দৰাই পিন্ধা পাঞ্জাৱীটোৰো এটা কাহিনী আছে। কইনাৰ মনৰ ভাব হ'ল— এজন উচ্চ শিক্ষিত প্ৰফেছাৰে দৰা হৈ নিজকে

অৱলোকন

অহল্যা গগৈ

সজাব নাজানে বাবে লাজ লাগিব লাগে। দৰাচলতে বিয়াৰ উদুলি-মুদুলিৰ মাজতে দৰাৰ পিন্ধি থকা পাট কাপোৰৰ পাঞ্জাৱী চোলাটো পছন্দ হোৱা নাছিল। দৰা নিজেও ক'লা, (অৰ্থাৎ শ্যাম বৰণীয়া), তেওঁৰ বাবে টেক টেককৈ হালধীয়া ৰঙৰ পাঞ্জাৱী চোলাটো গাৰ ৰঙৰ লগত সমূলি মিলা নাই। সেই কথা উপলব্ধি কৰি হতাশ হৈছিল। লগৰ এজন বন্ধুৱে বিয়াৰ আগতে দৰাৰ পোছাকৰ বাবে বগা পাট কাপোৰ এডোখৰ উপহাৰ দিছিল; কিন্তু ঘৰৰ পিছপৰা গাঁওখনত দৰ্জীৰ অভাৱৰ বাবে চোলাটো চিলাব নোৱাৰিলে। পাছতহে দৰাই বুজি পালে বিবাহোত্তৰ প্ৰণয়ৰ উন্মেষণৰ ফলত ন-ছোৱালীয়ে স্বামীক দোষে-গুণে গ্ৰহণ কৰিছে। দাম্পত্য জীৱনৰ যাত্ৰাত নিজৰ আৰ্থিক সীমাবদ্ধতাৰ কথা উপলব্ধি কৰি দুয়ো ধনী মানী হৈ জীয়াই থকাৰ স্বপ্ন ত্যাগ কৰি সাধাৰণভাৱে জীৱন কটাইছিল।

ড° বৰাৰ 'পাতাল ভৈৰৱী' নামৰ বৃহৎ উপন্যাসখন ১৯৮৩ত প্ৰকাশিত হৈছিল। ইয়াৰ বাবে সাহিত্য একাডেমী বঁটা পাইছিল। উপন্যাসখনৰ বিক্ৰীও বৰ বেছি আছিল বাবে কে'বাটাও সংস্কৰণ লগে লগে ছপাবলগীয়া হৈছিল। এই উপন্যাসখনৰ উৎসৰ বিষয়ে তেওঁ লিখিছে এনেদৰে— ১৯৮৩ত তেওঁ ভাবিলে কানিৰ ক'লা বেপাৰ আৰু ব্যাপকভাৱে অবৈধ কানি বেপাৰ কৰি ভাগ্যৱন্ত হোৱা প্ৰবল পৰাক্ৰমী 'স্মাগলাৰ' একোজনকো কেন্দ্ৰ কৰি এনে এখন উপন্যাস লিখিব পৰা যায়। ইতিমধ্যে সংবাদ মাধ্যমৰ যোগেদি জানিব পাৰিছিল যে উজনি অসম, ব্ৰহ্মপুত্ৰৰ চাপৰিবোৰ আৰু ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰৰ জনজাতীয় লোকৰ বসতিস্থলত কানিৰ ক'লা বেপাৰৰ এটা ভাল নেটৱৰ্ক আছে। ডিব্ৰুগড় আৰু কাষৰীয়া অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ ব্ৰহ্মপুত্ৰত এটা বৰশী বোৱা দলৰ লগ হৈ লৈছিল। নাৰৰীয়াসকলৰ কেইজনমান প্ৰবল প্ৰতাপী কানি বেপাৰীৰ নাৱেৰে কানি কঢ়িওৱা লোক আছিল। তেওঁলোকৰ মুখৰ পৰা কানিৰ বেপাৰৰ কিছুমান লোমহৰ্ষক কাহিনী শুনিয়েই তেওঁ চাৰি মাহৰ ভিতৰতে ক্ষেত্ৰ অধ্যয়ন শেষ কৰি উপন্যাসখন যুগুত কৰিছিল।

২০০৮ত তেওঁ 'কায়কল্প' নামৰ উপন্যাসখনৰ বাবে 'সৰস্বতী সন্মান' নামৰ পুৰস্কাৰ লাভ কৰিছিল। এই বঁটাপ্ৰাপ্ত উত্তৰ-পূব ভাৰতৰ তেৰেঁই প্ৰথম। সেই সময়ত তেওঁৰ প্ৰয়াত চন্দ্ৰ প্ৰসাদ শইকীয়ালৈ বাৰে বাৰে মনত পৰিছিল। কিয়নো তেওঁ স্বীকাৰ কৰিছে যে, 'গৰীয়সী' আলোচনীত ধাৰাবাহিকৰূপে প্ৰকাশ কৰিবলৈ সম্পাদক শইকীয়াই তেওঁক বাধ্য নকৰোৱাহেঁতেন হয়তো উপন্যাসখন কেতিয়াও লিখা নহ'লহেঁতেন। ইয়াৰ পাছৰ পৰাই ড° বৰা 'গৰীয়সী' আলোচনীৰ সম্পাদক প্ৰয়াত চন্দ্ৰ প্ৰসাদ শইকীয়াৰ শূন্য আসনখন গ্ৰহণ কৰি স্বৰ্গগত গৰাকীৰ উত্তৰসূৰী হ'বলৈ সুযোগ পালে।

ফোন ঃ ৯৯৫৪০৩৮৭০৪

বানপানী অসমৰ
চকুলো হৈয়ে থাকিবনে?

বানপানী অসমৰ বাবে এক এৰাব নোৱাৰা সমস্যা। দশকৰ পাছত দশক ধৰি বানপানীৰ তাণ্ডৱে অসমক বিধ্বস্ত কৰি থকাৰ পাছতো এই সমস্যা সমাধানৰ কোনো সূত্ৰ নোলাল। বিজ্ঞানৰ জয়জয়-ময়ময় অৱস্থা তথা উন্নত প্ৰযুক্তিৰ যুগতো ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ অসমৰ বাবে চকুলো হৈয়ে ৰ'ল। দেশ স্বাধীন হোৱাৰ ৭৫ বছৰৰ পাছতো ই সমস্যা হৈয়ে থাকিল। যাৰ বাবে প্ৰতিবছৰে প্ৰায় একেটা সমস্যাই অসমৰ গৰিষ্ঠসংখ্যক লোকক জ্বলা-কলা খুৱাই আহিছে। প্ৰতিবছৰে হোৱা বানপানীয়ে লাখ লাখ মানুহক গৃহহীন কৰিছে, সা-সম্পত্তি নষ্ট কৰিছে। হেজাৰ হেজাৰ হেক্টৰ খেতিপথাৰ নষ্ট হোৱাৰ লগতে নদীৰ বুকুত জাহ গৈছে শ শ বিঘা মাটি, বনাঞ্চল। বাট-পথ, দলঙৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে অসমৰ গ্ৰাম্য অৰ্থনীতি ধ্বংস কৰি আহিছে। বানসাহায্য, আন্তঃগাঁথনি পুনৰ নিৰ্মাণ, মথাউৰি মেৰামতিৰ নামত বছৰি ৰাজকোষৰ পৰা বৃহৎ পৰিমাণৰ পুঁজি ব্যয় কৰি থাকিবলগা হৈছে। উল্লেখ্য যে ২০১৫ ৰ পৰা ২০২২ৰ ২১ জুনলৈকে ৰাজ্যখনৰ বানৰ কবলত পৰি ৬২২ জন লোকৰ মৃত্যু হৈছে। বান-গৰাখহনীয়াই চলোৱা তাণ্ডৱত প্ৰতিবছৰে অগণন পৰিয়াল ক্ষতিগ্ৰস্ত হৈ আহিছে। বিশেষকৈ বছৰৰ ছটা মাহেই ৰাজ্যৰ গৰিষ্ঠসংখ্যক জিলাত বানপানীয়ে সংঘটিত কৰা ধ্বংসলীলাই সকলো দিশতে সমস্যাৰ সৃষ্টি কৰি আহিছে। দীৰ্ঘসময় ধৰি এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে গ্ৰহণৰ দাবী উত্থাপন হৈ আহিছে যদিও ই অৰণ্যৰোদনত পৰিণত হৈছে। অসমৰ অৰ্থনীতি কৃষি নিৰ্ভৰশীল, কাৰণ অসমত জনসংখ্যাৰ ৮৫.৯ শতাংশ গাঁওবাসীৰ বিপৰীতে ভাৰতৰ গড় গাঁওবাসী লোক ৬৮.৮ শতাংশ ২০১১ ৰ লোকপিয়লৰ তথ্যমতে। অসমৰ উক্ত ৮৬ শতাংশ ল

নগাঁৱত পৰিবহণ বিভাগৰ দ্বাৰা জব্দ

তিনি পৃষ্ঠাৰ পৰা আজি নগাঁও জিলা পৰিবহণ বিভাগে চাৰিখনকৈ পুৰণি তথা ফিটনেছ নথকা স্কুলবাছ জব্দ কৰে। উল্লেখ্য যে জব্দ কৰা বাছসমূহ চহৰখনৰ ব্যক্তিগত খণ্ডৰ অভিজাত বিদ্যালয়ৰ। ছাত্ৰ-ছাত্ৰীসকলক স্কুলবাছত কঢ়িওৱাৰ বাবে উচ্চতম ন্যায়ালয়ৰ যি এক নিৰ্দেশনা আছিল এইসমূহ নিৰ্দেশনা আজি পৰ্যন্ত নগাঁৱৰ ব্যক্তিগত খণ্ডৰ কে'বাখনো বিদ্যালয়ে মানি নহাৰ এক অভিযোগ বহুদিনীয়া।

শ্ৰীৰামপুৰত পুনৰ গাঞ্জা সৰবৰাহ কৰা

তিনি পৃষ্ঠাৰ পৰা দাউ দাউকৈ জ্বলি উঠে আৰু কিছু সময়ৰ ভিতৰতে ট্ৰাকখন ভস্মীভূত হয়। উল্লেখ্য যে মঙলবাৰে শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই গুৱাহাটীৰ পৰা বিহাৰ অভিমুখে যোৱা ইউ পি-১৫ ডিটি-২২৬৪ নম্বৰৰ ১২ চকীয়া ট্ৰাকখন ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় পথৰ পৰা আটক কৰে। ট্ৰাকখনত তালাচী চলাই গোপন চেম্বাৰৰ পৰা ১৩১ টা মণিপুৰী গাঞ্জাৰ পেকেট উদ্ধাৰ কৰে। পেকেটত মুঠ ১৯২০ কেজি গাঞ্জা আছিল। ইয়াৰ বজাৰ মূল্য প্ৰায় পাঁচ কোটি টকা হ'ব। ট্ৰাকৰ লগতে সহচালক তথা মণিপুৰৰ নিবাসী ফাৰুক হুছেইনক গ্ৰেপ্তাৰ কৰি তদন্ত চলাই থকা সময়ত যোৱা নিশা আৰক্ষীৰ জিম্মাত থকা ট্ৰাকখনত অচিনাক্ত দুৰ্বৃত্তই অগ্নিসংযোগ কৰে বুলি আৰক্ষীৰ ভাষ্য। কিন্তু ধাৰাবাহিকভাৱে আৰক্ষী চকীৰ চৌহদত দুৰ্বৃত্তই জব্দকৃত বাহনসমূহ কেনেকৈ জ্বলাই দিব পাৰে এয়াই লাখটকীয়া প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ দিবলৈ কোনো নাই।

বামুণ বৰ লালুং গাঁৱৰ হত্যাকাণ্ডৰ সাত

তিনি পৃষ্ঠাৰ পৰা ৰাইজে ন জুলাইত ৰাইজ মেল পাতি অভিযুক্ত ৰঞ্জিত বৰদলৈক গছত বান্ধি মাৰধৰ কৰাৰ লগতে জীৱন্ত অৱস্থাতে গাত ডিজেল ঢালি জ্বলাই দি গাঁত খান্দি পুতি থৈছিল। এই লৈ চামগুৰি আৰক্ষী থানাত এক গোচৰ ৰুজু কৰি চামগুৰি আৰু পুৰণিগুদাম আৰক্ষীয়ে ১৩ জন অভিযুক্ত চিনাক্ত কৰি পাঁচজনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল যদিও বাকীকেইজন অভিযুক্ত পলাতক অৱস্থাত আছিল। শেহতীয়াকৈ ঘটনাটোৰ লগত জড়িত সাতগৰাকী অভিযুক্তই কালি আদালতত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা অভিযুক্তসকল ক্ৰমে ঘনকান্ত বৰদলৈ, কৃষ্ণকান্ত বৰদলৈ, মিণ্টু বৰদলৈ, পানীৰাম বৰদলৈ, কান্ত বৰদলৈ, অজয় বৰদলৈ আৰু ধ্ৰুৱ বৰদলৈ। ইফালে এতিয়াও ঘটনাটোৰ মূল অভিযুক্ত কাঁচিৰাম বৰদলৈ পলাতক অৱস্থাত আছে যদিও কাঁচিৰামৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। ইফালে, আত্মসমৰ্পণ কৰা সাতজন অভিযুক্তক পুৰণিগুদাম আৰক্ষীয়ে তিনিদিনৰ জিম্মাত লৈছে।

বঙাইগাঁৱত মন্ত্ৰী পীযুষ হাজৰিকাই

তিনি পৃষ্ঠাৰ পৰা স্থাপন কৰা হৈছে। বৰ্তমানে ৰাজ্যৰ ২৭ খন জিলাত এনে ধৰণৰ পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে। সদ্যহতে কেবল শিক্ষা বিভাগত 'কৃতজ্ঞতা' ডিজিটেল প'টেলযোগে জিলাই জিলাই পেঞ্চনৰ কাম সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হৈছে। পিছলৈ আন আন বিভাগৰ পেঞ্চনৰ কামো 'কৃতজ্ঞতা' অনলাইন প'টেলযোগে কৰা হ'ব বুলি মন্ত্ৰীজনে উল্লেখ কৰে। অনলাইন প'টেলযোগে পেঞ্চনৰ কাম কৰিলে গুৱাহাটীৰ মুখ্য কাৰ্যালয়লৈ পেঞ্চনৰ কামত তাঁত-বাতি কাৰি থাকিব নালাগিব। যেনেদৰে প্ৰশাসনীয় সংস্কাৰৰ অংশ হিচাপে জাতিৰ প্ৰমাণপত্ৰ স্কুলতেই দিয়াৰ ব্যৱস্থা কৰা হৈছে, 'বসুন্ধৰা' প'টেলযোগে মাটিৰ গোছৰ সমাধা কৰাৰ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে মন্ত্ৰীজনে। আজিৰ সভাত ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰীয়েও বক্তব্য ৰাখে। সভাত উপায়ুক্ত নবদ্বীপ পাঠকে আদৰণি ভাষণ দিয়ে। সভাত অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য পাৰিষদ গোকুল বৰ্মন, জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সভাত শলাগৰ শৰাই আগবঢ়ায় বঙাইগাঁও জিলা চক্ৰৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মনে।

বিটিআৰ চুক্তি মতে বিটিআৰ অঞ্চলৰ

তিনি পৃষ্ঠাৰ পৰা উপস্থিতিত আজি মন্ত্ৰী অশোক সিংঘালে পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰি কয় যে এয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত এক অভিলাষী আঁচনি আৰু এই কৃতজ্ঞতা আঁচনিৰ যোগেদি অৱসৰগ্ৰহণ কৰা চৰকাৰী কৰ্মচাৰীসকল উপকৃত হ'ব। মুখ্যমন্ত্ৰীৰ দুৰদৰ্শী চিন্তাৰ পৰিণতিতে উক্ত আঁচনিয়ে আজি বাস্তৱৰূপ পালে বুলি মন্তব্য কৰি পেঞ্চন সেৱা কেন্দ্ৰলৈ নিজ কামৰ বাবে অহা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল কোনো কাৰণতে যাতে বেয়া ব্যৱহাৰৰ সন্মুখীন নহয় তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে। আনহাতে, সাংবাদিকৰ এক প্ৰশ্নোত্তৰত জেহাদী কাৰ্যকলাপ আৰু মনোভাৱ সম্পূৰ্ণৰূপে নিৰ্মুল কৰা হ'ব বুলি মন্তব্য কৰিছে মন্ত্ৰী সিংঘালে। ইপিনে, কৃতজ্ঞতা অনুষ্ঠানত অংশগ্ৰহণ কৰি বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে চৰকাৰৰ এয়া অতি ভাল পদক্ষেপ বুলি উল্লেখ কৰি ইয়াৰ দ্বাৰা অৱসৰ গ্ৰহণ কৰা চৰকাৰী কৰ্মচাৰীসকলে অতি সৰলভাৱে নিজৰ পেঞ্চন লাভ কৰিবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰে। আনহাতে, সাংবাদিকৰ এক প্ৰশ্নোত্তৰত বিটিআৰৰ মুখ্য কাৰ্যবাহী বড়োৱে বিটিআৰ চুক্তিৰ ৬.৩ নম্বৰ দফা অনুসৰি বিটিআৰ অঞ্চলৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰা হ'ব আৰু বিষয়টো সন্দৰ্ভত আলোচনা অব্যাহত আছে বুলি সদৰী কৰে। শিক্ষামন্ত্ৰীৰ শেহতীয়া মন্তব্যৰ স'তে বিটিআৰৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ কোনো সম্পৰ্ক নাই আৰু বিটিআৰৰ বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণৰ কাম চলি আছে বুলি সদৰী কৰিছে বড়োৱে। কোকৰাঝাৰত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি অনুষ্ঠানত জিলা উপায়ুক্ত বৰ্ণালী ডেকা, শিক্ষা বিষয়া ক্ৰমে সৌমদীন নাৰ্জাৰী, প্ৰদীপ গয়াৰী আদিকে ধৰি বহু বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

দুলীয়াজানত আটাছুৰ দুঘণ্টীয়া মানৱ

তিনি পৃষ্ঠাৰ পৰা জুই জ্বলিছে-জ্বলিবই, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী হায় হায়, ৰামেশ্বৰ তেলীৰ কাম নাই' বিভিন্ন শ্লো'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলৰ দুঘণ্টীয়া মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণৰ অন্তত ডিব্ৰুগড় জিলা উপায়ুক্তৰ যোগেদি দেশৰ প্ৰধানমন্ত্ৰীলৈ এখনি স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰখনি দুলীয়াজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিনয় কুমাৰ কলিতাৰ হাতত অৰ্পণ কৰে আটাছুৱে। স্মাৰকপত্ৰত আটাছুৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি নিৰোত্তম ফুকন আৰু সাধাৰণ সম্পাদক ৰূপম গগৈয়ে অভিযোগ কৰি কয় যে অসমৰ খাৰুৱা তেল তথা তৈল সম্পদেৰে পৰিচালিত দেশৰ নৱ ৰত্ন উদ্যোগৰূপে খ্যাত অইল ইণ্ডিয়া লিমিটেডত অসমৰ সমাজ জীৱনৰ স'তে সম্পৰ্ক থকা যোগ্য অসমীয়া ব্যক্তিক নিযুক্তি দিবৰ বাবে সদৌ তাই আহোম ছাত্ৰ সন্থা, ডিব্ৰুগড় জিলা সমিতিয়ে বাৰম্বাৰ দাবী জনাই আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে কেন্দ্ৰীয় চৰকাৰে অসমৰ আৱেগ-অনুভূতি আৰু স্বাভিমানক ভৰিৰে মোহাৰি চৰম ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে অসমৰ সমাজ জীৱনৰ স'তে পৰিচিত নোহোৱা ব্যক্তিক নিযুক্তি দি আহিছে। অইল ইণ্ডিয়া লিমিটেডৰ শীৰ্ষ পদত বহু কেইজন যোগ্য অসমীয়া ব্যক্তি থকাৰ পাছতো সৌ সিদিনা কেন্দ্ৰীয় চৰকাৰৰ পাব্লিক এণ্টাৰপ্ৰাইজ ছিলেকছন ব'ৰ্ডে ৰঞ্জিত ৰঠ নামৰ এগৰাকী অসমৰ সমাজ জীৱনৰ স'তে অপৰিচিত ব্যক্তিক নিৰ্বাচিত কৰিলে। শেহতীয়াকৈ আটাছুৰ তৰফৰ পৰা ৰঞ্জিত ৰঠৰ নিযুক্তিৰ তীব্ৰ বিৰোধিতা কৰাৰ পাছতো ৰঠক অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক পদত অধিষ্ঠিত কৰোৱা হ'ল বুলি জনগোষ্ঠীয় ছাত্ৰনেতাদ্বয়ে স্মাৰকপত্ৰত অভিযোগ তোলে। অসম আৰু অসমীয়াৰ কাৰণে এয়া এক চূড়ান্ত অন্যায়, সদৌ তাই আহোম ছাত্ৰ সন্থা ডিব্ৰুগড় জিলা সমিতিয়ে ইয়াক কোনো কাৰণতে মানি ল'ব নোৱাৰে বুলি স্মাৰকপত্ৰত সদৰী কৰে। আটাছুৱে স্মাৰকপত্ৰত প্ৰধানমন্ত্ৰীক ৰঠৰ নিযুক্তি বাতিল কৰি এগৰাকী যোগ্য অসমীয়া ব্যক্তিক অইলৰ শীৰ্ষ পদত নিযুক্তি দিবলৈ দাবী জনায় অন্যথা জনগোষ্ঠীয় সংগঠনটোৱে গণতান্ত্ৰিকভাৱে ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি স্মাৰকপত্ৰত সকীয়াই দিয়ে ।

তেজপুৰত গ্ৰামচড়ক যোজনাৰ পথ

তিনি পৃষ্ঠাৰ পৰা য'দিও এই পৰ্যন্ত প্ৰায় ছয়শ মিটাৰ কামহে আগবঢ়া পথটো অতি নিম্নমানৰ কামৰ বাবেই চপৰা চপৰে উঠি যোৱা বুলি ৰাইজে অভিযোগ কৰিছে। পুঠিখাটিৰ বহু সংখ্যক লোকে সংবাদমাধ্যমৰ আগত ক্ষোভ উজাৰি কয় যে অতি সাধাৰণ আৰু নিম্নমানৰ কাম কৰাত পথটোৰ মান অতি শোচনীয় হোৱা বিষয়ে ৰাইজে বাৰে বাৰে অভিযোগ কৰা সত্বেও ঠিকাদাৰ আৰু তদাৰকৰ দায়িত্বত থকা বিভাগে সামান্যতম গুৰুত্বও দিয়া নাই। ৰাইজে কয় যে প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনা ৰূপায়ণৰ নামত তেজপুৰত বিভিন্ন স্থানত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠি আহিছে যদিও ইয়াৰ কোনো তদন্ত নোহোৱাটো এক আচৰিত ঘটনা। পূৰ্বৰ দৰেই বৰ্তমানেও কমিচনৰাজ চলিছে নেকি বুলি ৰাইজে অভিযোগ কৰি এই ক্ষেত্ৰত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাকো ঠিকাদাৰ আৰু বিভাগৰ দায়িত্বহীনতাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালনৰ দাবী জনাইছে। উল্লেখ্য যে পথটোৰ নিৰ্মাণৰ সময়ত মাটিৰ পৰিমাণ প্ৰাককলন অনুসৰি, পেলোৱা নাই বুলি অভিযোগ কৰি এই প্ৰাককলন ৰাজহুৱা কৰাৰো দাবী জনোৱা ৰাইজে কয় যে পথৰ ওপৰত বিএমডব্লিউ, কাৰ্পেটিং কৰাৰ সময়তো ৰুলাৰৰ ব্যৱহাৰেই প্ৰয়োজনতকৈ বহু কম কৰা হৈছে। নিম্নমানৰ প্ৰাইম ক'ট আৰু পৰিষ্কাৰ নকৰাকৈয়ে কাৰ্পেটিং কৰাৰ ফলত নিৰ্মাণ কৰা পথৰ অংশটোৰ মান অতি নিম্নমানৰ হোৱাত ইতিমধ্যেই নিৰ্মিত পথৰ বিপৰীতে মান নিৰ্ণয়ণ বিভাগৰ দ্বাৰা পৰীক্ষা কৰিলেই ওলাই পৰিব বুলিও ৰাইজে অভিযোগ কৰি চৰকাৰী ধনৰ এনে অপব্যৱহাৰৰ ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শোণিতপুৰৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাৰো হস্তক্ষেপ দাবী জনাইছে।

ধনুভাঙাত বিলাতী সুৰাৰ 'বিপণী-বাৰ'

তিনি পৃষ্ঠাৰ পৰা প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় গাঁওখনত। আজি দুৰামাৰী গাঁৱৰ পাৰালী সমাজ, গাঁওৰক্ষী বাহিনী, মহিলা সমিতি, দুৰামাৰী গাঁৱৰ যুৱ সমাজ একত্ৰিত হৈ সুৰা বিপণীসহ বাৰ স্থাপনৰ বিৰোধিতা কৰি বিপণীখনৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে । হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদী শ্লো'গানেৰে শীঘ্ৰে বিলাতী সুৰাৰ 'বিপণীসহ বাৰ'খন বন্ধ কৰাৰ দাবী তোলে মহিলা তথা ৰাইজে। প্ৰতিবাদী ৰাইজৰ অভিযোগ অনুসৰি গাঁৱৰ ৰাইজৰ সন্মতি অবিহনে গাঁও পঞ্চায়তৰ আপত্তিবিহীন প্ৰমাণপত্ৰৰ জৰিয়তে বিভাগীয় অনুমতি লৈ সুৰাৰ বিপণীসহ 'বাৰ'খন স্থাপন কৰা হয় । এই সম্পৰ্কত আগতীয়াকৈ ৰাইজৰ পৰা কোনো অনুমতি লোৱা নাই মালিক পক্ষই। ৰাইজৰ তৰফৰ পৰা জনোৱা অনুসৰি ছলনাৰে মাত্ৰ কেইজনমান বিশেষ লোকৰ পৰা চহী লৈ ধনুভাঙা গাঁও পঞ্চায়তৰ পৰা আপত্তিবিহীন প্ৰমাণপত্ৰ গ্ৰহণ কৰি বিলাতী সুৰাৰ বিপণীৰ লগতে 'বাৰ' স্থাপনৰ অনুমতি লোৱা বুলি অভিযোগ কৰে। এই সম্পৰ্কত কোনো কথা ৰাইজক আগতীয়াকৈ জ্ঞাত নকৰা বুলি জানিব দিয়ে। অৱশ্যে বিপণীখন মুকলিৰ আগমুহূৰ্তলৈকে কৰ্তৃপক্ষই গ্ৰ'চাৰী দোকানহে স্থাপন কৰা হ'ব বুলি ৰাইজক ছলাহী কথাৰে অৱগত কৰা বুলি উল্লেখ কৰে। পৰৱৰ্তী পৰ্যায়ত বিপণীখন মুকলি কৰাৰ পাছতহে ৰাইজ অৱগত হৈ উত্তেজিত হৈ পৰে। সেই অনুসৰি ৰাইজে সভা অনুষ্ঠিত কৰি একগোট হৈ হাতে হাতে প্লেকাৰ্ড লৈ সুৰাৰ বিপণী বন্ধ কৰক, সুৰাৰ বিপণী বন্ধ কৰিবই লাগিব আদি বিভিন্ন শ্লো'গান দি বিপণীখনত প্ৰৱেশ কৰাৰ লগে লগে উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। সুৰাৰ বিপণীসহ 'বাৰ'খন বন্ধ নকৰালৈকে ৰাইজ আঁতৰি নাযায় বুলি বিভিন্ন শ্লো'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ঘটনাৰ খবৰ পাই ধূপধৰা থানাৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হোৱাৰ পাছতে অধিক উত্তেজিত হৈ পৰে ৰাইজ। আৰক্ষী বাহিনীয়ে ৰাইজক সেই স্থান ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে যদিও সন্ধিয়ালৈকে ৰাইজে প্ৰতিবাদী কাৰ্যসূচী চলায় আৰু অধিক ৰূদ্ৰমূৰ্তি ধাৰণ কৰে। শৈক্ষিক দিশত গাঁওখন অতিকৈ পিছপৰা বুলি উল্লেখ কৰি অতি শীঘ্ৰে গাঁওখনৰ পৰা বাৰসহ বিলাতী সুৰাৰ বিপণীখন বন্ধ কৰাৰ দাবী জনায় মহিলাসকলে। পৰৱৰ্তী পৰ্যায়ত ৰংজুলি উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ঘনশ্যাম বড়ো উপস্থিত হোৱাত ৰাইজে 'বাৰ'সহ বিপণীখন বন্ধ কৰাৰ দাবীত এখন স্মাৰকপত্ৰ প্ৰদান কৰে আৰু অৱশেষত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। উল্লেখ্য যে নতুনকৈ স্থাপন হোৱা বিলাতী সুৰাৰ দোকানখনৰ নাতিদূৰৈত অৱস্থিত ধনুভাঙা এম ই স্কুল প্ৰাথমিক বিদ্যালয় আৰু শংকৰদেৱ শিশু বিদ্যা নিকেতন । মাত্ৰ কিছু আঁতৰতে উক্ত শিক্ষানুষ্ঠানকেইখন থকাৰ পাছতো গাঁও অঞ্চলত কেনেকৈ সুৰাৰ বিপণীসহ 'বাৰ' স্থাপনৰ বিভাগীয় অনুমতি পালে সেই লৈও প্ৰশ্ন উত্থাপন কৰে ৰাইজৰ লগতে সচেতন মহলে । গতিকে অতি শীঘ্ৰে সুৰাৰ বিপণীখন উক্ত স্থানৰ পৰা স্থানান্তৰিত নকৰিলে অনাগত দিনত পুনৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ দিছে স্থানীয় ৰাইজে ।

বিভিন্ন সংস্থাৰ দ্বাৰা জেৰা কৰাটোৱেই চৰকাৰৰ কাম ঃ ৰকিবুল

বিশেষ সংবাদদাতা

নগাঁও, ২৯ জুলাই ঃ 'বৰ্তমান মানুহৰ উপাৰ্জনৰ পথ প্ৰায় বন্ধ হোৱাৰ দৰে হৈছে। ফলত মানুহৰ অৱস্থা বেয়া হৈছে। এতিয়া বজাৰ সমাৰত মানুহৰ ভীৰ কমি গৈছে। আমি ভাবিছিলো গৰম বা অন্য কাৰনত এই পৰিবেশৰ সৃষ্টি হৈছে। আচলতে সেয়া নহয় ।ক্ট এই মন্তব্য কংগ্ৰেছৰ জেষ্ঠ নেতা তথা বিৰোধী দলৰ উপ দলপতি ৰকিবুল হুছেইনৰ । আজি নগাঁৱত আয়োজিত এক সংবাদ মেলত এই মন্তব্য কৰি হুছেইনে লগতে আৰু কয়, আমি ভাবিছিলোঁ গৰম বা বানপানীৰ কাৰনত মানুহৰ বজাৰত ভীৰ কমিছে। কথাটো তেনেকুৱা নহয় । উপাৰ্জন নোহোৱাৰ বাবেই আন দোকানৰ কথা বাদেই গেলামালৰ দোকানটো মানুহৰ ভীৰ কমি গৈছে। সাধাৰণ ৰাইজৰ উপাৰ্জন কমি গৈছে । সেই কথাখিনি চৰকাৰে গুৰুত্ব দিয়া উচিত।

তেওঁ লগতে কয়, বিভিন্ন সমস্যাই মানুহক আগুৰি ধৰিছে। তাৰ পিছতো চৰকাৰে ফিটাহি মাৰি ঋন লৈ আছে। ঋন লোৱা কথাবিলাক ইতিমধ্যে ন্যায়ালয় পাইছেগৈ। চৰকাৰৰ কাম কাজত ৰাইজ অতিষ্ঠ হৈছে বুলি মন্তব্য কৰি হুছেইনে কয়, চৰকাৰ একেবাৰে ভালদৰে চলাব পৰা নাই। কাৰো নাম উল্লেখ নকৰাকৈ কংগ্ৰেছ নেতা গৰাকীয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমালোচনা কৰি কয়, দেশত এতিয়া কি চলি আছে সেয়া ৰাইজে উপলব্ধি কৰিব পাৰিছে। প্ৰসংগ ক্ৰমে হুছেইনে শ্ৰীলংকাৰ কথাও উল্লেখ কৰে। তেওঁ কয়, এতিয়া বৰ্তমানৰ চৰকাৰৰ কাম হৈছে চৰকাৰৰ বিভিন্ন এজেঞ্চিৰ জৰিয়তে বিৰোধী বিশেষকৈ কংগ্ৰেছৰ নেতা সকলক জেৰা কৰাটো । বিভিন্ন প্ৰকাৰৰ ভয়- ভীতি প্ৰদৰ্শন কৰাটো চৰকাৰৰ একমাত্ৰ কাম হৈছে। চৰকাৰৰ জন বিৰোধী নীতিৰ বিৰুদ্ধে গণন্ত্ৰানিক ভাৱে প্ৰতিবাদ কৰিবলৈ যাওতে ৰাজীৱ ভৱনৰ বাহিৰলৈ ওলোৱাত কংগ্ৰেছক বাধা প্ৰদান কৰিছে। আমাৰ কৰ্মীৰ ওপৰত দমনৰাজ চলাইছে। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়ত অসমৰ কংগ্ৰেছ বিধায়কে ক্ৰছ ভোটিং কৰা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত হুছেইনে কয়, সেই সময়তে আমাৰ চাৰি পাঁচজনমান বিধায়ক এনে কাৰ্যত জৰিত থকাৰ সন্দেহ উপজিছিল। এই বিষয়টো প্ৰদেশ কংগ্ৰেছৰ লগতে কংগ্ৰেছৰ উদ্ধতম কৰ্তৃপক্ষই তদন্ত কৰি আছে। তেওঁ লোকে এই ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। এই বিষয়টোক লৈ কংগ্ৰেছ বিৰোধী একাংশই কংগ্ৰেছৰ ২৪ জন বিধায়কৰ মাজত সন্দেহৰ সৃষ্টি কৰিছে। আমাৰ বিধায়কৰ নাম এই ক্ষেত্ৰত বহু বাৰ উল্লেখ কৰিছে। কিন্তু এ আই ইউ ডি এফৰ কথা কোনেও উল্লেখ কৰা নাই। ৰাষ্ট্ৰপতি নিৰ্বাচনত এ আই ইউ ডি এফে লোৱা ভূমিকা বিষয়ে সকলোৱে জানে । কংগ্ৰেছৰ নিলম্বিত বিধায়কৰ শশী কান্ত দাসৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত হুছেইনে কয় যে তেওঁ মুখ্যমন্ত্ৰীৰ লগত ঘূৰি আছে। কংগ্ৰেছক যদি বেয়া পাইছে তেন্তে বিজেপিলৈ গৈ বিজেপিৰ টিকটত জিকি আহক বুলিও তেওঁ কটাক্ষ কৰে।

যোৰহাটত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ

তিনি পৃষ্ঠাৰ পৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° শোভলক্ষ্মী ৰাজকুমাৰীয়ে।

খাতিকুছি পঞ্চায়তত একাংশ

তিনি পৃষ্ঠাৰ পৰা অভিযোগ উঠিছে। ইতিমধ্যে গাঁওপ্ৰধানৰ পুত্ৰই চৰকাৰী চাকৰি কৰে বুলি বঞ্চিত হিতাধিকাৰীয়ে জানিব দিয়ে। ইফালে, গাঁওখনৰ গাঁও সভাৰ সদস্যৰ পৰিয়ালত তিনিটাকৈ এই গৃহ পোৱা বুলি অভিয়োগ উঠিছে। বিশেষকৈ গাঁওখনৰ শইকীয়া চুবুৰিৰ অন্ধ শৰৎ কলিতাই জহি-খহি যোৱা টিনৰ চালি এখনৰ তলত কোনোমতে দিন অতিবাহিত কৰি আহিছে যদিও চৰকাৰ তথা জনপ্ৰতিনিধিয়ে এইজন লোকক এটা চৰকাৰ ঘৰ দিয়াটো দূৰৈৰ কথা এটা সাধাৰণ অনাময় আঁচনিতো দিয়া নাই বুলি অভিযোগ কৰে। তেওঁ সংবাদ মাধ্যমৰ আগত ক্ষোভ প্ৰকাশ কৰি কয় যে মই ধন ভেটি দিব নোৱাৰো বাবে পঞ্চায়ত আৰু গাঁৱৰ দলীয় কৰ্মীয়ে বঞ্চিত কৰি আহিছে। অন্ধজনে নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক এই গৃহৰ ক্ষেত্ৰত উচিত তদন্ত কৰিবলৈ আহ্বান জনাইছে। লগতে দুৰ্নীতিপৰায়ণ কৰ্মীসকলক চিনাক্ত কৰিবলৈ মন্ত্ৰী বৰুৱাক দাবী জনাইছে।

জ্যেষ্ঠ নাগৰিকক দুৰ্ব্যৱহাৰ কৰা

তিনি পৃষ্ঠাৰ পৰা মতে, জিলা পেঞ্চনাৰ সন্থাৰ সঁজাতি দল এটাই যোৱা চাৰি মাৰ্চত তদানীন্তন জিলা উপায়ুক্ত মিনাক্ষী দাস নাথক সাক্ষাৎ কৰে আৰু জিলা পেঞ্চনাৰ সন্থাৰ চৌহদৰ দেৱাল, ভৱনৰ মেৰামতি আৰু আধৰুৱা হৈ থকা ভৱনৰ কামখিনি কৰি দিবলৈ দাবী জনায়। উক্ত দাবী গুৰুত্বসহকাৰে লৈ উপায়ুক্তই নিজ তত্বাৱধানত উপায়ুক্ত কাৰ্যালয়ৰ পৰা পেঞ্চনাৰ সন্থাৰ এক বিঘা মাটি সুৰক্ষাৰ বাবে বাৰবেটৰ দ্বাৰা চাৰিওফালে ঘেৰি দিয়াৰ ব্যৱস্থা কৰে। লগতে অৱশিষ্ট ভৱনৰ মেৰামতি আৰু পৰি থকা কামখিনিৰ প্ৰতিবেদন ফটোসহ দাখিল কৰিবলৈ উপায়ুক্ত কাৰ্যালয়ৰ নাজিৰ প্ৰবীৰ দেৱনাথক দায়িত্ব দিয়ে। সেই মৰ্মে নাজিৰ দেৱনাথে ভালুকডুবিস্থিত পেঞ্চনাৰ সন্থাৰ কাৰ্যালয়ত উপস্থিত হৈ ভৱনৰ ফটো আৰু অন্যান্য কৰিবলগীয়া কামৰ বিতং বিৱৰণ লৈ আহে। উক্ত প্ৰতিবেদন ফটোসহ উপায়ুক্তক দাখিল কৰিছে নে নাই এই বিষয়ে জানিবলৈ যোৱা এপ্ৰিলত তিনি-চাৰিবাৰ নাজিৰক লগ ধৰা হয় যদিও সময়ৰ অভাৱত আৰু ফটোসমূহ প্ৰিণ্ট কৰিব নোৱৰাত ফাইলটো দাখিল কৰিব পৰা নাই বুলি সদৰী কৰে। ইপিনে, উপায়ুক্তৰ বদলিকৰণৰ বিষয়ে অৱগত হৈ পেঞ্চনাৰ সন্থাৰ সভাপতি তথা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি হৰমুজ আলী, জিলা পেঞ্চনাৰ সন্থাৰ উপদেষ্টা তথা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক বীৰেন্দ্ৰ কুমাৰ ওজা, জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিনিধি ইউছুফ আলী আৰু জিলা পেঞ্চনাৰ সন্থাৰ সম্পাদক ৰঞ্জিত কুমাৰ শৰ্মাই যোৱা ১৪ জুলাইত জিলা উপায়ুক্তক সাক্ষাৎ কৰিবলৈ যায়। কিন্তু উক্ত সময়ত উপায়ুক্তগৰাকীয়ে কাৰ্যালয়ত অনুপস্থিত থকাত জ্যেষ্ঠ নাগৰিককেইজনে পেঞ্চনাৰ সন্থাৰ ফাইলৰ অগ্ৰগতিৰ বিষয়ে নাজিৰৰ পৰা জানিব বিচাৰে। কিন্তু নাজিৰ দেৱনাথে প্ৰথম অৱস্থাত ফাইলৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰাৰ বিপৰীতে জ্যেষ্ঠ নাগৰিকসকলক দুৰ্ব্যৱহাৰ কৰাৰ লগতে টেবুলত চপৰিয়াই জ্যেষ্ঠ নাগৰিক কেইজনক উদ্দেশ্যি বিভিন্ন ধৰণৰ গালি-গালাজ কৰে বুলি অভিযোগ উত্থাপন কৰিছে। এই সন্দৰ্ভত যোৱা ১৫ জুলাইত দুয়োটা জ্যেষ্ঠ নাগৰিকৰ সংগঠনে নাজিৰ দেৱনাথৰ বিৰুদ্ধে জ

২০২৫ৰ ভিতৰতে বায়ুসেনাই বিদায় দিব মিগ-২১ বিমান

নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুলাই ঃ ছোভিয়েট যুগৰ মিগ-২১ যুঁজাৰু বিমানক লৈ ভাৰতত বিতৰ্কৰ অন্ত নাই। বৃহস্পতিবাৰেও এখন মিগ-২১ বিমান দুৰ্ঘটনাগ্ৰস্ত হৈছিল। সম্প্ৰতি ভাৰতীয় বায়ুসেনাত মিগ-২১ বিমানক 'উৰন্ত কফিন' আখ্যা দিয়া হৈছে। বাৰে বাৰে দুৰ্ঘটনাত পতিত হৈ অহা মিগ বিমান বায়ু সেনাই পৰ্যায়ক্ৰমে বিদায় দিয়াৰ সিদ্ধান্ত ল'লে। প্ৰকাশিত বাতৰি অনুসৰি অহা ৩০ ছেপ্টেম্বৰত বায়ু সেনাই এখন মিগ-২১ বাইছন বিমানক বিদায় দিব। এইদৰে পৰ্যায়ক্ৰমে ২০২৫ বৰ্ষৰ ভিতৰত ছোভিয়েট যুগৰ সকলো যুঁজাৰু মিগ বিমান ভাৰতীয় বায়ু সেনাই প্ৰত্যাহাৰ কৰিব। আধুনিকীকৰণৰ লক্ষ্যৰে ভাৰতীয় বায়ু সেনাই পৰ্যায়ক্ৰমে মিগ-২১ বিমানৰ ব্যৱহাৰ বন্ধ কৰিব।

পাব্‌জিৰ পাছত ভাৰতত নিষিদ্ধ হ'ল 'বেটলগ্ৰাউণ্ড ম'বাইল ইণ্ডিয়া' গে'ম



নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুলাই ঃ ভাৰতত জনপ্ৰিয় পাবজি ম'বাইল গে'ম নিষিদ্ধ হোৱাৰ পাছত দক্ষিণ কোৰিয়াৰ গে'ম প্ৰস্তুতকাৰক প্ৰতিষ্ঠান ক্ৰাফটনে ভাৰতত একেটা গে'ম কিছু সলনি কৰি বেটলগ্ৰাউণ্ড ম'বাইল ইণ্ডিয়া গে'ম (বি জি এম আই) নামৰে পুনৰ প্ৰৱৰ্তন কৰিছিল। কিন্তু শেহতীয়াভাৱে ভাৰতত পুনৰ নিষিদ্ধ কৰা হ'ল বি জি এম আই গে'ম। চৰকাৰে আনুষ্ঠানিকভাৱে এই সন্দৰ্ভত কোনো তথ্য প্ৰকাশ কৰা নাই যদিও ইতিমধ্যে গুগল প্লেষ্ট'ৰ আৰু এপল এপ ষ্টৰৰ পৰা বি জি এম আই এপ প্ৰত্যাহাৰ কৰা হৈছে। অৱশ্যে প্লেষ্ট'ৰত এই গে'মৰ এপ উপলব্ধ নহ'লেও পূৰ্বে বি জি এম আই এপ ডাউনলোড কৰি ৰখা ব্যক্তিসকলে ম'বাইলত এই গে'ম খেলিব পাৰিছে। অলপতে বেটলগ্ৰাউণ্ড ম'বাইল ইণ্ডিয়া প্ৰতিষ্ঠানৰ ফালৰ পৰা প্ৰকাশ কৰা হৈছিল যে তেওঁলোকৰ গ্ৰাহকৰ সংখ্যা ভাৰতত ১০০ নিযুতলৈ বৃদ্ধি পালে। এই ঘোষণাৰ কেইসপ্তাহমানৰ পাছতে ভাৰতত গুগল আৰু এপলৰ এপ ষ্ট'ৰৰ পৰা বি জি এম আই এপ বাতিল কৰা ঘটনাই অনলাইন গে'মপ্ৰেমীসকলক হতাশ কৰিছে।

ধঁপাতৰ পৰা হয় যন্ত্ৰণাদায়ক মৃত্যু, পেকেটত লিখিব লাগিব এই সকীয়নি

নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুলাই ঃ পহিলা ডিচেম্বৰ ২০২২ৰ পৰা ভাৰতত তৈয়াৰ কৰা অথবা আমদানি কৰা পেকেটত উপলব্ধ ধঁপাত জাতীয় মাদক দ্ৰব্যৰ পেকেটত নতুন সতৰ্কবাণী উল্লেখ কৰিব লাগিব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, পহিলা ডিচেম্বৰ তথা ইয়াৰ পাছৰে পৰা চিগাৰেট, বিড়ি তথা অন্যান্য ধঁপাত জাতীয় সামগ্ৰীৰ পেকেটত 'ধঁপাতৰ পৰা যন্ত্ৰণাদায়ক মৃত্যু হয়' বুলি সকীয়নি বাৰ্তা উল্লেখ কৰিব লাগিব। আনহাতে, পহিলা ডিচেম্বৰ ২০২৩ৰ পাছত ধঁপাত জাতীয় সামগ্ৰীৰ পেকেটত বিধিসন্মত সতৰ্ক বাৰ্তা হিচাপে 'ধঁপাত সেৱনকাৰীৰ অকাল মৃত্যুৰ বলি হয়' বুলি উল্লেখ কৰিব লাগিব। চিগাৰেট আৰু অন্যান্য ধঁপাত জাতীয় সামগ্ৰীৰ প্ৰচলন হ্ৰাস কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে এই নিৰ্দেশনা জাৰি কৰিছে।

ছবছৰত মধ্য প্ৰদেশত মৃত্যু হ'ল ১৮৪ বাঘৰ

নিউজ ব্যুৰ'
ভূপাল, ২৯ জুলাই ঃ যোৱা ছবছৰত মধ্য প্ৰদেশত ১৮৪ টা বাঘৰ মৃত্যু হ'ল। ইয়াৰে সৰ্বাধিক ১১৯ টা বাঘৰ নিজৰ মাজতে হোৱা সংঘৰ্ষৰ ফলত মৃত্যু হৈছিল। আনহাতে, ৰেল-পথ দুৰ্ঘটনা আৰু চিকাৰীৰ হাতত প্ৰাণ হেৰুৱালে ৫৬ টা বাঘে। মধ্য প্ৰদেশ চৰকাৰৰ বন বিভাগে এই তথ্য সদৰী কৰি জনোৱা অনুসৰি সৰহ সংখ্যক বাঘৰ অকাল মৃত্যুৰ কাৰণ হৈছে নিজৰ মাজতে হোৱা সংঘৰ্ষ। খাদ্য চিকাৰ আৰু অন্যান্য কাৰণত বাঘৰ নিজৰ মাজতে সংঘৰ্ষ হৈ আহিছে।

২০ হেজাৰৰ উৰ্ধ্বতে আছে দৈনিক সংক্ৰমণ, মৃত্যু ৪৭ জনৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুলাই ঃ শুকুৰবাৰেও দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ২০ হেজাৰৰ উৰ্ধ্বত থাকিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যত ২০,৪০৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। কালি আক্ৰান্তৰ সংখ্যা আছিল ২০,৫৫৭ জন। ইফালে, যোৱা ২৪ ঘণ্টাত দেশত এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হোৱা ৪৭ জন লোকৰ মৃত্যু হ'ল। বৃহস্পতিবাৰৰ তুলনাত শুকুৰবাৰে ক'ভিডত মৃতকৰ সংখ্যা তিনিজন বৃদ্ধি পালে। এই মুহূৰ্তত দেশত এক লাখ ৪৩ হেজাৰ ৯৮৮ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ শাসনত পূৰ্বৰ তুলনাত অধিক সক্ৰিয় হৈছে ই ডিৰ দৰে তদন্তকাৰী সংস্থা

চাৰি বছৰত তালাচী চলাই ৬৭ হেজাৰ কোটি টকা জব্দ কৰিলে ই ডিয়ে

নিউজ ব্যুৰ'
নতুন দিল্লী, ২৯ জুলাই ঃ শেহতীয়াভাৱে দেশৰ বিভিন্ন ৰাজ্যত তালাচী অভিযান চলাই বৃহৎ পৰিমাণৰ ক'লা ধন জব্দ কৰি প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ দেশজুৰি বিশেষ চৰ্চা লাভ কৰিছে। এসপ্তাহৰ ভিতৰতে ই ডিয়ে পশ্চিমবংগত মমতা বেনাৰ্জীৰ চৰকাৰৰ সদ্য অপসাৰিত কেবিনেট মন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীৰ বাসগৃহত তালাচী অভিযান চলাই প্ৰায় ৫০ কোটি টকা আৰু পাঁচ কিলোৰো অধিক সোণ জব্দ কৰিলে। ই ডিয়ে

এইদৰে অৰ্পিতাৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ নগদ ধন আৰু সোণ জব্দ কৰাৰ পাছত এইসমূহ ধন-সম্পত্তি ক'ত জমা কৰা হয় বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। উল্লেখ্য যে ই ডি, চি বি আই, আয়কৰ বিভাগৰ দৰে কেতবোৰ বিভাগে অভিযোগৰ ভিত্তিত তালাচী চলাই অবৈধ তথা ক'লা ধন-সম্পত্তি বাজেয়াপ্ত কৰিব পাৰে। এইদৰে জব্দ কৰা ধন প্ৰথমে ই ডিৰ দৰে তদন্তকাৰী সংস্থাই নিজৰ জিম্মাত লয় আৰু পাছত আদালতৰ নিৰ্দেশ অনুসৰি উক্ত ধন অভিযুক্তক ওভতাই দিব লাগিব পাৰে অথবা এই ধন চৰকাৰী সম্পত্তিত পৰিণত হয়। ই ডিয়ে বিগত চাৰি বছৰত ভাৰতৰ বিভিন্ন ৰাজ্যত এইদৰে বিভিন্ন দুৰ্নীতি-কেলেংকাৰিৰ গোচৰত তালাচী অভিযান চলাই প্ৰায় ৬৭,০০০ কোটি টকা জব্দ কৰিলে। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ শাসনত পূৰ্বৰ তুলনাত ই ডি অধিক সক্ৰিয় হোৱাটো প্ৰত্যক্ষ হৈছে।

দুঘণ্টাৰ ভাৰ্চুৱেল বৈঠকত অংশ ল'লে বাইডেন-জিনপিঙে

নিউজ ব্যুৰ', ৰাশ্বিংটন, ২৯ জুলাই ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে যোৱা নিশা চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ স'তে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে দীৰ্ঘ সময় বাৰ্তালাপ কৰিলে। এই বাৰ্তালাপত দুই ৰাষ্ট্ৰনেতাই পৰস্পৰক অচিৰে সাক্ষাৎ কৰাৰ বাবে সহমত প্ৰকাশ কৰিলে। বাইডেন আমেৰিকাৰ ৰাষ্ট্ৰপতি হোৱাৰ পাছত জিনপিঙৰে প্ৰথমবাৰলৈ একেলগে বৈঠকত অংশ ল'ব। অৱশ্যে এই বৈঠক ক'ত আৰু কেতিয়া অনুষ্ঠিত হ'ব সেই কথা স্থিৰ হোৱা নাই। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ভাৰ্চুৱেল বৈঠকত চীনৰ ৰাষ্ট্ৰপতিয়ে বাইডেনক টাইৱান প্ৰসংগত একপ্ৰকাৰ সকীয়নি দিলে। টাইৱানত আমেৰিকাৰ শেহতীয়া হস্তক্ষেপত অসন্তুষ্টি ব্যক্ত কৰি জিনপিঙে বাইডেনক ধমকৰ সুৰত এইদৰে ক'লে, 'মই আপোনাক কেৱল এই কথাই ক'ব বিচাৰো যে যি ব্যক্তিয়ে জুইৰে খেলা কৰে, তেওঁ জ্বলি যায়।' প্ৰায় দুঘণ্টা ধৰি ভাৰ্চুৱেল বৈঠকত অংশ লৈ বাইডেন আৰু জিনপিঙে সাম্প্ৰতিক আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক আৰু বাণিজ্যৰ প্ৰসংগও আলোচনা কৰে।

হ'ব পাৰে পৰাজয়, প্ৰধানমন্ত্ৰীৰ দৌৰত শংকা ঋষিৰ

নিউজ ব্যুৰ', লণ্ডন, ২৯ জুলাই ঃ অহা পাঁচ ছেপ্টেম্বৰত ব্ৰিটেইনৰ শাসকীয় কনজাৰভেটিভ দলৰ সদস্যই দলটোৰ মুৰব্বী নেতাক নিৰ্বাচিত কৰিব। দলৰ মুৰব্বী নিৰ্বাচিত হোৱা ব্যক্তিজনে হ'ব ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী। কনজাৰভেটিভ দলৰ মুৰব্বী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ এই যুঁজত অৱতীৰ্ণ হৈছে দেশখনৰ দুই প্ৰাক্তন মন্ত্ৰী ভাৰতীয় মূলৰ ঋষি ছুনক আৰু লীজ ট্ৰাছে। বৰ্তমানলৈকে সম্পন্ন হোৱা এই যুঁজৰ আটাইকেইটা পৰ্যায়ত শীৰ্ষ স্থান লাভ কৰিলে ঋষিয়ে। কিন্তু হঠাতে ভাৰতীয় মূলৰ এইজন ব্ৰিটিছ ৰাজনীতিকে শংকা প্ৰকাশ কৰিলে যে প্ৰধানমন্ত্ৰী পদত হয়তো শেষ মুহূৰ্তত তেওঁ হাঁহি মাৰিবলৈ বিফল হ'ব পাৰে। দলীয় সদস্যৰ মাজত জনপ্ৰিয়তাৰ দিশৰ পৰা প্ৰতিদ্বন্দ্বী লীজতকৈ বহু পিছ পৰি থকা বুলি নিজে স্বীকাৰ কৰিলে ঋষিয়ে। অৱশ্যে সামাজিক মাধ্যমত ঋষিয়ে লগতে কয় যে শেষ মুহূৰ্তলৈকে তেওঁ যুঁজ অব্যাহত ৰাখিব। দেশবাসীৰ পৰা সমৰ্থনো বিচাৰিলে ঋষিয়ে।

'বেটি বচাও, বেটি পঢ়াও' অভিযানত কেৱল প্ৰচাৰতে ব্যয় অৰ্ধেকাংশ ধন

নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুলাই ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নৰ আঁচনি 'বেটি বচাও, বেটি পঢ়াও'ত ব্যয় কৰা ধনৰ সৰহ সংখ্যকে ব্যয় হ'ল আঁচনিৰ বিজ্ঞাপন আৰু প্ৰচাৰো। ৰাজ্যসভাত এজন সাংসদৰ প্ৰশ্নৰ উত্তৰত এই কথা সদৰী কৰিলে কেন্দ্ৰীয় নাৰী আৰু শিশু কল্যাণ মন্ত্ৰী স্মৃতি ইৰানীয়ে। এক লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা অনুসৰি 'বেটি বচাও, বেটি পঢ়াও' আঁচনিত মুঠ ব্যয়ৰ ৪৪ শতাংশ ধন বিজ্ঞাপনত ব্যয় কৰা হ'ল। ২০১৪ৰ পৰা ২০২২ বৰ্ষলৈকে এই আঁচনিত মুঠ ৭৪০.১৮ কোটি টকা ব্যয় কৰা হৈছিল আৰু ইয়াৰে ৪০১.০৪ কোটি টকা বিজ্ঞাপনত ব্যয় কৰা বুলি মন্ত্ৰী ইৰানীয়ে সদনক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে 'বেটি বচাও, বেটি পঢ়াও' আঁচনিৰ মাধ্যমৰে বাল্য বিবাহৰ বিৰুদ্ধে দেশজুৰি সচেতনতা বৃদ্ধিৰ বাবে প্ৰচাৰ চলোৱা হৈছে।

২০১৭ৰ পৰা মোদী চৰকাৰে বিজ্ঞাপনত ব্যয় কৰিলে ৩,৩৩৯ কোটি টকা

এইবাৰ মাংগালুৰুত ছুৰী আক্ৰমণত নিহত বস্ত্ৰৰ বিপণীত কৰ্মৰত যুৱক

নিউজ ব্যুৰ'
মাংগালুৰু, ২৯ জুলাই ঃ কৰ্ণাটকৰ দক্ষিণ কন্নড় জিলাৰ সূৰ্যকল অঞ্চলত এখন বস্ত্ৰৰ বিপণীত এজন যুৱকক দুৰ্বৃত্তই হত্যা কৰিলে। যোৱা নিশা চাৰিজন মুখা পৰিহিত এটা দলে বস্ত্ৰৰ বিপণীত কৰ্মৰত ২৩ বছৰীয়া এজন যুৱকক ছুৰীৰে আঘাত হানি হত্যা কৰে। দুৰ্বৃত্তৰ এই লোমহৰ্ষক আক্ৰমণৰ ঘটনা বিপণীৰ বাহিৰত থকা চি চি টিভিৰ কেমেৰাত আবদ্ধ হ'ল। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, ছুৰী আক্ৰমণৰ বলি হোৱা যুৱকজনৰ নাম ফাজিল আৰু তেওঁ স্থানীয় এজন বস্ত্ৰ ব্যৱসায়ী আছিল। ঘটনা সংঘটিত কৰিয়ে দুৰ্বৃত্তই পলায়ন কৰিছিল। আৰক্ষীয়ে হত্যাকাৰীৰ সন্ধানত অভিযান অব্যাহত ৰাখিছিল। উল্লেখ্য যে মাংগালুৰুত বিগত আঠ দিনত তৃতীয়টো হত্যাকাণ্ড সংঘটিত হ'ল। যোৱা ২৬ জুলাইত জিলাখনৰ বিজেপিৰ এজন যুৱনেতাক দুৰ্বৃত্তই হত্যা কৰিছিল।

নিউজ ব্যুৰ'
নতুন দিল্লী, ২৯ জুলাই ঃ কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে ২০১৭ বৰ্ষৰ পৰা বৰ্তমানলৈকে বিজ্ঞাপন প্ৰচাৰত প্ৰায় চাৰে তিনি হেজাৰ কোটি টকা ব্যয় কৰিলে। এই তথ্য আজি সদনত দাখিল কৰিলে কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে। ৰাজ্যসভাত তথ্য দাখিল কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে চৰকাৰে প্ৰচাৰৰ ক্ষেত্ৰত বিদেশী সংবাদ মাধ্যমত কোনো ধন ব্যয় কৰা নাই।

উচ্চ সদনত ঠাকুৰে প্ৰকাশ কৰা অনুসৰি ২০১৭ৰ পৰা বিগত পাঁচ বছৰত দেশৰ ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ বিজ্ঞাপনত কেন্দ্ৰীয় চৰকাৰে মুঠ ৩,৩৩৯.৪৯ কোটি টকা ব্যয় কৰিলে। এক লিখিত উত্তৰত মন্ত্ৰীজনে কয় যে চৰকাৰে ২০১৭-১৮ৰ পৰা ২০২২ৰ ১২ জুলাইলৈকে ছপা মাধ্যমৰ বিজ্ঞাপনত ১,৭৫৬.৪৮ কোটি টকা আৰু বৈদ্যুতিন মাধ্যমৰ বিজ্ঞাপনত ১,৫৮৩.০১ কোটি টকা ব্যয় কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে কয় যে কেন্দ্ৰীয় জনসংযোগ বিভাগৰ জৰিয়তে বিজ্ঞাপনত এই ধন ব্যয় কৰা হৈছিল।

কৰফাকিৰ গোচৰত পপশিল্পী শ্বাকিৰাক আঠ বছৰৰ কাৰাদণ্ডৰ ৰায় স্পেইনৰ আদালতৰ

নিউজ ব্যুৰ', মাদ্ৰিদ, ২৯ জুলাই ঃ কলম্বিয়াৰ বিশ্বখ্যাত পপতাৰকা শ্বাকিৰাক কৰ ফাকিৰ এটা গোচৰত আঠ বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে স্পেইনৰ বিশেষ আদালতে। শ্বাকিৰাই ২০১২-১৪ সময়ছোৱাত বৃহৎ পৰিমাণৰ কৰ ফাকি দিয়াৰ অভিযোগত বিচাৰ চলাইছিল স্পেইনৰ কৰ বিভাগে। উত্থাপিত অভিযোগ অনুসৰি পপতাৰকাগৰাকীয়ে ২০১২-১৪ সময়ছোৱাত ১৪.৫ নিযুত ইউৰো অৰ্থাৎ ১৪.৭ নিযুত ডলাৰৰ উপাৰ্জনৰ তথ্য গোপনে ৰাখিছিল। এই অভিযোগৰে বিচাৰ চলাই স্পেইনৰ কৰ বিভাগৰ আদালতে শ্বাকিৰাক আঠ বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে।

আমেৰিকাৰ কেণ্টাকিত ভয়াৱহ বানত আঠজনৰ মৃত্যু

নিউজ ব্যুৰ', কেণ্টাকি, ২৯ জুলাই ঃ আমেৰিকাৰ কেণ্টাকি প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ ফলত সৃষ্টি হোৱা ভয়াৱহ বানত কমেও আঠজন লোকৰ মৃত্যু হ'ল। কেণ্টাকিৰ পূৰ্বাঞ্চলত এতিয়াও বহু বাসগৃহ বানত বুৰ গৈ আছে। উপায়হীন হৈ অঞ্চলটোৰ বহু বাসিন্দাই ঘৰৰ চাদ আৰু গছত আশ্ৰয় গ্ৰহণ কৰিছে। কেণ্টাকিৰ প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি উক্ত অঞ্চলত আঠৰ পৰা ১২ ইঞ্চি বৃষ্টিপাত হোৱাৰ ফলত বানে তাণ্ডৱ চলাইছে। বহু বছৰৰ পাছত কেণ্টাকিত সবাতোকৈ গুৰুতৰ বান সমস্যাই দেখা দিছে।

ৰুছ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত ইউক্ৰেইনত নিহত পাঁচজন

নিউজ ব্যুৰ', কীভ, ২৯ জুলাই ঃ পুনৰ ৰাছিয়াৰ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত প্ৰাণ হেৰুৱালে ইউক্ৰেইনৰ পাঁচজন নাগৰিকে। এই ঘটনাত আহত হ'ল ২৫ জনৰো অধিক লোক। মধ্য ইউক্ৰেইনৰ ক্ৰ'পেভেনেৎছকি চহৰত যোৱা নিশা এই ঘটনা সংঘটিত হ'ল। অঞ্চলটোত থকা ৰাষ্ট্ৰীয় এয়াৰ ট্ৰেইনিং বিশ্ববিদ্যালয়ক লক্ষ্য হিচাপে লৈ ৰুছ সেনাই এই ক্ষেপণাস্ত্ৰ আক্ৰমণ সংঘটিত কৰিছিল। প্ৰশাসনৰ খবৰ অনুসৰি, কে'বা সপ্তাহ বিৰতিৰ পাছত ৰাছিয়াই পুনৰ ইউক্ৰেইনত ক্ষেপণাস্ত্ৰ আক্ৰমণ সংঘটিত কৰিলে।

গাডকাৰীয়ে ক'লে ঃ পেট্ৰ'লৰ অৰ্ধেক মূল্যতে দেশত উপলব্ধ হ'ব ইথানল ইন্ধন



নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ জুলাই ঃ কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় পথ মন্ত্ৰী নীতিন গাডকাৰীয়ে পেট্ৰ'লৰ বিকল্প হিচাপে সেউজ ইন্ধনৰ ব্যৱহাৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীজনে কয় যে সেউজ ইন্ধনক অগ্ৰাধিকাৰ দিলে ভাৰতে খাৰুৱা তেলৰ আমদানি যথেষ্ট হ্ৰাস কৰিব পাৰিব। ইথানল আধাৰিত বিকল্প সেউজ ইন্ধন ব্যৱহাৰত ভাৰতে গুৰুত্ব আৰোপ কৰিলে প্ৰদূষণ নিয়ন্ত্ৰণো সহজ হ'ব বুলি গাডকাৰীয়ে জানিবলৈ দিয়ে। সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি পেট্ৰ'লৰ তুলনাত ভাৰতত ইথানল ইন্ধনৰ মূল্য অৰ্ধেক কম হ'ব। গাডকাৰীয়ে সংবাদমেলত এই তথ্য প্ৰকাশ কৰি লগতে কয়, 'ইথানল উত্তৰ প্ৰদেশ আৰু তামিলনাডুত তৈয়াৰ কৰা হৈছে। আমি ইথানল ইন্ধনৰ ষ্টেচন আৰম্ভ কৰিম আৰু আগন্তুক পাঁচ বছৰৰ ভিতৰত দেশত ইথানল পেট্ৰ'লৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা হ'ব। প্ৰতি লিটাৰ পেট্ৰ'লৰ ১২০ টকা মূল্যৰ তুলনাত ইথানলৰ মূল্য হ'ব ৬২ টকা। অৰ্ধেক দামতে ইথানল ইন্ধন উপলব্ধ হ'লে পেট্ৰ'লৰ কোনো প্ৰয়োজন নহ'ব।'

বান্ধৱীৰ ঘৰত টকাৰ পাহাৰ গঢ়া পাৰ্থই শপতনামাত কি তথ্য দিছিল?

নিউজ ব্যুৰ', কলকাতা, ২৯ জুলাই ঃ ২০২১ৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পূৰ্বে তৃণমূল কংগ্ৰেছৰ নেতা পাৰ্থ চেটাৰ্জীৰ নামত নাছিল কোনো ফ্লেট, ঘৰ, গাড়ী, অলংকাৰ ইত্যাদি। কিন্তু সেইজন ব্যক্তিয়ে এতিয়া পশ্চিমবংগত পৰিচিত হ'ল অগাধ ধন-সম্পত্তিৰ গৰাকী হিচাপে। অৰ্পিতা মুখাৰ্জীয়ে দাবী কৰা অনুসৰি তেওঁৰ দুটাকৈ ফ্লেটৰ পৰা প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ যি বৃহৎ পৰিমাণৰ নগদ ধন আৰু সোণ জব্দ কৰিলে, তাৰ গৰাকী তেওঁ নহয়; এই সম্পত্তিৰ মালিক হৈছে তৃণমূল কংগ্ৰেছৰ সদ্য নিলম্বিত নেতা পাৰ্থ। ২০২১ৰ বিধানসভা নিৰ্বাচনত বেহালা পশ্চিম সমষ্টিৰ পৰা পাৰ্থই প্ৰতিদ্বন্দ্বিতা কৰিছিল। মনোনয়ন পত্ৰৰ স'তে সেই সময়ত পাৰ্থই নিৰ্বাচন আয়োগক জমা দিয়া শপতনামাত উল্লেখ কৰা অনুসৰি, তেওঁৰ হাতত আছিল নগদ এক লাখ ৪৮ হেজাৰ ৬৭৬ টকা। আনহাতে, দুটা বেংকৰ মুঠ চাৰিটা শাখাত পাৰ্থৰ ফিক্সড ডিপ'জিট আৰু ছেভিংছ একাউণ্টত থকা ধনৰ পৰিমাণ আছিল ক্ৰমে ২৪ লাখ ৮১ হেজাৰ, ২৩ লাখ ৩২ হেজাৰ ৯৩৫ টকা, ১৫ লাখ এহেজাৰ ১৬১ টকা আৰু এক লাখ আঠ হেজাৰ ৬৯ টকা। শপতনামাত প্ৰাক্তন মন্ত্ৰীজনে উল্লেখ কৰা অনুসৰি, তেওঁৰ নিজস্ব আয়ৰে ক্ৰয় কৰা কোনো ভূমি, ঘৰ বা

ফ্লেট নাই। কেৱল পাৰিবাৰিক সূত্ৰে লাভ কৰা নাকতলাত এটা বাসগৃহ আছে। উক্ত বাসগৃহৰ বজাৰ মূল্য প্ৰায় ২৫ লাখ টকা বুলি শপতনামাত উল্লেখ কৰিছিল। একেদৰে শপতনামাত তেওঁ ২০১৯-২০ বিত্তীয় বৰ্ষত পাঁচ লাখ ৩৯ হেজাৰ ৭২০ টকা উপাৰ্জন কৰা বুলি তথ্য দাখিল কৰিছিল। পাৰ্থই তেওঁৰ স্থাৱৰ সম্পত্তিৰ মূল্য ৯০ লাখ ৯৪ হেজাৰ ৮৬৩ টকা বুলি উল্লেখ কৰিছিল। এনে এজন ৰাজনীতিককে নিজ গৃহত ই ডিয়ে জব্দ কৰা প্ৰায় ৫০ কোটি টকাৰ প্ৰকৃত গৰাকী বুলি অৰ্পিতাই দাবী কৰাত সকলোৰে চকু কপালত উঠিছে।

পাৰ্থৰ মন্ত্ৰিত্ব কাঢ়িলে পাপমোচন নহ'ব ঃ মমতাক কটাক্ষ অৰ্পণাৰ

নিউজ ব্যুৰ', কলকাতা, ২৯ জুলাই ঃ শিক্ষক নিযুক্তি কেলেংকাৰিক লৈ উত্তপ্ত হৈ আছে পশ্চিমবংগৰ ৰাজনীতি। কিন্তু এই কেলেংকাৰিক লৈ ৰাজ্যখনৰ বুদ্ধিজীৱী মহল নীৰৱ হৈ থকাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। এনে সময়তে মমতা বেনাৰ্জীৰ চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিলে অভিনেত্ৰী-সাহিত্যিক অপৰ্ণা সেনে। শিক্ষক নিযুক্তি দুৰ্নীতিৰ গোচৰত অভিযুক্ত ৰাজ্যখনৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীক ইতিমধ্যে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ গ্ৰেপ্তাৰ কৰিছে। অৰ্পিতাৰ দুটাকৈ ফ্লেটৰ পৰা ই ডিয়ে তালাচী চলাই ক্ৰমে ২১ কোটি আৰু ২৮ কোটি টকাৰ নগদ ধন জব্দ কৰিছে। অৰ্পিতাৰ বাসগৃহৰ পৰা ছয় কিলোগ্ৰাম স্বৰ্ণ অলংকাৰো ই ডিয়ে জব্দ কৰিলে। এই ঘটনাৰ পাছতে তৃণমূল কংগ্ৰেছে অভিযুক্ত চেটাৰ্জীক মন্ত্ৰী পদৰ পৰা অপসাৰণ কৰাৰ লগতে দলৰ পৰাও নিলম্বন কৰিলে। পশ্চিমবংগৰ শাসকীয় দলৰ এই পদক্ষেপত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত চলচ্চিত্ৰ নিৰ্মাতা অপৰ্ণাই কয়, 'পাহৰি নাযাব যে ৰাজ্যৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠৰ ঘৰত যি ৫০ কোটি টকা উদ্ধাৰ হ'ল, সেয়া বাংলাৰ দৰিদ্ৰ মানুহৰ কষ্ট উপাৰ্জিত টকা। মন্ত্ৰীক কেবিনেটৰ পৰা আঁতৰাই তৃণমূল কংগ্ৰেছে নিজক ৰক্ষণাবেক্ষণৰ চেষ্টা চলাইছে। কিন্তু সেয়া কৰিলে পাপ ধুব নোৱাৰি। যিসকল মানুহৰ পৰা এই ধন ডকাইতি কৰা হৈছিল, এই ধন তেওঁলোকৰ কল্যাণত ব্যয় কৰক।'

ৰাধাবাৰী চাহ বাগিচাত আছে চিকিৎসালয়, নাই চিকিৎসক, ৰোগীৰ মাজত হাহাকাৰ

শ্ৰমজীৱী লোকক চিকিৎসা সেৱাৰ নামত মালিক পক্ষই প্ৰতাৰণাৰ অভিযোগ আটছাৰ

খুমটাই, ২৯ জুলাই ঃ গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰাধাবাৰী চাহ বাগিচাত চিকিৎসা সেৱাৰ নামত ৰোগীসকলক লৈ হেতালি খেলিছে বাগিচা কৰ্তৃপক্ষই। যাৰ ফলত বাগিচাখনৰ ৰোগীসকলৰ মাজত চিকিৎসাৰ ক্ষেত্ৰত হাহাকাৰ পৰিস্থিতিৰ সন্মুখীন হৈছে। প্ৰায় দুহেজাৰ লোকে বসবাস কৰা বাগিচাখনত চিকিৎসালয় আছে যদিও নাই চিকিৎসক। আনহাতে, বাগিচাখনৰ চিকিৎসালখনত চিকিৎসক নথকাত সম্প্ৰতি সাধাৰণ জ্বৰ, পানীলগা ৰোগীৰ উপৰি প্ৰসূতি আৰু শিশুসকলৰ যথেষ্ট সমস্যাৰ সন্মুখীন হোৱাত হাহাকাৰ পৰিস্থিতি সৃষ্টি হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে ৰাহুল মোদী স্বত্বাধিকাৰী এই বাগিচাখনত থকা একমাত্ৰ চিকিৎসালয়খনত এগৰাকী ফাৰ্মাচিষ্টে একাংশ ৰোগীক চোৱা-চিতা কৰি সাধাৰণ জ্বৰ, পেটৰ বিয়তো ৰোগীক অন্য চিকিৎসালয়লৈ ৰেফাৰ কৰাটো এতিয়া নিয়মত পৰিণত হৈ পৰিছে। ইফালে, চিকিৎসালয়খনত চিকিৎসকৰ অভাৱত এটা বন্ধ কোঠাত সিঁচৰতি হৈ আছে অসম চৰকাৰে যোগান ধৰা বহুতো বিনামূলীয়া ঔষধ। চিন্তনীয় বিষয় যে মানৱ সেৱাৰ একমাত্ৰ চিকিৎসালয়খনত ৰাতি বিয়লি চিকিৎসক-স্বাস্থ্যকৰ্মী নথকাত অঞ্চলটোৰ ৰাইজে জৰুৰী সেৱাৰ এটি পৰামৰ্শ বিচাৰি হাবাথুৰি খাব লগা পৰিস্থিতি হয়। ইফালে, চিকিৎসালয়খনত মাজুলী জিলাত কৰ্মৰত জনৈক বৰা উপাধিৰ এগৰাকী চৰকাৰী চিকিৎসালয়ত কৰ্মৰত চিকিৎসকক বাগিচা কৰ্তৃপক্ষই মাহেকে-পষেকে মাতি আনি জোৰা- টাপলি মাৰি একাংশ ৰোগীক চিকিৎসা আগবঢ়াই প্ৰতাৰণা কৰি অহাৰ অভিযোগ শ্ৰমজীৱী ৰাইজৰ। ইফালে, বাগিচাখনত শ্ৰমজীৱী ৰাইজক চিকিৎসা সেৱাৰ নামত মালিকপক্ষই প্ৰতাৰণা কৰি অহাৰ অভিযোগ উত্থাপন কৰি আটছা ৰাধাবাৰী উপ-শাখাই। উক্ত বাগিচাৰ চিকিৎসালয়খনত এজন স্থায়ী চিকিৎসক নিযুক্তি দিবলৈ ৰাধাবাৰী চাহ বাগিচা আটছা উপ-শাখা, স্থানীয় গাঁওৰক্ষী বাহিনী আৰু অঞ্চলটোৰ সচেতন ৰাইজে বাৰম্বাৰ বাগিচাখনৰ স্বত্বাধিকাৰী, মেনেজমেণ্টক দাবী জনাই আহিছে যদিও কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে। শীঘ্ৰেই ৰাধাবাৰী চাহ বাগিচাত এগৰাকী স্থানীয় চিকিৎসক নিযুক্তি দিবলৈ মালিকপক্ষক কাতৰ আহ্বান স্থানীয় ৰাইজৰ।

নগাঁৱৰ ধিংগেটৰ পৰা ২২ টাকৈ ড্ৰাগছভৰ্তি কন্টেইনাৰ জব্দ

বিশেষ সংবাদদাতা

নগাঁও, ২৯ জুলাই ঃ নগাঁৱত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছ বিৰোধী অভিযান। আজি সন্ধিয়া নগাঁও চহৰৰ ধিং গেটৰ লাচিত নগৰৰ পৰা হয়বৰগাঁও আৰক্ষীয়ে এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে জব্দ কৰে ২২ টাকৈ ড্ৰাগছভৰ্তি কন্টেইনাৰ। আটকাধীন ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম মুক্তাৰ হুছেইন। মুক্তাৰ হুছেইন দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহ লগত জড়িত আছিল। সৰবৰাহকাৰীজনৰ পৰা জব্দ কৰা ড্ৰাগছখিনিৰ বজাৰ মূল্য প্ৰায় ৫০ হেজাৰ টকা হ'ব। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তৰংগ পাটোৱাৰীৰ নেতৃত্বত ধিং গেটৰ লাচিত নগৰত আজি চলিছিল এই ড্ৰাগছ বিৰোধী অভিযান।

NAME CORRECTION

I do hereby declare vide affidavit No- (V) dtd-26/07/2022 that my and wife's correct name and surname are Firoj Ali and Rahena Khatun Respectively.

Firoj Ali Panjabari, Guwahati-38

হোজাইত নাটনি ইউৰিয়া সাৰৰ

■ কৃষকৰ মাজত হাহাকাৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ২৯ জুলাই ঃ হোজাই জিলাৰ বিভিন্ন প্ৰান্তত ইউৰিয়াৰ নাটনিয়ে সমস্যাত পেলাইছে কৃষকক। ফলত কৃষকৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। জানিব পৰা মতে জিলাখনত যি কেইখন ৰিটেইলাৰ বিপণী আছে সেইসমূহত ইউৰিয়া সাৰৰ যোগান নধৰাৰ বাবে কৃষকে সাৰ লাভ কৰা নাই। ফলত জিলাখনৰ ডবকা ৰাজহ চক্ৰকে ধৰি আন আন ৰাজহ চক্ৰৰ অঞ্চলাধীন ৰাজহ গাঁৱত ইউৰিয়াৰ সাৰৰ নাটনি হোৱাৰ বাবে কৃষকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে হোজাই জিলাত ১২৪ খন খুচুৰা আৰু ১১ খন পাইকাৰী ডিলাৰ আছে। নিয়ম মতে এই কেইখন ডিলাৰে জিলাখনত ১২৪ খন পাইকাৰিক (খুচুৰা ব্যৱসায়ী) ইউৰিয়াসমূহ যোগান ধৰাৰ পাছত তেওঁলোকে কৃষকসকলৰ মাজত ইউৰীয়া সাৰ বিক্ৰী কৰিব লাগে। কিন্তু পৰিতাপৰ বিষয় যে হোজাই জিলা কৃষি বিভাগে কৃষকৰ এই সমস্যাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা নাই। এই সন্দৰ্ভত হোজাই জিলা খুচুৰা সাৰ বিক্ৰেতা সন্থাৰ এখন সভাও অনুষ্ঠিত হৈ যায়। সন্থাৰ সভাপতি মানিক ভৌমিকৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কৃষকৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰা হয়। লগতে সন্থাৰ কাৰ্যকৰী সভাপতি ছহিদুল ইছলামেও ভাষণ প্ৰসংগত ইউৰিয়া সাৰৰ নাটনি সন্দৰ্ভত আলোকপাত কৰাৰ অন্তত সন্থাৰ সম্পাদক কৃষ্ণ দাসে অসম চৰকাৰৰ কৃষি বিভাগে অনতি পলমে হোজাই জিলাৰ পাইকাৰীসকলক ইউৰিয়া সাৰ যোগান ধৰিবলৈ দাবী জনায়। উল্লেখ্য যে এক বিশেষ সূত্ৰে জানিব পৰা মতে অসম চৰকাৰৰ ৰাসায়নিক সাৰ কৃষি বিপণন কেন্দ্ৰই সাৰ কোম্পানীসমূহক টকা দিব নোৱাৰাৰ বাবেই ইউৰীয়া সাৰ ক্ৰয় কৰিব পৰা নাই। গতিকে কৃষকৰ স্বাৰ্থত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি সাৰ সহজতে উপলব্ধ কৰাৰ ব্যৱস্থা কৰিবলৈ সজোৰে দাবী উত্থাপন কৰে। উল্লেখ্য যে জিলাখনৰ ডবকা ৰাজহ চক্ৰৰ অঞ্চলৰ প্ৰায় কৃষিভূমিত জলসিঞ্চনৰ পানী লাভ কৰাত কৃষকৰ ধান খেতি আগতে আৰম্ভ হয় বাবে সাৰ প্ৰয়োজন হয়। ফলত জিলাখনৰ ডবকা, আমবাৰী, মোৰাঝাৰ, চৌধুৰী বজাৰ, চামৰালি আদি অঞ্চলত সাৰৰ অভাৱ অনুভৱ কৰে কৃষকে আৰু সাৰ নাপাই সমস্যাৰ সন্মুখীন হয়। ইপিনে কিছুদিন পূৰ্বেও হোজাই জিলা উপায়ুক্ত, হোজাই কৃষি বিষয়াৰ স'তে কৃষকৰ সমস্যা আলোচনা কৰাৰ লগতে ৰাজ্যৰ কৃষিমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ হোজাই জিলা খুচুৰা সাৰ বিক্ৰেতা সন্থাই স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল ।

AFFIDAVIT

I Deepjyoti Konwar, S/o Sri Rabin Konwar, Chitraban path, P.O- Kahilipara, P.S. -Dispur, Guwahati-19, Assam, do hereby declared by an affidavit before Notary Kamrup (M) on 29/07/2022 that in my HDFC customer ID No- 56089078, my name is wrongly recorded as Deep Konwar instead of my correct name Deepjyoti Konwar. Both are the same person having single identity i.e. myself.

ৰংজুলিত ৰাভা হাছং পৰিষদৰ উদ্যোগত চাকৰিৰ সাক্ষাৎকাৰৰ বাবে বিনামূলীয়া ক'চিং কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

দুধনৈ, ২৯ জুলাই ঃ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আৰু ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ সহযোগত অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিযুক্তিৰ সাক্ষাৎকাৰৰ বাবে আজিৰ পৰা চাৰিদিনীয়াকৈ বিনামূলীয়া ক'চিং কাৰ্যসূচী আৰম্ভ কৰা হয়। ৰংজুলি প্ৰগতি সংঘ প্ৰেক্ষাগৃহত আয়োজন কৰা ক'চিং কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে ৰাভা চাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। উদ্বোধনী ভাষণত মুখ্য কাৰ্যবাহী সদস্য ৰাভাই কয়, 'বৰ্তমান বিজেপি চৰকাৰৰ দিনত চাকৰিৰ বাবে কোনো ঘোচ দিন নালাগে, চাকৰি পাবৰ বাবে ধনী, দুখীয়াৰ কথা নাই, চাকৰিৰ বাবে প্ৰয়োজন মেধা শক্তি। সেয়ে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত শিক্ষিত যুৱক-যুৱতীসকলে যাতে চাকৰি লাভ কৰিব পাৰে তাৰ বাবে অভিজ্ঞ সমল ব্যক্তিৰ দ্বাৰা ক'চিং প্ৰদানেৰে যুৱক-যুৱতীসকলক উপযুক্ত কৰি তোলৰা উদ্দেশ্যে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত এই কাৰ্যসূচী ব্যৱস্থা কৰা হৈছে। ৰাভা হাছঙৰ প্ৰায় এহেজাৰ যুৱক-যুৱতীক ক'চিং দিয়াৰ ব্যৱস্থা কৰা হৈছে। ক'চিং কেন্দ্ৰসমূহ হ'ব গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত আগিয়া, দুধনৈ মহাবিদ্যালয়ৰ সহযোগত দুধনৈ, বিকালী মহাবিদ্যালয়ৰ সহযোগত ৰংজুলি, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সহযোগত বকো আৰু ছয়গাঁও মহাবিদ্যালয়ৰ সহযোগত ছয়গাঁৱত বিনামূলীয়া ক'চিঙৰ ব্যৱস্থা কৰা হৈছে। ৰংজুলিত ইতিমধ্যে চাকৰিৰ বাবে আবেদন কৰা প্ৰায় দুশ প্ৰশিক্ষাৰ্থী অংশগ্ৰহণ কৰে ক'চিং কাৰ্যসূচীত। ক'চিং কাৰ্যসূচীত অভিজ্ঞ সমল ব্যক্তিৰ দ্বাৰা গণিত, ইংৰাজী, বিজ্ঞান আৰু সাধাৰণ জ্ঞানপ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।' উল্লেখ্য যে প্ৰথম দিনা গণিত বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰে বিকালী মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল ৰাহিদে। অনুষ্ঠানত অতিথিৰূপে অংশগ্ৰহণ কৰে বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈ, ৰংজুলিস্থিত লক্ষ্মীকান্ত দাস সোঁৱৰণী কলা ভূমিৰ সচিব তথা বিশিষ্ট চিত্ৰ শিল্পী মধুসূদন দাস, ৰাভা, হাছং পৰিষদৰ কাৰ্যবাহী সদস্য ফণীন্দ্ৰ ৰাভা, সাধাৰণ সদস্য সহদেৱ ৰাভা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি।

হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ ধন অজ্ঞাত লোকৰ বেংক একাউন্টৰ বিপৰীতে হস্তান্তৰ

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ২৯ জুলাই ঃ কেঁচা গৃহত বসবাস কৰি অহা দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে পুঁজি আৱন্টন দি আহিছে যদিও নগাঁও জিলাৰ ৰূপহীহাট উন্নয়ন খণ্ডৰ জিউমাৰী গাঁও পঞ্চায়তত চৰকাৰৰ নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি গাঁও পঞ্চায়তত সমন্বয়কে (জিপিচি) নিজা মইমতালি প্ৰদৰ্শন কৰি জধে-মধে ধন মোকলাই দিয়াৰ অভিযোগ উঠিছে। যাৰ বাবে মূৰৰ পৰা গেলিবলৈ লৈছে নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগ। আনকি পিএমএৱাইৰ হিতাধিকাৰীৰ অজ্ঞাতে গৃহ নিৰ্মাণৰ তিনিটা কিস্তিৰ ধন অজ্ঞাত লোকৰ বেংক একাউন্টত হস্তান্তৰ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। পঞ্চায়তটোৰ বাটমাৰী গাঁৱৰ জাকিৰ হোছেইন (আইডি নম্বৰ ১৮২১০৩১) নামৰ হিতাধিকাৰীজনে তেওঁৰ গৃহ নিৰ্মাণৰ তিনিটা কিস্তিৰ এক লাখ ৩৩ হেজাৰ পাঁচশ টকা জালিয়াতিৰে অজ্ঞাত লোকৰ বেংক একাউন্টত হস্তান্তৰ কৰি আত্মসাৎ কৰাৰ অভিযোগ তুলি ৰূপহীহাট থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰত হিতাধিকাৰীয়ে ৱাৰ্ড সদস্য আইজুল ইছলামক অভিযুক্ত কৰিলেও আৰক্ষীৰ তদন্ত জিপিচি ছাকিল আহমেদ সমগ্ৰ কেলেংকাৰিত লিপ্ত থকাৰ তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। কাৰণ পিএমএৱাইৰ গৃহৰ জিঅ' টেগ কৰাৰ সমস্ত প্ৰক্ৰিয়া জিপিচিয়ে সম্পন্ন কৰে। জিপিচিয়ে জিঅ' টেগ প্ৰক্ৰিয়া হিতাধিকাৰীৰ বেংকৰ শুদ্ধ একাউন্ট নম্বৰ অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰিব লাগে। জাকিৰ হোছেইনৰ নামৰ বিপৰীতে অসম গ্ৰামীণ বিকাশ বেংকৰ ৰূপহী শাখাৰ ৭৩৮৬০২৬০ ২৮০৮৮ নম্বৰৰ একাউন্টছৰ বিপৰীতে পিএমএৱাইৰ ধন মোকলাই দিয়াৰ অভিযোগ উঠিছে। ইপিনে, জৰথনী গাঁৱৰ আব্দুৰ ৰহমান নামৰ লোকজনৰ দুবছৰ পূৰ্বে মৃত্যু হোৱাৰ পাছতো (আইডি নম্বৰ ২১১৪৩৩৪) পিএমএৱাইৰ গৃহ আৱন্টন দিয়াই নহয় এটা কিস্তিত ৩২ হেজাৰ সাতশ ৫০ টকা জিপিচিয়ে মোকলাই দিয়াৰ অভিযোগ উঠিছে। মৃত হিতাধিকাৰী আব্দুৰ নামৰ বিপৰীতে এছবিএআই কলিয়াবৰ শাখাৰ ৩৬২৫৫৮৩৫৮৮৫ নম্বৰৰ একাউন্টছৰ বিপৰীতে ধন মোকলাই দিছিল।

সান্ধ্য ভ্ৰমণলৈ গৈ দুৰ্ঘটনাত পতিত ডাঃ অসীম দাসৰ মৃত্যু শোকস্তব্ধ নাথকুছি-টিহু

অগ্ৰদূত বাৰ্তা

টিহু, ২৯ জুলাই ঃ টিহুৰ নাথকুছি নিবাসী বিশিষ্ট পশু চিকিৎসক ডাঃ অসীম দাসৰ কালি সান্ধ্য ভ্ৰমণলৈ গৈ দুৰ্ঘটনাত পতিত হৈ নিশা নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিতসালয়ত মৃত্যু হোৱাত শোকস্তব্ধ হৈ পৰিছে নাথকুছি-টিহু। তথ্য অনুসৰি, কালি সন্ধিয়া ডাঃ দাসে বন্ধু এজনৰ স'তে সান্ধ্য ভ্ৰমণলৈ আহি উভতাৰ পথত পিছফালৰ পৰা চাৰিচকীয়া বাহন এখনে খুন্দা মাৰে। ডাঃ দাসে গাড়ীৰ খুন্দাত ছিটিকি গৈ পুনৰ বিদ্যুতৰ খুঁটা এটাত খুন্দা খায়। ঘটনাৰ আকস্মিকতাত লগত থকা বন্ধুজন হতবাক হৈ পৰে। স্থানীয় লোকৰ সহযোগত ততাতৈয়াকৈ প্ৰথমে টিহু হাস্পতাললৈ নি পাছত নলবাৰীলৈ নিয়ে যদিও নিশা তেওঁৰ মৃত্যু হয়। আজি মৰণোত্তৰ পৰীক্ষাৰ পাছত দাসৰ নশ্বৰদেহ নাথকুছিস্থ স্বগৃহলৈ অনাৰ পাছত লোকে লোকাৰণ্য হৈ পৰে তেওঁলোকৰ বাসগৃহ। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৫১ বছৰ হৈছিল। উল্লেখ্য যে কালি ডাঃ দাসৰ ককায়েক মনো কুমাৰ দাসৰ মৃত্যুৰ এমাহ পূৰ্ণ হৈছিল। মুছলপুৰ পশু চিকিৎসালয়ত কৰ্মৰত ডাঃ দাস ছাত্ৰ অৱস্থাৰ পৰাই অভিনয়ৰ লগত জড়িত আছিল। বাসন্তী হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ, নাথকুছি নিৰনুৱা সন্থাৰ প্ৰাক্তন সম্পাদক, ঐতিহ্যমণ্ডিত বাসন্তী পূজা, নাথকুছি শিৱ মন্দিৰ আদিৰ লগত বিশেষ জড়িত দাসৰ মৃত্যুত শ্ৰীশ্ৰীবাসন্তী পূজা সমিতি, নাথকুছি শিৱ মন্দিৰ সমিতি, গণেশ মন্দিৰ সমিতি, বাসন্তী হাইস্কুল, টিহু মহকুমা ৰিপ'ৰ্টাছ এছ'চিয়েচন, নাথকুছি ব্যৱসায় সন্থা, নাথকুছি মুক্তিধাম সমিতি, টিহু হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজেন শৰ্মা, সমাজকৰ্মী জগত পাঠক আৰু গংগাধৰ দাস, ৱাৰ্ড কমিচনাৰ দিলীপ দাস, প্ৰাক্তন ছাত্ৰনেতা ধনঞ্জয় বৰপূজাৰী আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। আজি ডাঃ দাসৰ নশ্বৰদেহত বিভিন্ন দল-সংগঠন-অনুষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাচত নাথকুছি আঞ্চলিক মুক্তিধামত অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, এগৰাকী কন্যা আৰু কণমানি পুত্ৰ সন্তানক এৰি যায়। দুৰ্ঘটনা সংঘটিত কৰা এএছ-০১ ডিডব্লিইউ-২১০৭ নম্বৰৰ ভিতাৰা ব্ৰেজা গাড়ীখন সম্প্ৰতি টিহু থানাত ৰখা হৈছে যদিও গাড়ীখনৰ চালকজন এতিয়াও পলাতক অৱস্থাত আছে।

ধুবুৰী-কচুগাঁও গড়কাপ্টানী পথত অতিৰিক্ত বোজাই ডাম্পাৰৰ দৌৰাত্মত অতিষ্ঠ সাধাৰণ ৰাইজ

■ তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত গুৰুতৰভাৱে আহত এজন

অগ্ৰদূত বাৰ্তা

তামাৰহাট, ২৯ জুলাই ঃ ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত প্ৰতাপগঞ্জত যোৱা নিশা এখন তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত এগৰাকী বৃদ্ধ গুৰুতৰভাৱে আহত হৈ ধুবুৰী অসামৰিক চিকিৎসালয়ত মৃত্যুৰ স'তে যুঁজি থাকিবলগীয়া হৈছে। প্ৰাপ্ত তথ্য মতে, যোৱা নিশা তামাৰহাট থানাৰ অন্তৰ্গত বৰুণডাংগা গাঁৱৰ বাসিন্দা আহম্মদ আলী শ্বেখ (৬৫) নামৰ বৃদ্ধজন প্ৰতাপগঞ্জ বজাৰৰ পৰা বৰুণডাংগা গাঁওস্থিত নিজা ঘৰলৈ গৈ থকা অৱস্থাত ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সোণাহাট আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰৰ পৰা ধুবুৰী-কচুগাঁও গড়কাপ্টানী পথেৰে তীব্ৰ বেগেৰে আহি থকা এএছ-১৬ এচি-৪০৬৯ নম্বৰৰ ডাম্পাৰখনে পিছফালৰ পৰা খুন্দা মাৰে। ফলত আহম্মদে মূৰত বেয়াকৈ আঘাতপ্ৰাপ্ত হৈ পথৰ দাঁতিত ছিটিকি পৰে। লগে লগে স্থানীয় ৰাইজে গুৰুতৰভাৱে আহত আহম্মদক উদ্ধাৰ কৰি ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, খবৰ পাই পাগলাহাট আৰক্ষী নিৰিক্ষণ কেন্দ্ৰৰ আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখন জব্দ কৰি আৰক্ষী চকীলৈ লৈ যায়। মৃৰত বেয়াকৈ আঘাত পাই আহম্মদ বৰ্তমানে ধুবুৰী অসামৰিক চিকিৎসালয়ত মৃত্যুৰ স'তে যুঁজি আছে। উল্লেখ্য যে অসম-বংগ সীমান্তৰ কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰৰ পৰা ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সোণাহাট আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰলৈ চলাচল কৰা অভাৰলোড পাথৰ কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্মত অতিষ্ঠৈ পৰিছে অঞ্চলটোৰ ৰাইজ। তীব্ৰ বেগে সঘন চলাচল কৰা উক্ত অভাৰলোড ডাম্পাৰসমূহৰ দৌৰাত্মত ইতিপূৰ্বে অঞ্চলটোত কে'বাটাও দুৰ্ঘটনা সংঘটিত হৈছে। মনকৰিবলগীয়া যে শ্ৰীৰামপুৰৰ পৰা বালাজানলৈকে থকা ঠেক পথছোৱাৰে তীব্ৰবেগী ডাম্পাৰবোৰৰ বাবে সৰু-ৰৰ যাত্ৰীবাহী যান-বাহন, মটৰ চাইকেল, চাইকেল এনেকি সাধাৰণ পথচাৰিসকলে যমৰ-যাতনা ভুগিবলগীয়া হৈ পৰিছে। তথ্য মতে, এখন চালানেৰে নীতি বহিৰ্ভূতভাৱে অতিৰিক্ত পাথৰ বোজাই কৰি একাধিক বাৰ চলাচল কৰা ডাম্পাৰবোৰক ধুবুৰী জিলা প্ৰশাসনে নকী লগাব পাৰিবনে? এতিয়া সৰ্বত্ৰে উক্ত লাখ টকীয়া প্ৰশ্নটোৱে উত্থাপিত হৈ আহিছে।

বিজ্ঞান আৰু গণিত বিষয় ইংৰাজীত

এক পৃষ্ঠাৰ পৰা হ'ব সেয়া বিচাৰ্যৰ বিষয় যদিও এই ব্যৱস্থাই চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিম্নগামী অথবা হ্ৰাস যে কৰিব সেয়া স্পষ্ট। 'কিয়নো অসমীয়া মাধ্যমত তৃতীয় শ্ৰেণীৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে দুটা বিষয়ত অধ্যয়ন কৰিবলগীয়া হোৱাত ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া আৰু ইংৰাজীৰ দুটাকৈ ভাষাৰ বোজা গ্ৰহণ কৰাতকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ অধ্যয়নত অধিক গুৰুত্ব প্ৰদান কৰিব। আৰু প্ৰাৰম্ভিক পৰ্যায়ৰ পৰাই ইংৰাজীত সকলো বিষয়ত অধ্যয়ন কৰাটো বাছি ল'ব। তদুপৰি এই ব্যৱস্থা প্ৰৱৰ্তন হ'লে অসমীয়া ভাষাৰ প্ৰতিও কিছু সংশয় আহিব। অসমীয়া ভাষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত এটা উদাসীন মনোভাব সৃষ্টি কৰিব।' বিবৃতিত যুৱ- ছাত্ৰ পৰিষদে কয় যে সংগঠনটোৱে কেতিয়াও ইংৰাজী ভাষাৰ শিক্ষাৰ বিৰোধ নকৰে। ইংৰাজী ভাষাত তৃতীয় শ্ৰেণীৰ পৰা দুটা বিষয়ত শিক্ষা প্ৰদানৰ ফলত আওপকীয়াকৈ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মনত সৃষ্টি হ'ব পৰা অনীহা আৰু ফলশ্ৰুতিত অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ সন্মুখত আহিব পৰা সংকটৰ প্ৰতি সংশয় প্ৰকাশ কৰা বুলি কয়। 'মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আনকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও অসমত অসমীয়া মাধ্যমত চিকিৎসা মহাবিদ্যালয় আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব বুলি বিগত সময়ত কৈছে। সেই একেজন মুখ্যমন্ত্ৰী শৰ্মাৰ কেবিনেটে চৰকাৰী খণ্ডৰ বিদ্যালয়ত দুটা ভাষাত শিক্ষাদানৰ বাবে গ্ৰহণ কৰা সিদ্ধান্ত প্ৰকৃততে স্ববিৰোধী।' বৰ্তমান চৰকাৰী খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ শিক্ষাৰ মানকে ধৰি আন্তঃগাঁথনি আদি সকলো ক্ষেত্ৰতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়তকৈ পাছ পৰা বুলি বিবৃতিটোত কোৱা হৈছে। চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহে তৃতীয় শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত শিক্ষাদান কৰাত মনোনিৱেশ কৰাতকৈ চৰকাৰী খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহে কিদৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়তকৈ ভাল ফলাফল কৰিব পাৰে তাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিষদৰ নেতাদ্বয়ে চৰকাৰক আহ্বান জনায়।

ইপিনে, ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছনৰ অসম ৰাজ্যিক কমিটীয়ে এক বিবৃতিত চৰকাৰৰ সিদ্ধান্ত চৰম অবৈজ্ঞানিক আৰু অদূৰদৰ্শী বুলি কয়। এই সিদ্ধান্তৰ দ্বাৰা গুণগত কোনো পৰিৱৰ্তন নহয় বৰঞ্চ ছাত্ৰ-ছাত্ৰীসকলে মাতৃভাষাত শিক্ষাগ্ৰহণৰ অধিকাৰ হেৰুৱাব। এয়া ৰাজ্যৰ স্বাৰ্থ বিৰোধী সিদ্ধান্ত বুলিও কয়। এনে ঘোষণাবোৰৰ জৰিয়তে চৰকাৰে অসমীয়াকে ধৰি স্থানীয় ভাষা নিঃশেষ কৰিব বুলি বিবৃতিত কোৱা হয়। 'এই সিদ্ধান্ত অবৈজ্ঞানিক, ছাত্ৰ-ছাত্ৰীক শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত জটিলতাৰ সৃষ্টি কৰিব, সৰ্বোপৰি স্থানীয় ভাষাসমূহৰ ক্ষতিসাধন কৰিব। এয়া অসম বিৰোধী-জনমত বিৰোধী সিদ্ধান্ত।' ফেডাৰেছনে এইদৰে কয়।

ইপিনে, বিবৃতিত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে চৰকাৰৰ সিদ্ধান্ত হঠকাৰী আৰু অদূৰদৰ্শী বুলি উল্লেখ কৰে। এই সিদ্ধান্ত অসমীয়া ভাষাকে অপমান কৰা নহয় ভাষা আন্দোলনৰ ছহিদ ৰঞ্জিত বৰপূজাৰী আৰু মাধ্যম আন্দোলনৰ ছহিদ মোজাম্মিল হকৰ দৰে ফুল কুমলীয়া ছাত্ৰৰ ত্যাগকো অপমান কৰিছে বুলি বিবৃতিত প্ৰকাশ।

কেবিনেটৰ সিদ্ধান্তই অসমীয়া ভাষা-মাধ্যমৰ ক্ষতি নকৰে বুলি ক'লে মন্ত্ৰী পেগুৱে

শিৱসাগৰৰ বিশেষ সংবাদদাতা ঃ ইপিনে, আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসম কেবিনেটে ৰাজ্যৰ শিক্ষা খণ্ডৰ সংস্কাৰৰ বাবে লোৱা পদক্ষেপে অসমীয়া ভাষা বা মাধ্যমৰ কোনো ক্ষতি নকৰে বুলি দৃঢ়তাৰে মন্তব্য প্

ৰাজ্যৰ বিভিন্ন ঠাইত দেশভক্তি দিৱস পালন

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৯ জুলাই ঃ বঙাইগাঁও জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কালি দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱস 'দেশভক্তি' দিৱস হিচাপে উদ্‌যাপন কৰা হয়। ২০২১ত অসম চৰকাৰৰ কেবিনেট বৈঠকৰ সিদ্ধান্ত মৰ্মে প্ৰথমবাৰৰ বাবে তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱস 'দেশভক্তি' দিৱস হিচাপে পালন কৰা হয়। এইবেলিও তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আৰু জিলা আৰু মহকুমা পৰ্যায়ত সমগ্ৰ অসমতে দেশভক্তি দিৱস পালন কৰা হয়। বঙাইগাঁৱৰ উপায়ুক্তৰ সভাকক্ষত জিলা পৰ্যায়ত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি সভাত সভাপতিত্ব কৰে জিলা উপায়ুক্ত নবদ্বীপ পাঠকে। এই অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকে অভয়াপুৰী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° মৰমী বৰঠাকুৰ তালুকদাৰ। তেওঁ দেশভক্ত তৰুণৰাম ফুকনৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন আৰু স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকা সম্পৰ্কত আলোকপাত কৰে। কালিৰ সভাত স্বাধীনতা সংগ্ৰামী প্ৰয়াত ৰোহিত দাসৰ পুত্ৰ কল্যাণ দাস আৰু স্বাধীনতা সংগ্ৰামী প্ৰয়াত পঞ্চানন বৰুৱাৰ অবিবাহিতা কন্যা ৰেণুকা বৰুৱাও উপস্থিত থাকে। কল্যাণ দাসে তেওঁৰ পিতৃৰ স্বাধীনতা সংগ্ৰামৰ ওপৰত আলোকপাত কৰে। সভাত গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মায়ো বক্তব্য ৰাখে। যিজন স্বাধীনতা যুঁজাৰু নিজৰ দেশভক্তিৰ বাবে 'দেশভক্ত' বুলি পৰিচিত, সেইজন ব্যক্তি তৰুণৰাম ফুকনৰ মৃত্যু দিৱস পালনেৰে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা আৰু উঠি অহা প্ৰজন্মক তেওঁৰ ব্যক্তিত্ব সম্পৰ্কত অৱগত কৰাটো নিশ্চয় অতি প্ৰাসংগিক। আমাৰ ঐতিহ্য, আমাৰ গৌৰৱ। কালিৰ সভাত জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাস, অতিৰিক্ত উপায়ুক্ত মগেন নৰহ, সহকাৰী আয়ুক্ত শিল্পীৰেখা পণ্ডিত, বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মন আৰু জিলা প্ৰশাসনৰ আন আন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে ।

মঙলদৈত

মঙলদৈৰ বিশেষ সংবাদদাতা ঃ সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাৰ তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কালি স্বাধীনতা সংগ্ৰামী তথা অসমী আইৰ সুযোগ্য সন্তান তৰুণৰাম ফুকনৰ ৮৩ সংখ্যক মৃত্যু তিথি উপলক্ষে 'দেশভক্তি দিৱস' উদ্‌যাপন কৰা হয়। অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰি জিলা তথ্য আৰু জনসংযোগ বিষয়া স্বাক্ষৰ ডেকাই দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনৰ ওপৰত আলোকপাত কৰে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। মুখ্য অতিথিৰূপে উপস্থিত থাকি জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই 'দেশভক্ত' তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে । তেওঁ মহান নেতাগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি তেওঁ কৰ্মৰাজিৰ যোগেদি দেশভক্ত হ'ব লাগে বুলি কয়। লগতে প্ৰত্যেক বছৰৰ ২৮ জুলাইত অসম চৰকাৰে 'দেশভক্তি দিৱস' পালন কৰিবলৈ লোৱা সিদ্ধান্তৰ বাবে তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে এই সিদ্ধান্তৰ পৰা অসমৰ জনগণে এই মহান ব্যক্তিত্বৰ অধিকাৰীজনক আন্তৰিকতাৰে স্মৰণ কৰিবলৈ সুযোগ পাব। অনুষ্ঠানত উপস্থিত থাকি মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বৰাই তৰুণৰাম ফুকনৰ দেশপ্ৰেম অতুলনীয় আছিল বুলি কোৱাৰ লগতে স্বাৱলম্বিতাৰ ওপৰত যে তৰুণৰাম ফুকনে গুৰুত্ব দিছিল তাৰ বিষয়ে কয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড° বুধিন চন্দ্ৰ হাজৰিকাই জিলা প্ৰশাসন তথা জনসংযোগ বিভাগক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু তৰুণৰাম ফুকন যে স্বাভিমানী অসমীয়া আছিল তাৰ ওপৰত ভাষণ ৰাখে। মুক্তিযুঁজাৰু পদ্মকান্ত ভাগৱতীৰ পুত্ৰ জিতেন ভাগৱতী, মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা নৱপ্ৰজন্মৰ উদীয়মান বক্তা প্ৰাঞ্জল প্ৰতীম ডেকাই অনুষ্ঠানত অংশগ্ৰহণ কৰি তৰুণৰাম ফুকনৰ জীৱনৰ ওপৰত বক্তব্য দাঙি ধৰাৰ উপৰি চৰকাৰে লোৱা এই পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানত দৰঙৰ অতিৰিক্ত উপায়ুক্ত জোনতি ডেকা, সহকাৰী আয়ুক্ত ৰিণি হাজৰিকা, জিলা উদ্যোগ কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত পৰিচালক পল্লৱ কোঁৱৰ, বিশিষ্ট সাংবাদিক আব্দুল খালেক, হেমন্ত বৰুৱা, মযুখ গোস্বামী, মুকুট ৰাজ শৰ্মা, হোমেন কাকতি, ৰঞ্জিত নাথ আদিকে ধৰি কে'বাগৰাকী সাংবাদিকৰ লগতে বিশিষ্ট নাগৰিক উপস্থিত থাকে।

তামুলপুৰত

তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ তামুলপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ত কালি অনুষ্ঠিত কৰা হয় দেশভক্ত দিৱস। কাৰ্যসূচীৰ আৰম্ভণিতে দেশভক্তি তৰুণ ৰাম ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তামুলপুৰৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসে। বন্তি প্ৰজ্বলন কৰি উপায়ুক্তজনে দেশভক্ত তৰুণ ৰাম ফুকনৰ দেশপ্ৰেম আৰু সাহিত্যৰ ক্ষেত্ৰখনত তেওঁৰ অৱদান সম্পৰ্কে বক্তব্য ৰাখে। তেওঁ তৰুণৰাম ফুকনৰ ভাৱতৰ স্বাধীনতা আন্দোলনৰ সংগ্ৰামী সত্তা আৰু সাহিত্য ক্ষেত্ৰখনত দি থৈ যোৱা অৱদানৰ ওপৰত বক্তব্য ৰাখি তেওঁ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। তামুলপুৰৰ অতিৰিক্ত উপায়ুক্ত ডাঃ বেদংগ তালুকদাৰে আঁত ধৰা সভাখনত নিৰ্দিষ্ট বক্তাৰ ভাষণ ৰাখে অৱসৰপ্ৰাপ্ত শিক্ষক তথা শংকৰী সংস্কৃতিৰ সাধক চৰিন চন্দ্ৰ মহন্তই। ভাষণ প্ৰসংগত তেওঁ কয়, বৰেণ্য ব্যক্তিসকলৰ জীৱনপঞ্জী নতুন পুৰুষৰ বাবে অতি প্ৰয়োজন। ইতিহাস অবিহনে এটা জাতি কেতিয়াও আগবাঢ়িব নোৱাৰে। বৰেণ্য ব্যক্তিসকলে জাতি এটাৰ ইতিহাস বহন কৰে। গতিকে বৰেণ্য ব্যক্তিসকলৰ স্বৰ্ণিল দিশসমূহ নতুন পুৰুষে জানিব লাগিব। তেতিয়াহে সেই জাতিটো সমৃদ্ধিশালী হ'ব। সভাত সাংবাদিক তীৰ্থঞ্জন মহন্তয়ো ভাষণ ৰাখে। তামুলপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সভাখনত তামুলপুৰ সদৰ মাহকুমাধিপতি ৰামানুজ হাজৰিকা, উপায়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসহ প্ৰায় ডেৰ শতাধিক লোক উপস্থিত থাকে। সভাৰ শেষত দেশভক্তিমূলক বাণীৰে সভা ভংগ দিয়ে অতিৰিক্ত উপায়ুক্ত বেদাংগ তালুকদাৰে।

ডুমডুমাত

ডুমডুমাৰ অগ্ৰদূত বাৰ্তা ঃ তিনিচুকীয়া জিলা প্ৰশাসন আৰু তিনিচুকীয়া জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত কালি তিনিচুকীয়া পেঞ্চনাৰ ভৱনত দেশভক্ত তৰুণৰাম ফুকনৰ পুণ্যতিথি উপলক্ষে অনুষ্ঠিত 'দেশভক্তি দিৱস' ৰ লগত সংগতি ৰাখি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হয়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে তিনিচুকীয়া জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ আৰু নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে তিনিচুকীয়া মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অচ্যুত কুমাৰ বৰঠাকুৰ। সভাৰ আৰম্ভণিতে মুখ্য অতিথি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈয়ে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। বিষয়াজনে স্বাধীনতা সংগ্ৰামত দেশভক্ত তৰুণৰাম ফুকনৰ অৱদান আৰু ত্যাগ শ্ৰদ্ধাৰে স্মৰণ কৰে। মুনিন্দ্ৰ বৰদলৈয়ে দেশভক্ত তৰুণৰাম ফুকনক অসমী আইৰ এগৰাকী সুযোগ্য সন্তান বুলি আখ্যা কৰি তেওঁৰ দেশভক্তি আমাৰ মাজত চিৰজ্যোতিষ্মান হৈ থাকিব বুলি উল্লেখ কৰে। কালি সভাৰ নিৰ্দিষ্ট বক্তা ড° অচ্যুত বৰঠাকুৰে জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষতে আৰম্ভ হোৱা স্বাধীনতা আন্দোলনত দেশভক্ত তৰুণৰাম ফুকনে আগবঢ়োৱা অৱদানৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰে। দেশভক্ত তৰুণৰাম ফুকনৰ দেশমাতৃৰ প্ৰতি থকা প্ৰেম আৰু ত্যাগৰ মনোভাৱ আমাৰ সমাজৰ বাবে এক উজ্জ্বল নিদৰ্শন বুলিও নিৰ্দিষ্ট বক্তা কালিৰ সভাত উল্লেখ কৰে।

কাজলগাঁৱত

কাজলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ অসম চৰকাৰৰ কেবিনেটে লোৱা সিদ্ধান্ত অনুসৰি দেশভক্ত তৰুণ ৰাম ফুকনদেৱক স্মৰণ আৰু শ্ৰদ্ধাঞ্জলি নিবেদনৰ লক্ষ্যৰে তেওঁৰ মৃত্যু তিথি কালি সমগ্ৰ ৰাজ্যৰ লগতে চিৰাং জিলাতো 'দেশভক্তি দিৱস' হিচাপে উদযাপন কৰা হয়। চিৰাং জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত নিজা কাৰ্যালয় সভা কক্ষত আয়োজিত অনুষ্ঠানত চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰীয়ে মুখ্য অতিথিৰূপে উপস্থিত থাকি দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বিশিষ্ট অতিথি শিক্ষাবিদ, সাহিত্যিক হৰেশ্বৰ বসুমতাৰীয়ে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে। চিৰাং জিলা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ জ্যেষ্ঠ কৰ্মচাৰী গৌতম বিশ্বাসে আঁত ধৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে চিৰাং জিলাৰ ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া গগন নাৰ্জাৰীয়ে ।অনুষ্ঠানত মুখ্য অতিথি ৰিংখাং মুছাহাৰীয়ে ৰাজ্য চৰকাৰে দেশভক্ত তৰুণৰাম ফুকনৰ বিষয়ে আলোচনা কৰাৰ বাবে এই দিৱস উদ্‌যাপন কৰা হৈছে বুলি উল্লেখ কৰি দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনৰ ওপৰত বক্তব্য আগবঢ়ায় । অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা হৰেশ্বৰ বসুমতাৰীয়ে দেশভক্ত তৰুণৰাম ফুকনৰ স্বাধীনতা আন্দোলনৰ সংগ্ৰামী সত্তা, ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ কাম-কাজ, সাহিত্যিক জীৱন আৰু স্বাধীনতা আন্দোলনৰ সময়ছোৱাত কৰি অহা কাম-কাজৰ ওপৰত আলোচনা দাঙি ধৰে । তেওঁ দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন আদৰ্শৰ কথা নতুন প্ৰজন্মৰ মাজত কেনেদৰে পৰিচয় কৰাই দিব তাক ব্যক্ত কৰে । দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন আদৰ্শ অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিচয় কৰাই দিয়াৰ পোষকতা কৰে অনুষ্ঠানত উপস্থিত সাংবাদিকসকলে । জিলাখনৰ বিজনীতো কালি বিজনী মহকুমা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত দেশভক্তি দিৱস উদযাপন কৰা হয় বুলি জানিব পৰা গৈছে । চিৰাঙৰ জিলা সদৰ কাজলগাঁৱস্থিত জিলা কেন্দ্ৰৰ সভাকক্ষত জিলা প্ৰশাসনে দেশভক্ত দিৱস উদ্‌যাপন কৰে।

এজাক বৰষুণতে বুৰ গ'ল হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদ

অগ্ৰদূত বাৰ্তা

হাউলী, ২৯ জুলাই ঃ কালি পুৱা অহা এজাক বৰষুণৰ ফলত হাউলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদ পানীৰ মাজত বুৰ যায়। উপযুক্ত মেৰামতিৰ অভাৱত বিদ্যালয়খনৰ শ্ৰেণীকোঠাসমূহ ব্যৱহাৰৰ বাবে অনুপযোগী হৈ পৰিছে। উল্লেখ্য যে অসম চৰকাৰে ৭৫ বছৰ অতিক্ৰম কৰা বিদ্যালয়সমূহক তিনি কোটি টকাৰ এক আৰ্থিক সাহায্য দিয়াৰ আঁচনি গ্ৰহণ কৰিছিল যদিও ৮৩ বছৰীয়া এই বিদ্যালয়খন বিভাগীয় অৱহেলা আৰু প্ৰশাসনিক মেৰপেচৰ বাবে চৰকাৰৰ এই অভিলাষী আঁচনিৰ পৰা বঞ্চিত হ'ব লগা হৈছে। ফলত ইয়াত ফল ভোগ কৰিব লগা হৈছে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজে। বিদ্যালয় পৰিচালনা সমিতি আৰু হাউলী স্থানীয় কে'বাটাও দল-

সংগঠনৰ ফালৰ পৰা বিদ্যালয়খনৰ এনে জৰাজীৰ্ণ পৰিস্থিতিৰ বিষয়ে বৰপেটা জিলা প্ৰশাসন আৰু হাউলী পৌৰসভাক অহৰহভাৱে অৱগত কৰি থকা হৈছে যদিও কোনো এটা পক্ষই কালিলৈ এই সম্পৰ্কত কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বিদ্যালয়খনৰ সন্মুখেৰে যোৱা লোক নিৰ্মাণ বিভাগৰ পথৰ কাষেৰে অপৰিকল্পিতভাৱে এটা নলা নিৰ্মাণ কৰাৰ ফলত নলাটোৰে নিৰ্গত হোৱা অস্বাস্থ্যকৰ পানীসমূহ বিদ্যালয় চৌহদত জমা হৈ ছাত্ৰ তথা শিক্ষক সমাজৰ স্বাস্থ্যৰ প্ৰতিও এক ভয়ানক ভাবুকিৰ সৃষ্টি কৰিছে। এক দুৰ্গন্ধময় পৰিৱেশৰ মাজত অশেষ প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজ। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰাটো দুৰূহ হৈ পৰিছে। মাজে সময়ে হাউলী পৌৰসভাই জমা হোৱা পানী উলিয়াই নিয়াৰ ব্যৱস্থা কৰে যদিও এনে ব্যৱস্থা বিজ্ঞানসন্মত নহয়। হাউলী হাইস্কুলৰ একাংশ প্ৰাক্তন ছাত্ৰৰ হৈ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া হেমেন দাস আৰু সাংস্কৃতিক বিষয়া যুগান্ত বায়নে ইতিমধ্যে ৰাজ্য চৰকাৰৰ শিক্ষা সচিবক বিদ্যালয়খনে সন্মুখীন হোৱা কৃত্ৰিম বান সম্পৰ্কিত পৰিস্থিতি আৰু ঘোষিত চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হোৱা বিষয়টো দৃষ্টিগোচৰ কৰিছে। আশা কৰা হৈছে এই বিষয়ত চৰকাৰে তৎকালীনভাৱে এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি বিদ্যালয়খনক এক সৰ্বাংগ সুন্দৰ বিদ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ প্ৰতিষ্ঠা দিৱস

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৯ জুলাই ঃ কালি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা মহাবিদ্যালয়ৰ পতকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰ জ্যোতি মহন্তই। সমান্তৰালকৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ পতাকা উত্তোলন কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ সভাপতি নৰেন চেতিয়াই। স্মৃতি তৰ্পণ কৰে সাধাৰণ সম্পাদক ছন্দোৎপল বৰাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ তৰফৰ পৰা মহাবিদ্যালয়ত এটা ডিজিটেল শ্ৰেণী কোঠাৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ স্থায়ী কাৰ্যালয়ৰ পুনৰ নিৰ্মাণ কৰি শুভ উদ্ঘোধন কৰা হয়। উদ্ঘোধন কৰে শিৱসাগৰ জিলাৰ উন্নয়ন আয়ুক্ত শুভম গোৱালাই। ইয়াৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এক অন্তৰংগ আলাপ অনুষ্ঠিত কৰা হয়। পুৰণি দিনক সুঁৱৰি নষ্টালজিক হৈ পৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ জিতু জ্যোতি গায়নৰ সু-মধুৰ গীতে জীপাল কৰি তোলে অনুষ্ঠানটো। ইপিনে, মহাবিদ্যালয়ৰ পৰা বিভিন্ন দিশত পাৰদৰ্শিতা দেখুওৱা বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

বিশ্বনাথত সামাজিক অধিকাৰিত্ব শিবিৰ ঃ দিব্যাংগসকলক বিভিন্ন সা-সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২৯ জুলাই ঃ কালি বিশ্বনাথ জিলাৰ অন্তৰ্গত সাকোমঠাত সামাজিক অধিকাৰিত্ব শিবিৰৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ এডিআইপি আঁচনিৰ অধীনত জিলাখনৰ বিশেষভাৱে সক্ষম ব্যক্তিসকলক বিভিন্ন ধৰণৰ প্ৰয়োজনীয় সা-সামগ্ৰী বিতৰণ কৰা হয়। বিশ্বনাথৰ সাকোমঠা উন্নয়ন খণ্ডত আয়োজিত উক্ত অনুষ্ঠানৰ উদ্যোগ লয় সাকোমঠা আইচিডিএছ প্ৰকল্পৰ বিষয়াসকলে। উক্ত অনুষ্ঠানত জিলাখনৰ বিশেষভাৱে সক্ষম ব্যক্তিক ট্ৰাই চাইকেল, মট'ৰাইজ ট্ৰাই চাইকেল, হুইল চেয়াৰ আৰু কাণেৰে কমকৈ শুনা ব্যক্তিক বিশেষ যন্ত্ৰ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, এলিএমক'ৰ কাৰ্যকৰ্তা, সমাজ কল্যাণ বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ উপৰি জিলা প্ৰশাসনৰ লোকসকল উপস্থিত থাকে। উল্লেখ্য যে দেশৰ স্বাধীনতাৰ ৭৫ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে জিলাখনৰ বিভিন্ন স্থানত থকা বিশেষভাৱে সক্ষম লোকসকলক দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীসমূহ প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে চৰকাৰৰ তৰফৰ পৰা বিশেষভাৱে সক্ষম ব্যক্তিৰ প্ৰমাণপত্ৰ উলিওৱাৰ ব্যৱস্থাটো অতি সহজে সম্পন্ন কৰাৰ ক্ষেত্ৰত যাৱতীয় গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্তব্য কৰে বিধায়ক প্ৰমোদ বৰঠাকুৰে ।

বিশ্বনাথৰ কৃষকসকললৈ জিলা কৃষি বিষয়াৰ বিশেষ আহ্বান

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২৯ জুলাই ঃ বিশ্বনাথ জিলা কৃষকসকললৈ জিলা কৃষি বিষয়া দীপক বাটৈৰে এটি বিশেষ আহ্বান। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ দ্বাৰা উপকৃত সকলো কৃষকে পৰৱৰ্তী কিস্তি অহা এক আগষ্টৰ পৰা লাভ কৰিবৰ বাবে তেওঁলোকে নিকটবৰ্তী গ্ৰাহক সেৱাত কেন্দ্ৰ গৈ e-ইকেৱাইচি ৩ৰ জুলাই ভিতৰত সম্পন্ন কৰিবলৈ আহ্বান জনাইছে। লগতে ইকেৱাইচি কৰিবৰ বাবে গ্ৰাহক সেৱা কেন্দ্ৰলৈ যাওতে কৃষক হিতাধীকাৰীসকলে বেংক পাছবুকৰ স'তে আধাৰ কাৰ্ড আৰু নম্বৰ ব্যৱহিত ম'বাইল ফোন লগত লৈ যাবলৈ আহ্বান জনাইছে। যদিহে হিতাধাৰীসকলে এইকেইটা পদ্ধতি অৱলম্বন নকৰে তেন্তে তেওঁলোকৰ পৰৱৰ্তী অনুদান লাভ কৰাৰ পৰা বঞ্চিত হ'ব। ইয়াৰ উপৰিও পিএম কিষাণ হতাধাৰীয়ে ফচল বীমা যোজনাত পঞ্জীয়ন কৰাটো বাধ্যতামূলক ।

উত্তৰ-পূৰ চাৰিগাঁও পঞ্চায়তৰ অভিলাষী পদক্ষেপ

অগ্ৰদূত বাৰ্তা

লাহদৈগড, ২৮ জুলাই ঃ যোৰহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত তিনি নম্বৰ উত্তৰ-পূব চাৰিগাঁও গাঁও পঞ্চায়তৰ অঞ্চলাঅঞ্চলত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰাৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰিছে। ২৯ জুলাইৰ বিয়লি ৪-৩০ বজাৰ পৰা পঞ্চায়ত কাৰ্যালয়ত হ'ব লগীয়া ৰাজহুৱা সভাত এই আঁচনিৰ আৰম্ভ কৰিব। পঞ্চায়তৰ অধীনৰ সকলো ধৰ্মীয় অনুষ্ঠানত স্বচ্ছতা ৰক্ষাৰ্থে ডাষ্টবিন প্ৰদান আৰু পঞ্চায়তলৈ অহা প্ৰতিজন ব্যক্তিলৈ নিৰাপদ খোৱা পানী আগবঢ়োৱাৰ আঁচনিও সভাত আৰম্ভ কৰিব। পঞ্চায়তখনৰ সভাপতি মুনীন বৰাই সভাত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

শালবাৰীত 'দেশভক্তি দিৱস' উদযাপন

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৯ জুলাই ঃ দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি কালি তথ্য আৰু জনসংযোগ বিভাগ শালবাৰীৰ উদ্যোগত শালবাৰী মহকুমাধিপতি কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত দেশভক্তি দিৱস উদ্‌যাপন কৰা হয়। ৰাতিপুৱা ১০-৩০ বজাৰ পৰা অনুষ্ঠিত দেশভক্তি দিৱসৰ কাৰ্যসূচী অনুসৰি, প্ৰথমে তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। তাৰ পাছতেই সদ্য প্ৰয়াত সাহিত্যিক অতুলানন্দ গোস্বামী আৰু প্ৰাক্তন মন্ত্ৰী অৰ্ধেন্দু কুমাৰ দে'ৰ আত্মাৰ চিৰশান্তিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পাছতেই শালবাৰী মহকুমাধিপতি লক্ষ্যজ্যোতি দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হয় মুকলি সভা। সভাত শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্য, কালিচৰণ উজীৰ, অংকিতা দত্ত আদি উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে।

বঙাইগাঁও শোধনাগাৰত চিটুৰ উদ্যোগত ধৰ্ণা কাৰ্যসূচী।

উৰিয়ামঘাটত গোৰ্খা ছাত্ৰ সন্থাৰ সম্বৰ্ধনা অনুষ্ঠান

■ কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত বক্তব্য

উৰিয়ামঘাট, ২৯ জুলাই ঃ সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা উৰিয়ামঘাট আঞ্চলিক সমিতিৰ উদ্যোগত ২০২১-২২ৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্য উৰিয়ামঘাট হাতীডুবিস্থিত উশ্বু একাডেমী প্ৰাংগণত এক বিশেষ সম্বৰ্ধনাৰ লগতে কেৰিয়াৰ কাউন্সিলৰ অনুষ্ঠান অনুষ্ঠিত হয়। তদুপলক্ষে অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে গোৰ্খা ছাত্ৰ সন্থাৰ উৰিয়ামঘাট আঞ্চলিক সমিতিৰ সভাপতি মহন লিম্বুয়ে। সভাত অতিথি পৰিচয় আৰু সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে গোৰ্খা ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক কৰ্ণ সিং লিম্বুয়ে। উদ্বোধনী ভাষণ দিয়ে কেন্দ্ৰীয় সমিতিৰ সদস্য জ্ঞানেন্দ্ৰীয় ছেত্ৰীয়ে। সভাত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি প্ৰেৰণাদায়ক বক্তব্য ৰাখে ক্ৰমে ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনছেংফা বৰুৱা, চি ছেক্টৰ ১৪২ নম্বৰ চিআৰপিএফৰ ছেক্টৰ কমাণ্ডাৰ মুকেশ পি পি, উৰিয়ামঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰবীন্দ্ৰ বৰবৰা, উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সভাপতি প্ৰতাপ গগৈ, ডাঃ পল্লৱ বৰা, গোৰ্খা ছাত্ৰ সন্থা গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাজা অধিকাৰীকে আদি কৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে। আজিৰ সম্বৰ্ধনা অনুষ্ঠানত ডিআইডি

ভাষা-ধৰ্ম-খাদ্যাভ্যাস-পোছাকৰ সাদৃশ্যৰ সুযোগ গ্ৰহণ জেহাদীৰ

এক পৃষ্ঠাৰ পৰা কৰা অনুসৰি এবিটিয়ে বৰপেটাক অন্যতম অভিকেন্দ্ৰ কৰি ভাৰতবৰ্ষতে জেহাদৰ শিপা প্ৰসাৰিত কৰাৰ চেষ্টা চলাই আহিছে। পূৰ্বে বৰপেটাক অন্যতম অভিকেন্দ্ৰ কৰি জামাতুল মুজাহিদীন বাংলাদেশ (জেএমবি)নামৰ সংগঠনটোৱে অসমত জেহাদী কাৰ্যকলাপৰ তৎপৰতা চলাইছিল। জিলাখনৰ বিভিন্ন স্থানৰ পৰা জেএমবি শীৰ্ষ নেতাকে ধৰি কে'বাজনো লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। বৰপেটাৰ লগতে বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, দৰং, মৰিগাঁও, কৰিমগঞ্জ, হাইলাকান্দি, নলবাৰী আদি জিলাতে জেহাদীৰ কাৰ্যকলাপ অধিক বুলি আৰক্ষী আৰু নিৰাপত্তা বাহিনীসমূহে চিহ্নিত কৰিছে। জেহাদীৰ অপশক্তিয়ে বাৰে বাৰে কিয় এই নিৰ্দিষ্ট জিলাকেইখনক ঘাটিৰূপে ব্যৱহাৰ কৰি আহিছে? এই প্ৰশ্নৰ উত্তৰ আজি বৰপেটাৰ আৰক্ষী অধীক্ষক অমিতাভ সিনহাই দিয়ে। তেওঁ কয়, 'বাহিৰৰ পৰা জেহাদী আহিলেও এই জিলাবোৰত সেইসকলে নিজক লুকুৱাই ৰখাৰ এক পৰিৱেশ বিচাৰি পায়। ধৰ্ম, ভাষা, খাদ্যাভ্যাস, সাজ-পোছাক আদিত মিল থাকে বাবে বাহিৰৰ পৰা কোনোবাই আহি ইয়াত কৌশলেৰে আশ্ৰয় ল'লেও সাধাৰণ মানুহে ধৰিব নোৱাৰে।' উল্লেখ্য যে সংশ্লিষ্ট জিলাকেইখনত ধৰ্মীয় সংখ্যালঘু লোকৰ প্ৰভাৱ বেছি। তদুপৰি অধিকাংশ লোকেই অনগ্ৰসৰ। তাৰেই সুযোগ লৈ আহিছে জেহাদী শক্তিয়ে।

বৰপেটা জিলাত এবিটিয়ে শক্তিশালী ঘাটি স্থাপন কৰাত এই পৰ্যন্ত উদ্ধাৰ হোৱা তথ্য অনুসৰি তিনিজন বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে নেতৃত্ব লৈছে। তাৰে সুমন নামৰ এজনক যোৱা মাৰ্চত বৰপেটা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ফজাৰ আলী নামৰ আন এজনক ভূপালত গ্ৰেপ্তাৰ কৰা হয়। তৃতীয়জনৰ সন্ধান ওলোৱা নাই। আৰক্ষীৰ তথ্য অনুসৰি সুমনে বাংলাদেশৰ পৰা পশ্চিমবংগ হৈ ভাৰতত প্ৰৱেশ কৰি পোনে পোনে বৰপেটালৈ আহিছিল। বৰপেটাৰ হাউলীৰ ঢাকালিয়াপাৰালৈ আহি নিজকে পশ্চিমবংগৰ প্ৰকৃত বাসিন্দা আৰু পিতৃ-মাতৃহীন লোক বুলি পৰিচয় দি আকৰ্ষণীয় কথনভংগীৰে অতি কম দিনতে মানুহৰ আপোন হৈছিল। ধৰ্ম, ভাষা, সাজ-পোছাক আৰু খাদ্যাভ্যাস পাৰ্থক্য নথকাত জেহাদী সুমনৰ বাবে এইখিনি কৰাটো সহজ হৈছিল। উল্লেখ্য যে জেহাদ বিয়পোৱাৰ কৌশল হিচাপে সুমনে পাছলৈ এখন মাদ্ৰাছাৰ শিক্ষকৰূপে কৰ্মৰত হোৱাৰ উপৰি বিয়াও পাতে। আৰক্ষী সূত্ৰত প্ৰকাশ যে ধৰ্ম, ভাষা, খাদ্যাভ্যাস আৰু সাজ-পোছাকৰ মিলৰ সুযোগ লৈ বহিঃৰাষ্ট্ৰৰ পৰা অহা একাংশ জেহাদীয়ে দীঘলীয়া সময়ৰ বাবে খোপনি পোতাৰ বিপৰীতে আন একাংশই কম দিনৰ বাবেও নিজৰ দায়িত্ব পালন কৰি উভতি যায়। সেই সন্দৰ্ভত আৰক্ষী অধীক্ষক সিনহাই কয় যে ভ্ৰমণ আৰু চিকিৎসাৰ ভিছাৰে একাংশ জেহাদী তথা ভাৰতবিৰোধী লোক অসমলৈ আহে। কিন্তু ভাৰতত বৈধভাৱে প্ৰৱেশৰ পাছতে সেইসকলে মাত্ৰ কেইদিনমানৰ ভিতৰতে নিজৰ আচল উদ্দেশ্য কাৰ্যকৰী কৰি উভতি যায়। বৰপেটা জিলাত এনে ঘটনা সংঘটিত হৈছে বুলি সিনহাই সদৰী কৰে।

ছদ্মবেশী তেনে লোকসকলৰ বেছিভাগেই ধৰ্মৰ আলম লৈ জেহাদী কাৰ্যকলাপত লিপ্ত হোৱা বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

ৰমাকান্তই দিছিল মীন উন্নয়ন নিগমত

এক পৃষ্ঠাৰ পৰা নিগমৰ অধ্যক্ষ আছিল। নিযুক্তিপ্ৰাপ্ত ২১৭ জন কৰ্মচাৰীৰ কৈফিয়ৎ দাখিলৰ সময়সীমা কালি শেষ হোৱাৰ পাছত অসম চৰকাৰৰ মীন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই নাম উল্লেখ নকৰাকৈ কয়, 'নিগমৰ সেই সময়ৰ অধ্যক্ষই এই নিযুক্তি দিছিল।' উল্লেখ্য যে মীন বিভাগৰ অধীনস্থ হ'লেও মীন উন্নয়ন নিগম এটা স্বতন্ত্ৰ সংস্থা। গতিকে কৰ্মচাৰী নিযুক্তিৰ লগত সংস্থাটো। প্ৰত্যক্ষভাৱে জড়িত। উত্থাপিত অভিযোগ অনুসৰি কোনো নীতি-নিয়ম নমনাকৈ নিগমৰ কনিষ্ঠ সহায়ক, গাণনিক সহায়ক, প্ৰকল্প অভিযন্তা, সহকাৰী প্ৰকল্প প্ৰবন্ধক আদি পদত এই বৃহৎ নিযুক্তি সম্পন্ন হৈছিল। শুক্লবৈদ্যই কয় যে কৈফিয়তৰ উত্তৰবোৰ পৰীক্ষা কৰি দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

উল্লেখ্য যে অবৈধ নিযুক্তিৰ অভিযোগৰ ভিত্তিত মুখ্য সচিব জিষ্ণু বৰুৱাৰ অধ্যক্ষতাত এখন চাৰিজনীয়া সমিতিয়ে গঠন কৰে। সেই সমিতিয়ে নিযুক্তিৰ ন্যূনতমো বিধি পালন নকৰাকৈ পদবোৰত নিযুক্তি দিয়াটো নিশ্চিত কৰে। তাৰ পাছতে নিযুক্তি প্ৰাপ্তসকলক ২৮ জুলাইৰ ভিতৰত উত্তৰ দিয়াৰ নিৰ্দেশ জাৰি কৰি কৈফিয়ৎ তলব কৰা হয়।

কমনৱেলথ গেমছৰ উদ্বোধনী অনুষ্ঠান

এক পৃষ্ঠাৰ পৰা অনুষ্ঠান চলি থকাৰ সময়তে লাভলীনা আৰু মহম্মদে নিজাববীয়াকৈ টেক্সি যোগাৰ কৰিব নোৱাৰাত কিদৰে শিবিৰলৈ যাব তাকে লৈ বিপাঙত পৰে। এইদৰে প্ৰায় এঘণ্টা সময় অতিবাহিত কৰাৰ পাছত অৱশেষত তেওঁলোকে গেমছ ভিলেজমুখী প্ৰথমখন বাছত উঠি গন্তব্যস্থলীত উপনীত হয়।

আয়োজকে ভাৰতীয় প্ৰতিনিধি দলৰ বাবে তিনিখন গাড়ীৰ ব্যৱস্থা কৰিছিল যদিও এথলীট আৰু বিষয়বৰীয়াসকলে বাছেৰে উদ্বোধনী অনুষ্ঠানত উপস্থিত হোৱাত গাড়ী তিনিখনৰ চালকসকলে দিনটোৰ কৰ্তব্যৰ সামৰণি পেলায়।

ইপিনে, এইদৰে উদ্বোধনী অনুষ্ঠান আধাতে সমাপ্ত কৰি উভতিবলৈ লোৱাৰ সিদ্ধান্তৰ সন্দৰ্ভত লাভলীনাই কয়, 'যিহেতু আমাৰ পৰহিলৈ খেল আছে সেয়েহে আমি পুৱাতে অনুশীলন কৰিব বিচাৰো। উদ্বোধনী অনুষ্ঠান কিছু সময় চলিব বাবে আমি উভতি যোৱাৰ বাবে বিচাৰিছিলো। আমি এখন টেক্সি বিচাৰিছিলো যদিও সেয়া উপলব্ধ নহয় বুলি ক'লে।' ভাৰতৰ চীফ দ্য মিছন তথা বক্সিং ফেডাৰেছন অব্ ইণ্ডিয়া (বি এফ আই)ৰো উপ-সভাপতি ৰাজেশ ভাণ্ডাৰী এই ঘটনাটোক লৈ অসন্তুষ্ট হৈছে। তেওঁ কয়, 'আমি অনুষ্ঠানৰ মাজভাগত উপনীত হৈছিলো আৰু পাছত গম পালো যে তেওঁ আৰু আন এগৰাকী বক্সাৰ সোনকালে গুচি গ'ল। আমি সকলো বাছৰে আহিছিলো আৰু সেই সময়ত টেক্সি উপলব্ধ নাছিল। তেওঁলোকে যদি সোনকালে যাবলগীয়া আছিল তেন্তে অনুষ্ঠানলৈ অহাটো উচিত নাছিল।' তদুপৰি তেওঁ কয়, 'বহুকেইজন এথলীটে পাছদিনা পুৱা প্ৰতিযোগিতাৰ অনুশীলন থকা বাবে নহাৰ সিদ্ধান্ত লৈছিল। সেই কথা আমি বুজি পাওঁ। এই বিষয়টোক লৈ মই বক্সিং টিমৰ স'তে কথা পাতিম। সেই উদ্বোধনী অনুষ্ঠানত ১৬৪ জন এথলীটে অংশগ্ৰহণ কৰিছিল। পাছদিনা পুৱা অপেনিং খেল থকাৰ বাবে মহিলা ক্ৰিকেট দলৰ সদস্যসকলো হোটেলতে আছিল। ইপিনে, খেলৰ পূৰ্বে লাভলীনাই অভিযোগ কৰিছিল যে তেওঁৰ প্ৰশিক্ষকক অহৰহ হাৰাশাস্তি কৰি থকা হৈছে।

টিউটৰসকল শিক্ষক হ'বই নোৱাৰে

এক পৃষ্ঠাৰ পৰা বিশেষকৈ ৰাজ্যৰ ২,১০৭ খন শিক্ষানুষ্ঠানত 'টিউটৰ' হিচাপে নিযুক্তি লাভ কৰা ৬,৪৮৬ জন মধ্য ইংৰাজী শিক্ষকৰ 'টিউটৰ'ৰ বিপৰীতে 'শিক্ষক'ৰ মৰ্যাদাৰ দাবী তুলি সদৌ অসম প্ৰাদেশিকীকৃত মধ্য ইংৰাজী শিক্ষক(টিউটৰ) সংস্থাই যোৱা ২১ জুলাইত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইয়াৰ পাছতে আজি মহানগৰীৰ এক অনুষ্ঠানৰ মাজতে 'টিউটৰ' শিক্ষকৰ এটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী ড° শৰ্মাক সাক্ষাৎ কৰা সময়তে অন কেমেৰাত মুখ্যমন্ত্ৰীয়ে তেওঁলোকক বুজনি প্ৰদান কৰি যি পাইছে তাতে সন্তুষ্ট থাকক; নহ'লে এয়াও যাব বুলি স্পষ্ট সকীয়নি প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই 'টিউটৰ' প্ৰতিনিধিক উদ্দেশি কয়, 'আপোনালোক ভাগ্যবান, টিউটৰ যে হ'ল। মই কিবা কিবি কৰি দিলো, কিন্তু আদালতে গম পাই যে আইনবিৰোধভাৱে টিউটৰ কৰিছে, এই টিউটৰো খালী কৰি দিব।' টিউটৰক শিক্ষকৰ মৰ্যাদা দিবলৈ ভগৱানেও নোৱাৰে আৰু প্ৰতিবাদ, আদালতৰ কায চাপিলে বিপদতহে পৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'আদালতে যদি ধৰে তুমি টিউটৰ কোন আইনৰ অধীনত দিলা? আপোনালোকে কিমান ডাঙৰ অগ্নিৰ লগত খেলি আছে, নিজেই বুজি পোৱা নাই। এতিয়া ২০১৩ৰ প্ৰাদেশিকীকৰণ আইনটো উচ্চ ন্যায়ালয়ে কেনচেল কৰি থৈ দিছে। বিষয়টো নুশুনা ভাও জুৰি আছো কাৰণেই মানুহখিনি চাকৰিত আছে।' সমান্তৰালভাৱে টিউটৰসকলক শেহতীয়া এক বৈঠকত শিক্ষক হ'বলৈ কি কি যোগ্যতাৰ প্ৰয়োজন বুজাই দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰি বিদ্যালয় এৰি কিয় নোহোৱা কাম এটাত ঘূৰি ফুৰে বুলি টিউটৰ শিক্ষকৰ প্ৰতিনিধিসকলক প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাগুৰুসকলে বিদ্যালয় এৰি ঘূৰি ফুৰিলে মনটো বেয়া লাগে। আজি যিসকল টিউটৰ আছিল, এইসকল এদিন ক'ত আছিল ভাবক বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিনিধি দলটোক উদ্দেশি কয়, 'এদিন এটা টকাও নাছিল, আজিতো কিবা এটা আহিছে। আপোনালোক এদিন ক'ত আছিল ভাবক। এতিয়া যি পাইছে সেইবাবে ভগৱানক কৃতজ্ঞতা দিয়ক। আপোনালোকটো শিক্ষক, মই যদি মিছা কৈছো গুগলত চাওক যে এই কাম আইনে কয় নে নকয়।' উল্লেখ্য যে টিউটৰ শিক্ষক কেতিয়াও নহয় আৰু যদি ভুলবশতঃ কোনো শিক্ষক টিউটৰ হৈছে তেওঁলোকে মৰ্যাদা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰি যোগ্যতা অৰ্জন কৰিলে 'শিক্ষক'ৰ মৰ্যাদা লাভ কৰিব, অন্যথা এইদৰে কামত লাগিত থাকিলে এতিয়া লাভ কৰি থকাটোও কেতিয়াবা যাব বুলি 'টিউটৰ' শিক্ষকসকলক সাৱধান কৰি দিয়ে।

আৰু নখন জিলাত মধ্যাহ্ন ভোজনৰ

এক পৃষ্ঠাৰ পৰা মুখ্যমন্ত্ৰীজনে কয় যে এতিয়াৰে পৰা বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনক লৈ সততে উদ্ভৱ হোৱা সমস্যাসমূহ নাথাকিব। বিদ্যালয়সমূহত পূৰ্বৰে পৰা থকা ৰান্ধনী আৰু ৰান্ধনীৰ সহায়কাৰীসকলে অক্ষয় পাত্ৰৰ গাড়ীৰে দি অহা আহাৰ বিতৰণ কৰিব লাগিব। তেওঁলোকৰ চাকৰি যোৱাৰ কোনো ভয় নাই বুলি আশ্বাস দি মুখ্যমন্ত্ৰীজনে কয় যে অতি সোনকালে মাজুলীকো অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ অধীনলৈ অনা হ'ব। মাজুলীত অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ ৰান্ধনীশাল নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰি তাৰ বাবে ৰাজ্য চৰকাৰে ১৪ কোটি টকা ব্যয় কৰিব বুলিও আজিৰ সভাতে ঘোষণা কৰে। ইপিনে, প্ৰথমে কামৰূপ মহানগৰ আৰু গ্ৰাম্যত আৰম্ভ কৰা এই ব্যৱস্থাৰ সফল প্ৰয়োগৰ কথা উল্লেখ কৰি অতি শীঘ্ৰে ৰাজ্যৰ নলবাৰী, ধেমাজি, তেজপুৰকে ধৰি আন নখন জিলাক এই আঁচনিৰ অধীনলৈ আনিবলৈ চৰকাৰে লোৱা সিদ্ধান্তৰ কথা মুখ্যমন্ত্ৰীজনে আজিৰ সভাত ঘোষণা কৰে। এই ক্ষেত্ৰত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক এই ক্ষেত্ৰত যাৰতীয় ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিছে বুলিও তেওঁ উল্লেখ কৰে। আনহাতে, ১৮ বছৰ পূৰ্বে বাংগালুৰু লৈ যাওঁতে প্ৰত্যক্ষ কৰা ই'ন টেম্পোলত দৰ্শনাৰ্থীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীসকলক অক্ষয় ফাউণ্ডেছনৰ তৰফৰ পৰা মিড ডে মিল যোগান ধৰা স্বচক্ষুৰে প্ৰত্যক্ষ কৰাৰ পাছতে অসমত তেনে এক আঁচনি ৰূপায়ণ কৰাৰ কথা মনলৈ অহা বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীজনে। এই সম্পৰ্কে উল্লেখ কৰি তেওঁ কয়, তেতিয়া মোৰ চকুৰ আগত ভাহি আহিছিল অসমৰ দৃশ্যপট। অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ কৰ্মকৰ্তাক সাক্ষাৎ কৰি তেওঁলোকক অসমলৈ নিমন্ত্ৰণ জনাইছিলো। আমাৰ অসমত মিড ডে মিলৰ ক্ষেত্ৰত প্ৰতি সাঁজত খৰচ হয় ছটকা। আৰু অক্ষয় পাত্ৰই ১২ টকাৰ পুষ্টিকৰ খাদ্য প্ৰদান কৰে প্ৰতি সাঁজত। আৰু এই অতিৰিক্ত ছটকা তেওঁলোকে সংগ্ৰহ কৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ পৰা। আমাৰ অনুৰোধত অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ এক ৰান্ধনী গৃহ গুৱাহাটীত স্থাপন কৰা হয়।' সেই কথা উল্লেখ কৰি বৰ্তমান যোৰহাটত স্থাপন কৰা ৰান্ধনীশালৰ বাবে আগবাঢ়ি অহা ছজন দাতাৰ নাম শ্ৰদ্ধা সহকাৰে উল্লেখ কৰাৰ লগতে অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ সমূহ কৰ্মকৰ্তাক ভূয়সী প্ৰশংসা আৰু শলাগ জ্ঞাপন কৰে। অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ উপ-সভাপতি চঞ্চলা প্ৰতি দাস প্ৰভুই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ পেগু, বিধায়ক ক্ৰমে হিতেন্দ্ৰ নাথ গোস্বামী, ভবেন ভৰালী, ৰূপজ্যোতি কুৰ্মী, যোৰহাট জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মন, অক্ষয় পাত্ৰ ফাউণ্ডেছনৰ কৰ্মকৰ্তা পীযুষ মোদী, ভাৰত বৰ্ষ দাস, জনাৰ্দন দাস, শ্ৰীধৰ দাসৰ লগতে বহু সংখ্যক লোক উপস্থিত থাকে।

গুৱাহাটীত পেঞ্চন সেৱা কেন্দ্ৰ উদ্বোধন

এক পৃষ্ঠাৰ পৰা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত উদ্বোধন কৰে। নাগৰিকৰ জীৱনধাৰণৰ মান সূচলতৰ কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২০২১ৰ ২৮ অক্টোবৰত সমগ্ৰ ৰাজ্যৰ জিলাসমূহত এমট্ৰনৰ দ্বাৰা সেৱা কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে অনুমোদন জনায়। সেই অনুসৰি অনলাইন কৃতজ্ঞতা প'ৰ্টেলৰ জৰিয়তে পেঞ্চন প্ৰস্তাৱ দাখিল কৰাৰ লগতে ছাৰ্ভিচ বুক স্কেনিং আৰু আপল'ড কৰাৰ সুবিধাৰ্থে এমট্ৰনে ২৭ খন জিলাত পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন কৰিছে।

উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দীৰ্ঘ সময় ধৰি জনসাধাৰণৰ সেৱাত নিজকে উৎসৰ্গিত কৰা চৰকাৰী বিষয়া-কৰ্মচাৰীসকলে অৱসৰৰ পাছত যাতে সহজে উপকৃত হ'ব পাৰে তাৰ বাবে পেঞ্চন পদ্ধতিটো সুশৃংখলিত কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে যিহেতু পেঞ্চনাৰসকলৰ সৰহ সংখ্যকেই শিক্ষক সেইবাবে শিক্ষা বিভাগৰ জিলা কাৰ্যালয়সমূহত পেঞ্চন সেৱা কেন্দ্ৰ খোলাৰ বাবে সিদ্ধান্ত লোৱা হয়। অৱশ্যে অন্যান্য বিভাগৰ পেঞ্চনাৰসকলকো এই সেৱা প্ৰদান কৰা হ'ব।

সেৱা কেন্দ্ৰসমূহৰ পৰিচালনা পদ্ধতিৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এজন কৰ্মচাৰীৰ অৱসৰৰ বাবে এবছৰৰ থকাৰ সময়ত পেঞ্চন প্ৰস্তাৱ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ ৰাজ্য চৰকাৰে সকলো জিলা কৰ্তৃপক্ষ, কাৰ্যালয়ৰ মুৰব্বী আৰু যোগ্য কৰ্তৃপক্ষক কৰ্তৃত্ব প্ৰদান কৰিছে। ছাৰ্ভিচ বুকৰ স্কেনিং আৰু আপলোডিং সেৱা কেন্দ্ৰৰ অপাৰেটৰসকলে কৰিব আৰু তেওঁলোকে ছাৰ্ভিচ বুক আৰু পেঞ্চন সম্পৰ্কীয় তথ্যপাতি কৃতজ্ঞতা প'ৰ্টেলৰ জৰিয়তে ছাৰ্ভিচ বুকৰ সংৰক্ষক হিচাপে কাম কৰা বিভাগীয় মুৰব্বীসমূহলৈ প্ৰেৰণ কৰিব। স্কেন কৰা ছাৰ্ভিচ বুক আৰু ৰেকৰ্ড সঠিকভাৱে সংকলন কৰাৰ পাছত বিভাগীয় মুৰব্বীসমূহে অনুমোদনকাৰী কৰ্তৃপক্ষক অৰ্থাৎ পেঞ্চন সঞ্চালক আৰু মহাগাণনিকৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰি পেঞ্চন অনুমোদন কৰিব।

চৰকাৰী সেৱাৰ পৰা অৱসৰ লোৱা কৰ্মচাৰীসকলে যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাকৈয়ে নিজৰ পেঞ্চন লাভ কৰিব পাৰে সেই দিশত লোৱা এই পদক্ষেপক এক কৃতজ্ঞতাৰ প্ৰকাশ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সেৱা কেন্দ্ৰসমূহে কৃতজ্ঞতা প'ৰ্টেলৰ জৰিয়তে অৱসৰপ্ৰাপ্তসকলক তেওঁলোকৰ নথিপত্ৰ দাখিল কৰাৰ পিছত মুৰব্বী কাৰ্যালয়ৰ পৰা এছএমএছ লাভ কৰিব। ইয়াৰ উপৰি অৱৰপ্ৰাপ্তসকলক জীৱন প্ৰমাণৰ পঞ্জীয়নভুক্ত ডিভাইছ ব্যৱহাৰ কৰি জীৱন প্ৰমাণৰ জৰিয়তে ডিজিটেল লাইফ চাৰ্টিফিকেট আপল'ড কৰাৰ উপৰি চাইবাৰ কেফে হিচাপে কাম কৰি পেঞ্চনাৰসকলক তেওঁলোকৰ পেঞ্চন পেমেণ্ট অৰ্ডাৰ (পিপিঅ') আৰু অন্যান্য তথ্য ডাউনলোড কৰাত সহায় কৰিব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কৃতজ্ঞতা প'ৰ্টেলত ছাৰ্ভিচ বুক স্কেন কৰি আপলোড কৰিলে সংশ্লিষ্ট কাৰ্যালয়সমূহে ছাৰ্ভিচ বুক সম্পৰ্কীয় ডিজিটেল ৰেকৰ্ড ৰুম হিচাপে পৰিগণিত কৰাত সহায় কৰিব। তেওঁ কয় যে অৱসৰপ্ৰাপ্তসকলে পেঞ্চন সেৱা কেন্দ্ৰত অপাৰেটৰসকলে আপল'ড কৰা তেওঁলোকৰ ছাৰ্ভিচ বুক পুনৰীক্ষণ কৰাৰ উপৰি তেওঁলোকে সবিশেষ কৃতজ্ঞতা প'ৰ্টেলত আপল'ড কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে নিৰীক্ষণ ব্যৱস্থাটো অধিক শক্তিশালীকৰণৰ বাবে কৃতজ্ঞতা প'ৰ্টেলক মুখ্য কাৰ্যালয় আৰু মুখ্যমন্ত্ৰী ডেচবৰ্ডৰ স'তে সংযোগ কৰা হ'ব। তেওঁ লগতে কয় যে ফাইল ব্যৱস্থাটো অৱসান ঘটোৱাৰ উদ্দশ্যৰে ৰাজ্য চৰকাৰে কাম কৰি আছে আৰু অহা দুই অক্টোবৰৰ পৰা জনতা ভৱনৰ কাম-কাজসমূহ ডিজিটেল পদ্ধতিৰে কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ সকলো জিলাকে যাতে সামৰি ল'ব পৰা যায় তাৰ বাবে এই সেৱা কেন্দ্ৰ ২৭ ৰ পৰা ৩৫ টালৈ বৃদ্ধি কৰা হ'ব।

অনুষ্ঠানত বিধায়ক তথা এমট্ৰনৰ অধ্যক্ষ ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক অতুল বৰা, ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগৰ উপাধ্যক্ষ ৰমেন ডেকা, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ প্ৰধান সচিব অৰ্চণা বাৰ্মা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা উপস্থিত থাকে।

হে-চৈ কৰিবলগীয়া কি আছে, মোৰ

এক পৃষ্ঠাৰ পৰা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বিচাৰাধীন হৈ থকাৰ বাবেই কংগ্ৰেছৰ সাংসদ, বিধায়ক, নেতাক এই সন্দৰ্ভত ৰাজহুৱা কোনোধৰণৰ মন্তব্য নকৰিবলৈ আহ্বান জনাই সভাপতি বৰাই কয়, 'ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ৰছ ভোটিং বিষয়টো ইতিমধ্যে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বিচাৰাধীন। নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে নিজৰ স্থিতি ৰাজহুৱাভাৱে ইতিমধ্যে ব্যক্ত কৰিছে। সেয়ে এই বিষয়ত কংগ্ৰেছৰ সাংসদ, বিধায়ক, নেতা-কৰ্মীৰ পৰা দলে এতিয়া কোনো দিহা-পৰামৰ্শ, মতামত বিচৰা নাই। গতিকে প্ৰত্যেকজন দলৰ নেতা-কৰ্মীক ক্ৰছ ভোটিঙৰ বিষয়টোৰ পৰা বিৰত থাকিবলৈ টানি অনুৰোধ জনাইছো। ইয়াৰ বিপৰীতে ন আগষ্টৰ পৰা ১৫ আগষ্টলৈকে স্বাধীনতা দিৱস উপলক্ষে কংগ্ৰেছে জিলা ভিত্তিত আয়োজন কৰা ৭৫ কিলোমিটাৰকৈ পদযাত্ৰা কাৰ্যসূচী সফল কৰি তুলিবলৈ সকলোকে আত্মনিয়োগ কৰিবলৈ অনুৰোধ জনাইছো।'

ইফালে, এই সমগ্ৰ বিষয়টোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইমান হৈ-চৈ কৰিবলগীয়া কি আছে, কংগ্ৰেছ নেতৃত্বৰ ওচৰলৈ গ'লেই বিৰোধীৰ কোনে কোনে ভোট দিছিল তালিকাখন দিব বুলি মন্তব্য কৰি কয়, 'কংগ্ৰেছে যদি জানিব বিচাৰে তেওঁলোকৰ কোনে কোনে ভোট দিছে, মোৰ লগত কথা পাতিব লাগে। তেওঁলোকে প্ৰস্তুত কৰা তালিকাখন মই দেখা নাই, কিন্তু কোনে কোনে ভোট দিছে মই মোটামুটি জানো। গতিকে মোক ফোন এটা কৰি সুধিলেই লেঠাটো মৰি যায়। ইমান হুলস্থুল কৰি থকাৰ কি দৰকাৰ। মোক আহি সুধিলে তালিকাখন দি দিম।' উল্লেখ্য যে এই সমগ্ৰ বিষয়টোত কোনে কি কৈছে মুখ্যমন্ত্ৰীয়ে প্ৰত্যক্ষ কৰা নাই বুলি মন্তব্য কৰি এই সমগ্ৰ ঘটনাত ব্যৱহৃত ক্ৰছ ভোটিং শব্দটো ভুল বুলি কয়। ইয়াৰ ব্যাখ্যা আগবঢ়াই মুখ্যমন্ত্ৰীয়ে কয়, 'আমাৰ ৰাষ্ট্ৰপতি পদৰ পাৰ্টি যশোৱন্ত সিন্হাই নিজে আহি ইয়াত কৈ গৈছিল যে বিবেকৰ মতে ভোট দিব লাগে। ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিং নাথাকে, আনকি প্ৰাৰ্থীগৰাকীয়ে কোনো দলৰ চিহ্নত প্ৰতিদ্বন্দ্বিতা নকৰে। এয়া দুজন ব্যক্তিৰ মাজত প্ৰতিদ্বন্দ্বিতা আছিল। এনডিএ প্ৰাৰ্থী, ইউপিএ প্ৰাৰ্থী বুলি যে কওঁ এয়া অনানুষ্ঠানিকহে। আমাৰ ৰাষ্ট্ৰপতি নিৰ্বাচন ব্যৱস্থাত কোনো দলৰ লগত যোগাযোগ নাথাকে, প্ৰাৰ্থী হোৱাৰ আগতে প্ৰথমে তেওঁ দলৰ পৰা পদত্যাগ কৰিব লাগে।'

সকলো ফাদিল হোৱাৰ ভয়ত মুখ বন্ধ কৰিছে কংগ্ৰেছে ঃ বিধায়ক কৰিমউদ্দিন

বিৰোধী এআইইডিএফৰ বিধায়ক কৰিমউদ্দিন বৰভূঞাই ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত কংগ্ৰেছ বিধায়কে গ্ৰহণ কৰা ভূমিকা ৰাজহুৱা হোৱাৰ ভয়তে এতিয়া কংগ্ৰেছ সভাপতি বৰাই সাংসদ, বিধায়ক, নেতাৰ মুখ বন্ধ কৰিবলগীয়া পৰিস্থিতি উদ্ভৱ হৈছে বুলি মন্তব্য কৰি কংগ্ৰেছৰ ক্ষুব্ধাৰ সমালোচনা কৰি কয়, 'ভূপেন বৰাই প্ৰথম দিনা টুইট কৰিছিল ছজনে এনডিএ প্ৰাৰ্থীক ভোট দিছিল। তাৰ পাছত ক'লে লাই ডিটেক্টৰৰ জৰিয়তে গোটেই কেইজনক চিনাক্ত কৰিব। তাৰ পাছত আকৌ ক'লে নাই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব আৰু তালিকা লৈ ভূপেন বৰা দিল্লীলৈ গ'ল। দিল্লী গৈ দুদিন থাকিলে আৰু আজি কৈছে কোনোয়ে মাত মাতিব নোৱাৰে। তাৰ কাৰণ হ'ল মই যি কথা কৈছিলো নিৰ্বাচনৰ দিনা এটা এটা কথা সত্য হৈ গৈছে। কালি কংগ্ৰেছৰ নেতা-বিধায়কে কি কৈছে; এজনে কৈছে কংগ্ৰেছৰ ২৪ জনে বিধায়কেই জগৰীয়া, তাৰ ভিতৰত ভোট দিয়া ২২ জন হ'ব। কাৰ্যকৰী সভাপতি এজনে কৈছে ছজন নহয় বেছি আছে। যেতিয়া ভূপেন বৰাই দেখিছে লাহে লাহে সত্যবোৰ ওলাই আছে। সেয়ে তেওঁলোকৰ মুখ বন্ধ কৰাৰ বাহিৰে গত্যন্তৰ নাই।' উল্লেখ্য

২০২২ৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটা ঘোষণা

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২৯ জুলাই ঃ শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেছনৰ ২০২২ৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটা ঘোষণা কৰা হৈছে। ন্যাসে স্ব-মূল্যায়নৰ জৰিয়তে পোনপ্ৰথমবাৰৰ বাবে অসমৰ তিনিখন প্ৰাথমিক বিদ্যালয়ক এই বঁটাৰ বাবে নিৰ্বাচিত কৰিছে। প্ৰাথমিক শিক্ষাৰ উত্তৰণ বাবে বিদ্যালয়সমূহক উৎসাহিত কৰাৰ বাবে ন্যাসে এই পদক্ষেপ হাতত লৈছে। ২০২২ৰ শ্ৰেষ্ঠ প্ৰাথমিক বিদ্যালয় বঁটাৰ বাবে দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত ১৭৭ নম্বৰ বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয় আৰু ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়, কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত ৰামদিয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ক নিৰ্বাচিত কৰা হৈছে। ১৯৩৬ত দানবীৰ হলিৰাম নাথ চহৰীয়াই স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে ছিপাঝাৰত প্ৰতিষ্ঠা কৰা বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাবলৈ দূৰ দূৰণিৰ অভিভাৱকে হেতা-ওপৰা লগায়। সম্প্ৰতি বিদ্যালয়খনক ৪৪৪ গৰাকী শিক্ষাৰ্থী অধ্যয়নৰত। প্ৰতি বছৰে ৩০ গৰাকীৰো অধিক শিক্ষাৰ্থীয়ে বিদ্যালয়খনৰ পৰা নিম্ন বুনিয়াদী বৃত্তি লাভ কৰে। প্ৰতিটো গুণোৎসৱত বিদ্যালয়খনে এ-প্লাছ গ্ৰেড লাভ কৰা এই বিদ্যালয়খনৰ পৰা এতিয়ালৈকে দুগৰাকী কৃতী শিক্ষকে শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। বিদ্যালয়খনৰ আছে হাতেলিখা আলোচনী। আনহাতে, ১৯৩০ত স্থাপিত ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়খনত সম্প্ৰতি ৪৩৮ গৰাকী শিক্ষাৰ্থী অধ্যয়নৰত। প্ৰতিটো গুণোৎসৱত এ-প্লাছ গ্ৰেড লাভ কৰা এই বিদ্যালয়খনৰ শিক্ষকে শিক্ষকৰ ৰাজ্যিক বঁটা লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া পুথিভঁৰাল থকা এই বিদ্যালয়খনৰ ডিজিটেল পদ্ধতিৰে ইংৰাজী আৰু গণিত শিকোৱাৰ ব্যৱস্থা আছে। বিদ্যালয়খনৰ 'অংকুৰণ' নামৰ এখন ছপা আলোচনীও আছে। সেইদৰে ১৯৬১ত স্থাপিত ৰামদিয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ত সম্প্ৰতি দুশ গৰাকী শিক্ষাৰ্থী অধ্যয়নৰত। প্ৰতিটো গুণোৎসৱত বিদ্যালয়খনে এ-প্লাছ গ্ৰেড লাভ কৰিছে। বিদ্যালয়খনৰ শিক্ষাৰ্থীৰ সামগ্ৰিক উত্তৰণৰ বাবে বিদ্যালয়খনে ভালেমান পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিদ্যালয়খনৰ হাতেলিখা আলোচনী আছে। অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেছনৰ শিক্ষা-সাংবাদিকতাৰ দিনত বিদ্যালয়কেইখনক এই বঁটা প্ৰদান কৰা হ'ব বুলি পৰেশ বৈশ্য ফাউণ্ডেছনৰ পৰিচালনা ন্যাসবক্ষী পৰেশ বৈশ্যই জনাইছে।

দক্ষিণ চাৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ অধিবেশন

অগ্ৰদূত বাৰ্তা

চিনামৰা/লাহদৈগড়, ২৯ জুলাই ঃ দক্ষিণ চাৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ ত্ৰয়োদশ আৰু দক্ষিণ চাৰিগাঁও আঞ্চলিক মহিলা সমিতিৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশনখন অলপতে অনুষ্ঠিত হৈ যায়। দক্ষিণ চাৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ৰুণিমা বৰুৱা আৰু দক্ষিণ চাৰিগাঁও আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী গীতি কটকীৰ সভাপতিত্বত অনুষ্ঠিত সভাখন যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীৰে দক্ষিণ চাৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ বিধায়ক পুঁজিৰে নৱনিৰ্মিত গৃহটো উদ্বোধন কৰে। প্ৰেমলতা দত্তই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা সুহৃদসকললৈ স্মৃতি তৰ্পণ কৰে প্ৰতিষ্ঠাপক সভানেত্ৰী অনু শইকীয়াই। সভাৰ আৰম্ভণিতে নতুন সদস্যাসকলে চিৰ চেনেহী মোৰ ভাষা জননী গীত পৰিৱেশন কৰে। দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা কবিতা ৰাজগুৰুৱে অধিৱেশন আৰম্ভ কৰি অনুবাদ সাহিত্যৰ ওপৰত এক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে সম্পাদিকা নন্দিতা বৰুৱাই এফাকি ঘোষাৰে উপস্থিত সন্মানীয় অতিথি তথা ৰাইজক সম্ভাষণ জনায়। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকা বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা শকুন্তলা দেৱীয়ে মহিলাৰ সৱলীকৰণৰ ওপৰত বক্তব্য ডাঙি ধৰে। দ্বি-বাৰ্ষিক অধিবেশনৰ মুখ্য আকৰ্ষণ মুখপত্ৰখনৰ উন্মোচন কৰে যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মামনি বৰুৱাই। ড° ইন্দিৰা বৰুৱাৰ বিজ্ঞান ভিত্তিক শিশু গল্প পুথি উন্মোচন কৰে বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা পূৰ্ণিমা দত্ত ফুকনে। সভাত যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা গায়ত্ৰী গগৈ তথা নীলিমা দত্ত, বন্দনা সন্দিকৈয়ে স্ব ৰচিত কবিতা পাঠ কৰে। নিৰলা শইকীয়াই ভাগৱতৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। সমজুৱাৰ একাষাৰত দক্ষিণ চাৰিগাঁও লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদিকা নিৰু বৰুৱাই সমিতিৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈ সকলো কথা ব্যক্ত কৰে। যোৰহাট জিলাৰ কাৰ্যকৰী সভানেত্ৰী নিৰদা গগৈ, প্ৰাক্তন সম্পাদিকা ইলোৱা বৰদলৈ, বিশিষ্ট সমাজকৰ্মী পৱিত্ৰ দত্ত, ফটিক বৰা, প্ৰাক্তন সভানেত্ৰী তথা সম্পাদিকা নিৰঞ্জনা ভুঞা, প্ৰতিমা বৰুৱা, ননী বৰুৱা ৰীণা বৰুৱা, অনু বৰুৱা, নিকুঞ্জ বৰা, মেৰীৰাণী বৰা, ৰেণু দত্ত, ৰিজু দত্ত, জ্যোতি বৰাকে মুখ্য কৰি প্ৰায় শতাধিক সদস্যাৰ সহযোগিতাত অনুষ্ঠানৰ সামৰণি পৰে। সভাৰ শেষত প্ৰাক্তন সম্পাদিকা ৰেখা বৰুৱাই সকলোৰে প্ৰতি শলাগৰ শৰাই জ্ঞাপন কৰে।

মাজুলীত জিলা প্ৰশাসনৰ উদ্যোগত দেশভক্তৰ মৃত্যু দিৱসত শ্ৰদ্ধা নিবেদন

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ২৯ জুলাই ঃ ৰাজ্যৰ অন্যান্য জিলাৰ লগতে মাজুলী জিলাটো কালি দেশভক্ত তৰুণৰাম ফুকনৰ ৮৩ সংখ্যক মৃত্যু দিৱস উদ্‌যাপন হয়। ৰাজ্য চৰকাৰে ২০২১ৰ পৰা দেশভক্তজনৰ মৃত্যু দিনটোক 'দেশ ভক্তি দিৱস' হিচাপে ৰাজ্যত পালনৰ সিদ্ধান্ত কৰে। দেশভক্ত তৰুণৰাম ফুকনৰ কালি ৮৩ সংখ্যক মৃত্যু দিৱস ২৮ জুলাইৰ দিনটো মাজুলী জিলা প্ৰশাসনৰ সৌজন্যত জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদোগত কমলাবাৰী সাংস্কৃতিক কেন্দ্ৰ প্ৰেক্ষাগৃহত 'দেশ ভক্তি দিৱস' হিচাবে উদ্‌যাপিত হয়। জিলাৰ বিভিন্ন বিভাগৰ চৰকাৰী বিষয়া-কৰ্মচাৰী, মাজুলীৰ গণ্য-মান্য বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, সমাজকৰ্মী, ছাএ-ছাত্ৰী আৰু জিলা তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ভক্তি দিৱসৰ লগত সংগতি ৰাখি দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি জ্ঞাপন কৰা হয়। জিলা উপায়ুক্ত পুলক মহন্তই প্ৰথম গছি বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি নিবেদনৰ পাছত দিৱসৰ মুখ্য বক্তা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দ্বিতীয় গছি বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ লগে লগে সমবেতসকলে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিল্পী গুঞ্জন বৰুৱাৰ কণ্ঠৰ মাধৱদেৱ বিৰচিত এটি গীতৰে অনুষ্ঠানৰ আৰম্ভ হয়। জিলা তথ্য আৰু জনসংযোগ বিষয়া দেৱ নাৰায়ণ হাজৰিকাই অনুষ্ঠানৰ আঁত ধৰে। মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অতিৰিক্ত উপায়ুক্ত দিতি মনি পেগু, মাজুলীৰ জ্যেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়া, বিশিষ্ট শিক্ষাবিদ মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনাৰ্দশৰ ওপৰত ভাষণ প্ৰদান কৰে। দিৱসৰ মুখ্য বক্তা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ, মাজুলীৰ বিশিষ্ট শিক্ষাবিদ ড° দেৱজিৎ শইকীয়াই দেশভক্তজনৰ জীৱনৰ বিভিন্ন দিশ সামৰি এক গাম্ভীৰ্যপূৰ্ণ ভাষণ প্ৰদানৰে তৰুণৰাম ফুকনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। বক্তাসকলে চৰকাৰে গ্ৰহণ কৰা এনে পদক্ষেপক শলাগ লৈ কালিৰ দিনটোত বিদ্যালয়সমূহত উদ্‌যাপন কৰিবলৈ চৰকাৰৰ দৃষ্টিগোচৰ কৰে। জিলাৰ উপায়ুক্ত পুলক মহন্তই অনুষ্ঠানত মুখ্য অতিথিৰ ভাষন প্ৰদান কৰে। মাজুলীবাসীৰ হৈ জিলা উপায়ুক্তজনে দেশভক্তজনৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি দেশভক্তজনৰ আদৰ্শৰে ছাত্ৰ-ছাত্ৰীসকলৰ অনুপ্ৰাণিত হোৱাৰ আহ্বান জনায়। ভাষণ প্ৰসংগত উপায়ুক্তজনে জিলাখনৰ কেতবোৰ উন্নয়নমূলক আঁচনিৰ কথা উল্লেখ কৰে। জিলা প্ৰশাসনৰ হৈ উপায়ুক্তজনে কালিৰ অনুষ্ঠানত যোগদান কৰা সকলোলৈ শলাগৰ শৰাই আগবঢ়ায়।

কংগ্ৰেছ, এআইইউডিএফ কেতিয়াবাই বিজেপিৰ ওচৰত বিক্ৰী গৈছে

■ ভৱানীপুৰৰ প্ৰাক্তন বিধায়ক আবুল কালামসহ পাঁচ হেজাৰৰ তৃণমূল কংগ্ৰেছত যোগদান

বিশেষ সংবাদদাতা

পাঠশালা, ২৯ জুলাই ঃ '২০২৫ৰ পাছত অৰ্থাৎ ২০২৬ৰ অসমৰ নিৰ্বাচনৰ পূৰ্বে অসমৰ কে'বাগৰাকীও কংগ্ৰেছ আৰু বিজেপিৰ বিধায়কে তৃণমূল কংগ্ৰেছত যোগদান কৰিব। সাংবিধানিক নিয়ম আছে বাবেই এতিয়া তেওঁলোক অহা নাই। তেনেদৰে ২০২৪ত ভাৰতবৰ্ষত গোটেই বিৰোধী দল একলগ হ'ব।' নৰেন্দ্ৰ মোদীৰ, বিজেপিৰ বিদায় নিশ্চিত। ভাৰতবৰ্ষত এখন বিজেপি বিৰোধীৰ সন্মিলনিত চৰকাৰ হ'ব। এই মন্তব্য অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ। উল্লেখ্য যে ভৱানীপুৰ বিধানসভা সমষ্টিৰ শুকমানাহত তৃণমূল কংগ্ৰেছৰ বিশাল যোগদান কাৰ্যসূচী উপলক্ষে অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাই সংবাদ মাধ্যমৰ আগত কংগ্ৰেছ আৰু এআইইউডিএফ দলক ক্ষুৰধাৰ সমালোচনা কৰি কয় যে অসমত এতিয়া কোনো বিৰোধী দল নাই। যি দুটা বিৰোধী দল আছিল কংগ্ৰেছ,

এআইইউডিএফ তেওঁলোক দুয়োটাই বিজেপিৰ ওচৰত বিক্ৰী গ'ল। যি কংগ্ৰেছ আৰু এআইইউডিএফ দলক ৰাইজে বিৰোধীৰ দায়িত্ব দিছিল, সেই দল দুটাই নীতি-আদৰ্শক বিক্ৰী কৰি ৰাইজক বিশ্বাসঘাতকতা কৰি বিজেপিৰ লগত মিলি গৈছে। অসমৰ ৰাইজে এতিয়া বিজেপিৰ অপশাসনৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে এটা শক্তিশালী বিৰোধী দল বিচাৰিছে। যি দলে ৰাইজৰ সকলো কথা তাতে সঠিকভাৱে প্ৰতিফলিত কৰিব পাৰে। বৰ্তমান তৃণমূল কংগ্ৰেছ দলে পালন কৰিব বিৰোধীৰ দায়িত্ব। অসমত আগন্তুক দিনত বিজেপিৰ বিকল্প হ'ব তৃণমূল কংগ্ৰেছ। উল্লেখ্য যে কালি ৰিপুন বৰাৰ লগতে তৃণমূল কংগ্ৰেছৰ নেত্ৰী শিখা শৰ্মা, অসম প্ৰদেশ তৃণমূল কংগ্ৰেছ কমিটীৰ মিডিয়া কোষৰ অধ্যক্ষ দিলীপ শৰ্মাৰ লগতে দলটোৰ কে'বাগৰাকীও শীৰ্ষ নেতৃবৃন্দৰ ওচৰত ভৱানীপুৰ বিধানসভা সমষ্টিৰ পৰা পূৰ্বে দুবাৰকৈ নিৰ্বাচিত হোৱা প্ৰাক্তন বিধায়ক আবুল কালাম আজাদৰ লগতে ভৱানীপুৰ সমষ্টিৰ পাঁচ হেজাৰ কংগ্ৰেছ আৰু এআইইউডিএফ দলৰ নেতা, কৰ্মী, সমৰ্থকে তৃণমূল কংগ্ৰেছত আনুষ্ঠানিকভাৱে যোগদান কৰে। প্ৰাক্তন বিধায়ক আবুল কালাম আজাদে তৃণমূল কংগ্ৰেছত যোগদান কৰি সংবাদ মাধ্যমৰ আগত কয় যে মমতা বেনাৰ্জীৰ নেতৃত্বাধীন তৃণমূল কংগ্ৰেছৰ নীতি, আদৰ্শৰ প্ৰতি অনুৰাগী হৈ মই তৃণমূল কংগ্ৰেছত যোগদান কৰিলো। মমতা বেনাৰ্জী আৰু তৃণমূল কংগ্ৰেছৰ নীতি আদৰ্শৰ প্ৰতি আপ্লুত হৈ আগন্তুক দিনত ভৱানীপুৰ বিধানসভা সমষ্টিত ৫০-৬০ হেজাৰ লোকে তৃণমূল কংগ্ৰেছত যোগদান কৰিব। এআইইউডিএফ দলৰ প্ৰাক্তন বিধায়ক আবুল কালাম আজাদে পুনৰ কয় যে এআইইউডিএফ দলত চলে বিনিময়, লেনদেন। দলটোৰ ওপৰৰ 'বচ' গৰাকীৰ পৰা তললৈ সকলোতে চলে কেবল লেনদেনহে। উল্লেখ্য যে বিয়লি অনুষ্ঠিত সভাখনত অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা, দলটোৰ নেত্ৰী শিখা শৰ্মা, নেতা দিলীপ শৰ্মা, প্ৰাক্তন বিধায়ক তথা তৃণমূল কংগ্ৰেছী আবুল কালাম আজাদৰ লগতে কে'বাগৰাকীও দলটোৰ নেতা-নেত্ৰীয়ে বিজেপি, কংগ্ৰেছ, এআইইউডিএফ দলক চোকা সমালোচনা কৰে।

ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত দেশভক্তি দিৱস পালন

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২৯ জুলাই ঃ অসমৰ এগৰাকী স্বাধীনতা সংগ্ৰামী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম শাখাৰ প্ৰাক্তন সভাপতি দেশভক্ত তৰুণৰাম ফুকনৰ ৮৩ সংখ্যক মৃত্যু দিৱস উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড়ত জিলা প্ৰশাসন আৰু তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত দেশভক্তি দিৱস পালন কৰা হয়। জিলা গ্ৰামোন্নয়ন অভিকৰণৰ জাগৃতী প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা দেশভক্তি দিৱসৰ কাৰ্যসূচী হিচাপে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত পুস্পমাল্য আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে। জিলা তথ্য আৰু জনসংযোগ বিষয়া স্নিগ্ধা দাসে আঁত ধৰা অনুষ্ঠানত জিলা উন্নয়ন বিষয়া সঞ্জয় দত্ত, অতিৰিক্ত উপায়ুক্ত ড° মনিকা বৰা, সংঘমিত্ৰা বৰুৱা, অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চুতীয়া, জিলা নিৰ্বাচনী বিষয়া ঋষিকেশ বৰুৱা, সহকাৰী আয়ুক্ত শ্ৰৱণা সোনোৱালকে ধৰি জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সংবাদকৰ্মীসকল উপস্থিত থাকে। দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন আৰু কৰ্ম সম্পৰ্কে উপায়ুক্ত বিশ্বজিৎ পেগু আৰু আৰক্ষী বিষয়া বিতুল চুতীয়াই বক্তব্য প্ৰদান কৰা অনুষ্ঠানটোত দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন, কৰ্ম আৰু অসমীয়া সমাজ জীৱনৰ লগতে ভাৰতীয় স্বাধীনতা আন্দোলনত আগবঢ়োৱা বিশিষ্ট অৱদান সম্পৰ্কে জ্যেষ্ঠ সাংবাদিক, লেখক শৰৎ নেওগ আৰু সুমন দত্তই তথ্যসহ বক্তৃতা প্ৰদান কৰে। এগৰাকী লেখক আৰু স্বাধীনতা সংগ্ৰামী হিচাপে তেখেতে অসমলৈ আগবঢ়াই যোৱা অৱদানৰ বাবে চিৰদিন স্মৰণীয় আগশাৰীৰ ব্যক্তি হিচাপে পৰিগণিত হৈ থাকিব বুলি প্ৰকাশ কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি আৰু সম্পাদক মনজিৎ বৰা, ৰাতুল বুঢ়াগোহাঁই আদি উপস্থিত থাকে।

কৃষ্ণাইৰ শিয়ালীৰ বিশেষভাৱে সক্ষম ছাত্ৰী আৰ্জিনাৰ কাষত আমছু

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ২৯ জুলাই ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ মোলানডুবি গাঁও পঞ্চায়তৰ অন্তৰ্গত শিয়ালী গাঁৱৰ এগৰাকী ছাত্ৰীৰ জীৱনৰ কৰুণ গাথাই সকলোৰে চকু সেমেকাই তুলিব। ছাত্ৰীগৰাকীৰ নাম আৰ্জিনা ইয়াজমিন। অতি দৰিদ্ৰ পৰিয়ালৰ এই ছাত্ৰীগৰাকী এগৰাকী বিশেষভাৱে সক্ষম ছোৱালী। চাৰিগৰাকী কন্যা সন্তানক প্ৰতিপালন কৰি এতিয়া একপ্ৰকাৰ দিশহাৰা আৰ্জিনাৰ মাতৃয়ে জানিবলৈ দিয়া মতে জন্মৰ পৰাই ভৰি এখনত সমস্যা থকা আৰ্জিনা ইয়াজমিনৰ ২০১৩ত এক অস্ত্ৰোপচাৰৰ পাছতে ভৰিখন একপ্ৰকাৰ অচল হৈ পৰিছে। ইতিমধ্যে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱা ছাত্ৰীগৰাকী এতিয়া আৰ্থিক দৈন্যৰ বাবে সুচিকিৎসা আৰু উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছে। কাৰণ অচল ভৰিখনেৰে চলা-ফুৰা কৰাত সমস্যাৰ সন্মুখীন হৈছিল আৰ্জিনা। চৰকাৰৰ কোনো আঁচনিয়ে ঢুকি নোপোৱা আৰ্জিনাৰ কাষত শেহতীয়াকৈ থিয় দিছে সদৌ অসম ছাত্ৰ ইউনিয়ন চমুকৈ আমছু। আমছুৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি আনিমুল হক চৌধুৰী আৰু কৃষ্ণাই আঞ্চলিক আমছুৰ সভাপতি চান্দাম হুছেইনে ইতিমধ্যে আৰ্জিনা ইয়াজমিনৰ পৰিয়ালৰ কাষত থিয় হৈ দিহা-পৰামৰ্শ দিয়াৰ লগতে ছাত্ৰীগৰাকীৰ সুচিকিৎসাৰ লগতে উচ্চ শিক্ষাৰ বাবে চৰকাৰ তথা ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে। উল্লেখ্য যে কোনো সদাশয় লোকে যদি আৰ্জিনা ইয়াজমিনৰ উন্নত চিকিৎসা আৰু উচ্চ শিক্ষাৰ বাবে সহায় কৰিব খোজে তেওঁলোকে ছাত্ৰীগৰাকীৰ একাউণ্ট নম্বৰ ৭৩০৭০১০০২৯৫১৯ আই এফ এছ ৰি ক'ড ইপি ইউ এনৰি অ' আৰ আৰ ৰিএ জিৰিৰ জৰিয়তে সাহায্য প্ৰদান কৰিব পাৰিব।

■ চৰকাৰ তথা ৰাইজৰ সহায়-সহযোগিতা কামনা

দেৰগাঁৱৰ কুখ্যাত ডকাইতক গ্ৰেপ্তাৰ

দেৰগাঁও, ২৯ জুলাই ঃ দীৰ্ঘদিন ধৰি দেৰগাঁৱৰ বিভিন্ন প্ৰান্তত চুৰি-ডকাইতিৰে সন্ত্ৰাস চলাই অহাৰ অভিযোগ থকা লগন চাহানী নামৰ এজনক কালি দেৰগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। চাহানীক ইয়াৰ পূৰ্বেও পিষ্টলসহ কৰায়ত্ত কৰিছিল দেৰগাঁও আৰক্ষীয়ে। কিছুদিন ৰঙাঘৰত থাকি আহি পুনৰ অপকৰ্মত জড়িত আছিল চাহানী। বহুদিন ধৰি দেৰগাঁও আৰক্ষীয়ে ডকাইতজনক ধৰিবলৈ জাল পেলাই ৰাখিছিল যদিও কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশেষত আজি দেৰগাঁৱৰ নিকটৱৰ্তী কাকডোঙাত ৩৭ নম্বৰ ঘাইপথত এখন টাটা মেজিকেৰে আহি থকা অৱস্থাত যোৰহাট পুলিৰৰ আৰক্ষী আৰু দেৰগাঁও আৰক্ষীয়ে খেদি খেদি আটক কৰিবলৈ সক্ষম হয় চাহানীক। বৰ্তমান দেৰগাঁও আৰক্ষীয়ে অধিক সোধপোছ অব্যাহত ৰাখিছে।

তামুলপুৰত কাঠফলা মিল জব্দ।

কাকপথাৰত মাহজোৰা ভোৰতাল, ব্যক্তিত্ব বিকাশ-নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠান

অগ্ৰদূতবাৰ্তা,

কাকপথাৰ, ২৯ জুলাই ঃ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কাকপথাৰ আঞ্চলিক সমিতি আৰু 'উৎস' অসমৰ উদ্যোগত তথা কাকপথাৰ মহিলা সমিতিৰ সহযোগত কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘ প্ৰেক্ষাগৃহৰ প্ৰাংগনত যোৱা তিনি জুলাইৰ পৰা কে'বাজনো বিশিষ্ট নাট্য কৰ্মীৰ তত্বাৱধানত আৰম্ভ কৰা ভোৰতাল নৃত্য, ব্যক্তিত্ব বিকাশ আৰু নাট কৰ্মশালা ২৭ জুলাই তাৰিখে সামৰণি পৰে। প্ৰায় এশৰো অধিক কন কন ছাত্ৰ-ছাত্ৰীৰ লগতে কিশোৰ কিশোৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ অন্তত ২৭ জুলাই তাৰিখে কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘ প্ৰেক্ষাগৃহত

তিনিখন শিশু নাটকৰ লগতে এখন প্ৰাপ্তবয়স্ক নাট মঞ্চস্থ কৰা হয়। এই নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক সুৰজিত মৰাণ, জিলা সমাতিৰ সভাপতি সোনমনি চলিহা, সম্পাদক কাঞ্চন বৰা, উৎস অসমৰ সঞ্চালক বিপুল ফুকন, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্ত আদি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সামৰণি অনুষ্ঠানটোত মাজুলী কমলাবাৰী সত্ৰৰ বৰবায়ন কিৰণ বৰাৰ পৰিচালনাত ভোৰতাল নৃত্য, বিপনজিৎ গগৈ, ডলী কোঁৰৰ আৰু ৰণজিৎ সন্দিকৈৰ পৰিচালনাত তিনিখন শিশু নাটকৰ লগতে অসমৰ চলচিত্ৰ জগতৰ লগতে বলিউডত অভিনয় কৰা জনপ্ৰিয় অভিনেতা সুনিত কুমাৰ বড়াৰ পৰিচালনাত মঞ্চস্থ হোৱা প্ৰাপ্তবয়স্ক নাট সহস্ৰাধিক দৰ্শকৰ আগত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানত কাকপথাৰৰ পৰা বহুবছৰ ধৰি 'দৈনিক অগ্ৰদূত' কাকতৰ জড়িয়তে সাংবাদিকতাৰ সেৱা আগবঢ়াই অহা বৰ্তমান সাংবাদিকতাৰ পৰা অৱসৰ গ্ৰহণ কৰা জ্যেষ্ঠ সাংবাদিক তথা শিক্ষক দেৱকান্ত বৰুৱাক অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় আৰু তিনিচুকীয়া জিলা সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত কাকপথাৰ আঞ্চলিক সমিতিয়ে সম্বৰ্ধনা জনায়।

মৰাণত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

মৰাণ, ২৯ জুলাই ঃ চৰাইদেউ জিলাৰ মৰাণ নগৰৰ সমীপতে থকা সোণাৰি শিক্ষা খণ্ডৰ ৮৩৯ নম্বৰ তিনিচুকীয়া প্ৰাথমিক বিদ্যালয়ত যোৱা ২৫ জুলাইত 'গ্ৰীষ্মকালীন কৰ্মশালা' নামৰ এটি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই উপলক্ষে সেইদিনা দুপৰীয়া বিদ্যালয়ৰ প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত কৰ্মশালাখন যোৱা ২৬ জুনৰ পৰা আৰম্ভ হৈছিল। কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক সহ বিদ্যায়তনিক দিশত স্থানীয় পাৰদৰ্শিতা সম্পন্ন ব্যক্তিৰ সহযোগিতাত প্ৰশিক্ষণ দিয়া হৈছিল। এই উদ্দেশ্যে অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে বিশিষ্ট সাংবাদিক তথা সাহিত্যিক বাছা বৰাই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় মৰাণ শাখাৰ চাহ জনজাতি সাহিত্য সভাৰ সম্পাদক জিতৰাম তাঁতী আৰু হিংৰিজান বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু জিলা কৃতী শিক্ষক জিতেন দাস, গড়চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা জিলা কৃতী শিক্ষক জয়ন্ত চুতীয়াই। সভাত বিশিষ্ট অতিথিৰূ

ঠেলামৰাত গভাইত মটৰ চাইকেল চোৰ গ্ৰেপ্তাৰ ঃ উদ্ধাৰ চুৰি মটৰ চাইকেল

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ২৯ জুলাই ঃ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে দুৰ্নীতি-অনিয়ম, ড্ৰাগছ আৰু অপৰাধজনিত ঘটনাৰ বিৰুদ্ধে শূন্য সহনশীলতা স্থিতি গ্ৰহণ কৰাৰ পাছতেই প্ৰান্তে প্ৰান্তে আৰক্ষী প্ৰশাসন কঠোৰ হৈছে। শোণিতপুৰ জিলাতো আৰক্ষী প্ৰশাসন ড্ৰাগছ, চুৰি চক্ৰৰ বিৰুদ্ধে অভিযান ক্ষিপ্ৰ কৰি তুলিছে। ইয়াৰ সমান্তৰালকৈ ঠেলামৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিতুমনি দাসে ড্ৰাগছ, চুৰি চক্ৰ উৎখাত কৰিবলৈ তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে। কালি ঠেলামৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনৰ নেতৃত্বত অভিযান চলাই কেহেৰুখন্দা পথাৰ গাঁৱৰ পৰা ইদ্ৰিছ আলী নামৰ এজন গভাইত মটৰ চাইকেল চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত আলীৰ পৰা এএছ-১২ এবি-৬৬০৮ নম্বৰৰ এখন চুৰি হুণ্ডা মটৰ চাইকেল উদ্ধাৰ কৰে। ইতিমধ্যে এই সন্দৰ্ভত ৫৭/২২ নম্বৰত গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰিছে।

তিনিচুকীয়াৰ বাট-পথ বিধ্বস্ত

■ হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

ডুমডুমা, ২৯ জুলাই ঃ হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে জন্মলগ্নৰ পৰাই অসমৰ ৰাইজৰ জ্বলন্ত সমস্যাসমূহৰ সমাধানৰ স্বাৰ্থত গণতান্ত্ৰিক কাৰ্যপন্থা গ্ৰহণ কৰি আহিছে। তিনিচুকীয়াৰ বিভিন্ন পথসমূহত ভিন-ভিন ঠাইত ডাঙৰ ডাঙৰ গাঁতৰ সৃষ্টি হৈছে, যাৰ বাবে উক্ত পথেদি অহা-যোৱা কৰা বাহন ইত্যাদিকে ধৰি সাধাৰণ ৰাইজো যথেষ্ট কষ্টৰ সন্মুখীন হৈছে। কিছুমান ঠাইত বাহনসমূহ ডাঙৰ দুৰ্ঘটনাৰ পৰা কোনোমতে ৰক্ষা পৰিছে। আনকি বাণিজ্যিক চহৰখনত থকা নলা-নৰ্দমাসমূহ নিয়মিতৰূপে চাফাই নোহোৱাৰ বাবে এজাক বৰষুণ দিলেই ৰাস্তাত একাঁঠু পানী জমা হয়। ঘৰে ঘৰে পানী সোমাই এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰে । তিনিচুকীয়াৰ পথৰ কাষতে লাগি থকা ফুটপাথৰ কালভাৰ্টসমূহ বিভিন্ন ঠাইত ভাঙি পৰিছে, যাৰ বাবে প্ৰায়েই পদযাত্ৰীসকল গাঁতত পৰি গুৰুতৰভাৱে আঘাত পোৱাৰ অসংখ্য নজিৰ আছে। তিনিচুকীয়াত ৰাস্তাৰ কাষতে লাগি থকা পাৰ্কিংসমূহৰ বাবে বাহনসমূহ চলাচলৰ ক্ষেত্ৰতো বহু সমস্যাৰ সৃষ্টি হৈছে। পাৰ্কিঙত ৰখাই থোৱা বাহনসমূহৰ বাবে ৰাস্তাৰ

একাংশ আৱদ্ধ হৈ থাকে, যাৰ বাবে ৰাইজৰ চলাচলৰ ক্ষেত্ৰতো বহু অসুবিধাৰ সন্মুখীন হয়। পৰিতাপৰ বিষয় যে সংশ্লিষ্ট বিভাগ তথা বিষয়া-কৰ্মচাৰীৰ হেমাহিৰ বাবে ৰাইজে বিচৰা ধৰণে তিনিচুকীয়াৰ উন্নয়ন পৰিলক্ষিত হোৱা নাই। বাণিজ্যিক নগৰীৰূপে খ্যাত তিনিচুকীয়াৰ সামগ্ৰিক উন্নয়নৰ উদ্দেশ্য আগত ৰাখিয়েই হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম, তিনিচুকীয়া জিলা সমিতিৰ ফালৰ পৰা ৰাইজৰ কিছু জ্বলন্ত সমস্যা সমাধানৰ স্বাৰ্থত কালি ৰঙাগড়া পথত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তিনিচুকীয়াৰ জৰাজীৰ্ণ বাট-পথসমূহ অতি কম সময়ৰ ভিতৰত মেৰামতি কৰি তোলাৰ বাবে বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা, চহৰখনত থকা নলা-নৰ্দমাসমূহ নিয়মীয়াকৈ পৰিষ্কাৰ কৰি ৰখাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা। যিখিনি ঠাইত নলা নিৰ্মাণ হৈ উঠা নাই, তাত নলা নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা, ফুটপাথত থকা কালভাৰ্টসমূহ বিভাগীয় নিৰীক্ষণ কৰি মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা, তিনিচুকীয়াত এটি বহুমহলা পাৰ্কিং গৃহ বনোৱাৰ ব্যৱস্থা গ্ৰহণৰ বাবে হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিয়ে দাবী জনাইছে। সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সূৰ্য ভট্টাচাৰ্য আৰু সাধাৰণ সম্পাদক কমল তালুকদাৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ জিলা উপায়ুক্তক প্ৰদান কৰে।

প্ৰলয়ংকৰী বানত সাতহেজাৰ হেক্টৰ ভূমিৰ কঠীয়া নষ্ট

■ নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ বানপীড়িত কৃষকলৈ শালিধানৰ কঠীয়া বিতৰণ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৯ জুলাই ঃ নলবাৰী জিলাৰ বানপীড়িত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰই কৃষকসকলৰ মাজত শালিধানৰ কঠীয়া বিতৰণ কৰে। উল্লেখ্য যে যোৱা জুনৰ মাজভাগৰ পৰা হোৱা প্ৰলয়ংকৰী বানে জিলাখনৰ সাতহেজাৰ হেক্টৰ ভূমিৰ কঠীয়া নষ্ট কৰাৰ উপৰি কে'বাহেজাৰ কৃষক বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ফলত হেজাৰ হেজাৰ কৃষক হতাশ হোৱাৰ উপৰি দিশহাৰা হৈ পৰিছে। ইয়াৰ মাজতে একাংশ কৃষকে নিজাববীয়াকৈ আৰু আন একাংশই জিলা কৃষি বিভাগৰ সহযোগত কঠীয়া সিঁচিছিল যদিও আন একাংশ কৃষকে সৰ্বস্ব হেৰুৱাই হতাশ হৈ পৰিছিল। উল্লেখ্য যে এনে বিপৰ্যয়ৰ মুখত পৰা কৃষকসকলক কালি নলবাৰীৰ সৰিয়হতলীত অৱস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ তৰফৰ পৰা উন্নত জাতৰ শালি ধানৰ কঠীয়া বিতৰণ কৰা হয়। উল্লেখ্য যে বানৰ বিভীষিকাৰ মাজতে কৃষি বিজ্ঞান কেন্দ্ৰই ওখ ঠাইত কৃষকসকলৰ বাবে এই কঠীয়াসমূহ সিঁচাৰ ব্যৱস্থা কৰিছিল। এই উপলক্ষে কৃষি বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত অনুষ্ঠানত কৃষকসকলৰ মাজত উন্নত জাতৰ ৰঞ্জিত ধানৰ কঠীয়াসমূহ বিতৰণ কৰা হয়। নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড০ মনোজ কুমাৰ ভূঞাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা কঠীয়া বিতৰণ অনুষ্ঠানত জিলা কৃষি বিষয়া হবিবুল হকে কৃষকসকলৰ স'তে মত বিনিময় কৰাৰ উপৰি উন্নত জাতৰ কঠীয়াই কৃষকসকলক উপকৃত কৰিব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকাই জলবায়ু পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰি কৃষকসকলক এই পৰিৱৰ্তনৰ লগত খাপ খোৱাকৈ কৃষি পদ্ধতিত মনোনিবেশ কৰি কৃষি অৰ্থনীতি টনকিয়াল কৰাৰ আহ্বান ১৩ পৃষ্ঠাত চাওক

আদৰ্শ বিদ্যালয় স্থাপনৰ নামত মাতৃভাষা ধ্বংসৰ ষড়যন্ত্ৰ বন্ধ হ'ব লাগে

■ নলবাৰী নাট্য মন্দিৰত ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান
■ ৩৫০ গৰাকী কীৰ্তিমান, শিক্ষাগুৰুলৈ অভিনন্দন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ২৯ জুলাই ঃ 'অসমত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্স এণ্ড ৰিচাৰ্চ চেণ্টাৰ স্থাপন কৰক লগতে নলবাৰী কলেজক স্বায়ত্তশাসিত মহাবিদ্যালয়লৈ উন্নীত কৰক ' এই মন্তব্য সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ। কালি স্থানীয় নাট্য মন্দিৰত নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আয়োজন কৰা বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি ড° ভট্টাচাৰ্যই পুনৰ কয় যে একেদৰে নলবাৰীত লাগে এখন কৃষি মহাবিদ্যালয় আৰু মীন মহাবিদ্যালয়। অসমৰ ৰাইজে আন্দোলন নকৰাকৈ এই শিক্ষানুষ্ঠান দিব লাগে। মুখ্য উপদেষ্টা ভট্টাচাৰ্যই লগতে ইয়াকো কয় যে আদৰ্শ বিদ্যালয় স্থাপনৰ নামত মাতৃভাষা ধ্বংসৰ ষড়যন্ত্ৰ বন্ধ হ'ব লাগে আৰু যিবোৰ মেধা ছাত্ৰ-ছাত্ৰীক অভিভাৱকসকলে বাহিৰত পঢ়ুৱাব পৰা নাই সেই ছাত্ৰ-ছাত্ৰীৰ মুখলৈ চাই ১৩ পৃষ্ঠাত চাওক

কেৰাচিনৰ মূল্যবৃদ্ধি, নাটনি-গ্ৰামাঞ্চলৰ সাধাৰণ ৰাইজে মম জ্বলাই জীৱন ধাৰণ

অগ্ৰদূত বাৰ্তা

মেৰাপানী, ২৯ জুলাই ঃ ৰাজ্যত কিছুদিনৰ পৰা কেৰাচিনৰ মূল্য দ্ৰুত গতিত বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিত গ্ৰাম্যাঞ্চলত কেৰাচিনৰ নাটনিয়ে সাধাৰণ ৰাইজৰ জনজীৱন বিপন্ন কৰি তুলিছে। পূৰ্বতে ৰাইজে কেৰাচিন মুকলি বজাৰত লাভ কৰিছিল যদিও শেহতীয়াকৈ চৰকাৰে কেৰাচিন সমবায়ৰ এজেন্টৰ জৰিয়তে পোৱাৰ ব্যৱস্থা কৰে। কিন্তু কেৰাচিনৰ মূল্যবৃদ্ধি হোৱাৰ বাবে ডিপ'সমূহে এতিয়া কেৰাচিন সমবায়ৰ এজেন্টৰ জৰিয়তে পোৱাৰ ব্যৱস্থা কৰে। কিন্তু কেৰাচিনৰ মূল্যবৃদ্ধি হোৱাৰ বাবে ডিপ'সমূহে এতিয়া কেৰাচিন তোলাটো বন্ধ কৰি ৰাখিছে। ফলত সাধাৰণ ৰাইজ আন্ধাৰত থাকিবলগীয়া হৈছে। মেৰাপানীৰ কেৰাচিন ডিপ'ৰ স্বত্বাধিকাৰে এই সন্দৰ্ভত বৰ্তমান কেৰাচিনৰ মূল্য প্ৰায় ১১১ টকাতকৈ অধিক বুলি সদৰী কৰে। ডিজেল-পেট্ৰ'লতকৈ কেৰাচিনৰ মূল্য বহু বেছি হোৱাৰ বাবে এতিয়া ৰাজ্যৰ ডিপ'সমূহে কেৰাচিন তোলাৰ পৰা বিৰত থাকে। যেতিয়ালৈকে কেৰাচিনৰ মূল্য হ্ৰাস নহ'ব সেই পৰ্যন্ত ডিপ'সমূহে কেৰাচিন ক্ৰয় নকৰে। আনহাতে, 'দৈনিক অগ্ৰদূত'ক মেৰাপানীৰ বিভিন্ন গাঁৱৰ সাধাৰণ ৰাইজে কৰা অভিযোগ মতে, যোৱা মে'ৰ পৰা কেৰাচিন ৰাইজে পোৱা নাই এজেন্টকো তেল ডিপ'ৰে কেৰাচিন যোগান ধৰা নাই। কেৰাচিনৰ মূল্যবৃদ্ধিৰ বাবে আজি ডিপ'সমূহে কেৰাচিন আনি জনসাধাৰণক বিতৰণ কৰিব পৰা নাই। ফলত কেৰাচিনৰ নাটনিয়ে দেখা দিছে। ইফালে, চৰকাৰে ৰাজ্যৰ বিভিন্ন গাঁৱত বিদ্যুৎ ব্যৱস্থা গঢ়ি তুলিছে যদিও গ্ৰাম্যাঞ্চলত এতিয়াও সকলো লোকৰ ঘৰত বিদ্যুৎ সংযোগ নাই। যাৰ বাবে এতিয়াও কেৰাচিন তেলৰ চাকি, লাইট ১৩ পৃষ্ঠাত চাওক

ধেমাজিৰ সীমান্তৱৰ্তী বালিচৰিত উদ্‌যাপন বিজুলী মহোৎসৱ

■ নৃত্য-গীত, চলচ্চিত্ৰ, নাট প্ৰদৰ্শনেৰে মুখৰ হৈ পৰিল দূৰণিবটীয়া সীমান্ত অঞ্চল

ধেমাজি, ২৯ জুলাই ঃ দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে ধেমাজি জিলাৰ দ্বিতীয়খন বিজুলী মহোৎসৱ আজি জীয়াঢলৰ বালিচৰিত অনুষ্ঠিত কৰা হয়। অৰুণাচল সীমান্তৱৰ্তী এই দূৰণিবটীয়া অঞ্চলটোত আয়োজিত বিদ্যুৎ মহোৎসৱত মুখ্য অতিথিৰূপে উপস্থিত থাকে ধেমাজি জিলা পৰিষদৰ সভাপতি মোহন গগৈ। মুখ্য অতিথিৰূপে দিয়া ভাষণত জিলা পৰিষদৰ সভাপতি মোহন গগৈয়ে কয় যে দেশৰ শক্তি খণ্ডত যোৱা কিছু বছৰত হোৱা প্ৰগতিয়ে আমাৰ দেশৰ সামগ্ৰিক অগ্ৰগতিকে সূচাইছে। আজি য'তে গ্ৰাম্য পথ নিৰ্মাণ হৈছে, য'তে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ নিৰ্মাণ হৈছে তাতেই সহজতে বিদ্যুৎ সংযোগ হৈছে বুলি তেওঁ উল্লেখ কৰে। ধেমাজি জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠকে দিয়া ভাষণত বিদ্যুতৰ ব্যৱহাৰৰ ক্ষেত্ৰত পালন কৰিবলগীয়া সাৱধানতাসমূহৰ বিষয়ে কয়। তেওঁ কয় যে আজি দেশৰ বিদ্যুৎ খণ্ডত ইমানেই প্ৰগতি সাধন হৈছে যে এতিয়া এই দূৰণিবটীয়া সীমান্তৱৰ্তী অঞ্চলটোৰো ঘৰে ঘৰে বিজুলী সংযোগ সম্ভৱ হৈছে, যিটো কেইবছৰ মান আগলৈকে কল্পনাতীত আছিল। সভাৰ আৰম্ভণিতে উত্তৰ-পূব বৈদ্যুতিক শক্তি নিগমৰ প্ৰবন্ধক জ্ঞানজ্যোতি দেউৰীয়ে আদৰণি ভাষণত কয় যে আঠ বছৰৰ ভিতৰত দেশৰ শক্তি খণ্ডত ১৩ পৃষ্ঠাত চাওক

জাগীৰোডৰ প্ৰথম বিভাগত উত্তীৰ্ণ ৯৫০ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

মন্ত্ৰী হাজৰিকাৰ হৈ ঘৰে ঘৰে ব্যক্তিগত সচিব

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ২৯ জুলাই ঃ বিগত বছৰৰ দৰে এইবছৰো জাগীৰোড সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই গ্ৰহণ কৰিছে প্ৰশংসনীয় পদক্ষেপ। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হৈছে সম্বৰ্ধনা। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে আগন্তুক দিনত অধিক ভাল ফলাফল কঢ়িয়াবলৈ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰিছে মন্ত্ৰী হাজৰিকাই। তাৰেই অংশ হিচাপে জাগীৰোড সমষ্টিৰ অন্তৰ্গত সকলো গাঁৱতে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, এককালীন আৰ্থিক সাহায্য দিয়াৰ উদ্যোগ গ্ৰহণ কৰিছে মন্ত্ৰীজনে। মন্ত্ৰী হাজৰিকাৰ হৈ ব্যক্তিগত সচিব অপূৰ্ব ডেকাই দলীয় কৰ্মকৰ্তাসকলক লগত লৈ প্ৰতিজন কৃতী ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়। উল্লেখ্য যে এইবাৰ জাগীৰোড সমষ্টিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে প্ৰায় ৯৫০ গৰাকী ছাত্ৰ-ছাত্ৰী। ইয়াৰে ইতিমধ্যে প্ৰায় ৮৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক মন্ত্ৰী হাজৰিকাৰ হৈ সম্বৰ্ধনা জনাইছে ব্যক্তিগত সচিব ডেকা আৰু দলীয় কৰ্মকৰ্তাসকলে অতি শীঘ্ৰেই বাকী থকা আন ছাত্ৰ-ছাত্ৰীসকলকো সম্বৰ্ধনা জনোৱা হ'ব।

পশ্চিমবংগত অসমীয়া সাহিত্য -সংস্কৃতিক তুলি ধৰাৰ প্ৰয়াস তেজপুৰৰ কাব্যমণি বৰাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ২৯ জুলাই ঃ অসমীয়া সাহিত্য তথা সাজপাৰক বহিঃৰাজ্যত পৰিচয় কৰোৱাৰ লগতে জনপ্ৰিয় কৰাৰ এক প্ৰয়াস ৰাজ্যখনৰ কিছুসংখ্যক লোকে কৰি আহিছে। তদুপৰি এইসকলে চুবুৰীয়া ৰাজ্য নতুবা চুবুৰীয়া দেশৰ সাহিত্য অসমীয়ালৈ অনুবাদ কৰি সেয়া ৰাজ্যখনৰ পাঠকলৈ আগবঢ়াই দিয়াৰ প্ৰয়াসো কৰি আহিছে সমান্তৰালভাৱে। সম্প্ৰতি তেনে এক নিৰলস প্ৰয়াসতে লিপ্ত হৈ আছে বৰ্তমান পশ্চিমবংগৰ দাৰ্জিলিং জিলাত নিগাজীকৈ থিতাপি লৈ অসমীয়া ভাষা সাহিত্যৰ চৰ্চা অব্যাহত ৰখাৰ লগতে বাংলা ভাষাতো কাব্য চৰ্চাৰে এক নিজস্ব স্থান লাভ কৰিবলৈ সক্ষম হৈছে তেজপুৰৰ জীয়ৰী কাব্যমণি বৰা। উল্লেখ্য যে, ২০১৩ ৰ পৰা দাৰ্জিলিঙত বিভিন্ন জনহিতকৰ কামত জড়িত থকা কাব্যমণিয়ে

ইয়াত অসমীয়া কৃষ্টি- সংস্কৃতিকো প্ৰতিষ্ঠা কৰাৰ চেষ্টা আৰম্ভ কৰে। অসমীয়া মহিলাৰ জাতীয় সাজ পাৰ ইয়াত পৰিচয় কৰোৱাৰ লগতে বোৱা মেখেলা-চাদৰক উত্তৰ বংগত জনপ্ৰিয় কৰাৰ উদ্দেশ্যৰে কে এম ট্ৰেডিচনেল জ'ন নামৰ এক বিপণী স্থাপন কৰে তেওঁ। ৰাজ্যৰ শিপিনীৰ পৰা সংগ্ৰহ কৰা এই পোছাকে এই সুন্দৰ জিলাখনৰ বহু মহিলাক আকৰ্ষিত কৰাৰ লগতে পাট-মুগাৰ সাজৰ বাবে আগ্ৰহ বৃদ্ধি পায়। তদুপৰি ইয়াত থকা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ সহযোগত স্থানীয় যুৱক-যুৱতীক বিহু গীত-নৃত্য শিকোৱাৰ লগতে কাব্যমণিৰ প্ৰচেষ্টাত বিহুও আয়োজিত কৰা হৈছে। ইয়াত অনুষ্ঠিত বহু সাংস্কৃতিক অনুষ্ঠানত তেওঁ জড়িত হৈ অসমৰ গীত-নৃত্যৰ একোটা অনুষ্ঠানৰ সংযোজন ঘটোৱা কাৰ্য যোৱা সময়ছোৱাত কৰি আহিছে। সাহিত্য চৰ্চাতো নিমগ্ন কাব্যমণি বংগীয় কবি- সাহিত্যিকৰ লগতে চুবুৰীয়া দেশ বাংলাদেশ আৰু নেপালৰ কবিসকলৰ লগত বিভিন্ন অনুষ্ঠান কৰি ১৩ পৃষ্ঠাত চাওক

বঙাইগাঁও জিলা কৃষক মুক্তিৰ ধৰ্ণা

■ শ্ৰম বিভাগত হোৱা বিয়াগোম কেলেংকাৰিৰ তদন্ত দাবী
■ অসমৰ মুখ্যমন্ত্ৰীলৈ পাঁচদফীয়া স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৯ জুলাই ঃ চৰকাৰী পঞ্জীয়নভুক্ত শ্ৰমিকসকলৰ চিকিৎসা সেৱাৰ নামত বঙাইগাঁও জিলাত সংঘটিত বৃহৎ কেলেংকাৰিৰ উচিত তদন্ত বিচাৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বঙাইগাঁও জিলা সমিতিয়ে কালি বঙাইগাঁৱৰ বঙাইগাঁও জিলাৰ জিলা শ্ৰম বিষয়া কাৰ্যালয়ৰ সন্মুখত এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বঙাইগাঁৱৰ চিলাৰায় ইণ্ডোৰ ষ্টেডিয়ামৰ পৰা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদকাৰীসকলে সমদল কৰি গৈ জিলা শ্ৰম বিষয়া কাৰ্যালয়ৰ সন্মুখত গ্ৰহণ কৰে প্ৰতিবাদী কাৰ্যসূচী। লগতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ অন্তত ৰাজ্যৰ অসংগঠিত খণ্ডৰ চৰকাৰী পঞ্জীয়নকৃত শ্ৰমিকসকলৰ চিকিৎসা সাহায্য কেলেংকাৰিৰ উচিত তদন্ত ব্যৱস্থা

কৰাৰ লগতে ঠিকাভিত্তিক শ্ৰমিকৰ কৰ্ম আৰু জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

উল্লেখ্য যে অসমৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত দৈনিক হাজিৰা ভিত্তিত নিয়োজিত শ্ৰমিক আৰু আন্তঃগাঁথনি উন্নয়নত জড়িত বাজাৰ অসংগঠিত খণ্ডৰ লক্ষ লক্ষ নিৰ্মাণ শ্ৰমিকৰ ভবিষ্যতক লৈ গভীৰ অনিশ্চয়তাই দেখা দিছে। শ্ৰমিকসকলৰ ন্যায় আৰু কল্যাণৰ অৰ্থে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত সুকীয়াকৈ শ্ৰম আয়োগ গঠন কৰি দিয়া হৈছে যদিও এনে ব্যৱস্থাই ১৩ পৃষ্ঠাত চাওক

অন্বেষণ এনজিঅ'লৈ কামৰূপ জিলা প্ৰশাসনৰ প্ৰশংসা পত্ৰ

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২৯ জুলাই ঃ কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত স্বেচ্ছাসেৱী সংস্থা অন্বেষণ এনজিঅ'ক জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰশংসা-পত্ৰ অৰ্পণ কৰে। উল্লেখ্য যে বিগত প্ৰলয়ংকৰী বানপানীৰ সময়ত এনজিঅ'ৰ কৰ্মকৰ্তাসকলে চৰকাৰী উদ্ধাৰকাৰী দল এছডিআৰএফ আৰু এনডিআৰএফ বাহিনীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ বানপীড়িত ৰাইজক উদ্ধাৰ কৰাত সহায় কৰিছিল। এনেকুৱা দুৰ্যোগপূৰ্ণ মুহূৰ্তত দিন-ৰাতি একাকাৰ কৰি প্ৰশাসনক সহায় কৰা বাবে সংস্থাটোক উক্ত প্ৰশংসা-পত্ৰ অৰ্পণ কৰে। বুধবাৰে আবেলি জিলাখনৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কএগ্ৰ ৰাজহচক্ৰ কাৰ্যালয়ত উপস্থিত হৈ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উক্ত পত্ৰ অৰ্পণ কৰে। উল্লেখযোগ্য যে বানপানীত বিধ্বস্ত পৰিয়ালৰ সাহায্য আৰু অঞ্চলৰ ভগ্ন মথাউৰি স্থান পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে মন্ত্ৰীজনে কএগ্ৰ ৰাজহচক্ৰ কাৰ্যালয়ত উপস্থিত হৈছিল। ৰাজহচক্ৰত উপস্থিত হৈয়ে মন্ত্ৰীজনে সংস্থাটোৱে ৰাজহচক্ৰ কাৰ্যালয় চৌহদত অসম চৰকাৰৰ বন বিভাগৰ সহযোগত আয়োজিত গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উক্ত স্থানতে এনজিঅ'ৰ কৰ্মকৰ্তাই মন্ত্ৰীজনৰ লগতে কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰণৱ গোস্বামী, কএগ্ৰ ৰাজহচক্ৰৰ চক্ৰ বিষয়া ডাঃ ক্ষিৰোদ কমল হাজৰিকা আৰু বন বিভাগৰ বিষয়াসকলক গামোচাৰে সম্বৰ্ধনা জনায়। সংস্থাটোক প্ৰশংসা-পত্ৰ অৰ্পণ কৰি মন্ত্ৰীজনে কয় যে এনজিঅ'ৰে সকলো দুৰ্যোগৰ সময়তে ৰাইজক সহায় কৰে। ই এক মানৱীয়তাবোধৰ উত্তম নিদৰ্শন। উল্লেখ্য যে অন্বেষণ এনজিঅ'ৰ হৈ সভাপতি ব্ৰজেন বৰুৱা, সম্পাদক দেৱজিৎ তালুকদাৰ আৰু কোষাধ্যক্ষ মৃণাল কলিতাই প্ৰশংসা পত্ৰখন গ্ৰহণ কৰে।

বান্দৰগুৰিত জ্যোতি সংগীত-ৰাভা সংগীত প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি

■ অসমৰ সাংস্কৃতিক ক্ষেত্ৰত ৰূপকোঁৱৰ-কলাগুৰুৰ অৱদান অতুলনীয়

অগ্ৰদূত বাৰ্তা

টংলা, ২৯ জুলাই ঃ বিটিআৰৰ সাংস্কৃতিক বিভাগৰ অধীনত ওদালগুৰিৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত তথা বান্দৰগুৰি আঞ্চলিক সমিতি আগছু আৰু লালুপাতে সাংস্কৃতিক গোষ্ঠীৰ সহযোগত আয়োজন কৰা জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীতৰ ১০ দিনীয়া বিনামূলীয়া প্ৰশিক্ষণ কৰ্মশালাৰ যোৱা চপ্ত জুলাইত সফলতাৰে সামৰণি পৰে। এই উপলক্ষে আজি ওদালগুৰি জিলাৰ বান্দৰগুৰি গাঁৱৰ শ্ৰীশ্ৰীৰাধাকৃষ্ণ মন্দিৰ ৰংগমঞ্চত এক আকৰ্ষণীয় ব্যতিক্ৰমধৰ্মী সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এগৰাকী ষষ্ঠ শ্ৰেণীত

অধ্যয়ণৰত ছাত্ৰী অভিধান প্ৰসাইঁয়ে সভাপতিত্ব কৰা এক জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীত প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকি সভা উদ্বোধন কৰে কণমানি সংগীত শিল্পী তথা ওদালগুৰি মহৰ্ষি বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী ৰশ্মিনী শৰ্মাই। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ ৰাভা আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ গীত-মাত-নাটক আৰু কবিতাৰ ওপৰত আলোকপাত কৰাৰ লগতে দুয়োজনা শিল্পীৰ জীৱনৰ ওপৰত চমু আলোকপাত কৰে ওদালগুৰিৰ ৰামস্বৰূপ আগৰৱালা মেম'ৰিয়েল ই

বান্দৰগুৰিত জ্যোতি সংগীত-ৰাভা

১২ পৃষ্ঠাৰ পৰা শিক্ষাৰ্থী প্ৰত্যুষা দাহালে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ওদালগুৰিৰ বিধায়ক তথা বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ চিৰ উজ্জ্বল দুই নক্ষত্ৰ হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা বুলি উল্লেখ কৰি অসমৰ সাংস্কৃতিক ক্ষেত্ৰত এই দুয়োজনা সংস্কৃতিৰ পূজাৰীৰ অৱদান অতুলনীয় বুলি মন্তব্য কৰে। তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ গীত-মাত কবিতা নাটক আদিক বাদ দি অসমৰ সাংস্কৃতিক জগতৰ কথা কল্পনা কৰিব নোৱাৰি বুলিও প্ৰকাশ কৰে। তেওঁ নিজৰ ভাষণত বিটিআৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজন কৰা এনেধৰণৰ অনুষ্ঠানৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ সংগীত তথা শিল্পকলাৰ প্ৰতি থকা সুপ্ত প্ৰতিভাসমূহ বিকাশত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত এগৰাকী কণমানিৰ সভাপতিত্বত অনুষ্ঠিত সভা য'ত মুখ্য অতিথি, সভাৰ উদ্বোধক তথা সভাৰ সকলো কাম-কাজ কণমানিসকলে চলাই নিয়া দেখি আনন্দ প্ৰকাশ কৰাৰ লগতে উদ্যোক্তাসকলৰ এই প্ৰচেষ্টাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ওদালগুৰিৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়ন উপস্থিত থাকে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ৰচিত অসম সংগীত নেপালী ভাষাত পৰিবেশন কৰি আৰম্ভ কৰা সভাত প্ৰশিক্ষাৰ্থীসকলে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ কে'বাটাও গীত আৰু নৃত্য পৰিবেশন কৰি উপস্থিত দৰ্শকসকলক আপ্লুত কৰি তোলে। অনুষ্ঠানত অসম নেপালী সাহিত্য সভাৰ সম্পাদক তথা নাট্যকৰ্মী ৰাম উপাধ্যায়, অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰমেশ দাহাল, ওদালগুৰি জিলা অসম গোৰ্খা সন্মিলনৰ ভাৰপ্ৰাপ্ত সভাপতি ভূৱন ধমালা, হাম্ৰো চিহ্নাৰী অসম প্ৰান্তৰ সাধাৰণ সম্পাদক সূৰজ উপাধ্যায়, ওদালগুৰি জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক বিকাশ ভট্টৰাই, বান্দৰগুৰি শাখা নেপালী সাহিত্য সভাৰ সভাপতি হেমকান্ত উপাধ্যায়, অসম গোৰ্খা সন্মিলনৰ বান্দৰগুৰি শাখাৰ সভাপতি মেঘৰাজ উপাধ্যায় আদি কে'বাজনো বিশিষ্ট লোকৰ লগতে কে'বাশতাধিক দৰ্শক উপস্থিত থাকি অনুষ্ঠান উপভোগ কৰে।

আদৰ্শ বিদ্যালয় স্থাপনৰ নামত মাতৃভাষা

১২ পৃষ্ঠাৰ পৰা অসম চৰকাৰে শিক্ষানুষ্ঠানসমূহত নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰি অসমতে শিক্ষা গ্ৰহণ কৰিবলৈ ব্যৱস্থা কৰি দিব লাগে বুলি দাবী উত্থাপন কৰে। একেদৰে শিক্ষাৰ নবদ্বীপ নলবাৰীত দক্ষতা বিকাশ মহাবিদ্যালয়, গুৰুজী আদ্য শৰ্মা সোঁৱৰণী চিত্ৰ কলা ভাস্কৰ্য মহাবিদ্যালয় স্থাপন কৰিব লাগে বুলিও দাবী উত্থাপন কৰে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজোতি পাঠকৰ সভাপতিত্বত অনুষ্ঠিত আৰু জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই টীয়কৰ ছাত্ৰী বৰ্ষাশ্ৰীৰ ক্ষেত্ৰত অন্যায় কৰা হৈছে বুলি মন্তব্য কৰি বৰ্ষাশ্ৰীক সমৰ্থন কৰা বাবে জেলত ভৰাই থোৱা বিতোপন চাংমাইক শীঘ্ৰেই মুকলি কৰি দিবলৈ দাবী জনায়। ইফালে, জেহাদী সম্পৰ্কত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ভট্টাচাৰ্যই কয় যে অসমত জেহাদী মৌলবাদীৰ লগতে বাংলাদেশীৰ কোনো স্থান নাই। উল্লেখ্য যে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনে আদৰণি ভাষণ দিয়া অভিনন্দন অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভবজিৎ বেজবৰুৱাই। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয় যে অসীম ধৈৰ্য আৰু ত্যাগেৰে ছাত্ৰ-ছাত্ৰীসকল নিজৰ লক্ষ্য স্থানত উপনীত হ'ব পৰাকৈ আগুৱাই যাব লাগিব। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদে ভাষণ প্ৰদান কৰে। অনুপম ডেকাই আঁত ধৰা অভিনন্দন অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত স্থান লাভ কৰা নলবাৰী জিলাৰ কৃতী শিক্ষাৰ্থীসকলক শুভেচ্ছা জনোৱা হয়। ইপিনে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত নলবাৰী জিলাৰ ৯০ শতাংশ উৰ্ধ্বৰ ছাত্ৰ-ছাত্ৰী, উচ্চতৰ মাধ্যমিক (কলা, বিজ্ঞান, বাণিজ্য) চূড়ান্ত পৰীক্ষাৰ ৮৫ শতাংশ উৰ্ধ্বৰ সৰ্বমুঠ প্ৰায় ৩৫০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। লগতে কৃতীমান ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নলবাৰী জিলাৰ পৰা সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত প্ৰথম তিনিগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক শিক্ষাবিদ, মুক্তিযুঁজাৰু প্ৰয়াত বিপিন চন্দ্ৰ শৈক্ষিক ন্যাসৰ তৰফৰ পৰা বিপিন চন্দ্ৰ শৰ্মা সোঁৱৰণী বিশেষ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চন্দন বেজবৰুৱা, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নৰ কুমাৰ ডেকা, উন্নতি সভাৰ জিলা সমিতিৰ সভাপতি হোমেশ্বৰ তালুকদাৰ, সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকাকে ধৰি কে'বাগৰাকী ছাত্ৰ নেতা উপস্থিত থাকে।

বঙাইগাঁও জিলা কৃষক মুক্তিৰ ধৰ্ণা

১২ পৃষ্ঠাৰ পৰা শ্ৰমিকৰ দুখ-দুৰ্দশা মোচন কৰিব পৰা নাই। প্ৰায়বোৰ উদ্যোগ প্ৰতিষ্ঠান কৰ্তৃপক্ষই চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া কৰ্মৰ সময় আৰু ন্যূনতম শ্ৰম মজুৰিৰ নীতি উলংঘা কৰি শ্ৰমিকসকলৰ ওপৰত চৰম শোষণ-বঞ্চনা চলাই আছে। আনকি ৰাজ্যৰ প্ৰায়বোৰ ইটাভাটা, শিলভঙা ক্ৰেচাৰ, শিল-বালি মহল, কয়লা খনি, হোটেল-ৰেষ্টুৰেণ্টকে ধৰি বহু কল-কাৰখানা আৰু অভিজাত পৰিয়ালৰ গৃহত বে-আইনীভাবে শিশু আৰু মহিলা শ্ৰমিকক নিম্ন মজুৰিত খটুৱাই আহিছে। ৰাজাত বিপজ্জনকভাৱে শ্ৰমিকক ব্যৱহাৰ কৰাৰ শেহতীয়া উদাহৰণ হৈছে মইনা নায়ক, ডিম্পী ভূমিজ, বিনোদ মিশ্ৰ, মদন পাতৰ আদি। তেনেস্থলত চৰকাৰ-প্ৰশাসনে এই ক্ষেত্ৰত কোনো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। ইয়াৰ বিপৰীতে অসমত শ্ৰমিকসকলৰ ভবিষ্যতক লৈ হেতালি খেলিছে স্বয়ং ৰাজ্যৰ শ্ৰমিক কল্যাণ বিভাগে।

অসংগঠিত খণ্ডৰ পঞ্জীয়নভুক্ত নিৰ্মাণ শ্ৰমিকৰ স্বাস্থ্য পৰীক্ষা সাহায্যৰ নামত বিভাগটোৱে লক্ষাধিক শ্ৰমিকক প্ৰতাৰণা কৰাৰ তথ্য লাভ কৰা গৈছে। কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে নিজাববীয়াকৈ চলোৱা অনুসন্ধান আৰু তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত লাভ কৰা তথ্য অনুসৰি, অসমত নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সাহায্যৰ নামত ব্যাপক কেলেংকাৰিৰ তথ্য পোহৰলৈ আহিছে। কেৱল বঙাইগাঁও জিলাতে শ্ৰমিক কল্যাণ বিভাগৰ অধীনত ২০২০-২১ বিতীয় বৰ্ষত ২৩২৮ গৰাকী শ্ৰমিকৰ নামত প্ৰায় ১১ কোটি টকা স্বাস্থ্য পৰীক্ষা সাহায্যৰ প্ৰদান কৰাৰ তথ্য প্ৰকাশ কৰা হৈছে। সংগঠনটোৰ অনুসন্ধানত উল্লিখিত সাহায্যপ্ৰাপ্ত শ্ৰমিকৰ তালিকাৰ সৰহ সংখ্যকেই এই আঁচনিৰ অধীনত অদ্যাপি এটকাও লাভ কৰা নাই । বিভাগীয় ৱেবছাইটত লাভ কৰা তথ্য অনুসৰি, ৰাজ্যৰ প্ৰতিখন জিলাৰ অসংগঠিত শ্ৰমিকসকলৰ বাবে চিকিৎসা সাহায্য, মৃতকৰ পৰিয়ালৈলৈ সাহায্য আদি শ্ৰমিক কল্যাণ নিধিৰ ধন প্ৰদান কৰাৰ তালিকা প্ৰকাশ কৰা হৈছে যদিও প্ৰকৃত হিতাধিকাৰী শ্ৰমিকসকলে এই সুবিধা লাভ কৰিবলৈ সক্ষম হৈছেনে এয়া সন্দেহৰ আৱৰ্তত বুলি প্ৰশ্ন উত্থাপন কৰিছে। বিজেপিৰ চৰকাৰৰ প্ৰথমটো কাৰ্যকালত তদানীন্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ তিনিলাখ ২২ হেজাৰ পঞ্জীয়নকৃত নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেককে বছৰি চিকিৎসাজনিত সাহায্য পাঁচ হেজাৰ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছিল। এই আঁচনিৰ শীঘ্ৰেই ৰাজ্যিক শ্ৰমিক কল্যাণ বিভাগৰ দ্বাৰা ৰূপায়ণ কৰি ৰাজ্যৰ লাখ লাখ শ্ৰমিক পৰিয়ালৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হ'ব বুলি তেতিয়াৰ চৰকাৰখনে ব্যাপক প্ৰচাৰ চলাইছিল। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও পি এম শ্ৰম যোগীমান ধন যোজনা আঁচনি ৰূপায়ণ কৰি শ্ৰমিকসকলক প্ৰকৃত ন্যায়, সন্মান আৰু প্ৰাপ্য অধিকাৰ দিয়াৰ অংগীকাৰ কৰিছিল। কেন্দ্ৰ আৰু ৰাজ্যত দুই ঠাইতে বিজেপি দলৰ চৰকাৰ শাসনত থকাৰ পিছতো ৰাজ্যত শ্ৰমিকৰ কল্যাণৰ নামত যি বৃহৎ অনিয়ম সংঘটিত হৈছে, সেয়া দুৰ্ভাগ্যজনক বুলিও উল্লেখ কৰিছে । কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে শ্ৰমিকসকলৰ প্ৰাপ্য অধিকাৰ কল্যাণকামী আঁচনিৰ ক্ষেত্ৰত সংঘটিত অনিয়ম আৰু কে'বা কোটিটকীয়া চিকিৎসা সাহায্য কেলেংকাৰিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে সকলো শ্ৰেণীৰ শ্ৰমিকৰ ন্যূনতম মজুৰি, কৰ্মদিন, পেঞ্চন, স্বাস্থ্য আৰু জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰা, ঠিকাভিত্তিক শ্ৰমিকৰ স্থায়ী সংস্থাপন, ভবিষ্যত নিধি আৰু পৰিয়ালৰ কল্যাণ বাবে উপলব্ধ সকলো আঁচনি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰা, অসমত অসংগঠিত খণ্ডৰ নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সাহায্য আৰু বিশেষ ভাট্টা প্ৰদানৰ ক্ষেত্ৰত হোৱা দুৰ্নীতি-অনিয়ম উচিত তদন্তৰ ব্যৱস্থা কৰা, বঙাইগাঁও জিলাৰ ২৩২৮ গৰাকী শ্ৰমিকৰ নামত আবণ্টিত চিকিৎসা সাহায্য আঁচনিৰ ধনৰ খেলিমেলিৰ উচ্চ পৰ্যায় তদন্ত ঘোষণা কৰা আদি পাঁচ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰৰ প্ৰতিলিপি অসমৰ চাহ জনজাতি কল্যাণ আৰু শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী, অসম চৰকাৰৰ শ্ৰম আয়ুক্ত, বঙাইগাঁৱৰ উপায়ুক্ত আৰু বঙাইগাঁও জিলাৰ জিলা শ্ৰম বিষয়া আৰু পৰিদৰ্শকক প্ৰেৰণ কৰিছে ।

পশ্চিমবংগত অসমীয়া সাহিত্য -সংস্কৃতিক

১২ পৃষ্ঠাৰ পৰা তেওঁলোকক অসমীয়া ভাষাৰ স'তে এক যোগসূত্ৰ স্থাপনৰ বাবেও প্ৰয়াস অব্যাহত ৰাখিছে। ইতিমধ্যে কে'বাখনো আন্তৰ্জাতিক কবি সন্মিলনত ভাগ লৈ তাত অসমীয়া সাহিত্যক আলোকপাত কৰাৰ চেষ্টা কৰা কাব্যমণি সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আদান-প্ৰদানত বিশ্বাসী আৰু সেয়া হ'লেই পাৰস্পৰিক সাহিত্য ক্ষেত্ৰ সমৃদ্ধিশালী হোৱাৰ পথ মুকলি হয় বুলি তেওঁ কয়। পশ্চিমবংগৰ একাধিক কাকত-আলোচনীত তেওঁৰ কবিতা ইতিমধ্যেই প্ৰকাশ পাইছে।

সাহিত্য-সংস্কৃতি আৰু আন্তৰ্জাতিক কবি মঞ্চ নিজা এক সাহিত্য-সংস্কৃতি বিষয়ক অনুষ্ঠানৰ জৰিয়তে বিদেশী কবি-সাহিত্যকসকলৰ কবিতা অসমীয়া ভাষালৈ অনুবাদ কৰি আৰু অসমীয়া কবিতা আন আন ভাষালৈ অনুবাদ কৰি বিশ্ব সাহিত্যত অসমীয়া কবিসকলক পৰিচয় কৰি দিয়াৰ চেষ্টা অব্যাহত ৰাখিছে কাব্যমণিয়ে। ইতিবাচক দৃষ্টিভংগীৰে নিৰলসভাৱে এই ক্ষেত্ৰত কাম কৰি যোৱা কাব্যমণিয়ে বংগৰ পিছপৰা লোক সংস্কৃতিৰ সাধকসকলকো সাহিত্য-সংস্কৃতি আৰু আন্তৰ্জাতিক কবি মঞ্চৰ যোগেদি পৰিচয় কৰি দিয়াৰ আৰু তেওঁলোকৰ সৃষ্টিৰ ক্ষেত্ৰত আলোকপাত কৰাৰ চেষ্টা কৰা কাৰ্যক সম্প্ৰতি সকলোৱে আদৰণি জনাইছে। উল্লেখ্য যে ২০২১ৰ নৱেম্বৰত অসমীয়া কবি আৰু বংগীয় কবি সাহিত্যক সকলৰ মাজত এক সম্প্ৰীতিৰ বান্ধোন গঢ়ি তোলাৰ উদ্দেশ্যে তেওঁৰ উদ্যোগত দুয়ো ৰাজ্যৰ কবি সাহিত্যিক সকলক আমন্ত্ৰণ জনাই এখন সাহিত্য বিষয়ক বৈঠক অনুষ্ঠিত কৰা হয় দাৰ্জিলিং জিলাত। সেই সময়ত অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত অসমীয়া আৰু বাংলা ভাষাক লৈ এক সংঘাতময় পৰিৱেশৰ উদ্ভৱ হোৱাৰ বিপৰীতে কাব্যমণিৰ প্ৰচেষ্টাত উত্তৰ বংগৰ ভূমিত অসমীয়াৰ স্বাভিমান গামোচা পতাকা হিচাপে উত্তোলন কৰাৰ লগতে অসম সংগীত পৰিৱেশনৰে এক সফল অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত বংগৰ বহুকেইজন আগশাৰীৰ কবি-সাহিত্যক, সাংবাদিক, লোক সংস্কৃতিৰ সাধকে অংশ লৈছিল আৰু অসমীয়া সংস্কৃতিৰ প্ৰশংসা কৰিছিল। উত্তৰ বংগ বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ মুখ্য অধ্যাপক নিখিলেশ ৰয় এই অনুষ্ঠানৰ মুখ্য অতিথিৰূপে উপস্থিত থাকি তেওঁ এনে অনুষ্ঠানৰ প্ৰয়োজনীয়তা থকাৰ বিষয়ে মুকলিভাৱে প্ৰকাশ কৰে। তদুপৰি, অনুবাদৰ মাধ্যমেৰেও অসমীয়া সাহিত্যক বংগত জনপ্ৰিয় কৰাত বিশেষ ভূমিকা লোৱা কাব্যমণিৰ প্ৰচেষ্টাই এক সফল ৰূপ লাভ কৰিছে বিভিন্ন দ্বিভাষিক কাব্য আলোচনী প্ৰকাশৰ জৰিয়তে। ইতিমধ্যে ছিৰিয়া, ছাৰ্বিয়া, ৰোমানিয়া, বাংলাদেশ, নেপাল আৰু ভাৰতীয় কবিসকলৰ কবিতা ইংৰাজী, হিন্দী, বাংলা, অসমীয়া ভাষালৈ অনুবাদ কৰি বহুভাষিক কাব্যসংকলন সম্পাদনা কৰি উলিয়াইছে কাব্যমণিয়ে। শেহতীয়াকৈ কলকাতা নিউটাউনস্থিত ৰবীন্দ্ৰ তীৰ্থত অনুস্থিত ৰাষ্ট্ৰীয় কবিতা মহোৎসৱত এইগৰাকী অসম তনয়াৰ দুখন অনুবাদ গ্ৰন্থও উন্মোচন কৰা হয়। মূল লেখক শুক্লেশ্বৰ নাথ দেৱৰ পুৱাৰ চিন্তাক ভোৰেৰ ভাবনা' নামেৰে আৰু চুমি ৰহমানৰ 'কাজিৰঙাৰ অজান ৰহস্য'ক কাজিৰাঙাৰ অজানা ৰহস্য নামৰে অনুবাদ কৰিছে কাব্যমণিয়ে। তেওঁ এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কে'বাখনো গ্ৰন্থ উন্মোচন কৰাৰ উপৰি বিশ্ব মৈত্ৰীৰ ওপৰত বক্তব্য ৰাখে। এই অনুষ্ঠানতে আজিৰ কবিতা আৰু গুৱাহাটী তথা নতুন দিল্লীৰ প্ৰজ্ঞা মেইলৰ যুটীয়া সহযোগত মেজাংকৰী প্ৰকাশনে 'কাব্য শিৰোমণি ২০২২ ৰ বঁটা প্ৰদান কৰে। উল্লেখ্য যে বংগীয় মূলৰ দিল্লী নিৱাসী সাংবাদিক সত্যজ্যোতি দত্তই বংগত অসমীয়া কাব্য সাহিত্যৰ এই চৰ্চা তথা প্ৰচেষ্টাক প্ৰশংসা কৰি দত্তৰ বহুকেইখনো বাংলা পুথি অসমীয়া ভাষালৈ অনুবাদ কৰাৰ বাবে অনুৰোধ জনায় বৰাক। প্ৰণিধানযোগ্য যে শেহতীয়াকৈ উত্তৰ বংগৰ মেডিকেল মোড়, শিলিগুড়ি, দাৰ্জিলিঙত স্থাপন কৰে ৰিড থ্ৰ' মাইণ্ড পাৱ্লিকেছনছৰ স্বত্বাধিকাৰী হোৱাৰ উপৰি মুখ্য সম্পাদকৰ অবৈতনিক দায়িত্বত আছে কাব্যমণি। ইয়াৰ দ্বাৰা তেওঁ অসমীয়া, বাংলা, হিন্দী আৰু ইংৰাজী ভাষাত গ্ৰন্থ প্ৰকাশৰ উদ্যোগ লৈছে। অসমীয়া ভাষা সাহিত্য তথা সংস্কৃতিৰ প্ৰসাৰৰ বাবে একক প্ৰচেষ্টা অব্যাহত ৰখা এইগৰাকী স্বাভিমানী অসমীয়া মহিলাই এনে প্ৰয়াসৰেই জাতীয় সত্তাৰ উত্তৰণ ঘটিব বুলিও আশাবাদী।

স্বাধীনতাৰ ৭৫ বছৰ পাছতো অৱহেলিত ঘগ্ৰাপাৰৰ কোৰাচৰ তলৰ চ'ক সংযোগী পথ

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৯ জুলাই ঃ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ ঘগ্ৰাপাৰৰ চিলিং গাঁৱৰ ডেকাপাৰৰ পৰা (নাৰিকুছি-বৰখালা গড়কাপ্টানী) সংযোগী পথৰ পৰা দামোদৰ ধাম সংযোগী কোৰাচৰ তলৰ চ'কলৈ যোৱা প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা স্বাধীনতাৰ ৭৫ বছৰ পাছতো পকীকৰণ নোহোৱাত স্থানীয় ৰাইজ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি ক্ষোভিত হৈ পৰিছে। উল্লেখ্য যে কোৰাচৰ তল চ'কৰ পৰা জানোপাৰা দুই নম্বৰ নিমুৱা লাটিমা হৈ চিলিং ডেকাপাৰ সংলগ্ন প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰতি জৰাজীৰ্ণ হৈ পৰিছে। স্বাধীনতাৰ ৭৫ বছৰ পাছতো অতি প্ৰয়োজনীয় তথা ব্যস্ততাপূৰ্ণ পথছোৱা আজিও পকীকৰণ নোহোৱাতো দুৰ্ভাগ্যজনক বুলি চৰ্চিত হৈছে। বিগত দিনত অঞ্চলটোৰ দল-সংগঠন আৰু ৰাইজে পথছোৱা পকীকৰণৰ দাবীত প্ৰতিবাদী কাৰ্যসূচীৰ লগতে চৰকাৰ তথা জনপ্ৰতিনিধিক আবেদন-নিবেদন কৰি আহিছিল যদিও কোনো সুফল পোৱা নাই। ইফালে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা ইন্টাজ হুছেইনে পথছোৱা স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰা পাছতো পকীকৰণ নোহোৱা বৰ্তমানৰ চৰকাৰখনৰ উন্নয়নৰ ব্যৰ্থতা উদঙাইছে বুলি তীব্ৰ ভাষাৰে সমালোচনা কৰে। লগতে সংবাদ মাধ্যমক কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পিতৃৰ গৃহ গাঁৱৰ লাটিমাৰ পৰা মাত্ৰ দুই কিলোমিটাৰ আঁতৰ গাঁওখনৰ একমাত্ৰ পথছোৱা আজি পৰ্যন্ত পকীকৰণ নোহোৱাটো দুৰ্ভাগ্যজনক। উক্ত পথছোৱা এজাক বৰষুণতে বোকা-পানী একাকাৰ হোৱাৰ উপৰি পথছোৱাৰে ছাত্ৰ-ছাত্ৰী, পথচাৰী আৰু বেমাৰ-আজাৰ হোৱা ৰোগীয়ে অহা-যোৱা কৰাত ভীষণ অসুবিধাৰ সন্মুখীন হৈ অহাৰ সমস্যা আদিৰ কথা তেওঁ সদৰী কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই উক্ত পথছোৱা শীঘ্ৰে পকীকৰণৰ কৰাৰ বাবে বিজেপি চৰকাৰৰ লগতে নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক দাবী জনাইছে। ইফালে, ঘগ্ৰাপাৰ যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি হুছেইনে নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ ব্লকটোত এমজিএনৰেগা, চতুৰ্দশ বিত্তীয় আয়োগ, অনাময় আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ ধনৰে মাস্ক-ছেনিটাইজাৰ বিতৰণতো ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ লগতে বিভিন্ন আঁচনিৰ কাম-কাজ পৰিচালনাত ব্যাপক অনিয়ম সংঘটিত হোৱা বুলি অভিযোগ তুলিছে।

পৰেশ বৈশ্য ফাউণ্ডেছনৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২৯ জুলাই ঃ শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেছনে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ডাকযোগে পতা চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। 'ক' শাখা প্ৰথম স্থান উন্মুক্ত চৌধুৰী, প্ৰাগজ্যোতিষ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, দ্বিতীয় স্থান ফাৰদিন আহমেদ, সৰলা বিৰলা জ্ঞান জ্যোতি, তৃতীয় স্থান আৰ্চিছমান দত্ত, মৰ্ডাণ পাব্লিক একাডেমী। 'খ' শাখা প্ৰথম স্থান ৰিচান শৰ্মা, ডন বস্ক' স্কুল, দ্বিতীয় স্থান মহৰ্ষি বৈশ্য, আনন্দ একাডেমী, তৃতীয় স্থান দৰ্শিল জোনাক, জ্ঞানদীপ ইংলিছ একাডেমী আৰু মনজিষ্ঠা কুমাৰ, শংকৰদেৱ শিশু নিকেতন, ইচ্ছাদঘৰীয়া। 'গ' শাখা প্ৰথম স্থান পূজা দাস, গুৱাহাটী বিশ্ববিদ্যালয় মডেল স্কুল, দ্বিতীয় স্থান প্ৰাচুৰ্য শৰ্মা, গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, তৃতীয় স্থান গাৰ্গী বৈশ্য, প্ৰাগজ্যোতিষ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল। বঁটা বিজয়ীসকলক অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেছনৰ শিক্ষা-সাংবাদিকতাৰ দিনত প্ৰদান কৰা হ'ব বুলি পৰেশ বৈশ্য ফাউণ্ডেছনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ পংগুত্ব জীৱন যাপন বৰভাগৰ কিশোৰ হীৰকজ্যোতিৰ

■ আৰ্থিক দৈন্যৰ বাবে থমকিছে উন্নত চিকিৎসাৰ ব্যৱস্থা

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২৯ জুলাই ঃ নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত কোটালকুছি গাঁৱৰ সথা চুবুৰিৰ এটি দৰিদ্ৰ পৰিয়ালৰ ১৪ বছৰীয়া কিশোৰ হীৰকজ্যোতি দাস দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বিছনাতে পংগুত্ব জীৱন যাপন কৰি দুৰ্বিষহভাৱে দিন পৰা কৰিবলগীয়া হৈছে। দিন হাজিৰা কৰা পিতৃ পৰেশ দাস আৰু মাতৃ মৰমী দাসে পুত্ৰৰ উন্নত চিকিৎসাৰ বাবে দল-সংগঠন তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিশেষ সহায়ৰ বাবে কাতৰ আহ্বান জনাইছে। ফুলকুমলীয়া হীৰকজ্যোতিৰ জন্মৰ পাছতে জণ্ডিচ ৰোগত আক্ৰান্ত হৈ শাৰীৰিকভাৱে দুৰ্বল হৈ পৰাৰ লগতে দেহৰ প্ৰায় সকলো অংগ বিকল হৈ পংগুত্ব জীৱন নিৰ্বাহ কৰি আছে। দিন হাজিৰা কৰি কোনোমতে পৰিয়াল পোহপাল দিয়া দৰিদ্ৰ পিতৃ পৰেশ দাসে সন্তানক প্ৰয়োজনীয় উন্নত চিকিৎসাৰ খৰচ বহন কৰিবলৈ আৰ্থিকভাৱেও অক্ষম। তেনে সময়ত ৰুগীয়া পুত্ৰক বুকুত সাবটি দিনে-নিশাই চকুলো টু

অসম দাপোণ
দৈনিক অগ্ৰদূত

সুলভ মূল্যৰ চাউল চোৰাংভাৱে বিক্ৰী কৰিবলৈ গৈ গ্ৰেপ্তাৰ এজেণ্ট

অগ্ৰদূত বাৰ্তা
নদুৱাৰ, ২৯ জুলাই ঃ অসমৰ বিভিন্ন প্ৰান্তত সমবায়সমূহলৈ আবন্টিত চাউল হৰলুকি হৈ অহাৰ সময়তে শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ উজৰাচুক গাঁৱৰ সমবায় এজেণ্ট ৰাজীৱ শৰ্মাই দুখীয়া ৰাইজৰ বাবে আবন্টন হোৱা চাউল আজি চোৰাংভাৱে বিক্ৰী কৰি থকা অৱস্থাতে স্থানীয় ৰাইজে কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। ছিলাবন্ধা সমবায় সমিতিৰ দ্বাৰা আবন্টিত চাউলখিনি সমবায় এজেণ্টজনে এএছ-১২ এচি-৬৬৫৭ নম্বৰৰ চটাহাতী গাড়ীখনত ৪০ বেগ চাউল চোৰাংভাৱে বিক্ৰী কৰিবলৈ প্ৰস্তুতি চলাওতে গাঁওবাসী ৰাইজে গাড়ীসহ কৰায়ত্ত কৰি জামুগুৰি আৰক্ষীক অৱগত কৰোৱাৰ লগতে ভাৰতীয় খাদ্য নিগমৰ তেজপুৰ কাৰ্যালয়ৰ বিষয়ববীয়াক অৱগত কৰে। আৰক্ষীয়ে সমবায় এজেণ্টজনৰ লগতে গাড়ী চালক ভৱেশ দাসক আটক কৰি জামুগুৰি আৰক্ষী থানালৈ লৈ আহে। ভাৰতীয় খাদ্য নিগমৰ শোণিতপুৰ জিলা বিষয়া তথা পৰিদৰ্শক লিজি বৰুৱাই এই সন্দৰ্ভত নিজাববীয়াকৈ জামুগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰাত জামুগুৰি আৰক্ষীয়ে ইতিমধ্যে ধৃত সমবায় এজেণ্টজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। জামুগুৰি আৰক্ষীয়ে দুয়োকে জেললৈ প্ৰেৰণ কৰাৰ প্ৰস্তুতি চলাইছে। উল্লেখ্য যে ধৃত শৰ্মাই মাতৃৰ নামত থকা সমবায় এজেণ্টৰ অনুজ্ঞাপত্ৰ ব্যৱহাৰ কৰি সমবায় সমিতিৰ দোকান চলাই আহিছিল।

কপিলী নদীৰ পৰা মেচিনেৰে বালি উঠোৱা কাৰ্য বন্ধৰ দাবীত কামপুৰত প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা
কামপুৰ, ২৯ জুলাই ঃ কপিলী নদীৰ প্ৰলয়ংকৰী বানৰ পাছত কামপুৰ ৰহাকে ধৰি বিভিন্ন অঞ্চলত কপিলী নদীৰ খহনীয়াই ব্যাপক ভাবুকি কঢ়িয়াই আনিছে। পানী কমাৰ পাছতে নিতৌ বৃহৎ মাটিৰ অংশ কপিলীৰ বুকুত জাহ যোৱাৰ ফলত কপিলীপৰীয়া ৰাইজে হাহাকাৰ কৰিবলগীয়া হৈছে। তেনে সময়তে একাংশ বালি ব্যৱসায়ীয়ে নদীত মেচিন ব্যৱহাৰ কৰি বালি উঠোৱা কাৰ্য অব্যাহত ৰখাত কাষৰীয়া গাঁও সমূহলৈ নিশ্চিত বিপদ আনিব পাৰে বুলি বানাক্ৰান্ত ৰাইজে আশংকা প্ৰকাশ কৰে। শেহতীয়া বানে কামপুৰ ভলভলীয়া গাঁও আৰু দেউৰী গাঁৱৰ মাজত কামপুৰ যমুনামুখ গড়কাপ্টানী পথৰ কাষৰ সৰিয়হতলিত নদীত মেচিন ব্যৱহাৰ কৰি বালি উঠোৱা কাৰ্যত ৰাইজ ক্ষোভিত হৈ পৰিছে। সম্পূৰ্ণ আইন বহিৰ্ভূতভাৱে এনেধৰণে মেচিনেৰে বালি উঠাই থাকিলে অতি কম দিনৰ ভিতৰতে খহনীয়া হৈ বৃহৎ ক্ষতি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰাৰ প্ৰতি লক্ষ্য ৰাখি আজি অঞ্চলটোৰ পুৰুষ-মহিলা একত্ৰিত হৈ এই কাৰ্য শীঘ্ৰে বন্ধ কৰাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। পাছত প্ৰতিবাদকাৰীসকলে কামপুৰ ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰতিবাদীসকলে বানপীড়িত ৰাইজক বিপদৰ পৰা ৰক্ষা কৰাৰ স্বাৰ্থত অতিশীঘ্ৰে মেচিনেৰে বালি উঠোৱা কাৰ্য বন্ধ কৰিবলৈ ৰাজহ চক্ৰ বিষয়াক অনুৰোধ জনায়। মেচিনেৰে বালি উঠোৱা কাৰ্য বন্ধ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে ৰাইজে। প্ৰতিবাদী কাৰ্যসূচীত সহযোগ কৰে কামপুৰ কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে।

চিটুৰ দুঘন্টীয়া অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা
কাজলগাঁও, ২৯ জুলাই ঃ চিৰাঙৰ ঢালিগাঁওস্থিত ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰৰ মূল প্ৰৱেশদ্বাৰত শ্ৰমিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি চিটুসহ বিভিন্ন শ্ৰমিক সংগঠনে দুঘন্টীয়া প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদস্থলীৰ পৰা চিৰাং জিলা সমিতি চিটুৰ সম্পাদক দিলিপ ৰায়ে জনায় যে ঠিকাদাৰ ছোহৰাব খানৰ অধীনস্থ ৩৫ জন শ্ৰমিকে বিগত তিনি মাহৰ পৰা কাম কৰিও দৰমহা লাভ নকৰাত শোধনাগাৰ কতৃপক্ষ আৰু ঠিকাদাৰৰ স'তে কে'বাবাৰো আলোচনাত মিলিত হোৱাৰ পাছতো শ্ৰমিক কেইজনৰ দৰমহা মোকলাই নিদিয়াৰ ফলত এইপ্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শীঘ্ৰই দৰমহা মোকলাই নিদিলে অধিক তীব্ৰ আন্দোলনৰ হুংকাৰ দিয়ে শ্ৰমিকসকলে। লগতে বঙাইগাঁও শোধনাগাৰত শ্ৰমিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে দুইশতাধিক শ্ৰমিকে।

কলিয়াবৰৰ শালনাত ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ২৯ জুলাই ঃ দেশৰ স্বাধীনতাৰ লাভৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উপলব্ধ কৰিবলৈ কলিয়াবৰতো প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত মহাশক্তি মণ্ডল সংগঠনে কলিয়াবৰৰ শালনাত এখন ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি কৰে। মহাশক্তি মণ্ডল সংগঠনৰ মহিলাসকলে প্ৰস্তুত কৰা ৫২০০ ত্ৰিৰংগাৰে শালনা বজাৰত বিপণীখন মুকলি কৰা হয়। ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰটোৰ মুকলি অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কেন্দ্ৰ প্ৰকল্প প্ৰবন্ধক বিকাশ চন্দ্ৰ বৈশ্য অৰু কেন্দ্ৰ সমন্বয়কসকলৰ লগতে ভালেসংখ্যক মহিলা উপস্থিত থাকে। উল্লেখ্য যে পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ অধীনস্থ ১০৫৫ টা আত্মসহায়ক গোটৰ মহিলাই ১৫ হেজাৰৰো অধিক ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত কৰি উলিয়াইছে।

শ্ৰীমন্ত শংকৰ মিছনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ আয়োজন

বিশেষ সংবাদদাতা
নগাঁও, ২৯ জুলাই ঃ উত্তৰ-পূব ভাৰতৰ অন্যতম আগশাৰীৰ মানৱ সেৱাৰ স্বেচ্ছাসেৱী সংগঠন শ্ৰীমন্ত শংকৰ মিছনৰ ২০১৯-২১ৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা অহা ৩১ জুলাইত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। নগাঁও চহৰ পানীগাঁও চাৰিআলিস্থিত শ্ৰীমন্ত শংকৰ মিছনৰ মুখ্য কাৰ্যালয়ৰ লোকসেৱক হলধৰ ভূঞা সভাগৃহত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ সভাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি প্ৰকাশ কৰিছে মিছনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই। সাধাৰণ সভাৰ কাৰ্যসূচী অনুসৰি, ৩১ জুলাইৰ পুৱা স্বচ্ছ ভাৰত কাৰ্যসূচী, মিছনৰ পতাকা উত্তোলন, গছ পুলি ৰোপণ, স্মৃতি তৰ্পণ কাৰ্যসূচীৰ পাছত পুৱা ১০-৩০ বজাত দ্বি-বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হ'ব। বিয়লি পুৰণি বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সমিতিৰ পদত্যাগ আৰু নতুন বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ'ব। উক্ত সাধাৰণ সভাত শ্ৰীমন্ত শংকৰ মিছনৰ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত থকা সদস্যসকলক উপস্থিত থাকিবলৈ শ্ৰীমন্ত শংকৰ মিছনৰ সভাপতি ডাঃ ধীৰেণ বৰকাকতী আৰু সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই অনুৰোধ জনাইছে।

■ খুমটাইত নিশা দুই স্থানত চোৰৰ চাফাই অভিযান

লক্ষাধিক টকাৰ বৈদ্যুতিক মটৰ, বেটাৰী চুৰি



খুমটাই, ২৯ জুলাইঃ গোলাঘট জিলাৰ খুমটাই আৰক্ষী চকীৰ সমীপৰ খুমটাই পানী যোগান আঁচনি আৰু খুমটাই গাঁও পঞ্চায়ত কাৰ্যালয়ত যোৱা নিশা চোৰে চাফাই অভিযান চলায়। উল্লেখ্য যে নিশা জলসিঞ্চন কাৰিকৰী বিভাগ বোকাখাত মণ্ডলৰ অধীনস্থ খুমটাই পানী যোগান আঁচনিৰ দুটা বৃহৎ বৈদ্যুতিক মটৰ আৰু খুমটাই গাঁও পঞ্চায়ত কাৰ্যালয়ৰ পৰা এটা ইনভাৰ্টাৰ বেটাৰী চোৰে চুৰি কৰি নিয়ে। পুৱা পানী যোগান আঁচনিখনৰ কৰ্মচাৰীজনে পানী যোগান দিবলৈ আহি পানী মটৰকেইটা নেদেখি বিমোৰত পৰে আৰু লগে লগে খুমটাই আৰক্ষী চকীত অৱগত কৰাত ঘটনাস্থলীত খুমটাই আৰক্ষীৰ এটি দল উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। ইফালে, খুমটাই গাঁও পঞ্চায়ত কাৰ্যালয়ৰ কৰ্মচাৰীজন কাৰ্যালয় খুলিবলৈ আহি হতবাক হৈ পৰে। কাৰণ কাৰ্যালয়টোৰ দৰ্জাৰ তলা ভঙা প্ৰত্যক্ষ কৰি পঞ্চায়তখনৰ সভানেত্ৰী আৰু সচিবক অৱগত কৰে। চোৰে কাৰ্যালয়টোৰ পৰা এটা ইনভাৰ্টাৰৰ বেটাৰী চোৰ কৰি নিয়াৰ লগতে কিছু আচবাব খেলিমেলি কৰে। আনহাতে, নিশা চোৰে চুৰি কৰা বৈদ্যুতিক দুটা মটৰ আৰু সাৰ সৰঞ্জামখিনি লক্ষাধিক টকা হ'ব বুলি অনুমান কৰিছে কৰ্মচাৰীজনে। ইফালে, চুৰিকাণ্ডৰ সন্দৰ্ভত খুমটাই আৰক্ষী চকীত দুয়োটা কাৰ্যালয়ে পৃথকে পৃথকে দুখন এজাহাৰ দাখিল কৰিছে। চুৰিকাণ্ডৰ সন্দৰ্ভত আৰক্ষীয়ে প্ৰাথমিক তদন্ত অব্যাহত ৰাখিছে যদিও এজনো চোৰৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। আনহাতে, খুমটাইৰ দৰে অঞ্চলত আৰক্ষী টহলদাৰী দলে নিশা পহৰা ব্যৱস্থা কৰে যদিও চোৰে নিশা নিদ্ৰাহৰণ কৰাত আৰক্ষীৰ ভূমিকাক সচেতন ৰাইজে সমালোচনা কৰিছে। কিয়নো যোৱা এটা সপ্তাহত খুমটাই আৰক্ষী চকীৰ কে'বাটাও স্থানত চুৰিকাণ্ড সংঘটিত হৈছে।

ক্ষেত্ৰীৰ উলনীত শিক্ষকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
সোণাপুৰ, ২৯ জুলাই ঃ ক্ষেত্ৰী থানাৰ অন্তৰ্গত উলনীত যোৱা নিশা ৰহস্যজনকভাৱে এজন শিক্ষকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে পথাৰৰ পানীৰ যুঁৱলিত নিশা ১১ বজাত উদ্ধাৰ হোৱা মৃতদেহটো সোণাপুৰৰ নাজিৰাখাটৰ ৰূপজ্যোতি হাজৰিকা (৩৭)ৰ বুলি পাছত আৰক্ষীয়ে চিনাক্ত কৰে। টে'ট শিক্ষক হাজৰিকা যোৱা ২৬ জুলাইত ফুৰিবলৈ ওলাই অহাৰ পাছৰে পৰা নিৰুদ্দিষ্ট হৈ আছিল। কিন্তু কি পৰিস্থিতিত শিক্ষকজনে তাত গৈ এনেদৰে অকাল মৃত্যু সাবটি ল'লে সেয়াই ব্যাপক ৰহস্যৰ সৃষ্টি কৰিছে। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ প্ৰেৰণ কৰিছে। আনহাতে, আৰক্ষীয়ে পৰিয়ালৰ এজাহাৰৰ ভিত্তিত এটি গোচৰ পঞ্জীয়ন কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত ব্যাঘ্ৰ দিৱস উদ্‌যাপন

বন-বন্যপ্ৰাণীৰ সুৰক্ষা দিয়াটো আমাৰ সকলোৰে কৰ্তব্য ঃ ৰঞ্জিত বসুমতাৰী



অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ, ২৯ জুলাই ঃ আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উপলক্ষে আজি কচুগাঁও বন সংমণ্ডলৰ অধীনৰ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত কচুগাঁওস্থিত বনবিভাগৰ বঙলাত ১২ সংখ্যক ব্যাঘ্ৰ দিৱস পালন কৰা হয়। অনুষ্ঠানত বিটিআৰৰ বন বিভাগৰ মুখ্য কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে মুখ্য অতিথিৰূপে ব্যাঘ্ৰ দিৱস পালনৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰে। তেওঁ কয় যে বাঘ নাথাকিলে অৰণ্য সুৰক্ষিত নহয়। অৰণ্য সুৰক্ষাত বাঘৰ কিয় প্ৰয়োজন তাৰ পুংখানুপুংখ ব্যাখ্যা আগবঢ়োৱাৰ লগতে বন আৰু বন্যপ্ৰাণীৰ সুৰক্ষা কৰাটো মানৱ জাতি হিচাপে আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য বুলি তেওঁ মন্তব্য কৰে। অতি শীঘ্ৰেই ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত ব্যাঘ্ৰ প্ৰকল্প গঢ়ি তোলা হ'ব বুলিও বসুমতাৰীয়ে ভাষণত উল্লেখ কৰে। তদুপৰি ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানক পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰাৰ কাম হাতত লোৱা হৈছে। বন ধ্বংস ৮০ শতাংশ হ্ৰাস পাইছে বুলি বসুমতাৰীয়ে উল্লেখ কৰে; কিন্তু এতিয়া বন বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী আৰু আমাৰ বিৰোধিতা কৰা ৰাজনীতিকসকলে বন ধ্বংসৰ বাবে দায়ী বুলি তেওঁ বিস্ফোৰক অভিযোগ কৰে। অনুষ্ঠানত বন বিভাগৰ বিষয়া, কৰ্মচাৰী, বন সুৰক্ষাত নিয়োজিত একাধিক স্বেচ্ছাসেৱী সংগঠন, সমাজ সেৱকসকল উপস্থিত থাকে।

ঠেলামৰাত বাল্য বিবাহৰ বিৰুদ্ধে আৰক্ষীৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা
ঠেলামৰা, ২৯ জুলাই ঃ চৰকাৰে বাল্যবিবাহৰ ক্ষেত্ৰত নিয়ম-নীতি ৰূপায়ণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও একাংশই এতিয়াও চৰকাৰী নীতি-নিয়ম উলংঘা কৰি বাল্য বিবাহৰ দৰে অপৰাধ কাৰ্য সংঘটিত কৰি আহিছে। শোণিতপুৰ জিলাৰ ঠেলামৰাত আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ঠেলামৰা থানাত বাল্য বিবাহ সন্দৰ্ভত এক গোচৰ ৰুজু কৰিছে আৰক্ষীয়ে। বাল্য বিবাহৰ অপচেষ্টা কৰা অভিভাৱকৰ বিৰুদ্ধে ঠেলামৰা থানাত গোচৰ ৰুজু কৰাৰ পাছতেই পলাতক হৈ আছে অভিযুক্ত কেইজন। আৰক্ষী সূত্ৰে জানিব পৰা মতে, ঠেলামৰা আৰক্ষী থানাৰ অন্তৰ্গত বালিগাঁৱত যোৱা ২৪ জুলাইত এক অভিযোগৰ ভিত্তিত নুৱ মহম্মদৰ ঘৰত নিশা আৰক্ষীৰ এটা দল উপস্থিত হৈ ১৭ বছৰীয়া কন্যাৰ বিবাহৰ অনুষ্ঠান বন্ধ কৰি দিয়ে। ইয়াৰ পাছতেই আৰক্ষীয়ে এই বিবাহৰ অপচেষ্টা নকৰিবলৈ কয় পৰিয়ালটোক। কিন্তু পাছত অন্য ঠাইত অন্য ঠাইত গোপনে ১৭ বছৰীয়া কন্যাৰ বিবাহ সম্পন্ন কৰে পৰিয়ালটোয়ে। এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে এক লিখিত অভিযোগ পোৱাৰ পাছতেই ২৫ জুলাইত ঠেলামৰা আৰক্ষীয়ে এক অভিযান চলাই ১৭ বছৰীয়া কিশোৰীগৰাকীক উদ্ধাৰ কৰি ন্যায়ালয়ত হাজিৰ কৰি পৰিয়ালক গতাই দিয়ে। বালিগাঁৱত সংঘটিত এই বাল্যবিবাহ সন্দৰ্ভত ঠেলামৰা আৰক্ষীয়ে কইনা আৰু দৰা পৰিয়ালৰ বিৰুদ্ধে ৫৬/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰে। কিন্তু বৰ্তমানলৈকে অভিযুক্ত কেইজনক আটক কৰিবলৈ সক্ষম হোৱা নাই।

অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু পলাতক কে'বাজনো অভিযুক্ত

নগাঁৱত পেঞ্চন সেৱা কেন্দ্ৰ মুকলি মন্ত্ৰী নন্দিতা গৰ্লোছাৰ

লোডশ্বেডিঙৰ পৰা ৰাইজে সকাহ পাব

বিশেষ সংবাদদাতা
নগাঁও, ২৯ জুলাই ঃ সমগ্ৰ ৰাজ্যৰ লগতে আজি নগাঁৱতো পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰা হয়। নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত এই সেৱা কেন্দ্ৰ মুকলি কৰে শক্তিমন্ত্ৰী নন্দিতা গৰ্লোছাই। এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই ব্যৱস্থাৰ জৰিয়তে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল উপকৃত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমাৰ চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ পেঞ্চন প্ৰক্ৰিয়া সবলীকৰণৰ বাবেই এই সেৱা কেন্দ্ৰ মুকলি কৰা হৈছে। উল্লেখ্য যে অসম চৰকাৰে পেঞ্চন প্ৰক্ৰিয়া সবলীকৰণৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যিক পেঞ্চনাৰসকলৰ বাবে প্লেটফৰ্ম কৃতজ্ঞতাই পেঞ্চন সেৱা কেন্দ্ৰসমূহৰ কাৰ্যকলাপত সহায় কৰাৰ লগতে কৃতজ্ঞতা প'টেলত অৱসৰপ্ৰাপ্ত সকলৰ দ্বাৰা অনলাইনত প্ৰ-পত্ৰ দাখিলৰ সুবিধা লাভ কৰিব। আনহাতে, সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্ব অসম প্ৰগতিৰ দিশত আগবাঢ়িছে। তেওঁ লগতে কয় যে পেঞ্চন সেৱা কেন্দ্ৰই ৰাজ্যৰ কৰ্মচাৰীসকলৰ পেঞ্চন ব্যৱস্থাক সবলীকৰণ কৰি তুলিব। বিদ্যুতৰ লোড শ্বেডিঙৰ বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ জানিবলৈ দিয়ে যে এই সমস্যাটো সমাধানৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। শীঘ্ৰে লোড শ্বেডিঙৰ পৰা ৰাইজে সকাহ পাব। নগাঁৱৰ লোড শ্বেডিঙৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে শিশু গ্ৰামত এটা ট্ৰেন্সফৰ্মাৰৰ ক্ষতিসাধন হোৱাৰ বাবে এই সমস্যা হৈছে যদিও বিদ্যুতৰ যোগান নিয়মীয়া কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি নগাঁৱৰ বিদ্যুৎ বিভাগৰ বিষয়াৰ লগত এক বৈঠকত মিলিত হয়। পেঞ্চন সেৱা কেন্দ্ৰৰ মুকলি অনুষ্ঠানত বিধায়ক জিতু গোস্বামী, নগাঁও জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ আদিয়ে অংশগ্ৰহণ কৰে।

বিটিচিত আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস উদ্‌যাপন

মানাহ অভয়াৰণ্যত বাঘৰ সংখ্যা বৃদ্ধি পাইছে

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ২৯ জুলাই ঃ বিগত বছৰবোৰৰ তুলনাত মানাহ অভয়াৰণ্যত বাঘৰ সংখ্যা বৃদ্ধি হৈছে আৰু এয়া বড়োলেণ্ডবাসীৰ বাবে গৌৰৱৰ বিষয় বুলি মন্তব্য কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস উপলক্ষে নেছনেল টাইগাৰ কনজাৰভেচন কৰ্তৃপক্ষই বিটিচিৰ অন্তৰ্গত মানাহ অভয়াৰণ্য চহকী কৰি ৰখা বাঘৰ জৰীপৰ অন্তত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে সংবাদ মাধ্যমৰ আগত এইদৰে মন্তব্য কৰি কয় যে সাম্প্ৰতিক সময়ত মানাহ অভয়াৰণ্যত ৫২ টা বাঘ পোৱা গৈছে। ইয়াৰে আঠটা পোৱালি আছে আৰু নতুনকৈ ২৩ টা বাঘৰ সংখ্যা বৃদ্ধি পাইছে। তেওঁ সংবাদ মাধ্যমৰ আগত ২৭ টা প্ৰাপ্ত বয়স্ক বুলি সদৰী কৰে। তেওঁ ইয়াৰে আঠটা মতা আৰু ১৯ টা মাইকী বুলি সদৰী কৰে । এয়া বিটিচিৰ বাবে সুখবৰ বুলি উল্লেখ কৰি তেনেকৈ আন জীৱ-জন্তুৰ সংখ্যাও বৃদ্ধি পাইছে বুলি জানিব দি তেওঁ দুষ্প্ৰাপ্য জীৱ-জন্তুৰ সংৰক্ষণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। তেওঁ ইয়াৰ বাবে মানাহৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে । তেওঁ আগন্তুক দুবছৰৰ ভিতৰত পৰ্যটকৰ বাবে সকলো ধৰণৰ উন্নীতকৰণ হ'ব তাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা বুলি জানিব দিয়ে। তেওঁ ইতিমধ্যে ৰাষ্ট্ৰীয় অভয়াৰণ্য হিচাপে ঘোষণা কৰা ৰাইমনা অভয়াৰণ্য এদিন মানাহ অভয়াৰণ্যৰ দৰে বিভিন্ন দিশৰ পৰা চহকী হৈ উঠিব আৰু পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ় লৈ উঠিব বুলি দাবী কৰে ।

মৰিয়নিত বৰফৰ ফেক্টৰীত বিদ্যুৎ প্ৰৱাহিত হৈ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
মৰিয়নি, ২৯ জুলাই ঃ মৰিয়নিত আজি সন্ধিয়া সংঘটিত এক শোকাবহ ঘটনাত এজন যুৱকৰ মৃত্যু হয়। নগৰৰ মাজমজিয়াত অৱস্থিত এটা বৰফৰ ফেক্টৰীত বিদ্যুৎ প্ৰৱাহিত হৈ যুৱকজনৰ মৃত্যু হয়। মৰিয়নিৰ মাছ বজাৰৰ সমীপত অৱস্থিত বৰফ নিৰ্মাণ কৰা ফেক্টৰীটোত এই শোকাবহ ঘটনাটো সংঘটিত হয়। ঘটনা সন্দৰ্ভত লাভ কৰা তথ্য মতে, মৰিয়নি নগৰৰ দুই নম্বৰ ৱাৰ্ডৰ কেনেডী পাৰ্কৰ নিবাসী অমিত থাপা ওৰফে কাঞ্চা (৩২) কেনেবাকৈ ফেক্টৰীটোৰ বিদ্যুৎ তাঁৰৰ সংস্পৰ্শলৈ আহে আৰু বিদ্যুৎ প্ৰৱাহিত হৈ ঠাইতে মৃত্যুৰ মুখত পৰে। স্থানীয় ৰাইজে সদৰী কৰা মতে যুৱকজনে বিদ্যুতৰ কাম কৰিছিল। মৰিয়নিৰ সুবীৰ ৰয় নামৰ এজন ব্যৱসায়ীৰ এই বৰফ ফেক্টৰীটোত এই অঘটন সংঘটিত হয়। সুবীৰ ৰয়ে সদৰী কৰা মতে, মৃত অমিত বৰফ ফেক্টৰীটোৰ স্থায়ী কৰ্মচাৰী নাছিল। অৱশ্যে মাজে সময়ে কাৰখানাটোৰ দুই এটা কাম কৰি দিছিল । ইলেক্ট্ৰিচিয়ান হিচাপে বহুলোকৰ কাম কৰিছিল অমিতে। সেই সূত্ৰে এই ফেক্টৰীটোলৈও অহা যোৱা কৰিছিল যুৱকজনে। আজিও সেইদৰেই ফেক্টৰীটোলৈ আহোতেই বিদ্যুৎ পৰিবাহী তাঁৰৰ সংস্পৰ্শলৈ আহে আৰু থিতাতে মৃত্যু হয়। তেওঁ লগতে প্ৰকাশ কৰা মতে, সেই সময়ত ফেক্টৰীটোৰ দুৱাৰ বন্ধ আছিল যদিও যুৱকজনে নিজেই দুৱাৰ খুলি সোমাইছিল। কিন্তু কিদৰে বিদ্যুৎ পৰিবাহী তাঁৰৰ সংস্পৰ্শলৈ আহিল সেয়া কোনেও গম নাপালে। পাছত এজন লোকে দেখিহে চিঞৰ-বাখৰ কৰাত জানিব পাৰে। আনহাতে, বিগত দুদিনমান ধৰি যুৱকজন মানসিকভাৱে অস্থিৰ অৱস্থাত আছিল বুলিও তেওঁৰ লগতে স্থানীয় ৰাইজে সদৰী কৰে। লক্ষ্যণীয় যে বৰফ ফেক্টৰীটোৰ বিদ্যুতৰ ব্যৱস্থা উন্মুক্ত আৰু অতি বিপজ্জনকভাৱে অৱস্থাত থকা প্ৰত্যক্ষ কৰা হৈছিল। পাছত মৰিয়নিৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাটোৱে আজি সন্ধিয়া মৰিয়নি নগৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

ওদালগুৰিত 'হৰ ঘৰ ঝাণ্ডা' শীৰ্ষক অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
টংলা, ২৯ জুলাই ঃ ওদালগুৰি জিলাৰ ভৈৰবকুণ্ডৰ ৬১ বিএন সশস্ত্ৰ সীমা বাহিনী চমুকৈ এছএছবিৰ উদ্যোগত 'আজাকী কা অমৃত মহোৎসৱ' উপলক্ষে আজি 'হৰ ঘৰ ঝাণ্ডা' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত ইউনিটটোৰ অধীনত ভৈৰৱকুণ্ডৰ ভৈৰবপুৰ স্যাভিও ইংলিছ স্কুলত 'আজাদী কা অমৃত মহোৎসৱ'ৰ অধীনত নাগৰিকসকলক তেওঁলোকৰ ঘৰৰ পদূলিত চলিত বৰ্ষৰ স্বাধীনতা দিৱস উপলক্ষে দেশৰ ৰাষ্ট্ৰীয় পতাকা উৰুৱাবলৈ আহ্বান জনোৱাৰ লগতে ৰাইজক উৎসাহিত কৰিবলৈ 'হ

কমনৱেল্থৰ প্ৰথম দিনা মিশ্ৰিত ফলাফল ভাৰতৰ

টিটিত জয়েৰে অভিযান আৰম্ভ পুৰুষ-মহিলা দলৰ



নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ বাৰ্মিংহাম কমনৱেল্থ গেমছৰ প্ৰথম দিনাই মিশ্ৰিত ফলাফল লাভ কৰিছে ভাৰতে। ইয়াৰ ভিতৰত ভাৰতৰ ল'ন বল দল আৰু চাইক্লিষ্টসকল আজি ব্যৰ্থ হয়। সেইদৰে ভাৰতৰ মহিলা ক্ৰিকেট দলেও প্ৰথম খেলত পৰাজয়ৰ মুখ দেখে। সাঁতোৰত এজন ভাৰতীয় প্ৰতিযোগীয়ে আশাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে আজি ভাৰতীয় দলে পুৰুষ আৰু মহিলাৰ টেবুল টেনিছৰ দলীয় বিভাগত জয়েৰে অভিযান আৰম্ভ কৰে। আজিৰ মহিলাৰ খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৩-০ ব্যৱধানত পৰাজিত কৰে। প্ৰথমে অনুষ্ঠিত ডাবল্ছ মেচত ভাৰতৰ শ্ৰীজা আকুলা আৰু ৰীথ টেনিছনে দক্ষিণ আফ্ৰিকাৰ লাইলা এডৱাৰ্ড্ছ আৰু ডেনিছা জয়ৱন্ত পেটেলক পৰাজিত কৰি ১-০ৰ অগ্ৰগতি অৰ্জন কৰে। ইয়াৰ পাছতে তাৰকা খেলুৱৈ মনিকা বাট্ৰাই প্ৰথমখন ছিংগল্ছত মুছফিকুহ কালামক পৰাজিত কৰি ভাৰতৰ বিজয় নিশ্চিত কৰে। সেইদৰে দ্বিতীয়খন ছিংগল্ছত শ্ৰীজাই দক্ষিণ আফ্ৰিকাৰ জয়ৱন্তক পৰাজিত কৰি ভাৰতলৈ নিৰংকুশ জয় কঢ়িয়াই আনে। ইয়াৰ বিপৰীতে ভাৰতৰ পুৰুষ দলে বাৰ্বাডজক 'গ্ৰুপ ৩'ৰ খেলত ৩-০ ব্যৱধানত পৰাস্ত কৰে। ডাবল্ছ মেচত ভাৰতৰ হৰমিত দেশাই আৰু জি ছাথিয়ানে জয়লাভ কৰাৰ পাছত ছিংগল্ছ মেচ দুখনত শৰত কমল আৰু ছাথিয়ান বিজয়ী হয়।

সাঁতোৰত আশা উজলালে শ্ৰীধৰ নটৰাজে

নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ কমনৱেল্থ গেমছৰ প্ৰথম দিনাই সাঁতোৰত মিশ্ৰিত ফলাফল লাভ কৰিলে ভাৰতে। পুৰুষৰ এশ মিটাৰ বেকষ্ট্ৰোকৰ ছেমিফাইনেলত প্ৰৱেশ কৰি আশা জিলিকাই তুলিলে ভাৰতৰ সম্ভৱণবিদ শ্ৰীহৰি নটৰাজে। আজিৰ প্ৰাথমিক ৰাউণ্ডৰ সাঁতোৰত নটৰাজে ৫৪.৬৮ ছেকেণ্ডত সাঁতোৰ সম্পূৰ্ণ কৰি ছেমিফাইনেললৈ অগ্ৰসৰ হয়। ২১ বছৰীয়া সাঁতোৰবিদজনে হিট্ছত পঞ্চম স্থান পায়। অৱশ্যে প্ৰতিযোগিতাৰ হিট্ছৰ পৰাই বিদায় ল'লে অভিজ্ঞ ছাজন প্ৰকাশ আৰু অভিষেককাৰী কুশাগ্ৰ ৰাৱটে। পুৰুষৰ ৫০ মিটাৰ বাটাৰফ্লাইত ছাজনে অষ্টম স্থান পায়। সেইদৰে পুৰুষৰ চাৰিশ মিটাৰ ফ্ৰীষ্টাইলত কুশাগ্ৰই অন্তিম স্থানহে লাভ কৰে। অৱশ্যে দুয়োজন এতিয়াও প্ৰতিযোগিতাৰ বাহিৰ হোৱা নাই। ছাজনে পুৰুষৰ এশ মিটাৰ আৰু দুশ মিটাৰ বাটাৰফ্লাইত প্ৰতিদ্বন্দ্বিতা কৰিব। সেইদৰে পুৰুষৰ ১৫০০ মিটাৰ ফ্ৰীষ্টাইল আৰু দুশ মিটাৰ ফ্ৰীষ্টাইলত অংশ ল'ব কুশাগ্ৰই।

পাক বক্সাৰক পৰ্যুদস্থ কৰিলে শিৱই

বিতৰ্কৰ মাজতে আজি বক্সিঙত ৰিঙত নামিব লাভলীনাই

নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ আশা কৰা মতেই পাকিস্তানৰ বক্সাৰক পৰ্যুদস্থ কৰিলে অসমৰ তাৰকা বক্সাৰ শিৱ থাপাই। আজি কমনৱেল্থ গেমছৰ পুৰুষৰ ৬৩.৫ কেজিৰ শাখাত অসমৰ বক্সাৰজনে অতি সহজে পাক প্ৰতিদ্বন্দ্বী ছুলেমান বাল'চক পৰাজিত কৰে। এই জয়েৰে শিৱই প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। লাইট ৱেল্টাৰ ৱেইটৰ খেলখনত ভাৰতীয় প্ৰতিযোগীজনে আৰম্ভণিৰে পৰাই পাক বক্সাৰজনৰ ওপৰত আধিপত্য বিস্তাৰ কৰিছিল। শেষত বিচাৰকৰ সৰ্বসম্মতিক্ৰমে পাঁচবাৰৰ এছিয়ান পদকজয়ী শিৱই ৫-০ ব্যৱধানত জয়লাভ কৰে। ইপিনে, বাৰ্মিংহামত উপস্থিত হোৱাৰ পাছৰে পৰা দুটাকৈ বিতৰ্কত জড়িত হৈ পৰা অসম-কন্যা লাভলীনা বৰগোহাঁয়ে কাইলৈ ৰিঙত অৱতীৰ্ণ হ'ব। টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়িনীয়ে কাইলৈ তুলনামূলকভাৱে দুৰ্বল প্ৰতিপক্ষৰ বিপক্ষে খেলিব। কাইলৈৰ ৬৬-৭০ কেজিৰ লাইট মিডলৱেইটৰ যুঁজখনত লাভলীনাৰ প্ৰতিদ্বন্দ্বী হ'ব নিউজিলেণ্ডৰ অখ্যাত বক্সাৰ আৰিয়ান নিকলছন।

জয়ৰ কাষ চাপিও থমকি হ'ল হৰমনপ্ৰীতৰ দল

কমনৱেল্থত অষ্ট্ৰেলিয়াৰ বিপক্ষে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ পৰাজয়

নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ জয়ৰ সম্ভাৱনা উজ্জ্বল কৰিও মূৰকত কমনৱেল্থ গেমছৰ প্ৰথম মেচত পৰাজয়ৰ স্বাদ পালে ভাৰতৰ মহিলা ক্ৰিকেট দলে। আজি অনুষ্ঠিত 'এ' গ্ৰুপৰ প্ৰথম মেচত বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াই ভাৰতক সাত উইকেটত পৰাজিত কৰে। উল্লেখ্য যে ক্ৰীড়া সমাৰোহখনি মহিলাৰ টি-২০ ক্ৰিকেট অন্তৰ্ভুক্ত হৈছে। আজি ভাৰতে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত আঠ উইকেট হেৰুৱাই ১৫৪ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আৰম্ভণিতে বিপৰ্যয়ৰ সন্মুখীন হোৱা সত্ত্বেও অষ্ট্ৰেলিয়াই ছটা বল বাকী থকা অৱস্থাত সাত উইকেটৰ বিনিময়ত জয়ৰ লক্ষ্যত উপনীত হয়।

উল্লেখ্য যে ভাৰতৰ পেচ বলাৰ ৰেণুকা সিঙৰ দুৰ্দান্ত বলিঙৰ বাবে বিশ্ব চেম্পিয়ন দলটোৱে ৪৯ ৰাণতে পাঁচ উইকেট হেৰুৱাই বিপদত পৰিছিল। অৱশ্যে এশ্লে গাৰ্ডনাৰে গ্ৰেচ হেৰিছ (৩৭) আৰু এলেনা কিং (১৮ অপঃ) ক সংগীৰূপে দলক লক্ষ্যত উপনীত কৰায়। গাৰ্ডনাৰে ৩৫টা বলত ৫২ ৰাণত অপৰাজিত হৈ থাকে। ভাৰতৰ ৰেণুকাই চাৰিটা তথা দীপ্তি শৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় দলৰ নেত্ৰী হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৫২ ৰাণ কৰে। ইয়াৰ উপৰি শেফালী বাৰ্মাই ৪৮ আৰু স্মৃতি মন্ধানাই ২৪ ৰাণৰ বৰঙণি আগবঢ়ায়।

ভাৰতীয় দলৰ নেতৃত্বত অসমৰ নাজনীন

গুৱাহাটী, ২৯ জুলাই ঃ পৰ্তুগালত অনুষ্ঠিত হ'বলগীয়া আইটিএফ ছিনিয়ৰ মাৰ্গাৰেট কৰ্ট কাপ ৱৰ্ল্ড চেম্পিয়নশ্বিপ টেনিছত ভাৰতীয় দলক নেতৃত্ব প্ৰদান কৰিব অসমৰ প্ৰতিভাৱান খেলুৱৈ নাজনীন ৰহমানে। ৪৫ বছৰ উৰ্ধ্বৰ এই প্ৰতিযোগিতাত মুঠ ২৩খন দেশৰ দলে অংশগ্ৰহণ কৰিছে। ইয়াৰ উপৰি নাজনীনে ছয় আগষ্টৰ পৰা পৰ্তুগালৰ লিছবনত অনুষ্ঠিত হ'বলগীয়া ব্যক্তিগত বিশ্ব টেনিছ প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰিব।

কমনৱেল্থ গেমছৰ উদ্বোধনী অনুষ্ঠানত ভাৰতৰ পতাকা বহন কৰিলে হকী খেলুৱৈ মনপ্ৰীত সিং আৰু বেডমিণ্টন তাৰকা পি ভি সিন্ধুৱে, বৃহস্পতিবাৰে বাৰ্মিংহামত।

কমনৱেল্থৰ বেডমিণ্টন-হকীতো জয় ভাৰতৰ

নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ কমনৱেল্থ গেমছত আজি ভাৰতে বেডমিণ্টন আৰু মহিলাৰ হকীতো সুন্দৰ আৰম্ভণি ঘটালে। আজি দলীয় বেডমিণ্টনত ভাৰতে পাকিস্তানক ৫-০ ব্যৱধানত পৰাজিত কৰে। প্ৰথমে মিক্সড ডাবল্ছত বি সুমিত ৰেড্ডী আৰু অশ্বিনী পুনাপ্পা বিজয়ী হোৱাৰ পাছৰ দুখন ছিংগল্ছত জয়লাভ কৰে কিদাম্বি শ্ৰীকান্ত আৰু পি ভি সিন্ধুৱে। ভাৰতৰ জয় নিশ্চিত হোৱাৰ পাছত পুৰুষ ডাবল্ছত সাত্বিকছাইৰাজ-ছিৰাগ ছেট্টী যুটি আৰু মহিলা ডাবল্ছত তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে দললৈ নিৰংকুশ বিজয় কঢ়িয়াই আনে। আনহাতে, মহিলা হকীৰ গ্ৰুপ মেচত ভাৰতে ঘানাক ৫-০ গ'লত বিধ্বস্ত কৰে। গুৰজিত কৌৰে দুটা তথা নেগা গয়াল, সংগীতা কুমাৰী আৰু ছেলিমা টেটেৰে এটাকৈ গ'ল দিয়ে।

অথলে গ'ল ভাৰতৰ দলনেত্ৰী হৰমনপ্ৰীত কৌৰৰ অৰ্ধশতৰাণ।

সফল উশ্বু-জুডো খেলুৱৈক বিশ্বনাথত অভিনন্দন

অগ্ৰদূত বাৰ্তা
বিশ্বনাথ চাৰিআলি, ২৯ জুলাই ঃ বিশ্বনাথ উশ্বু দলৰ খেলুৱৈ স্নেহা বৰা আৰু দীক্ষা তেৰাৰীয়ে সদ্যসমাপ্ত অসম যুৱ অলিম্পিকত তিনিটাকৈ পদকৰে বিশ্বনাথ জিলাখনৰ লগতে জ্ঞান ভাৰতী পাব্লিক স্কুলৈ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। আজি বিদ্যালয়ৰ অধ্যক্ষাই উশ্বু দলৰ খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানতে জুডো খেলুৱৈকো অভিনন্দন জনায়। স্নেহা আৰু দীক্ষা দুয়োগৰাকী জ্ঞান ভাৰতীৰ নৱম শ্ৰেণীৰ ছাত্ৰী। উল্লেখ্য যে শেহতীয়াকৈ গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা অসম যুৱ অলিম্পিকত বিশ্বনাথৰ কে'বাগৰাকী খেলুৱে বিভিন্ন অংশগ্ৰহণ কৰিছিল। বিশ্বনাথৰ জ্ঞান ভাৰতী পাব্লিক স্কুলৰ এই দুগৰাকী খেলৱৈ অংশগ্ৰহণ কৰাৰ লগতে বিশ্বনাথৰ পৰা আৰু কে'বাগৰাকী খেলুৱৈয়ে যুৱ অলিম্পিকত অংশগ্ৰহণ কৰি বিশ্বনাথ জিলালৈ সুনাম কৰিয়াই আনিবলৈ সক্ষম হৈছে।

অসম যুৱ অলিম্পিকত বৰমা কদমতলা টাইকোৱান-ড'ৰ সাফল্য

বৰমা, ২৯ জুলাই ঃ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাৰ সৰ্বাংগীণ উত্তৰণৰ উদ্দেশ্যে অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰৰ যৌথ প্ৰচেষ্টাত ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হৈ যোৱা অসম যুৱ অলিম্পিক ক্ৰীড়া প্ৰতিযোগিতা ২০২২ত বৰমা কদমতলা টাইকোৱান-ড' একাডেমীৰ পৰা মৌচুমী বড়ো, যোৰহাট জিলাৰ পৰা ৰশ্মিতা হাজৰিকা, শিৱসাগৰ জিলাৰ পৰা বৈহেথী স্বৰ্গীয়াৰী, লখিমপুৰ জিলাৰ পৰা অংশগ্ৰহণ কৰি ৰশ্মিতাই ব্যক্তিগত ৪২ কেজি শাখাত ৰূপৰ পদক আৰু বৈহেথীয়ে ব্যক্তিগত ৫২ কেজি শাখাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে তিনিওগৰাকী খেলুৱৈ বৰমা কদমতলা টাইকোৱান-ড' একাডেমীৰ খেলুৱৈ। তেওঁলোকৰ সাফল্যত একাডেমীৰ প্ৰশিক্ষক দ্বীপেন ঠাকুৰীয়া তথা বাগসা জিলা টাইকোৱান-ড' সন্থাৰ ফালৰ পৰা অভিন্দন জ্ঞাপন কৰে।

দক্ষিণ কামৰূপ 'এ' ডিভিজন লীগ

অগ্ৰদূত বাৰ্তা
বকো, ২৯ জুলাই ঃ দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ 'এ' ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত বকো ফুটবল ক্লাব আৰু জনজাতীয় স্প'টিং ক্লাব জয়ী হৈছে। বকো ক্ৰীড়া সন্থাৰ সহযোগত বকো হাইস্কুল খেলপথাৰত চলি থকা লীগৰ আজিৰ প্ৰথম খেলত বকোৱে ইউনাইটেড ফুটবল ক্লাব, ৰামপুৰক ৬-২ গ'লত আৰু দ্বিতীয় খেলখনত জনজাতীয় ক্লাবে জনতা সংঘক ২-১ গ'লত হৰুৱায়।

ট্ৰায়েথলনৰ জৰিয়তে কমনৱেল্ছৰ প্ৰথমটো স্বৰ্ণজয় ইংলণ্ডৰ এলেক্সৰ

নিউজ ব্যুৰ'
বাৰ্মিংহাম, ২৯ জুলাই ঃ বাৰ্মিংহাম কমনৱেল্থ গেমছৰ প্ৰথমটো স্বৰ্ণপদক জয় কৰিলে ইংলণ্ডৰ এথলীট এলেক্স উইয়িয়ে। আজি এলেক্সে পুৰুষৰ ট্ৰায়েথলনত মুঠ ৫০ মিনিট ৩৪ ছেকেণ্ডত তিনিটা বিভাগ সম্পূৰ্ণ কৰি স্বৰ্ণপদক জয় কৰে। উল্লেখ্য যে ২৪ বছৰীয়া এথলীটজনে যোৱা বছৰ অলিম্পিকত উক্ত ইভেণ্টত ৰূপৰ পদক লাভ কৰিছিল। এই প্ৰতিযোগিতাত নিউজিলেণ্ডৰ হেইডেন ৱাইল্ডিয়ে ৰূপ আৰু অষ্ট্ৰেলিয়াৰ মেথিউ হাউজেৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

গ্ৰীষ্মকালীন টেনিছ প্ৰশিক্ষণ শিবিৰ

গুৱাহাটী, ২৯ জুলাই ঃ গুৱাহাটী লন টেনিছ সন্থা (জিএলটিএ)ৰ উদ্যোগত আয়োজিত ১০দিনীয়া গ্ৰীষ্মকালীন টেনিছ প্ৰশিক্ষণ শিবিৰৰ আজি সমাপ্তি হয়। সন্থাৰ অধীনস্থ সাতৰ পৰা ১৬ বছৰ বয়সৰ ২০গৰাকী খেলুৱৈয়ে এই শিবিৰত প্ৰশিক্ষণ গ্ৰহণ কৰে। নেহৰু ষ্টেডিয়ামৰ আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত এই প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰে জিএলটিএ টেনিছ একাডেমীৰ মুখ্য প্ৰশিক্ষক ৰূপম গগৈ আৰু সহকাৰী প্ৰশিক্ষক ছহিদুল ইছলামে। আজিৰ সামৰণি অনুষ্ঠানত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে অসম আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থসাৰথি মহন্ত আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি পুলক গোস্বামী। সন্থাৰ সচিব ভাস্কৰ শৰ্মাই আঁত ধৰা সভাত অতিথিসকলক সম্বৰ্ধনা জনায় সভাপতি কল্যাণ কুমাৰ দাসে। অনুষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰা খেলুৱৈসকলক মানপত্ৰ আৰু পদক প্ৰদান কৰাৰ উপৰি প্ৰশিক্ষকসকলক সম্বৰ্ধনা জনোৱা হয়।

নগাঁও আন্তঃক্লাব ফুটবল

জে বি-ৰেডিয়েণ্ট স্প'টছৰ জয়

অগ্ৰদূত বাৰ্তা
বেবেজীয়া, ২৯ জুলাই ঃ নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নৰ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত জে বি ক্লাবে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবক ৪-১ গ'লত আৰু ৰেডিয়েণ্ট স্প'টছ ক্লাবে ৰেডক্ৰছ ক্লাবক ৩-২ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে, প্ৰথমখন খেলত জে বি ক্লাবৰ হৈ অনুপম কোঁৱৰে হেট্ৰিকসহ চাৰিটাকৈ গ'ল দিয়াৰ বিপৰীতে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবৰ হৈ ৰণবীৰ হাঞ্চেয়ে একমাত্ৰ গ'লটো দিয়ে। এই খেলখন পৰিচালনা কৰাত ৰেফাৰী কল্যাণ বৰুৱাক সহায় কৰে শৈলেন ভূঞা, লক্ষ্যজ্যোতি বৰা আৰু আ'হিদুজ জামানে (চতুৰ্থ)। আনহাতে, দ্বিতীয়খন খেলত ৰেডিয়েণ্ট স্প'টছ ক্লাবৰ হৈ গণেশ টেৰণে দুটা, চুমন কেম্প্ৰাইয়ে এটা গ'ল দিয়াৰ বিপৰীতে ৰেডক্ৰছ ক্লাবৰ পাৰ্থপ্ৰতিম কোঁৱৰ আৰু বছিৰউদ্দিনে ক্ৰমে গ'ল দুটা দিয়ে। এইখন খেল পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে পাৰ্শ্বজ্যোতি দাস, শ্বাহজাহান আলী চৌধুৰী আৰু কৃষ্ণকান্ত দাসে (চতুৰ্থ)। নগাঁও ক্ৰীড়া সংস্থাৰ তৃতীয় ডিভিজনৰ মুঠ সাতটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত এই লীগ আয়োজিত হৈছে।

ৰাহুলৰ পৰিৱৰ্তে সঞ্জু ছেমছন

নিউজ ব্যুৰ'
মুম্বাই, ২৯ জুলাই ঃ ৱেষ্টইণ্ডিজৰ বিপক্ষে আজিৰে পৰা আৰম্ভ হোৱা টি-২০ শৃংখলাৰ বাবে ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে সঞ্জু ছেমছনক। তাৰকা বেটাৰ কে এল ৰাহুল সম্পূৰ্ণৰূপে সুস্থ নোহোৱাৰ পৰিপ্ৰেক্ষিততে তেওঁৰ স্থানত ছেমছনক দলভুক্ত কৰা বুলি বিচিচিআইৰ তৰফৰ পৰা জনাইছে। উল্লেখ্য যে আঘাতৰ বাবে দলৰ বাহিৰত থকা ৰাহুল ৱেষ্টইণ্ডিজ ভ্ৰমণৰ বাবে সাজু হোৱাৰ সময়তে তেওঁ ক'ভিডত আক্ৰান্ত হয়।

টেবুল টেনিছ প্ৰশিক্ষণ শিবিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা
বেবেজীয়া, ২৯ জুলাই ঃ নগাঁও ক্ৰীড়া সংস্থাই যোৱা ২৬ জুলাইৰ পৰা সংস্থাটোৰ ইনড'ৰ ষ্টেডিয়ামত আয়োজন কৰা গ্ৰীষ্মকালীন টেবুল টেনিছ প্ৰশিক্ষণ শিবিৰ আজি উদ্বোধন কৰা হয়। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক প্লাৱন বৰুৱাই আজি সন্ধিয়া মুকলি কৰা এই শিবিৰটোত আইটিটিএফৰ আৰ কে ৰাজেশ কুমাৰ প্ৰশিক্ষকৰূপে থকাৰ লগতে প্ৰাক্তন ৰাজ্যিক খেলুৱৈ ৰঞ্জিৎ সিং আৰু ভৰজ্যোতি দাস সহযোগীৰূপে আছে। নগাঁও ক্ৰীড়া সংস্থাৰ টেবুল টেনিছ শাখাৰ সম্পাদক দেৱজিত দাসে আঁত ধৰা আৰম্ভণি অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰশান্ত কুমাৰ বৰা, অসীম ভাৱাল আৰু সমীৰ হাজৰিকা আদি উপস্থিত থাকে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৪০ৰো অধিক চেমনীয়া খেলুৱৈ (ল'ৰা-ছোৱালী)য়ে ভাগ লোৱা টেবুল টেনিছৰ এডভাঞ্চ প্ৰশিক্ষণ শিবিৰটো অহা ন আগষ্টলৈকে চলিব।

শালবাৰী ফুটবল লীগত সাউদৰভিঠা চেম্পিয়ন

অগ্ৰদূত বাৰ্তা
শালবাৰী, ২৯ জুলাই ঃ বাগ্সাৰ শালবাৰীৰ ষ্টেডিয়ামত শালবাৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা বীৰেণ কুমাৰ উজিৰ আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ 'এ' ডিভিজন লীগত সাউদৰভিঠা দানসৌৰাং স্প'ৰ্টচ ক্লাবে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। আজি অনুষ্ঠিত চূড়ান্ত খেলত সাউদৰভিঠা দানসৌৰাঙে বাঁহবাৰীৰ বীৰছা মুণ্ডা স্প'ৰ্টছ ক্লাবক ৪-০ গ'লত পৰাজিত কৰি চেম্পিয়নশ্বিপ অৰ্জন কৰে। বিজয়ী দলৰ হৈ তিনিটাকৈ গ'ল দি হেট্ৰিক অৰ্জনেৰে প্ৰমোদ দৈমাৰীয়ে চূড়ান্ত খেলত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। আৰম্ভণিতে বিশিষ্ট ক্ৰীড়াবিদ বানেশ্বৰ ব্ৰহ্মাই উদ্বোধন কৰা চূড়ান্ত খেলত শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটি বসুমতাৰী, প্ৰয়াত বীৰেণ কুমাৰ উজিৰৰ সহধৰ্মিনী নৰ্মদা উজিৰ, শালবাৰী ভিচিচিডিচিৰ অধ্যক্ষ বিমল বসুমতাৰী, ক্ৰীড়াবিদ মুকুল চন্দ্ৰ বড়োৱে অতিথিৰূপে উপস্থিত থাকি বিজয়ী দল, বিজিত দল আৰু শ্ৰেষ্ঠ খেলুৱৈক বঁটা সমূহ বিতৰণ কৰে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ৩০ জুলাই, ২০২২ শনিবাৰ পৃষ্ঠা ১৬

বিলাসনন্দন চ'ৰা

ৰাষ্ট্ৰপত্নী-বিতৰ্ক

বৰ বেয়া কথা হৈছে। এই বেয়া কথাটোক লৈ সৰু পৰ্দাৰ বহু ইৰাণীয়ে বৰকৈ চিঞৰ-বাখৰ কৰিছে। মূল কথাটো হ'ল—বহু ইৰাণীয়ে বহু ভাল ভাল কথা ক'লেও তেওঁৰ কথাবোৰক টিভি ছিৰিয়েলৰ ডাইলগ বুলি সৰে ফু মাৰি উৰুৱাই দিয়ে। সকলোৱে ঠাট্টা কৰি কৰি কয়—চাচ ভী কভী বহু থী। বহুৱে কিবা এটা বৰ বেয়া কাম কৰিলে। চছুৱে বেয়া বুলি ক'লে। গিৰীয়েকে বেয়া বুলি ক'লে। ঘৰৰ সৰ মানুহে ক'লে বোলে বহুৱে এয়া বেয়া কাম কৰিছে। কিন্তু চাচে একো নক'লে। কিয় নক'লে? কিয়নো চাচ ভী কভী বহু থী! কিন্তু এইবাৰ যিটো কথাক লৈ বহুৱে খণ্ডাখণ্ডি কৰিছে, তাৰ বহু যুক্তি আছে। তেওঁ হেঁচা মাৰি ধৰি কৈছে— 'এইবোৰ বেয়া কথা হৈছে!' বিৰোধীয়েও ফেপেৰি পাতি সুধিছে— 'কি বেয়া হৈছে!'

ঃ বেয়া কথা কৈছে আপোনালোকে?
ঃ কি বেয়া ক'লো?
ঃ এনেকৈ ক'ব নালাগিছিল।
ঃ কি ক'লো?
ঃ আপোনালোকে ৰাষ্ট্ৰপত্নী বুলি কিয় কৈছে?
ঃ ভুলতে কৈছো।
ঃ মাফ খোজক।
ঃ নোখোজো।
ঃ আপোনালোকে ইচ্ছা কৰি ভুল কৰিছে।
ঃ কি ভুল কৰিছো?
ঃ ৰাষ্ট্ৰপত্নী বুলি কিয় ক'ব?
ঃ মহিলা কাৰণে কৈছো।
ঃ কিয় ক'ব?
ঃ মহিলাসকল কাৰো পতি নহয়, পত্নীহে হয়।
ঃ সেই বুলি পদবীৰ নাম সলাই দিব নেকি?
ঃ আমি পদবীৰ নাম সলোৱা নাই।

ঃ তেন্তে ৰাষ্ট্ৰপত্নী বুলি কিয় ক'ব?
ঃ কনফিউজনত কৈছো।
ঃ কিহৰ কনফিউজন?
ঃ মহিলাক পতি বুলিম নে পত্নী বুলিম, তাৰে কনফিউজন।
ঃ এইবোৰ বাজে কথা।
ঃ আমাৰ মতে মিনিষ্টাৰবোৰৰ ডেজিগনেছন সলাই দিব লাগে, যদিহে মহিলা মিনিষ্টাৰ হয়।
ঃ কি বুলি ক'ব যদিহে মহিলা মিনিষ্টাৰ হয়।
ঃ মহিলা মিনিষ্টাৰ হ'লে মিনিষ্টাৰ বুলি ক'ব নালাগে।
ঃ কি বুলি ক'ব লাগে?
ঃ ছিষ্টাৰ বুলি ক'ব লাগে। যেনে ধৰক—আমাৰ ফাইনেন্স মিনিষ্টাৰ মহিলা। গতিকে তেওঁক ফাইনেন্স ছিষ্টাৰ বুলিব লাগে।

বহু ইৰাণীৰ খং উঠি গ'ল— 'সেইবোৰ নহ'ব। বলক বাদশ্বাহৰ কাষলৈ যাওঁ!' আটায়ে সমিধান বিচাৰি বাদশ্বাহৰ কাষলৈ গ'ল— 'জাহাপনা, এটা সমিধান লাগে!' বাদশ্বাহে দাড়িকোছা হাতেৰে মোহাৰি ক'লে— 'কিহৰ সমিধান লাগে কোৱা?'

বহু ইৰাণীয়ে ক'বলৈ ধৰিলে— 'বিৰোধীবোৰে ৰাষ্ট্ৰপত্নী বুলি কৈছে।'

ঃ শুনিছো।
ঃ এয়া জানো বেয়া কথা হোৱা নাই?
ঃ হৈছে।
ঃ মই কৈছো মাফ খুজিবলৈ। এওঁলোকে নামানে।
ঃ নামানিলে নহ'ব নহয়?
ঃ এওঁলোকে আকৌ কি কৈছে জানে?
ঃ কি কৈছে?
ঃ লেডীজ মিনিষ্টাৰ হ'লে ছিষ্টাৰ বুলি মাতিব বোলে!
ঃ আৰু?
ঃ এম পিবোৰ মহিলা হ'লে এল পি বুলি মাতিব বোলে।
ঃ এল পি মানে?
ঃ লেডীজ অৱ পাৰ্লিয়ামেণ্ট!
ঃ প্ৰাইমিনিষ্টাৰৰ কথা কিবা কৈছে নেকি?
ঃ কৈছে।
ঃ কি কৈছে?
ঃ লেডীজ প্ৰাইমিনিষ্টাৰ হ'লে বোলে ধাইমিনিষ্টাৰ বুলি মাতিব। মানে দেশখনক ধাইৰ দৰে পৰিচৰ্যা কৰিব লাগিব বোলে?

বাদশ্বাহে মুখ গোমোঠাই গুচি গ'ল?

১.৫-৩.৯ নিযুত দূৰত্বৰ তাৰকাৰাজ্যৰ বাহিৰত তৰা সৃষ্টিৰ তথ্য আৱিষ্কাৰ

তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষক অংশুমান বৰগোহাঁইৰ সাফল্য



ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ২৯ জুলাই ঃ তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষক অংশুমান বৰগোহাঁয়ে পৃথিৱীৰ পৰা প্ৰায় ১.৫-৩.৯ নিযুত আলোকবৰ্ষ দূৰত অৱস্থিত দূৰৱৰ্তী নীলা আটিল বাওনা তাৰকাৰাজ্যৰ ছায়াপথৰ সীমাৰ বাহিৰত নতুন তৰা সৃষ্টি হোৱাৰ তথ্য আৱিষ্কাৰ কৰিছে। এই আৱিষ্কাৰ দেশৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ফ্ৰান্সৰ জ্যোতিৰ্বিজ্ঞানীসকলৰ এটা আন্তৰ্জাতিক দলৰ স'তে বৰগোহাঁইসহ এটা অধ্যয়নকাৰী গৱেষক দলৰ এক যৌথ ফলাফল আছিল। এই অধ্যয়নত দেশৰ বহু তৰংগদৈৰ্ঘ্যৰ মহাকাশ পৰ্যবেক্ষণ কেন্দ্ৰ এষ্ট্ৰচেটৰ আল্ট্ৰাভায়োলেট ইমেজিং টেলিস্কোপ ব্যৱহাৰ কৰা হৈছিল। আজি তেজপুৰ বিশ্ব বিদ্যালয়ৰ পৰা প্ৰকাশিত এক বিজ্ঞপ্তিত কোৱা হৈছে যে যোৱা ২০ জুলাইত প্ৰখ্যাত বহুমুখী বিজ্ঞান আলোচনী 'নেচাৰ'ত প্ৰকাশিত অধ্যয়নটোৰ ওপৰত এটা গৱেষণা প্ৰবন্ধৰ মুখ্য লেখক আছিল অংশুমান বৰগোহাঁই। তেওঁ কনক সাহা, ব্ৰুচ এল্মক্সগ্ৰীণ, ৰূপজ্যোতি গগৈ, ফ্ৰানচোৱাচ ক'ম্ব আৰু শ্যাম টেণ্ডন আদিসকল গৱেষকৰ তত্বাৱধানত এই অধ্যয়ন অব্যাহত ৰাখিছে। গৱেষক বৰগোহাঁয়ে এই গৱেষণা তথা অধ্যয়ন সন্দৰ্ভত কয়, 'বাওনা তাৰকাৰাজ্যৰ সমাৱেশ প্ৰক্ৰিয়া ধৰা পেলোৱাটো তাৰকাৰাজ্য গঠন আৰু ক্ৰমবিকাশৰ ছবিখন সম্পূৰ্ণ কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ সংযোগ। কিয়নো এনে তাৰকাৰাজ্যৰ বৈচিত্ৰ্যপূৰ্ণ গুণাগুণে বৰ্তমানৰ তাৰকাৰাজ্য বিৱৰ্তনৰ তাত্ত্বিক আৰ্হিসমূহক প্ৰত্যাহ্বান জনায়।' সাধাৰণতে তাৰকাৰাজ্যৰ দাঁতিকাষৰীয়া অঞ্চলত এনে নতুন তৰাৰ অৱস্থিতিয়ে তাত শেহতীয়াকৈ চলি থকা গেছৰ স্থিতি আৰু বৃদ্ধিয়ে তৰাৰ গঠন প্ৰক্ৰিয়া আৰু তাৰ পৰিপ্ৰেক্ষিতত তাৰকাৰাজ্যৰ আকাৰ বৃদ্ধিত ইন্ধন যোগায়। তেওঁ লগতে প্ৰতিচ্ছবিকৰণ ক্ষমতাৰ ওপৰত আলোকপাত কৰি অতিবেঙুণীয়া ৰশ্মিৰ মানমন্দিৰৰ তালিকাত এক সুকীয়া স্থান দিবলৈ সক্ষম হৈছে। ই বহিৰ্বিশ্বৰ তাৰকাৰাজ্যৰ অধ্যয়ন দিশত নতুন দুৱাৰ মুকলি কৰিছে। তেওঁ কয় যে এই আৱিষ্কাৰ তেওঁৰ পিএইছডি গৱেষণা গ্ৰন্থৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁৰ গৱেষণা জীৱনৰ প্ৰাৰম্ভিক পৰ্যায়তে কৰা এই আৱিষ্কাৰটোৰ ক্ষেত্ৰত আইইউচিএএ আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা পোৱা সমৰ্থন আৰু সুবিধাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

মানাহ ৰাষ্ট্ৰীয় উদ্যানত আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৯ জুলাই ঃ আজি আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস। বিশ্বৰ বিভিন্ন প্ৰান্তত উদ্‌যাপন কৰা হৈছে এই দিৱস। সমান্তৰালভাৱে প্ৰকৃতিৰ ৰম্যভূমি বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানতো জাক-জমকতাৰ মাজেৰে উদ্‌যাপন কৰা হয় আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস। মানাহৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ১৪ টা সংগঠনৰ সন্মিলিত 'গ্ৰেটাৰ মানাহ কনজাৰ্ভেছন এণ্ড টুৰিজ্যিম ডেভলপমেন্ট ছ'চাইটি'ৰ উদ্যোগত মানাহৰ বাঁহবাৰী ৰেঞ্জৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা বাঁহবাৰী ৰেঞ্জ অফিচলৈ এক সজাগতা মূলক সমদল উলিয়াই উদ্‌যাপন কৰা হয় আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস। সমদলৰ সামৰণিত এক বৃক্ষ ৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। আজিৰ এই কাৰ্যসূচীৰ জৰিয়তে 'গ্ৰেটাৰ মানাহ কনজাৰ্ভেছন এণ্ড টুৰিজ্যিম ডেভলপমেন্ট ছ'চাইটি'ৰ সভাপতি বুবুল নাথে কয়, 'আজি আমি ব্যাঘ্ৰ দিৱস পালন কৰিলো। কিছু দিনৰ পৰাই আমি মানাহৰ পৰ্যটকৰ বাবে মাছুল বৃদ্ধি কৰাক লৈ দীৰ্ঘদিনীয়া আন্দোলন অব্যাহত ৰাখিছিলো। আজিও আমি এক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো যদিও কালি পুৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমাৰ আন্দোলনক সঁহাৰি জনাই এক আশ্বাস প্ৰদান কৰিলে। সেয়ে আমি তেওঁক ধন্যবাদ জ্ঞাপন কৰিলো আৰু আজি আমি গণতান্ত্ৰিক আন্দোলনৰ পৰিৱৰ্তে আন্তৰ্জাতিক ব্যাঘ্ৰ দিৱস পালন কৰিছো। উল্লেখ্য যে আগন্তুক পহিলা অক্টোবৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মানাহ ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰিবলৈ আহ্বান জনায়। আজিৰ কাৰ্যসূচীত 'গ্ৰেটাৰ মানাহ কনজাৰ্ভেছন এণ্ড টুৰিজ্যিম ডেভলপমেন্ট ছ'চাইটি'ৰসমূহ বিষয়ববীয়া, কৰ্মকৰ্তাৰসকলৰ লগতে বন বিভাগ, স্থানীয় ৰাইজ আৰু জালাহ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰিতুত্তম বৰা, মানাহৰ বাঁহবাৰী ৰেঞ্জৰ ৰেঞ্জাৰ বাবুল ব্ৰহ্মকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

শিশুসকলৰ দ্বাৰা মঞ্চস্থ হ'ল নাটক 'তেজীমলা'-'জোনাকী মনৰ খৱৰ'

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ২৯ জুলাই ঃ জামুগুৰিহাটৰ অন্যতম নাট্যচৰ্চাৰ অনুষ্ঠান 'আখৰা'ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা নাট কৰ্মশালাৰ কালি সফল সামৰণি পৰে। অঞ্চলটোৰ প্ৰায় দুকুৰিৰো অধিক চেমনীয়া শিশুয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানটোৰ লগত সংগতি ৰাখি যোৱা নিশা জামুগুৰিহাটৰ বাপুজি ভৱন নাট্যমন্দিৰত শিকাৰু চেমনীয়া শিশুসকলৰ দ্বাৰা মঞ্চস্থ কৰা হয় দুখনকৈ শিশু নাট। নাট্যকৰ্মী ৰঞ্জন কুমাৰ দাসৰ পৰিচালনা আৰু পৰিকল্পনাৰে লক্ষ্মীনাথ বেজবৰুৱাৰ বুচীআইৰ সাধুকথাৰ 'তেজিমলা'ক নাট্যৰূপ দি সুন্দৰকৈ চেমনীয়া শিশুসকলে পৰিবেশন কৰাৰ লগতে নাট্যকাৰ ননি মজুমদাৰৰ শিশুনাট 'জোনাকী মনৰ খবৰ' নাটখনো শিশুসকলে সু-ললিতভাৱে পৰিবেশন কৰি উপস্থিত হেজাহ হেজাৰ দৰ্শকক মুগ্ধ কৰি ৰাখিবলৈ সক্ষম হয়। বিশেষকৈ শিকাৰু চেমনীয়া শিশুসকলৰ অভিনয়ৰ লগতে নাট দুখনৰ প্ৰতিটো দিশৰ লগত জড়িত কথনশৈলী, ভংগীমা, প্ৰকাশভংগী আদিবোৰে দৰ্শক ৰাইজক যথেষ্ট আপ্লুত কৰা পৰিলক্ষিত হয়। এককথাত দুয়োখন নাটৰ জৰিয়তে কম সময়ৰ ভিতৰতেই শিকাৰু চেমনীয়া শিশুসকলে বহুখিনি জ্ঞান আয়ত্ব কৰিব পাৰিছে বুলিয়েই মত ব্যক্ত কৰিছে দৰ্শক ৰাইজে। ১৫ দিনীয়া এই প্ৰশিক্ষণকালছোৱাত চেমনীয়া শিশুসকলক নাট কৰ্মশালাৰ প্ৰশিক্ষণটোত প্ৰশিক্ষক হিচাপে নাট্যকাৰ পৰিচালক ৰফিকুল হুচেইন, নাট্যকাৰ তথা সাংস্কৃতিক কৰ্মী ৰঞ্জন কুমাৰ দাস, সহকাৰী প্ৰশিক্ষক হিচাপে অভিজিৎ বৰা, প্ৰাণবল্লভ বৰা, শব্দ প্ৰশিক্ষক হিচাপে ৰক্তিম ৰাজবংশী, মুকাভিনয় প্ৰশিক্ষক হিচাপে পুলক শইকীয়াই প্ৰশিক্ষণ প্ৰদান কৰে। নাট কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক 'আখৰা'ৰ তৰফৰপৰা একোখনকৈ প্ৰমাণপত্ৰও প্ৰদান কৰে উদ্যোক্তাসকলে। কৰ্মশালাখনৰ উপৰি নিশা মঞ্চস্থ কৰা দুয়োখন শিশুনাট উপভোগ কৰি চেমনীয়া শিশুসকলৰ লগতে 'আখৰা'ৰ কৰ্মকৰ্তাসকলক উৎসাহিত কৰা প্ৰতিগৰাকী শুভাকাংক্ষী লোকক কৃতজ্ঞতা জ্ঞাপন কৰে 'আখৰা'ৰ সভাপতি ৰঞ্জন কুমাৰ দাস, সম্পাদক বিপুল বৰাৰ লগতে প্ৰতিগৰাকী বিষয়ববীয়াই। উল্লেখ্য যে অহা ২৮,২৯ আৰু ৩০ অক্টোবৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে 'আখৰা'ৰ ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী উদ্‌যাপন কৰা হ'ব।

সপোনৰ পাছত দৌৰা এজন আদিবাসী যুৱক

■ নেমু টেঙাৰ খেতিৰে আত্মনিৰ্ভৰশীলতাৰ আদৰ্শ গঢ়িছে ডিমাকুছিৰ চঞ্চুক চৰৱে

অগ্ৰদূত বাৰ্তা

টংলা, ২৯ জুলাই ঃ চৰকাৰী চাকৰিৰ পাছত নদৌৰি কৃষি কৰ্ম নতুবা অন্যান্য কৰ্ম সংস্থাপনৰে আত্মনিৰ্ভৰশীল হোৱা সমাজত বহু উদাহৰণ আছে। কিন্তু ইয়াৰ বিপৰীতে হাতী-মানুহৰ সংঘাতেৰে জৰ্জৰিত ভাৰত-ভুটান সীমান্তৰ্তী ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৰে অতি দুৰ্গম অঞ্চলত নেমু টেঙাৰ খেতিৰে আত্মসংস্থাপনৰ জীৱিকা বাছি লোৱা আদিবাসী যুৱক বহুজনৰ ব্যতিক্ৰম। জিলাখনৰ হৰিশিঙা ৰাজহ চক্ৰৰ তিনি নম্বৰ উত্তৰ ডিমাকুছিৰ কালা নদীৰ পাৰত চঞ্চুক চৰৱে নিজৰ ঘৰৰ ছবিঘা ম্যাদী মাটিত আকৰ্ষণীয় ৰূপত গঢ়ি তুলিছে নেমু বাগিচা। এটকাও চৰকাৰী ৰাজসাহায্য লাভ নকৰা চৰৱে নিজৰ গাঁঠিৰ ধন ভাঙি গঢ়া নেমু বাগিচাখনত কে'বাটাও প্ৰজাতিৰ প্ৰায় তিনিশজোপা কাজি নেমুৰ লগতে প্ৰায় দুশ জোপা গোল নেমু ৰোপণ কৰিছে। ইয়াৰ উপৰি নেমু বাগিচাখনৰ চৌপাশে ৰোপণ কৰা চেগুন, তিতা চঁপা আৰু মেঘগণি গছৰ সৌন্দৰ্যই অধিক আকৰ্ষণীয় কৰি তুলিছে নেমু বাগিচাখন। আজিৰ পৰা প্ৰায় চাৰি বছৰ পূৰ্বে ৰোপণ কৰা কাজি নেমুৰ গছসমূহত এতিয়া লমালমে ফল ধৰিছে বিভিন্ন প্ৰজাতিৰ কাজি নেমু। বিগত বছৰৰ লগতে এইবেলিও চঞ্চুক চৰৰৰ নেমু বাগানৰ কাজি নেমু স্থানীয় ডিমাকুছি আৰু টংলাৰ বজাৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। কাজি নেমু আৰু গোল নেমু উৎপাদনৰ লগতে নেমু বাগিচাৰে এটা অংশ ক্ষুদ্ৰকৈ হ'লেও নেমুৰ নাৰ্ছাৰী গঢ়ি তোলাৰ প্ৰস্তুতি চলাইছে উদ্যমী যুৱ কৃষক চৰৱে। যুৱ খেতিয়ক চৰৱে ডিমাকুছিৰ লগতে টংলাত ধান খেতিৰেও স্বাবলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে। ওদালগুৰি জিলা কৃষি বিভাগৰ ডিমাকুছিস্থিত মহকুমা কৃষি বিষয়া কাৰ্যালয়ৰ নিকটৱৰ্তী হোৱা সত্বেও বিভাগীয়ভাৱে লাভ কৰা নাই কোনো ৰাজসাহায্য আৰু সুবিধা। কাজি নেমুৰ যথেষ্ট চাহিদা থকাৰ পাছতো যোগাযোগৰ সু-ব্যৱস্থা নথকাত আৰু জিলা কৃষি বিভাগৰ অমনোযোগিতাৰ ফলত উপযুক্ত মূল্য লাভৰ পৰা বঞ্চিত হৈছে যুৱ কৃষক ছবৰ। যিটো সময়ত অসমৰ নেমু টেঙাই বিদেশৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে তেনে সময়ত চঞ্চুক চৰৰৰ দৰে নেমু খেতিয়ক বঞ্চিত হোৱাটো পৰিতাপৰ বিষয়। চৰৰৰ দৰে যুৱ আদৰ্শ খেতিয়কক ওদালগুৰি জিলা কৃষি বিভাগৰ লগতে কৃষি গৱেষণা কেন্দ্ৰই গুৰুত্ব সহকাৰে উৎসাহিত আৰু অনুপ্ৰেৰণা দিয়াটো নিতান্তই প্ৰয়োজনীয়, তেতিয়াহে জিলাখনত চৰৰৰ দৰে আৰু যুৱ খেতিয়কৰ সৃষ্টি হ'ব।

থাইলেণ্ডলৈ বকতা-খালৈঘোগুৰাৰ তাই সাংস্কৃতিক দল

অগ্ৰদূত বাৰ্তা

চেপন, ২৯ জুলাই ঃ চুবুৰীয়া ৰাষ্ট্ৰ থাইলেণ্ডৰ বেংকক চহৰৰ চেণ্ট্ৰেল ৱৰ্ল্ডত আজিৰে পৰা অনুষ্ঠিত দ্বিতীয় নৰ্থ-ইষ্ট ইণ্ডিয়া ফেষ্টিভেলত তাই আহোমসকলৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ বাবে অবিভক্ত শিৱসাগৰ জিলাৰ বকতা আৰু খালৈঘোগুৰা মৌজাৰ ১১ জনীয়া এটা তাই সাংস্কৃতিক দল আজি থাইলেণ্ড অভিমুখে ৰাওনা হৈছে। আজি নিশা থাইলেণ্ডত উপস্থিত হ'বলগীয়া সাংস্কৃতিক দলটোৱে অহা ৩০ আৰু ৩১ জুলাইৰ সাংস্কৃতিক কাৰ্যসূচীৰ লগতে পিপুল টু পিপুল এক্সে মীটত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহনৰ পৃষ্ঠপোষকতাত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ণ কেন্দ্ৰৰ তাই ভাষা শিক্ষক মেদিনী মাধৱ মহনৰ নেতৃত্বত যোৱা দলটোত আছে কণ্ঠশিল্পী দেৱজ্যোতি ফুকন, দ্বীপেন বৰুৱা, অনিল কুমাৰ গগৈ, ফেমাছ ফুকন, দুলেন ফুকন, দীপাংকৰ ফুকন, বন্দনা মহন, হিমাদ্ৰী মহন, বৈশালী মহন আৰু নীলোৎপল মহন। তদুপৰি উত্তৰ-পূবৰ বহুকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু জ্যেষ্ঠ মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব লগা ফেষ্টিভেলখনলৈ কেবিনেট মন্ত্ৰী যোগেন মহন, তাই আহোম উন্নয়ন পৰিষদৰ সদস্য সুনীল কুমাৰ গগৈ, তৰুণ অভিনেত্ৰী তথা মডেল ধ্যানী মহন, ইমন বৰফুকন আৰু মেঘনা গগৈয়েও সাংস্কৃতিক দলটোৰ স'তে থাইলেণ্ডলৈ যাত্ৰা কৰিছে। উল্লেখ্য যে ফেষ্টিভেলত অসমৰ চাহ, বিভিন্ন হস্তশিল্পৰ সামগ্ৰীকে ধৰি উত্তৰ-পূবৰ বিভিন্ন থলুৱা সামগ্ৰী, বিচিত্ৰ খাদ্য সম্ভাৰৰ লগতে তাই আহোম, তাই খামতিসকলৰ উপৰি উত্তৰ-পূবৰ সকলো ৰাজ্যৰ ঐতিহ্যপূৰ্ণ সংস্কৃতি, সাজ-পাৰ আদি প্ৰদৰ্শন কৰা হ'ব। ফেষ্টিভেলখনে ব্যৱসায়-বাণিজ্য-পৰ্যটন আৰু মানুহৰ মাজত সম্পৰ্ক স্থাপনত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

যোগমায়া বড়া স্মাৰক শৈক্ষিক কল্যাণ সমিতিৰ বামুণবাৰীত সত্ৰীয়া নৃত্য-অভিনয়ৰ কৰ্মশালা

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২৯ জুলাই ঃ সংগীত নাটক একাডেমীৰ সংস্থা সত্ৰীয়া কেন্দ্ৰ, গুৱাহাটীৰ সহযোগত আৰু যোগমায়া বড়া স্মাৰক শৈক্ষিক কল্যাণ সমিতিৰ উদ্যোগত বামুণবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আতিথ্যত ১০ দিনীয়া কাৰ্যসূচীৰে এই সত্ৰীয়া নৃত্য আৰু অভিনয়ৰ কৰ্মশালা সম্পন্ন হয়। সংগীত নাটক একাডেমী ওস্তাদ বিচমিল্লাহ খাঁ বঁটাপ্ৰাপক শিল্পী নৰেন চন্দ্ৰ বৰুৱাই প্ৰশিক্ষণ প্ৰদান কৰা এই কৰ্মশালাত বিভিন্ন বয়সৰ ৫৭ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত তেওঁলোকৰ কলা পৰিবেশন কৰে। কৰ্মশালাৰ কেউটাদিনতে প্ৰশিক্ষক নৰেন্দ্ৰ চন্দ্ৰ বৰুৱাক সক্ৰিয় সহযোগিতা আগবঢ়ায় প্ৰশিক্ষণ সহযোগী পংকজ তামুলী, কৰ্মশালা সমন্বয়ক দীপ্তি সোণোৱাল, কাৰ্যনিৰ্বাহক সদস্য কৃষ্ণমণি গগৈ আৰু কল্যাণ সমিতিৰ আবৃত্তি আৰু কথন কলা কেন্দ্ৰৰ অধ্যক্ষ নৰকান্ত গগৈয়ে। বামুণবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ছন্দেশ্বৰ গগৈৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু কল্যাণ সমিতিৰ সভাপতি সুখীধৰ শইকীয়াৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সামৰণি অনুষ্ঠানটোৰ উদ্বোধন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° গোপাল হাজৰিকাই কয় যে মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টিৰাজিক ভিন্নভাষী আৰু ভিন্ন জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ মাজত প্ৰণালীবদ্ধভাৱে শিক্ষাদান আৰু অনুশীলন কৰাবলৈ উদ্যোক্তাসকলে গ্ৰহণ কৰা এই পদক্ষেপ সুদূৰপ্ৰসাৰী আৰু সমাজৰ প্ৰতি শুভচিন্তনৰ এক প্ৰেৰণাদায়ক নিদৰ্শন। শিক্ষয়িত্ৰী যোগজানী ফুকনৰ এটি বৰগীতেৰে আৰম্ভ হোৱা সাংস্কৃতিক কাৰ্যসূচীত প্ৰশিক্ষক নৰেন চন্দ্ৰ বৰুৱাৰ পৰিচালনাৰে প্ৰশিক্ষাৰ্থীসকলে মাটি-আখৰা, সত্ৰীয়া নৃত্যৰ প্ৰাথমিক শৈলীৰ লগতে শ্ৰীশ্ৰীমাধৱদেৱৰ 'দধি মথন' নাটৰো কিয়দংশ প্ৰদৰ্শন কৰে আৰু এই সমগ্ৰ কাৰ্যসূচীতে গীত আৰু সংগীতেৰে সহযোগিতা আগবঢ়ায় শিল্পী বিতুল দুৱৰী, পংকজ তামুলী, মূৰ্ছনা বড়া আৰু শ্যামকানু ফুকনে। এই অনুষ্ঠানতে অশ্লেষা ফুকনৰ নৃত্য আৰু মাণিক চন্দ্ৰ বড়াৰ পৰিচালনাত শিশু শিল্পী স্বৰ্ণীম বড়া আৰু শুভ্ৰনীল নাথে আগবঢ়োৱা খোলবাদনে সকলোকে আপ্লুত কৰে। কল্যাণ সমিতিৰ সম্পাদক ড° বিনোদ চন্দ্ৰ বড়াই সামৰণি অনুষ্ঠানটো আঁতধৰাৰ লগতে ২০১৬ৰ পৰা বৰ্তমানলৈকে বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়াই অহা সেৱাসমূহৰ এটি চমু খতিয়ান দাঙি ধৰে। বহু বিশিষ্ট ব্যক্তিৰ উপস্থিতিৰে সমাপন হোৱা এই অনুষ্ঠানৰ অভ্যাগতসকলক কৃতজ্ঞতা জনায় বামুণবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সতীশ চুতীয়াই। ইয়াৰ পূৰ্বে ১৯ জুলাইত পাপৰি গগৈৰ পৰিচালনাৰে অনুষ্ঠিত এই ১০ দিনীয়া কৰ্মশালাৰ আৰম্ভণি অনুষ্ঠানত উদ্বোধক আৰু বিশিষ্ট অতিথিৰূপে অংশ লয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপকদ্বয় ক্ৰমে যাদৱ বড়া আৰু মৃণাল কুমাৰ বৰুৱাই। উল্লেখ্য যে যোগমায়া বড়া স্মাৰক শৈক্ষিক কল্যাণ সমিতিৰ পৰৱৰ্তী কাৰ্যসূচী হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্মী সম্ভাৰ স'তে যৌথ উদ্যোগত অহা তিনি আগষ্টৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে পুনেৰ বিশিষ্ট বাঁহীবাদক হিমাংশু নন্দাৰ তত্বাৱধানত এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাঁহীৰ কৰ্মশালা অনুষ্ঠিত হ'ব।

লখিমপুৰ জিলা কংগ্ৰেছ-নাওবৈচা যুৱ কংগ্ৰেছৰ স্মৃতি ইৰাণীৰ প্ৰতিকৃতি দাহ

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ২৯ জুলাই ঃ লখিমপুৰ জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত আৰু নাওবৈচা সমষ্টিৰ যুৱ কংগ্ৰেছৰ সহযোগত কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীক সংসদ ভৱনত দুৰ্ব্যৱহাৰ কৰাৰ প্ৰতিবাদত আজি নাওবৈচা দলহাট তিনিআলিত স্মৃতি ইৰাণীৰ প্ৰতিকৃতি দাহ কৰা হয়। উল্লেখ্য যে লখিমপুৰ জিলা যুৱ কংগ্ৰেছ আৰু নাওবৈচা সমষ্টিৰ যুৱ কংগ্ৰেছৰ নেতৃবৰ্গ মিলিত হৈ স্মৃতি ইৰাণীয়ে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীক কৰা দুৰ্ব্যৱহাৰৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত মিলিত হৈ কংগ্ৰেছ নেতাসকলে হাতে হাতে প্ৰতিবাদৰ লিখিত প্লেকাৰ্ড লৈ তী